# কৰণি

প্ৰথম বছৰ দ্বিতীয় সংখ্যা
এপ্ৰিল ২০২২, চ'ত ১৯৪৪ শক

**সম্পাদনা সমিতি ঃ**

উপদেষ্টা
ডাঃ বিৰাজজ্যোতি গোস্বামী

সম্পাদক
ৰাতুল বৰুৱা

সদস্য
মদন চন্দ্ৰ ডেকা
তপোধন দাস
পূৰ্ণেন্দু শৰ্মা
ড° অৰুণাভা ভূঞা
ৰত্ন কান্ত শৰ্মা
ডাঃ কঙ্কন শৰ্মা
ছাহ আলম

প্ৰকাশক ঃ
**AASTHA** (Alumni Association for Social Transformation and Harmony, Assam; Cottonion PU)

পঞ্জীয়ন নং ঃ RS/KAM(M)/263/5/29

মূল্য ঃ ৩০.০০ টকা

বেটুপাত ঃ ইফতিছাম নাছৰিন
স্কেচ্চ ঃ ইণ্টাৰনেট

মুদ্ৰণ ঃ
শ্ৰীগণেশ প্ৰিণ্টাৰ্ছ, নুনমাটি, গুৱাহাটী-২০

**এই সংখ্যাত**

*প্ৰবন্ধ*

- উপশমী চিকিৎসাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা/৪
  ডাঃ দীনেশ চন্দ্ৰ গোস্বামী
- মুলাগাভৰু ঃ অসম বুৰঞ্জীৰ এক অবিস্মৰণীয় চৰিত্ৰ/৮
  হিৰণ্য বৰা
- চাইবাৰ অপৰাধ আৰু সুৰক্ষা /১৪
  পল্লৱ ভট্টাচাৰ্য্য
- সমকালীন অসমীয়া আলোচনীত ২০২২ চনৰ জানুৱাৰি মাহত প্ৰকাশিত গল্প ঃ এটি চমু অৱলোকন/১৭
  মদন চন্দ্ৰ ডেকা
- মৎস্যগন্ধা ঃ এগৰাকী প্ৰান্তীয় নাৰীৰ আত্মপৰিচয়ৰ সন্ধান/২৪
  ড° বিনীতা বৰা দেৱচৌধুৰী
- উত্তৰ-পূব ভাৰতৰ সাহিত্য ঃ ৰাজনৈতিক, সাংস্কৃতিক আৰু থলুৱা পৰিচিতিৰ এক প্ৰতিনিধিত্ব/২৮
  ড° অৰুণাভা ভূঞা
- অলিম্পিয়া অকাডেমি আৰু আইনষ্টাইনৰ বিস্ময়কৰ এটা বছৰ/৩১
  ড° পৱন চহৰীয়া
- ব্ৰহ্মপুত্ৰ ঃ অসমৰ উন্নয়ন আৰু প্ৰাচুৰ্য্যৰ আহিলা- এক ধাৰণা/৩৬
  তপোধন দাস
- আলপনা ঃ এক অনুপম প্ৰাচীন লোকশিল্প/৪৫
  মীনাক্ষি ৰায় ডাকুৱা
- অসমীয়া জিকিৰ গীত/৪৯
  ফাইজুৰ ৰহমান

## অভিজ্ঞতা

- বাৰ্ধক্য - আশীৰ্বাদ নে অভিশাপ ?/৩৪
  ড° চন্দনা চৌধুৰী বৰুৱা
- স্তব্ধ হৃদয়/৫১
  ডাঃ অমিয় কুমাৰ শৰ্মা

## কবিতা

- উত্তৰ-গণতন্ত্ৰ/৫৪
  হৰেকৃষ্ণ ডেকা
- কোনেও নজনাকৈ/৫৫
  ডাঃ অগস্ত্য বৰুৱা
- নিৰৱধি, স্তুতি/৫৫
  পূৰ্ণেন্দু শৰ্মা
- কাইলৈ আপুনি ক'ত থাকিব /৫৬
  প্ৰণৱ কুমাৰ বৰ্মন
- নিয়ৰৰ দিন /৫৭
  ডাঃ কঙ্কন শৰ্মা
- লিহিৰী সপোনৰ বাট /৫৭
  ৰত্ন কান্ত শৰ্মা
- মোৰোকডলাৰ দুপৰীয়া /৫৮
  অৰ্ণৱ জান ডেকা
- চকুৰ পতাত /৫৮
  শৰৎ বৰকাকতি

## গল্প

- মন পলাশৰ ৰং/৫৯
  দিলীপ বৰা
- অবিৰত যাত্ৰা/৬৯
  ৰাতুল বৰুৱা

## চিনেমা

- অসমীয়া চলচ্চিত্ৰৰ গতিধাৰা /৭৩
  উৎপল দত্ত

# সম্পাদকীয়

ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত ২২ টা প্ৰধান ভাষা অন্তৰ্ভুক্ত হৈ আছে। সেইসমূহ ভাষাৰ বাহিৰেও কেইবা শতাধিক ভাষাৰ আমাৰ দেশত চলতি আছে। তদুপৰি শতাধিক এনে ভাষা আৰু উপভাষা আছে যিবিলাকৰ বিলুপ্তি প্ৰায় নিশ্চিত হৈ পৰিছে। এই ভাষাসমূহৰ সংৰক্ষণৰ বাবে দুখন কেন্দ্ৰীয় আঁচনি আছে। যদিহে আঁচনি দুখনৰ সফল ৰূপায়ন হয় আৰু দায়িত্বত থকা ব্যক্তি, অনুষ্ঠান, প্ৰতিষ্ঠান সমূহৰ সদিচ্ছাৰ অভাৱ নহয় তেন্তে বহু জনগোষ্ঠীয়ে মুখৰ মাতষাৰ হেৰুৱাবলগীয়া নহ'ব। এই ভাষা আৰু উপভাষা সমূহৰ এনেকুৱা এটা অৱস্থা এদিনতে হোৱা নাই। বহু কাৰণত শ শ বছৰৰ এটা দীঘলীয়া পৰিক্ৰমাৰ পাচতহে সংৰক্ষণ কৰিবলগীয়া অৱস্থা এটাৰ সৃষ্টি হৈছে। নিজৰ ভাষাটো কোৱা বা চৰ্চা কৰা লোকৰ সংখ্যা কমি যোৱা আৰু ইংৰাজী বা অন্য প্ৰধান ভাষা কিছুমানৰ আগ্ৰাসনো এই ভাষা বা উপভাষা সমূহৰ অৱক্ষয়ৰ অন্যতম প্ৰধান কাৰক বুলি গণ্য কৰিব পাৰি।

বিলুপ্তিৰ মুখলৈ আগবঢ়া অন্য ভাষাসমূহৰ এই সংকটৰ সময়ত আমাৰ মাতৃভাষা অসমীয়াৰো বৰ্তমানৰ অৱস্থাটো মন কৰিবলগীয়া। দ্ৰুতগতিত অসমীয়া ভাষা কোৱা আৰু চৰ্চা কৰা লোকৰ সংখ্যা কমি আহিছে। অসমৰ চাহমজদুৰ, আদিবাসী আৰু চৰ অঞ্চলৰ বাসিন্দাসকলে যদি মাতৃভাষা অসমীয়া বুলি চিনাকি দিবলৈ অস্বীকাৰ কৰে আৰু লোকপিয়লত নিজৰ মাজত কথিত ভাষাকে মান্যভাষা বুলি চৰকাৰী নথিত লিপিবদ্ধ কৰে তেতিয়া অসমীয়াভাষী লোকৰ সংখ্যা মন কৰিবলগীয়াকৈ কমিব। পূৰ্বতে অৰুণাচল প্ৰদেশত অসমীয়া ভাষাৰ প্ৰাধান্য আছিল। ফলশ্ৰুতিত প্ৰয়াত লুম্মেৰ দাইৰ দৰে বৰেণ্য সাহিত্যিকৰ সৃষ্টি হৈছিল আৰু য়েচে দৰজে ঠংচিৰ দৰে শক্তিশালী লেখকে অসমীয়া সাহিত্যত এখন সুকীয়া আসন উলিয়াই লৈছে। কিন্তু অৰুণাচলে হিন্দীক চৰকাৰী ভাষা হিচাপে সাবটি লোৱাত তাত অসমীয়া ভাষাৰ চৰ্চা কমি গ'ল। আনকি অসমৰ ভিতৰতে বিভিন্ন জনগোষ্ঠীৰ নিজৰ নিজৰ মাতৃভাষাত প্ৰাথমিক শিক্ষাগ্ৰহণ কৰিবলৈ ব্যৱস্থা থকাত সেইসকলৰ মাজতো অসমীয়া ভাষাৰ প্ৰচলন কমি গ'ল আৰু চৰ্চাও প্ৰায় নোহোৱা হ'ল।

আটাইতকৈ দুখলগা কথাটো হ'ল অসমীয়া মাতৃভাষা হোৱা সত্ত্বেও নতুন প্ৰজন্মৰ বৃহৎ সংখ্যকৰ মাতৃভাষাটো কোৱা আৰু চৰ্চা কৰাত অনীহা। বিশ্বায়নৰ দোহাই দি তেওঁলোকে ইংৰাজী ভাষাক প্ৰাধান্য দিয়ে। তাত আমাৰ আপত্তি থাকিব নোৱাৰে কাৰণ এটা সময়ত ঘৰৰ ভাত খাই চাকৰি, ব্যৱসায় কৰাৰ যি প্ৰৱণতা আছিল সেয়া আজিৰ সময়ত সম্ভৱ নহয়। মেধা আৰু প্ৰতিভাৰ স্বাক্ষৰ ৰাখি নিজক প্ৰতিষ্ঠা কৰিবলৈ সমগ্ৰ বিশ্বকে এখন গাঁৱৰ লগত তুলনা কৰি নতুন চাম বিশ্বৰ বিভিন্ন কোণত সংস্থাপিত হৈছে। পিছে নিজকে এটা জাতি হিচাবে চিনাকি দিবলৈ নিজৰ মাতৃভাষাত কথা এষাৰ ক'বলৈ যদি অনীহা প্ৰকাশ কৰে তেন্তে উত্তৰকালত ভাষাটো কোনে ধৰি ৰাখিব? বিভিন্ন কাকত-পত্ৰ, আলোচনীত লিখি থকাসকলক লক্ষ্য কৰিলে দেখা যায় তেওঁলোক অসমীয়া মাধ্যমত পঢ়া-শুনা কৰা। গ্ৰন্থকাৰসকলৰ সকলোৰে পঢ়া-শুনাৰ মাধ্যম অসমীয়া। ইংৰাজী মাধ্যমত পঢ়া-শুনা কৰা সকলৰ বহুতেই তলৰ পৰ্য্যায়ত পঢ়োঁতে যি জ্ঞান আহৰণ কৰিলে পিছৰ পৰ্য্যায়ত তাৰ উত্তৰণ ঘটাবলৈ ইচ্ছুক নহয়। ফলস্বৰূপে তেওঁলোকে সাৱলীলভাৱে ভাষাটো লিখিব নোৱাৰে। অভিভাৱকসকলেও এই কথাটোত বিশেষ গুৰুত্ব আৰোপ নকৰাত এটা সময়ত তেওঁলোকৰ লেখা-মেলাৰ মাধ্যম কেৱল ইংৰাজীহে হয়।

কিন্তু এনে কিছুমান ভাষা আমাৰ দেশতে আছে যিবিলাকৰ গুৰি অতি শক্তিশালী, কাৰণ তেওঁলোক নিজৰ ভাষাটোৰ প্ৰতি অতি সতৰ্ক। যেনে- মাৰাঠী, তামিল, তেলেগু, গুজৰাটী, বাংলা আৰু মালায়ালম আদি। তেওঁলোকৰ নতুন প্ৰজন্ময়ো ইংৰাজী মাধ্যমত পঢ়ে আৰু বিশ্বৰ বিভিন্ন দেশত তেওঁলোকৰ অৱস্থিতি ঈৰ্ষণীয়ভাৱে আমাতকৈ বেছি। কিন্তু নিজৰ ভাষাটোৰ প্ৰতি তেওঁলোক অতিকৈ সচেতন।

গতিকে সময় থাকোতেই যদি যথোপযুক্ত ব্যৱস্থা লোৱা নহয় তেন্তে অসমীয়া ভাষাটোও এশ বা দুশ বছৰৰ পাচত এটা বিলুপ্তপ্ৰায় ভাষা হ'ব। বৰ্তমান সময়ত অসমৰ খাময়াং, চিংফৌ, ফাকিয়াল, বাইটে আৰু খামটি আদি ভাষাৰ সংৰক্ষণৰ বাবে যি ব্যৱস্থা ল'ব লগা হৈছে দুশ বছৰৰ পাচত অসমীয়া ভাষাৰ একে অৱস্থা নহওক যাতে।

২ এপ্ৰিল, ২০২২

**ৰাতুল বৰুৱা**

প্ৰবন্ধ

# উপশমী চিকিৎসাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা

ডাঃ দীনেশ চন্দ্ৰ গোস্বামী

**উপশমী পৰিচৰ্য্যা কি**

চিকিৎসা বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰে মানুহক দীৰ্ঘায়ু কৰাৰ লগতে সু-স্বাস্থ্যৰে জীৱন যাপনত সহায় কৰি আহিছে। পেলিয়েটিভ্ কেয়াৰ বা উপশমী পৰিচৰ্য্যাৰ ধাৰণাটো সম্পূৰ্ণ নতুন নহয়। পুৰণি চিন্তাৰ উত্তৰণ হৈ জীৱনৰ সংশয় থকা ৰোগীসকলৰ বাবে এই ব্যৱস্থাই যথেষ্ট অৰ্থবহ আৰু উপযুক্ত ব্যৱস্থাপনা হিচাপে সমাদৰ লাভ কৰিছে। উপশমী পৰিচৰ্য্যাৰ লক্ষ্য হ'ল ৰোগীয়ে সন্মুখীন হোৱা শাৰীৰিক, মানসিক, সামাজিক আৰু আধ্যাত্মিক আদি দিশৰ সমস্যাবোৰৰ যথাসম্ভৱ সমাধানৰ পথ অৱলম্বন কৰি ৰোগীৰ লগতে পৰিয়ালৰো জীয়াই থকাৰ মানদণ্ড অক্ষুণ্ণ ৰখাত সহায় কৰা। ইয়াৰ উপৰিও মৃত্যুজনিত শোকতো সহায় আগবঢ়োৱা অন্যতম কাম। গূঢ়াৰ্থ হ'ল– ৰোগ যিয়েই নহওক, সুন্দৰভাৱে জীৱন নিৰ্বাহ কৰক, সুন্দৰেৰে মৃত্যুকো আকোৱালি লওক। কেন্সাৰ ৰোগ প্ৰতিৰোধৰ অন্যতম ব্যৱস্থা হিচাপে স্বীকৃত উপশমী পৰিচৰ্য্যাৰে বিষ-যন্ত্ৰণা চিকিৎসাৰ উপৰিও বিষ-যন্ত্ৰণাৰ প্ৰতিৰোধ কৰিব পাৰি। য'ত যন্ত্ৰণা থাকে, তাতেই উপশমী পৰিচৰ্য্যা প্ৰাসঙ্গিক।

**উপশমী পৰিচৰ্য্যা কাৰ বাবে?**

বিশ্ব স্বাস্থ্য সংস্থাই আগবঢ়োৱা উপশমী পৰিচৰ্য্যাৰ সংজ্ঞামতে যিসকল ৰোগীৰ ৰোগ আৰোগ্যৰ সম্ভাৱনা নোহোৱা হৈছে আৰু ৰোগীৰ জীৱনকাল কেইটামান মাহ বা সপ্তাহত সীমিত হৈছে, তেনে ৰোগীৰ পৰিচৰ্য্যাকেই বুজায়। যেতিয়া কোনো ৰোগীৰ ৰোগ নিৰাময়ৰ কোনো উপায় নাথাকে, তেতিয়া ৰোগৰ কষ্টকৰ লক্ষণসমূহৰ পৰা ৰোগীক মুক্ত কৰি ৰখাৰ ব্যৱস্থাই হ'ল উপশমী পৰিচৰ্য্যা। উপশমী পৰিচৰ্য্যা যদিও কেন্সাৰ ৰোগৰ চিকিৎসাৰ মাজেৰেই আত্মপ্ৰকাশ কৰিছিল, পৰৱৰ্তী সময়ত ইয়াৰ বিস্তৃত পৰিসৰে অন্য সম্পূৰ্ণকৈ ভাল নোহোৱা ৰোগ যেনে- এইড্‌চ, হাত-ভৰি পাৰালাইচিচ্, ষ্ট্ৰোক, দীঘলীয়া হাৰ্ট, হাঁওফাঁও, লিভাৰ আৰু বৃক্কজনিত ৰোগ আৰু বৃদ্ধাৱস্থাকো সামৰি লৈছে। এনে পৰিচৰ্য্যাক নন-কেন্সাৰ পেলিয়েটিভ্ কেয়াৰ বুলি কোৱা হয়। সমাজত নন-কেন্সাৰ

পেলিয়েটিভ্ কেয়াৰ লগা ৰোগীৰ সংখ্যা কেন্সাৰ পেলিয়েটিভ্ কেয়াৰ লগা সংখ্যাতকৈ দুগুণৰো বেছি হ'ব।

**পেলিয়েটিভ্ কেয়াৰ সক্ৰিয় চিকিৎসা সেৱা**

পেলিয়েটিভ্ কেয়াৰৰ ধ্যান ধাৰণা যেতিয়া চিকিৎসা শাস্ত্ৰলৈ আহিছিল, তেতিয়া ৰোগীসকলক জনাই দিয়া হৈছিল– "আৰু একো কৰিব নোৱাৰি"। যদিও বহু চিকিৎসকে এই ধাৰণাৰ পোষকতা আজিও কৰি আছে, এনে প্ৰতিক্ৰিয়াই চিকিৎসা বিজ্ঞানৰ ব্যৰ্থতাকে সূচাইছিল। আজি পট পৰিৱৰ্তন হৈছে। এনেবোৰ ভাষ্যৰ প্ৰতিক্ৰিয়া হিচাপে গঢ় লৈ উঠা পেলিয়েটিভ্ কেয়াৰ ব্যৱস্থা এক সফল সক্ৰিয় ব্যৱস্থাপনা। চিকিৎসকৰ কৰ্তব্যৰ নীতিবাক্য (হিপোক্ৰেটিচৰ) হ'ল– "ৰোগৰ পৰা আৰোগ্য কৰিব পাৰি কেতিয়াবা, লক্ষণৰ পৰা মুক্ত কৰিব পাৰি মাজে সময়ে, আৰাম দিব পাৰি সৰ্বদাই।" জীৱনৰ মানদণ্ড ৰক্ষাৰ বক্তব্যটো সম্পূৰ্ণ হ'ব, যদিহে জীয়াই থকাৰ লগতে জীৱনাৱসানৰ প্ৰক্ৰিয়াটোও উন্নত মানবিশিষ্ট হয়। অৰ্থাৎ ৰোগগ্ৰস্তৰ শৰীৰ আৰু মনৰ প্ৰতি সম্ভ্ৰমসূচক মৰ্য্যাদাই গুৰুত্ব পাব লাগে।

**উপশমী পৰিচৰ্য্যাৰে লাভান্বিত হ'ব কোন?**

উপশমী পৰিচৰ্য্যা ৰোগকেন্দ্ৰিক নহৈ পৰিয়ালকেন্দ্ৰিক হয়। দীৰ্ঘদিনৰ বাবে আক্ৰান্ত হৈ থকা কেন্সাৰ ৰোগীসকলৰ ক্ষেত্ৰত ৰোগতকৈ ৰোগৰ প্ৰভাৱে আনি দিয়া কষ্টসমূহে বেছিকৈ জুৰুলা কৰে, পৰিয়ালো সমানেই প্ৰভাৱিত হয়, কাৰণ কেন্সাৰৰ চিকিৎসা ব্যয়বহুল। এই ক্ষেত্ৰত কেৱল ৰোগটো চিকিৎসা কৰিলে সুফল লাভ কৰিব পৰা নেযায়। গতিকে, ৰোগী আৰু পৰিয়ালকে একগোট হিচাপে চিকিৎসা সেৱা আগবঢ়াব পাৰিলেহে পেলিয়েটিভ্ কেয়াৰৰ উপযুক্ত লক্ষ্যত উপনীত হ'ব পৰা যাব। উপশমী পৰিচৰ্য্যা কম খৰচী আৰু ৰোগী, পৰিয়ালৰ পছন্দমতে নিৰ্বাচন কৰি ল'ব পাৰি। গতিকে, এই ব্যৱস্থাপনাৰ জৰিয়তে ৰোগী, পৰিয়াল আৰু সমাজ আটায়ে উপকৃত হ'ব পাৰে।

**উপশমী পৰিচৰ্য্যা কেতিয়া?**

কৰ্কট ৰোগৰ চিকিৎসা দুটা পৰ্য্যায়ত হ'ব পাৰে– প্ৰথমটো ৰোগ নিৰ্মূলকৰণ পৰ্য্যায় আৰু দ্বিতীয়টো পেলিয়েটিভ্ পৰ্য্যায়। আধুনিক চিকিৎসাৰ জৰিয়তে যিদৰে ৰোগটো নিৰ্মূল কৰিব পৰা হৈছে তেনেদৰে ৰোগৰ প্ৰত্যক্ষ প্ৰতিৰোধ কৰি জীয়াই থকাৰ সময়ো বৃদ্ধি কৰিব পৰা হৈছে। অৱশ্যে, এজন ৰোগীৰ ক্ষেত্ৰত দুয়োটা কথাই কাম্য। ৰোগটো আয়ত্বাধীন হৈ নাথাকিলে ৰোগৰ প্ৰভাৱ মাত্ৰাধিক হৈ ৰোগীক মৃত্যুমুখত পেলায়। এনে পৰ্য্যায় দুটা সুনিৰ্দিষ্ট পৰিসীমাত নাথাকি এটা আনটোলৈ অতিক্ৰমি যায়। উদাহৰণ স্বৰূপে যেতিয়াই ৰোগীয়ে মৃত্যুভয়ত আতঙ্কিত হৈ কায়িক মৃত্যুৰ পূৰ্বেই মানসিক মৃত্যুৰ পথত অগ্ৰসৰ হয় নাইবা পৰিয়াল, আত্মীয় আদি দিশহাৰা হয় তেতিয়াই পেলিয়েটিভ্ কেয়াৰৰ প্ৰয়োজন অৱশ্যম্ভাৱী হৈ পৰে। অৰ্থাৎ ৰোগ নিৰূপণ বা ৰোগৰ প্ৰাৰম্ভিক পৰ্য্যায়তো বিশেষকৈ মানসিক আৰু আধ্যাত্মিক পৰিচৰ্য্যাৰ বাবে পেলিয়েটিভ্ কেয়াৰৰ প্ৰয়োজন। ৰোগীৰ জীৱনৰ শেষ পৰ্য্যায়ত পেলিয়েটিভ্ কেয়াৰৰ মাত্ৰাৰ অধিক প্ৰয়োজন হৈ পৰে। গৱেষণাত দেখা গৈছে– ৰোগ নিৰ্মূলকৰণ চিকিৎসা পৰ্য্যায়তো কষ্টকৰ লক্ষণবোৰৰ নিৰাময়ত উপশমী পৰিচৰ্য্যা সংযোজিত হ'লে চিকিৎসাৰ ফলাফল অধিক কৃতকাৰ্য্য হয়। প্ৰত্যাহ্বানটো হ'ল পেলিয়েটিভ্ কেয়াৰ সম্বন্ধীয় ভ্ৰান্ত ধাৰণা আৰু সজাগতাৰ অভাৱ। ই ৰাইজৰ মাজতে নহয়, চিকিৎসা কৰ্মীৰ মাজতো বিদ্যমান।

**উপশমী পৰিচৰ্য্যা ক'ত আৰু কোনে দিব**

পৰিচৰ্য্যা, শুশ্ৰূষা বুলিলে আটাইতকৈ উত্তম স্থান হ'ল ৰোগীৰ আপোন ঘৰ। বিষ-যন্ত্ৰণা উপশমৰ ক্ষেত্ৰত চিকিৎসালয়বোৰ ৰোগীসকলৰ বাবে আশ্ৰয়স্থল হৈ পৰে। পশ্চিমীয়া উন্নত দেশবোৰত 'হচলিচ চেণ্টাৰ'ত শুশ্ৰূষা কৰা হয়, কিন্তু তাত সীমিত লোককহে সেৱা আগবঢ়াব পাৰি। জনবহুল দেশ এখনত এনে ব্যৱস্থা প্ৰাসঙ্গিক হ'লেও, জনস্বাস্থ্যমুখী হ'ব নোৱাৰে কাৰণ খৰচৰ কথাও আহি পৰে। পেলিয়েটিভ্ কেয়াৰৰ ব্যৱস্থাপনা আদিম যুগৰ পৰাই প্ৰচলিত আছিল আৰু পৰিয়ালৰ লোকে মুখ্য পৰিচৰ্য্যাকাৰীৰ ভূমিকা লৈ আহিছে। পিছলৈ সংযোজিত হ'ল সমাজসেৱক, নাৰ্চ, চাফাইকৰ্মী, স্বেচ্ছাসেৱক ইত্যাদি। ১৯৬৭ চনৰপৰা বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ সংযোজন ঘটিল চিচিলি চৌন্দৰ্চৰ (লণ্ডন) একক প্ৰচেষ্টাত। বিশ্বই আদৰি ল'লে চৌন্দৰ্চৰ "টোটেল কন্‌চেপ্ত অৱ পেইন" (১৯৭৮), যি যুগে যুগে মানৱ সমাজৰ বিষ-যন্ত্ৰণা নিৰাময়ৰ দিক নিৰ্ণয়কাৰী হৈ থাকিব। আধুনিক পেলিয়েটিভ কেয়াৰৰ holistic medicineৰ পৰা evidence based medicine লৈ উত্তৰণ ঘটিল। জড়িত হৈ পৰিল–

নাৰ্চ, চিকিৎসক, ফাৰ্মাচিষ্ট, ফিজিওথেৰাপিষ্ট, ছচিয়েল ৱৰ্কাৰ, চাইকলজিষ্ট, স্বেচ্ছাসেৱক, ধৰ্মীয় গুৰু আৰু আন বহুতো। তথাপি অভিকেন্দ্ৰত নাৰ্চ আৰু স্বেচ্ছাসেৱকেই থাকিল। কাৰণ ৰোগীসকলৰ ৮০% সমস্যাই সামাজিক, মানসিক আৰু আধ্যাত্মিক দিশৰপৰা আহে আৰু বাকী ২০% শাৰীৰিক কাৰকৰপৰা উদ্ভূত। মুঠতে একো একোজন চিকিৎসকে এনে ৰোগীৰ এশ এবুৰি সমস্যাৰ সমাধান অকলে দিয়াটো মুঠেই সম্ভৱ নহয়। গতিকে এটা সুসংগঠিত দলবদ্ধ প্ৰচেষ্টাৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য্য। উপৰিউক্ত নন-মেডিকেল সমস্যা সমাধানত ৰাইজৰ অংশগ্ৰহণেৰে পেলিয়েটিভ্ কেয়াৰ সেৱাৰ প্ৰসাৰত সুফল পোৱা হৈছে কেৰেলা ৰাজ্যত। সাধাৰণ ৰাইজে উপযুক্ত প্ৰশিক্ষণৰ যোগেদি ৰোগীক চোৱাচিতা কৰাৰ কৌশলখিনি আয়ত্ব কৰি ল'ব পাৰিছে। আমাৰ অসমতো ৰাইজ উপশমী পৰিচৰ্য্যাৰ অংশীদাৰ হ'ব লাগিব।

**বিষ, যন্ত্ৰণাৰ পৰিসংখ্যা**

ভাৰতত প্ৰতি বছৰে ১০ লাখকৈ নতুন ৰোগী কৰ্কট ৰোগত আক্ৰান্ত হয় আৰু প্ৰায় ২৪০ লাখ লোক কৰ্কট ৰোগটো লৈ জীয়াই থাকে। ইয়াৰ দুই-তৃতীয়াংশ অৰ্থাৎ ১৬০ লাখ মানুহ অত্যধিক বিষত ভোগে। ইয়াৰ লগত বিষ কষ্ট দিব পৰা আন ৰোগবোৰ ধৰিলে বিষত ভোগা ৰোগীৰ সংখ্যা ২৫০ লাখতকৈ কম নহয়। ইয়াৰে ১ শতাংশতকৈ কম সংখ্যক মানুহৰ বাবে বিষ নিৰাময়ৰ ব্যৱস্থা উপলব্ধ হৈছে। মেডিকেল আৰু নাৰ্চিঙৰ স্নাতক পাঠ্যক্ৰমত যোৱা বছৰ(২০২১)ৰপৰা পেলিয়েটিভ্ কেয়াৰ বিষয় সন্নিৱিষ্ট হৈছে। গোটেই দেশত মুষ্টিমেয় কেন্সাৰ প্ৰতিষ্ঠান আৰু NGO ৰ দ্বাৰা বিষ নিৰাময় সেৱা আগবঢ়াই থকা হৈছে। ভাৰতত প্ৰতি ঘণ্টাত ৬০ জন লোকে বিষ যন্ত্ৰণাত কষ্ট পাই মৃত্যুবৰণ কৰে। অসমত প্ৰায় ৬ লাখ ৰোগী তথা পৰিয়ালক উপশমী পৰিচৰ্য্যাৰ প্ৰয়োজন। নিশ্চয়কৈ আমি প্ৰয়োজনীয়তা পূৰাব পৰা নাই, সেয়েহে সুনিৰ্দিষ্ট পৰিকল্পনাৰ প্ৰয়োজন যাতে প্ৰাথমিক চিকিৎসা সেৱাৰ পৰ্য্যায়ত উপশমী পৰিচৰ্য্যা আগবঢ়াব পাৰি।

**জন্ম মৃত্যুৰ সন্ধানত ব্যক্তি আৰু সমাজ**

জন্ম মৃত্যু এটা প্ৰাকৃতিক প্ৰক্ৰিয়া যদিও চিকিৎসা বিজ্ঞানৰ চমকপ্ৰদ সাফল্যই অৱধাৰিতভাৱে মৃত্যুত অধিক যান্ত্ৰিকতা আনিলে। আধুনিক চিকিৎসা বিজ্ঞানে উন্নত স্তৰৰ বা ভাল মৃত্যুত সহযোগিতা কৰা নাই যদিও সকলোৱে মনে প্ৰাণে সেইটোকে কামনা কৰে। আনহাতে ভাল মৃত্যুৰ স্বকীয় সংজ্ঞাও নাই। সেয়ে বিবুধিত পৰা যায়। এসময়ত কোনো বেমাৰ নথকা বা প্ৰতিবন্ধীহীন ভাৱে থকাটোকে স্বাস্থ্য বুলি কোৱা হৈছিল। ইয়াৰ পিছত উন্নত মানদণ্ডৰ জীৱন দিব পৰাটোকেই সুস্বাস্থ্য বুলি ক'ব পৰা হ'ল (১৯৮৬)। ইয়াৰ পিছত সংযোজিত হ'ল (নিৰ্দ্ধাৰণকাৰী) শাৰীৰিক, মানসিক, সামাজিক আৰু আধ্যাত্মিক প্ৰভাৱবোৰ। হয়তো দ্বাবিংশ শতিকাত উন্নত মানদণ্ডৰ জীৱনত সংযোজিত হ'বৰ প্ৰয়োজন হ'ব উন্নত মানদণ্ডৰ মৃত্যু। তাৰ দ্বাৰাইহে স্বাস্থ্যৰ সীমা আৰু সংজ্ঞা সম্পূৰ্ণ হ'ব। যদি মানুহক আগতীয়াকৈ নিজৰ মৃত্যুৰ ধৰণ সম্পৰ্কে ৰেখাপাত কৰিব দিয়া হয়, তেতিয়াহ'লে অধিকাংশই অতি কম সময়ৰ ভিতৰতে নিজে নজনাকৈ স্বনিৰ্ধাৰিত স্থানত মৃত্যু হোৱাটোকে বিচাৰে। উন্নত মানৰ কৰ্কট ৰোগ চিকিৎসা উপলব্ধ হোৱাৰ লগে লগে, কৰ্কট ৰোগজনিত মৃত্যুবোৰ অকস্মাতে হোৱাতকৈ দীঘলীয়া অসুস্থতাৰ পিছতহে হ'ব ধৰিছে। আন ৰোগবোৰতো একেটা কথাই খাটে। গতিকে মৃত্যু সম্পৰ্কীয় সজাগতা ৰোগী পৰিয়ালত সীমাবদ্ধ নাথাকি সমাজতো প্ৰতিফলন হ'ব লাগিব। এটা জাতি বা এখন দেশৰ ৰাইজৰ বিশ্বাস, সামাজিক গাঁথনিয়ে এই সমাজৰ ব্যক্তি এজনৰ জন্ম মৃত্যু সম্পৰ্কীয় চিন্তাধাৰাবোৰ প্ৰভাৱিত কৰে। সমসাময়িক ভাৰতীয় সমাজখনো ভিন্ন ধৰণে মৃত্যুক এৰাই চলা চিন্তাৰে পৰিচালিত। ফলশ্ৰুতিত, ব্যৱহাৰিক ক্ষেত্ৰত ৰোগী পৰিয়ালে সিদ্ধান্ত লোৱাত অসুবিধাৰ সৃষ্টি হৈছে। একক পৰিয়ালত শেষ পৰ্য্যায়ৰ ৰোগীৰ যতনত অসুবিধা প্ৰতিখন ঘৰতেই বিদ্যমান। পথ দুৰ্ঘটনাৰ অনাকাংক্ষিত মৃত্যু প্ৰতিৰোধ কৰিবলৈ 'তীব্ৰগতি স্বৰ্গগতি' ধৰণৰ বাৰ্তাৰে চৰকাৰীভাৱে সংস্কাৰৰ প্ৰয়াস কৰা হৈছে। আকাংক্ষিত বা সম্ভাব্য মৃত্যু (যেনে বাৰ্ধক্য, ক্ৰনিক হাৰ্ট, কেন্সাৰ, বৃক্ক, লিভাৰ, হাওঁফাওঁ আৰু নাৰ্ভৰ ৰোগী)লৈ নজৰ দিব কোনে? এই প্ৰশ্নৰ উত্তৰ সমাজৰ পৰাই আহিব লাগিব। ভাল মৃত্যু এখন সমাজৰ স্বাস্থ্যৰ সূচাংকও। মৃত্যুৰ মানদণ্ডত ৮১ খন দেশত কৰা চাৰ্ভেত ভাৰতৰ স্থান ৫৯ স্থানত। নিৰাপদ ভৱিষ্যতৰ বাবে সমাজৰ কৰণীয় বহু দায়িত্ব আছে।

বহুত সময়ত অৱশ্যম্ভাৱী মৃত্যুক অস্বীকাৰ কৰি ৰোগী পৰিয়াল দিকভ্ৰান্ত হৈ থাকে। বহুতে মৃত্যু কেনেকৈ শিল্প হ'ব

পাৰে, তেনে প্ৰশ্নৰ অৱতাৰণাও কৰে। সুপৰিকল্পিত জীৱন যাপনেই হ'ল মৃত্যুৰ শিল্পকৰ্ম। এনে শিল্পকৰ্মৰ বাবে সমাজক পথ দেখুৱাব লাগিব সমাজেই। লাগিব সমাজৰ ধ্যান ধাৰণাৰ ব্যৱহাৰিক পৰিৱৰ্তন। চৌদিশে ত্ৰাসৰ সৃষ্টি কৰা ক'ভিদ মহামাৰীয়েও আনিব পৰা নাই মৃত্যু সম্পৰ্কিত সজাগতা। ফলশ্ৰুতিত জীৱন যাপনৰ পৰিৱেশ আৰু মানদণ্ড নিম্নগামী হৈয়ে আছে। নাই জ্যেষ্ঠ কিম্বা ৰুগ্নজনৰ প্ৰতি সহমৰ্মিতা, নাই নৈতিকতা, নাই পৰিৱেশ সংৰক্ষণ, আছে মাথোঁ বস্তুবাদী প্ৰতিযোগিতা। এনেস্থলত প্ৰয়োজন উপশমী পৰিচৰ্য্যাৰ বহুল প্ৰচাৰ, ভাল মৃত্যুৰ Success storyবোৰ শ্ৰব্য আৰু দৃশ্য মাধ্যমেদি অহৰহ প্ৰচাৰৰ লগতে 'End of life care' সম্পৰ্কত চৰকাৰী নিৰ্দেশিকা। প্ৰত্যেক ৰাজ্যই একোখন পেলিয়েটিভ্ কেয়াৰ পলিচী লোৱাটোও বাঞ্ছনীয়।

**উপশমী পৰিচৰ্য্যা সামাজিক পৰিৱৰ্তনৰ আধাৰ**

ইতিহাসে কয় মানুহে মানুহৰ বাবে থিয় দিবই লাগিব জাত-পাত, ধৰ্মীয় গাঁঠনিৰ ঊৰ্দ্ধত। উপশমী পৰিচৰ্য্যাৰ দৰ্শনেই হ'ল-- You matter because you are you and you matter to the last moment of your life (Cicely Screnders)। এই দৰ্শনক সাৰোগত কৰি যিসকল স্বেচ্ছাসেৱক আগবাঢ়ি আহিছে, তেখেতসকলে ৰোগীৰ লগতে সমাজকো উদ্বুদ্ধ কৰিব লাগিব মৃত্যুৰ সজাগতাত। বৰ্তমান যুগত নাবালক সকলক যেনেকৈ সুস্থ যৌনতাৰ শিক্ষা দিয়াটো অপৰিহাৰ্য্য হৈ পৰিছে, বস্তুবাদী সমাজখনকো মৃত্যুৰ সজাগতাৰ শিক্ষা দিয়াটো অতি প্ৰয়োজনীয় হৈ পৰিছে। বিষয়টো স্কুল কলেজৰ পাঠ্যক্ৰমত অনতিপলমে অন্তৰ্ভুক্ত হোৱাটো বাঞ্ছনীয়। মৃত্যুৰ সজাগতাইহে মানৱ সমাজক হিতাহিত জ্ঞান দিবলৈ যে সমৰ্থ হ'ব সেইটো নিঃসন্দেহে ক'ব পাৰি। স্বাস্থ্যসেৱাৰ নিচিনা গণমুখী সেৱাই সাফল্য লাভ কৰিব যদিহে ব্যক্তি আৰু সমাজ সম্পূৰ্ণৰূপে এনে ব্যৱস্থাত অংশীদাৰ হয়। মানুহে অন্তঃকৰণেৰে বুজি উঠিব 'মোৰ স্বাস্থ্য মোৰ হাতত' আৰু সমাজৰ স্বাস্থ্য আমাৰ হাতত। সেয়েহে উপশমী পৰিচৰ্য্যাত পেছাদাৰী সকলতকৈ স্বেচ্ছাসেৱকৰ অৱদান অপৰিসীম হৈ ৰ'ব। সমূহীয়া প্ৰচেষ্টাৰে অনাগত দিনত উপশমী পৰিচৰ্য্যাৰ মাধ্যমেদি সমাজ সংস্কাৰো সম্ভৱ হ'ব পাৰে য'ত মানুহে মানুহৰ বাবে প্ৰকৃতাৰ্থত চিন্তা কৰিব।

**অসমত উপশমী পৰিচৰ্য্যা**

১৯৯৯ চনত গুৱাহাটী পেইন এণ্ড পেলিয়েটিভ্ কেয়াৰ চ'ছাইটীৰ উদ্যোগত অসমত খোপনি লোৱা উপশমী পৰিচৰ্য্যা মন্থৰ গতিৰে আগবাঢ়িছে। ব্যতিক্ৰমী প্ৰয়াস হোৱা হেতুকে সমাজৰ বাবে সহজে উপজীব্য নোহোৱাটো স্বাভাৱিক। "গা এৰাই চলা মনোভাব, নিজৰ হ'লে দেখা যাব" ধৰণৰ দৃষ্টিভঙ্গীৰ বাবে কষ্ট যন্ত্ৰণাৰ পৰা সামাজিক সুৰক্ষা দিয়াৰ ব্যৱস্থাপনাই সাফল্য লাভ কৰিব পৰা নাই। বিষয়টো বহুল ভাৱে চৰ্চিত হ'ব লাগে। উপশমী পৰিচৰ্য্যা চৰকাৰী, বেচৰকাৰী সকলো স্তৰতেই উপলব্ধ হ'ব লাগে। প্ৰাথমিক স্বাস্থ্যসেৱাত সংলগ্ন কৰাৰো প্ৰয়োজন আছে।

উপশমী পৰিচৰ্য্যা সম্বন্ধীয় ভ্ৰান্ত ধাৰণা কিছুমান ৰাইজৰ জ্ঞাতাৰ্থে উপস্থাপন কৰা হ'ল ঃ

- পেলিয়েটিভ্ কেয়াৰ মানে মৃত্যুক নুসুচায়, মৃত্যুৰ আগৰ জীৱিত কালৰ কথাহে কয়।
- সকলো ৰোগ নিৰাময় কৰিব নোৱাৰি, কিন্তু এইটো নহয় যে ভাল নোহোৱা ৰোগীসকলৰ বাবে একো কৰিব নোৱাৰি।
- জীৱনৰ শেষ পৰ্য্যায়ৰ পৰিচৰ্য্যা (End of life care) সম্বন্ধে আলোচনা পৰিহাৰ কৰি চলিব নালাগে, গতিকে এনে আলোচনাৰ বাবে মানসিকভাৱে প্ৰস্তুত হওক।
- পেলিয়েটিভ্ কেয়াৰৰ বিশেষজ্ঞলৈ পঠোৱা (referral) মানে মৃত্যু যে আসন্ন, সেয়া নুসূচায়।
- পেলিয়েটিভ্ কেয়াৰৰ গুৰুত্ব দিনক দিনে বাঢ়ি আহিছে।
- পেলিয়েটিভ্ কেয়াৰ আধুনিক চিকিৎসা বিজ্ঞানৰ অংশ বিশেষ। পৃথিৱীৰ উচ্চ পৰ্য্যায়ৰ চিকিৎসা প্ৰতিষ্ঠানবোৰো এই সেৱাৰ প্ৰতি দায়বদ্ধ।

পেলিয়েটিভ্ কেয়াৰত সমাজৰ সকলো ব্যক্তিৰে কৰণীয় থাকে, সেয়ে দূৰত অৱস্থান নকৰিব। কাইলৈৰ বাবে সমাজখন প্ৰস্তুত কৰক।

●



# মুলাগাভৰু ঃ অসম বুৰঞ্জীৰ এক অবিস্মৰণীয় চৰিত্ৰ

**হিৰণ্য বৰা**

অসম বুৰঞ্জীত সততে চকুত পৰা চৰিত্ৰসমূহৰ ভিতৰত মুলাগাভৰু আছিল অনন্য; সমুখ সমৰত নমা যোদ্ধাসকলৰ ভিতৰত অন্তিমগৰাকী বীৰাঙ্গনা। কি নাছিল তেওঁ– এগৰাকী দেশপ্ৰেমিক, নিপুণ যোদ্ধা, স্নেহশীলা ভগ্নী, পতিব্ৰতা পত্নী আৰু দয়াশীলা মাতৃ। মুলাগাভৰুৰ জীৱনটো আছিল কাৰুণ্যৰে ভৰা। জেষ্ঠ্য ভাতৃ ৰজা চুহুংমুঙৰ বাহিৰে পৰিয়ালৰ সকলোকে হেৰুৱাইছিল তেওঁ।

মুলাগাভৰুৰ জন্ম হৈছিল আজো ককাক চুচেনফাৰ ৰাজপৰিয়ালত ১৪৮৬ চনত। তেওঁৰ ককাক চুহেনফাও (১৪৮৮-৯৩) অতি কম সময়ৰ বাবে ৰজা হৈছিল, কিন্তু ৰাজপ্ৰাসাদত হোৱা এটা ষড়যন্ত্ৰৰ চিকাৰ হৈ অকালতে প্ৰাণ হেৰুৱাইছিল। ফলস্বৰূপে দেউতাক চুপিমফাই (১৪৯৩-৯৭) শাসনভাৰ হাতত ল'ব লগা হৈছিল। পুনৰ চুপিমফাও এক হত্যাকাণ্ডৰ বলি হ'ল ১৪৯৭ চনত। পিতৃহীন মূলাৰ শেষ আশ্ৰয়স্থল হ'লগৈ জ্যেষ্ঠ ভাতৃ চুহুংমুং আৰু এই চুহুংমুঙেই প্ৰায় একৈশ বছৰ বয়সত পিতৃ চুপিমফাৰ স্থলাভিসিক্ত হ'ল। সেই সময়ত মুলাৰ বয়স আছিল মাত্ৰ ১১ বছৰ আৰু তেওঁ ৯ বছৰৰ ব্যৱধানত

আজোককাক, ককাক আৰু দেউতাকক হেৰুৱাইছিল। সৌভাগ্যবশতঃ আহোমৰ শ্ৰেষ্ঠ ৰজাসকলৰ অন্যতম চুহুংমুং আছিল দয়াশীল ভাতৃ যিয়ে নেকি পৰিয়ালৰ সদস্যসকলক সদ্ভাৱ আৰু সম্প্ৰীতিৰ এনাজৰীৰে বান্ধি ৰাখিবলৈ সক্ষম হৈছিল।

মুলা ব্যতিক্ৰমীভাৱে আছিল হেংদাংপ্ৰিয়, অৱশ্যে ৰন্ধন আৰু পৰিচৰ্য্যাতো তেওঁৰ আছিল নাৰীৰ স্বাভাৱিক গুণাৱলী আৰু ৰূপলাৱণ্যত আছিল মনোৰমা। হেংদাং চালনাৰ অনুশীলনত নামি তেওঁ লগ পাইছিল বৰগোহাঁই পৰিয়ালৰ যুৱক ফ্ৰাচেংমুঙক, যাৰ সৈতে সময়ত গঢ়ি উঠা তেওঁৰ প্ৰণয়ৰ সম্পৰ্ক আহোম ৰাজপৰিয়াল আৰু প্ৰজায়ো জানিব পাৰিছিল। পিছলৈ মুলা আৰু ফ্ৰাচেঙৰ দেশপ্ৰেম আৰু ত্যাগৰ চানেকি প্ৰজন্মৰপৰা প্ৰজন্মলৈ চৰ্চিত হৈছিল আৰু অসম বুৰঞ্জীত লিপিবদ্ধ হৈছিল।

মুলাগাভৰু ডাঙৰ হৈ অহাৰ লগে লগে ভাতৃ তথা ৰজা চুহুংমুঙে তেওঁক ঘোঁৰা চলোৱা আৰু অস্ত্ৰচালনাত পৈণত কৰি তুলিছিল। মুলাই ইতিমধ্যে বুজি উঠিছিল যে ৰজাৰ উৰ্ধত দেশ আৰু প্ৰজা, প্ৰজা আৰু সীমান্তৰ সুৰক্ষাই ৰজাৰ মূল কৰ্তব্য, সেই অনুসৰি ৰাজপৰিয়ালৰ প্ৰত্যেকেই ৰজাক সহায় সহযোগ কৰি যোৱাটো নৈতিক দায়িত্ব।

মুলাক এগৰাকী সু-গৃহিণী হিচাপেও গঢ়ি তুলিবলৈ নবৌৱেকে তেওঁক ৰন্ধাবঢ়া আৰু ঘৰুৱা কাম-কাজবোৰ শিকাই গৈছিল। পঢ়াশুনাৰ শিক্ষা আৰম্ভ হৈছিল প্ৰায় ৫ বছৰ বয়সতে এগৰাকী বাইলুঙৰ তত্বাৱধানত। প্ৰায় ১৫ বছৰ বয়সত ৰাজকন্যা হিচাপে মুলা সকলো দিশতে নিপুণ আৰু পাৰ্গত হৈ পৰে। তেওঁৰ দেশপ্ৰেম আৰু ৰণকৌশলত থকা অসাধাৰণ দক্ষতাৰ প্ৰতি লক্ষ্য ৰাখি ককায়েক চুহুংমুঙে তেওঁক ৰাজ সেনাবাহিনীৰ এগৰাকী দলপতি হিচাপে নিয়োগ কৰাৰ চিন্তা-চৰ্চা কৰিলে। এদিন মুলাৰ ৰণকৌশল প্ৰশিক্ষক বাইলুঙে তেওঁক ২০ বছৰীয়া যুৱ প্ৰশিক্ষাৰ্থী এগৰাকীৰ লগত যুদ্ধৰ আখৰা কৰিবলৈ নিৰ্দেশ দিলে। মুলাই অৱশ্যে আপত্তি কৰিছিল যে তেওঁ যুৱতী প্ৰশিক্ষাৰ্থীৰ লগতহে আখৰা কৰাটো যুগুত; কিন্তু বাইলুঙে বুজনি দিলে যে যুদ্ধক্ষেত্ৰত প্ৰতিপক্ষৰ যিকোনো শক্তিশালী সৈন্যৰ মুখামুখি হ'ব লাগিব, আটাইতকৈ শক্তিশালী পুৰুষ সৈন্যৰ লগতো যুঁজিব লগা হ'ব পাৰে, সেই সময়ত কোনো ভয়-শংকা থাকিব নোৱাৰিব। অন্যহাতে আখৰাত নামিবলৈ মুলাৰ প্ৰতিদ্বন্দ্বী মহিলা ৰাজ্যতে নাই। গতিকে ফ্ৰাচেংমুঙৰ সৈতে যুদ্ধৰ আখৰা কৰাটোৱেই উত্তম আৰু প্ৰয়োজনীয়, কিয়নো ফ্ৰাচেঙৰ ৰণকৌশল প্ৰস্তুত কৰাৰ ক্ষমতাও অত্যধিক, যুদ্ধক্ষেত্ৰত নিজ সেনাক সমুখৰ পৰা কেনেকৈ নেতৃত্ব দিব লাগে আৰু প্ৰতিপক্ষৰ শক্তি তথা দুৰ্বলতা অধ্যয়ন কৰি কেনেকৈ ৰণকৌশল সলনি কৰিব লাগে ইত্যাদিৰ ক্ষেত্ৰতো ফ্ৰাচেংমুং অদ্বিতীয়।

তেনেতে প্ৰশিক্ষণ থলীলৈ ওখ আৰু ক্ষীণ যুৱক এজন সোমাই আহিল। তেওঁক বাইলুঙে কাণে কাণে কিবা ক'লে, তেতিয়া যুৱকজনে মুলাৰ ফালে চাই অভিবাদন জনালে। যদিও মুলা আন সমবয়সীয়া গাভৰুৰ তুলনাত যথেষ্ট ওখ আৰু ক্ষীণ, তথাপি ফ্ৰাচেংমুং কাষ চাপি অহাত মুলাই মুৰ তুলি ফ্ৰাচেঙৰ মুখলৈ চাব লগা হৈছিল, এই প্ৰথম দেখাতে দুয়োৰে অন্তৰত জাগি উঠিছিল প্ৰণয়ৰ অচিন শিহৰণ; তথাপি দুয়োৰে মাজত আৰম্ভ হ'ল যুদ্ধৰ আখৰা। মুলাই ভোটা অস্ত্ৰেৰে ফ্ৰাচেঙক আক্ৰমণ কৰিলে, ফ্ৰাচেঙে প্ৰথমে প্ৰত্যাক্ৰমণৰ পৰা বিৰত থাকি আত্মৰক্ষাৰ কৌশল প্ৰয়োগ কৰিলে, তাৰপিছত আক্ৰমণাত্মক আখৰা কৰিলে, বিভিন্ন অস্ত্ৰচালনাৰে প্ৰত্যাক্ৰমণৰ কৌশল প্ৰদৰ্শন কৰিলে, দুয়োৰে মাজত তুমুল অস্ত্ৰচালনা আৰু ৰণকৌশলৰ আখৰা বাইলুঙে আশ্চৰ্য্যৰে লক্ষ্য কৰি গ'ল, মুলাৰ নৈপুণ্যত অভিভূত হ'ল ফ্ৰাচেংমুং। ইচ্ছা কৰিলে ফ্ৰাচেঙে আখৰাত জয়ী হ'ব পাৰিলেহেঁতেন, কিন্তু তেওঁ বাইলুঙে কাণে কাণে কোৱা নিৰ্দেশ মনত ৰাখিছিল যে আখৰাত মুলাক কোনো আঘাত কৰিব নালাগে; বৰং মুলাৰ সুৰক্ষাহে তেওঁ নিশ্চিত কৰিব লাগে, কিয়নো ৰজা চুহুংমুঙৰ লগত মুলা প্ৰথম যিদিনা থলীলৈ আহিছিল সিদিনা মুলাৰ ব্যক্তিত্বত বাইলুঙে দেখিছিল কিংবদন্তীৰ ৰূপ।

মুলাক ভূয়সী প্ৰশংসা কৰি ফ্ৰাচেঙে আখৰা থলীৰপৰা প্ৰস্থান কৰিলে, লগত চিৰদিনৰ বাবে লৈ গ'ল মুলাৰ অদেখা হিয়া।

আহোম ৰাজদৰবাৰৰ মন্ত্ৰী বৰগোহাঁই ডাঙৰীয়াৰ বৃদ্ধাৱস্থা হোৱাত ৰজা চুহুংমুঙে বৰগোহাঁই পৰিয়ালৰে এজন উপযুক্ত বিশ্বাসী যুৱকক বৰগোহাঁই পদবীত নিযুক্ত কৰাৰ চিন্তা কৰিলে, সেই বিষয়ে তেওঁ প্ৰথমে মন্ত্ৰী বৰগোহাঁইদেৱৰ

কৰণি ॥৯

লগতে আলোচনা কৰিলে। মন্ত্ৰীয়ে নিজৰ বৰপুত্ৰৰ নামেই প্ৰস্তাৱ কৰিলে, অৱশ্যে ৰজাৰ পছন্দ নহ'ল, কিয়নো খৰতকীয়া আৰু সঠিক সিদ্ধান্ত ল'ব পৰাকৈ মন্ত্ৰীৰ বৰপুত্ৰ উপযুক্ত নহয় বুলি ৰজাই জানে; তথাপি থিতাতে একো নক'লে কিয়নো সুদীৰ্ঘ চাৰিবছৰ ধৰি বিশ্বাসযোগ্যতাৰে ৰজাক সেৱা আৰু সহযোগ কৰি অহা মন্ত্ৰীজনক মনোকষ্ট দিয়াটো অনুচিত। সেয়ে তেওঁ পাছত মন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াৰ লগতো সেই বিষয়ে আলোচনা কৰিলে, বুঢ়াগোহাঁইদেৱে দৃঢ়তাৰে ৰজাক জনালে যে বৰগোহাঁইৰ বৰপুত্ৰতকৈ সৰু পুত্ৰ ফ্ৰাচেংমুংহে এই পদবীৰ বাবে সকলো দিশৰপৰা উপযুক্ত। বুঢ়াগোহাঁইদেৱে ৰজাক আৰু বিৱৰি ক'লে যে ফ্ৰাচেংমুং কেৱল নিপুণ অস্ত্ৰচালক আৰু পাৰ্গত ৰণকৌশলীয়েই নহয়, তেওঁ অত্যন্ত বিশ্বাসযোগ্যও। বিশ্বাসৰ প্ৰসঙ্গত ৰজাই খন্তেক মৌন হৈ থাকি পাছত ক'লে "বিশ্বাসযোগ্যতা সময়ত পৰিৱৰ্তন হয় বুলিওতো প্ৰবাদ আছে।"

"স্বৰ্গদেউ, মুলা আপোনাৰ কনিষ্ঠ ভগ্নী যদিও আপুনি নিজ সন্তানৰ দৰেই লালন কৰি আহিছে"– বুঢ়াগোহাঁয়ে কৈ গ'ল, "কন্যাই কেতিয়াও পিতৃৰ বিপক্ষে নাযায়, সেইদৰে এজন স্বামীও পত্নীৰ বিপক্ষে নাযায়। মই গুপ্তচৰপৰা গম পাইছোঁ যে মুলা আৰু ফ্ৰাচেঙৰ মাজত ইতিমধ্যে প্ৰণয়ৰ সম্পৰ্ক গঢ়ি উঠিছে, স্বৰ্গদেৱে যদি এই সম্পৰ্ক আগুৱাই যাবলৈ অনুমতি দিয়ে তেন্তে ফ্ৰাচেংমুঙেই ৰাজদৰবাৰৰ বৰগোহাঁই পদবীৰ বাবে সৰ্বোত্তম বুলি বিবেচনা কৰাত বাধা নাই।"

সেইদিনা সন্ধিয়া ৰজাৰ জ্যেষ্ঠা ভগ্নী চিলা গাভৰুৱেও ফ্ৰাচেংমুঙক অনাগত বৰগোহাঁই তথা মুলাৰ পতি হোৱাৰ সপক্ষে সমৰ্থন জনালে। পৰৱৰ্তী এসপ্তাহ ধৰি ৰজাই গুপ্তচৰৰ হতুৱাই অনুসন্ধান কৰাই নিশ্চিত হ'ল যে ফ্ৰাচেঙৰ বিশ্বাসযোগ্যতাৰ গুণ আৰু মুলাৰ সৈতে তেওঁৰ গোপন প্ৰণয়ৰ সম্পৰ্ক থকাটো সত্য। ৰজাই মুলাক নিজৰ কোঠালৈ মতাই আনি পোনে পোনে সুধিলে "তুমি ফ্ৰাচেঙক ভাল পোৱানে?"

"হয়, মই ভালপাওঁ"- মুলাই দৃঢ়তাৰে ক'লে- "যিদৰে ৰুক্মিণীয়ে শ্ৰীকৃষ্ণক ভাল পাইছিল আৰু শ্ৰীকৃষ্ণই ৰুক্মিণীক, আমাৰ ভালপোৱাও ঠিক তেনেকুৱাই।"

দ্বিতীয়দিনা ৰজাই ৰাজদৰবাৰৰ জ্যোতিষী বাইলুঙক মুলা আৰু ফ্ৰাচেঙৰ ভৱিষ্যৎ যুগ্মজীৱনৰ বিষয়ে চাবলৈ ক'লে। বিস্তৃত গণনাৰ পাছত বাইলুঙে আহি ৰজাক জনালেহি "তেওঁলোকৰ যুগ্মতা আৰু বিবাহ ইতিমধ্যে বিধাতাই থিৰাং কৰিছে, দুয়োৰে পতি পত্নীৰ সুসম্পৰ্ক যুগমীয়া হ'ব, সেয়া অনাগত ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক নিদৰ্শন হৈয়ো ৰ'ব, একাধিক সন্তান ল'ভিব, জ্যেষ্ঠ সন্তান প্ৰশাসনীয় আৰু সমৰ নৈপুণ্যত হীৰাৰ দৰে জিলিকি উঠিব, সেই সন্তানে পঞ্চাশ বছৰ ধৰি আহোম ৰাজ্য ৰাজত্ব কৰিব", বাইলুঙে কিছু অনুৎসাহেৰে পুনৰ ক'বলৈ চেষ্টা কৰিলে– "স্বৰ্গদেউ, মুলা আৰু ফ্ৰাচেঙৰ যুগ্মজীৱনৰ অন্য এক বিশেষ দিশতহে মই চিন্তাৰ কাৰণ দেখা পাইছোঁ"-- বাইলুঙে আৰু আগুৱাবলৈ সাহস নকৰিলে।

"কোৱা বাইলুং, মুকলিকৈ কোৱা"-- ৰজাই আদেশ কৰিলে। বাইলুং ইতস্ততঃ যদিও বাধ্য হৈ কৈ গ'ল– "স্বৰ্গদেউ, অনাগত সময়ত কেইমাহমানৰ কাৰণে আহোম ৰাজত্বক এচুবুৰী পশ্চিমীয়া ক'লা ডাৱৰে আবৰি ধৰিবহি, সময়ত সূৰ্য্য যেতিয়া পুনৰ দেখা যাব তেতিয়া মুলাগাভৰু বাখৰৰ দৰে উজ্জ্বল চানেকি হৈহে ৰ'ব, সেই সময়ত আপুনি আৰু আপোনাৰ ভতিজা অৰ্থাৎ মুলাৰ সন্তান আপ্লুত হ'বলৈ মজুত থাকিব, লগত থাকিব আপোনাৰ এগৰাকী ভাতৃ, সেই ভাতৃগৰাকীৰ বিষয়ে মই এতিয়াই বিশেষ একো ক'ব নোৱাৰো; ক'ব পাৰো যে আপোনাৰ ভতিজা আৰু ভাতৃ দুয়ো জিলিকিব কিন্তু মুলাৰ উজ্জ্বলতাৰ সমকক্ষ নহ'ব, মুলাৰ চানেকি সমগ্ৰ ৰাজ্য আৰু প্ৰজাৰ মাজত প্ৰজন্মৰ পৰা প্ৰজন্মলৈ জ্যোতিষ্মান হৈ ৰ'ব।"

স্তম্ভিত ৰজাই মৌনতা ভাঙি বাইলুঙক সুধিলে "আৰু ফ্ৰাচেংমুং? তেওঁৰ বিষয়ে একো ন'কলা যে বাইলুং!"

"তেওঁ আমৃত্যু আপোনাৰ বিশ্বাসভাজন হৈ ৰ'ব

স্বৰ্গদেউ।” বাইলুঙে উত্তৰ দিলে– “অনেক সমৰত তেওঁ বিজয়ী হ’ব, সেই বিজয়ত আহোম ৰাজ্যৰ সীমা বিস্তৃত হ’ব।”

ৰজাই মুলা আৰু ফ্ৰাচেং সম্পৰ্কীয় ভৱিষ্যদ্বাণীৰ বিষয়ে কাৰো লগত আলোচনা নকৰাকৈ থাকি পৰৱৰ্তী বহাগৰ ৫ তাৰিখৰ দিনটো দুয়োৰে বিবাহৰ দিন হিচাপে ধাৰ্য্য কৰিলে আৰু ১০ বহাগৰ দিনা ফ্ৰাচেঙক বৰগোহাঁই পদবীত নিযুক্ত কৰিলে।

১৫২৭ খৃষ্টাব্দত মোগলে প্ৰথম আহোম ৰাজ্য আক্ৰমণ কৰিছিল যদিও মোগলে অত্যধিক সৈন্য আহোম সৈন্যৰ হাতত হেৰুৱাই পৰাজয় বৰণ কৰি উলটি গৈছিল। কেইবছৰমান পিছত পুনৰ মোগলে অধিক সৈন্য-সামন্তৰে আহোম ৰাজ্য আক্ৰমণ কৰিও আহোম সৈন্যৰ পৰাক্ৰমত তিষ্ঠিব নোৱাৰি একেদৰে উলটি গৈছিল। তৃতীয় আক্ৰমণতো আহোম সেনাপতি তথা ৰজা চুহুংমুঙৰ ভাতৃ কনচেং বৰপাত্ৰগোঁহাইৰ হাতত মোগল সেনাপতি বীত মালিকৰ মৃত্যু হোৱাত মোগল সৈন্য পলায়ন কৰিছিল।

১৫৩২ খৃষ্টাব্দত মোগলৰ চতুৰ্থ আক্ৰমণ হ’ল, দুভাৰ্গ্যজনকভাৱে যুদ্ধত ৰজা চুহুংমুঙৰ পুত্ৰ তথা আহোম সেনাপতি চুক্লেংমুঙৰ মৃত্যু হ’ল যদিও কোনো পক্ষৰ জয় পৰাজয় নিশ্চিত নহ’ল। তেনেতে আহোম ৰাজে মোগলৰ লগত যুঁজিবলৈ ফ্ৰাচেংমুঙক আহোমৰ সেনাপতি পাতি যুদ্ধক্ষেত্ৰলৈ পঠালে। যুদ্ধযাত্ৰাৰ আগদিনা সন্ধিয়া ফ্ৰাচেঙে মুলাক ক’লে, “মোগলৰ হাতত ইতিমধ্যে আহোমৰ অনেক সৈন্যৰ মৃত্যু হৈছে মুলা, মই সেয়ে যুদ্ধলৈ যাবলৈ ওলাইছোঁ।”

“মই যুদ্ধৰ সকলো খবৰ গম পাইছোঁ, জন্মভূমিৰ আকাশ এতিয়া ক’লীয়া ডাৱৰে আচ্ছন্ন কৰিছে, কোনো পৰিস্থিতিত স্বাধীনতা শত্ৰুৰ হাতত এৰি দিব নোৱাৰি, তুমি যুদ্ধলৈ যাবই লাগিব, তোমাৰ সেনাধ্যক্ষতাৰ সামৰ্থ্যৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছে, শত্ৰুক তুমি পবিত্ৰ জন্মভূমিৰপৰা বাহিৰ কৰি পঠিয়াব পাৰিবাই”– মুলাই ফ্ৰাচেঙক সাহস যোগাই কৈ গ’ল– “তুমি জননীৰ সাহসী বীৰ, তুমি জীৱনত কাহানিও ভয় শংকা কৰিবলৈ শিকা নাই, এতিয়াও তুমি পৰিয়ালৰ বাবে চিন্তা নকৰিবা, আমি দুয়োৱে জানো যে জীৱন-মৃত্যু দেশতকৈ ডাঙৰ নহয়”। মুলাই প্ৰশ্ন কৰিলে– “তুমি কালিলৈ পুৱাতে যুদ্ধলৈ যাবানে?”

“হয় প্ৰিয়া, এই সময়ত প্ৰতিদিন প্ৰতিপল দেশৰ সুৰক্ষাই একমাত্ৰ গুৰুত্বপূৰ্ণ”– ফ্ৰাচেঙে উত্তৰ দিলে।

“আজি মোৰ মাহেকীয়াৰ সপ্তম দিনহে বাবে তোমালৈ কবচ বৈ দিব নোৱাৰিলো, কিন্তু মই জানো তোমাৰ সাহস আৰু আত্মৰক্ষাৰ নৈপুণ্যই তোমাৰ উত্তম সুৰক্ষা, আমাৰ পুত্ৰ তংখাম আৰু মোৰ ভাতৃ কনচেঙেও তোমাক যুদ্ধত সহযোগ কৰিব, মোৰ জ্বৰ ভাল হ’লেই যুদ্ধক্ষেত্ৰত তোমাৰ কাষত থিয় হ’মগৈ।

আহোম পৰম্পৰা অনুসৰি ফ্ৰাচেঙে ১০১ গছ বন্তি জ্বলাই দেৱী ‘কিন লাও’ক অৰ্চনা কৰি জন্মভূমি ৰক্ষা কৰাৰ সংকল্প ল’লে, এই প্ৰথমবাৰৰ বাবে যুদ্ধত মুলাৰ সঙ্গ অবিহনে যুঁজিবলৈ ওলাই ফ্ৰাচেঙে যেন কিছু অসহজ অনুভৱ কৰিলে। যুদ্ধৰ উন্মাদ বিপৰ্য্যয়ৰ কিবা এক শঙ্কাত যেন শিহৰিত হ’ল বীৰ যোদ্ধা ফ্ৰাচেংমুং।

পিছদিনা পুৱাতে মুলাই ফ্ৰাচেঙৰ হাতত হেংদাং তুলি দিলে, এই হেংদাঙেৰেই আগৰ কেউখন যুদ্ধত বহু শত্ৰু সৈন্যক শিৰশ্চেদ কৰিছিল ফ্ৰাচেঙে। মুলাই পুনৰ সাহস দি ফ্ৰাচেঙক ক’লে– “মই নিশ্চিত যে তুমি জন্মভূমি আৰু দেশৰ সম্পদ তথা এই হেংদাঙৰ মান ৰক্ষা কৰিবা।”

“মোগল সেনাপতি তুৰ্বক খানৰ শিৰ হাতত ননাকৈ মই তোমাক আৰু স্বৰ্গদেউক মুখ দেখুৱাবলৈ যুদ্ধৰপৰা উভতি নাহোঁ।” ফ্ৰাচেঙে দৃঢ়তাৰে উত্তৰ দিলে আৰু দুই কন্যা শিশুক চুমা খাই যুদ্ধযাত্ৰা কৰিলে। সেয়া আছিল ইতিহাসৰ এক শিহৰণকাৰী যাত্ৰা।

ইতিমধ্যে তেওঁৰ পুত্ৰ তংখাম আৰু জেঠেৰি কনচেং বৰপাত্ৰগোঁহায়ে যুদ্ধৰ দ্বিতীয় সুৰক্ষাত্মক ৰণকৌশলৰ বিষয়ে জৰুৰী আলোচনা কৰিবলৈ ৰজাৰ ওচৰলৈ গৈছে। এই আলোচনা মাথোঁ এক বিকল্পহে, যদিহে

ফ্ৰাচেংমুং অকস্মাৎ যুদ্ধত বিফল হয়। ৰাজ পৰিয়াল তথা ৰাজ্যজুৰি প্ৰজাৰ এটাই মাথোঁ ধাৰণা যে ফ্ৰাচেংমুঙৰ দৰে অপাৰ শক্তিমান তথা পাৰ্গত অস্ত্ৰচালক আৰু বিচক্ষণ ৰণকৌশলী সেনাপতিৰ তত্ত্বাৱধানত ৩০০ অশ্বাৰোহী সেনাই মোগলক মাতৃভূমিৰপৰা ওফৰাই পঠাবলৈ যথেষ্ট; মাথোঁ অলপ সময়ৰ প্ৰতীক্ষা।

মোগল সৈন্য নৌ-যুদ্ধত পৈণত নহয় বুলি ফ্ৰাচেঙে জানিছিল বাবে আগন্তুক বাৰিষা পৰ্য্যন্ত অশ্বাৰোহী যুঁজৰ গতি স্তিমিত কৰি ৰাখিবলৈ ফ্ৰাচেঙে নিজ সৈন্য-সামন্তক স্থল যুদ্ধভূমি বোকাময় কৰি পেলাবলৈ নিৰ্দেশ দিলে, সেই অনুসৰি কাষৰ দিকৰাই নদীৰ পানীৰে তিনিদিনৰ ভিতৰত যুদ্ধভূমি কিছু বোকাময় কৰি পেলালে, তাকে দেখি মোগল সেনাপতি তুৰ্বক খানে সন্দেহ কৰিলে যে যুদ্ধত মোগলৰ অশ্বাৰোহী সৈন্যৰ ঘোঁৰাবোৰ বগৰাই পেলাবলৈ এয়া আহোম সৈন্যৰ ষড়যন্ত্ৰ; সেয়ে তেওঁ ততালিকে নিজ সৈন্যক আহোম সেনা আক্ৰমণ কৰিবলৈ আদেশ দিলে। ইফালে ফ্ৰাচেংমুঙে নিজৰ ধনুৰ্ধৰ সৈন্যসকলক মোগলৰ অশ্বাৰোহীৰ ওপৰত আক্ৰমণ কৰিবলৈ আদেশ দিলে, বহুতো মোগল সেনা যুদ্ধভূমিত বাগৰি পৰি মৃত্যুবৰণ কৰিলে। পৰিস্থিতি বিষম দেখি তুৰ্বক খানেও নিজৰ ধনুৰ্ধৰ সেনাসকলক আক্ৰমণ কৰাৰ নিৰ্দেশ দিলে, তুমুল সংঘৰ্ষৰ মাজত হঠাৎ এপাত কাড়ে ফ্ৰাচেঙৰ বুকু ভেদি গভীৰলৈ সোমাই গ'ল, ফ্ৰাচেং বাগৰি পৰিল, দেহৰক্ষক কেইজনে তেওঁক যুদ্ধক্ষেত্ৰৰপৰা শিবিৰলৈ আঁতৰাই লৈ গ'ল, দেহৰক্ষকে গম পাইছিল যে ফ্ৰাচেঙৰ বুকু-ভেদি যোৱা কাড়পাত মোগলৰ নাছিল; তথাপি নিজ সৈন্যৰ মন ভাঙি নপৰিবলৈ বিষয়টো গোপন কৰিয়েই ৰাখি ফ্ৰাচেংমুক শিবিৰৰ কাষতে সমাধি দিলে।

সাদিনৰ মূৰত ফ্ৰাচেঙৰ মৃত্যুৰ বাতৰি ৰাজধানী গড়গাঁও পালেগৈ, সমস্ত প্ৰজা শোকবিহ্বল হ'ল, মুলাইঁ মৰ্মান্তিক আঘাত পালে। যুদ্ধক্ষেত্ৰত ফ্ৰাচেঙক সঙ্গ দিব নোৱৰা অপাৰগতাত ভীষণ অনুতপ্ত হ'ল, কিন্তু ভাঙি নপৰি কঠোৰ সিদ্ধান্ত ল'লে, মোগলৰ ওপৰত প্ৰতিশোধ লোৱাৰ অঙ্গীকাৰ কৰিলে আৰু হাতত হেংদাং লৈ অচিৰে যুদ্ধলৈ যাবলৈ প্ৰস্তুত হৈ ককায়েক ৰজা চুহুংমুঙৰ অনুমতি বিচাৰিলে। মুলাৰ আকোৰগোঁজ স্থিতিত চুহুংমুং কিংকৰ্তব্যবিমূঢ় হ'ল, অৱশেষত মুলাক বাধা দি ৰাখিব নোৱাৰিলে। ইতিমধ্যে মুলাৰ লগত যুদ্ধলৈ যাবলৈ প্ৰস্তুত হ'ল পঞ্চাশগৰাকী অস্ত্ৰ প্ৰশিক্ষিত মহিলা- গাভৰু। তাকে দেখি অনেক অপ্ৰশিক্ষিত মহিলায়ো য'তে যি অস্ত্ৰ পালে তাকে লৈ মুলাৰ দলত যোগ দিলেহি, কোনোৱে বাঁহৰ যাঠিকে হাতত লৈ আহিল, মাতৃভূমিৰপৰা মোগলক ওফৰাই পঠোৱাৰ কঠোৰ সংকল্প লৈ মুলাবাহিনী ৰাওনা হ'ল যুদ্ধক্ষেত্ৰ দিকৰাই নদীৰ পাৰলৈ।

যুদ্ধক্ষেত্ৰত প্ৰৱেশ কৰাৰ আগমুহূৰ্তত মুলাই নিজ মহিলা সৈন্যবাহিনীক উৎসাহিত কৰি ক'লে– "মই জানো আপোনালোকৰ মাজৰ অনেকেই অস্ত্ৰ চালনাৰ প্ৰশিক্ষণ নাই পোৱা আৰু অনেকৰ হাতত উপযুক্ত অস্ত্ৰও নাই; কিন্তু পথৰ কাষৰ পগলা কুকুৰ মাৰিবলৈ বা খেদি পঠিয়াবলৈ তীক্ষ্ণ অস্ত্ৰ বা চালনাৰ প্ৰশিক্ষণৰ প্ৰয়োজন নাই, মনত ৰাখক মোগলৰ প্ৰতিটো সৈন্য একোটা পাগল কুকুৰ, সিহঁতে যধে মধে আনৰ মাতৃভূমি দখল কৰিবলৈ আহিছে, সম্পদ কাঢ়ি নিবলৈ আহিছে, সিহঁত চতুৰ ভক্ষক, সিহঁতক আমি যেনেকৈয়ে নহওক মাতৃভূমিৰপৰা তৎক্ষণাৎ বাহিৰ কৰি দিব লাগে।" মুলাই পুনৰ কৌশলৰ শিকনি দি ক'লে– "শত্ৰুৰ অশ্বাৰোহী গতিক আমি দীঘল ৰছীৰে ভেটা দি বগৰাই দিম, বাগৰি পৰা ঘোঁৰা আৰু শত্ৰুক আমি থিতাতে যেয়ে যেনেকৈ পাৰোঁ বধ কৰি যাম, আমাৰ কিছু সেনাই জাল মাৰিও শত্ৰুসেনাক আবদ্ধ কৰিব আৰু সিহঁতক আমাৰ বাকী সেনাই ততালিকে বধ কৰিব। বাঁহৰ যাঠি লৈ অহা সকলে এনেকৈ চালনা কৰিব যাতে শত্ৰুসেনা কাষ চাপিব নোৱাৰে, আমি যেয়ে যেনেকৈ সুবিধা পাওঁ সিহঁতৰ অস্ত্ৰবোৰ কাঢ়ি ল'ম আৰু তাৰেই সিহঁতক বধ কৰিম। অৱশ্যে আত্মসমৰ্পণকাৰী শত্ৰুসেনাক আমি বধ নকৰি নিৰস্ত্ৰ আৰু বন্দীহে কৰিম, সিহঁত সাধাৰণ সৈনিক, অভাৱ আৰু প্ৰতাৰণাত সিহঁতে আপোন সংসাৰ এৰি যুদ্ধলৈ আহিছে। আমি মনত ৰাখোঁ আমাৰ মৃত্যু হ'লে স্বৰ্গত প্ৰশংসিত হ'ম, পূৰ্বপুৰুষে আমাক শলাগিব। আৰু আমি মনত ৰাখোঁ প্ৰত্যেকেই এজনকৈ হ'লেও শত্ৰুসেনা বধ কৰিব লাগিব। এতিয়া ঈশ্বৰৰ শপত লৈ যুদ্ধত জঁপিয়াই পৰোঁ আহক, চিঞৰি কওঁ আহক 'জয় আই মাতৃ, তৰিলে দেশ মৰিলে স্বৰ্গ, শত্ৰুহঁত মৰ তহঁত' ..."।

সেইদিনা দুপৰৰ আগে আগে তংখাম আৰু কনচেং সহ পুৰুষ সৈন্যসকল আহি পোৱাৰ আগতে মুলাবাহিনী যুদ্ধত প্ৰৱেশ কৰিছিল, তাকে দেখি প্ৰতিপক্ষই আহোমৰ

পুৰুষ সেনানীক কাপুৰুষ বুলি উপহাস কৰিছিল, মুলাবাহিনীক গৌণ ভাবি প্ৰতিৰোধ কৰিবলৈ তুৰ্বক খানে মুষ্টিমেয় অশ্বাৰোহী দল এটাকে পঠাইছিল; কিন্তু তলকিব নোৱৰাকৈ মোগল অশ্বাৰোহী দল মুলাবাহিনীৰ হাতত ধৰাশায়ী হৈ বাগৰি পৰিল আৰু বধ হ'ল, তুৰ্বক খান স্তম্ভিত হ'ল আৰু সচকিত হৈ ততালিকে বাকী অশ্বাৰোহী সমস্তকো মুলাবাহিনীৰ ওপৰত আক্ৰমণ কৰিবলৈ আদেশ দিলে।

মুলাই প্ৰথমবাৰৰ বাবে তুৰ্বক খানক দেখি ঘৃণাত নাক কোঁচালে আৰু চিঞৰি প্ৰত্যাহ্বান জনালে "সাহস আছে যদি অকলে মোৰ লগত যুদ্ধ কৰ তুৰ্বক, ওলাই আহ তোৰ ধনুৰ্ধৰ সাৰথিবোৰৰ মাজৰপৰা, ফ্ৰাচেংমুঙক হত্যা কৰাৰ প্ৰতিশোধ এতিয়াই লওঁ তোৰ ওপৰত, ওলাই আহ---"। মুলাক ভেটিবলৈ আগুৱাই অহা মোগলৰ অশ্বাৰোহী দল এটাক বাধা দি তুৰ্বকে ক'লে "মই অকলেই যুঁজিম।" যুঁজ চলি থাকোঁতে মুলাৰ আস্ফালনতহে তুৰ্বকে বুজিলে যে ফ্ৰাচেংমুখৰ ইতিমধ্যে মৃত্যু হৈছে; কিন্তু তেওঁ জানে যে মোগল সৈন্যৰ হাতত সেই মৃত্যু নাই হোৱা।

স্বামীৰ মৃত্যুত যন্ত্ৰণাদগ্ধ আৰু শোক বিহ্বল মুলাগাভৰু যুঁজত ভাগৰি পৰি খন্তেক অন্যমনস্ক হওঁতেই তুৰ্বকে তেওঁৰ শিৰশ্ছেদ কৰিলে, মুলাৰ দেহা ধলি পৰিল, মৃত্যুমুখী মুলাৰ কাষলৈ আহি তুৰ্বকে ক'লে, "মোৰ কোনো ধনুৰ্ধৰে ফ্ৰাচেংমুঙক বধ কৰা নাই, বৰং আহোম সৈন্যৰে কোনো বিশ্বাসঘাতকেহে নিচেই কাষৰপৰা তেওঁক নিশ্চয় শৰবিদ্ধ কৰিছে, নহ'লে ইমান সহজে তেওঁ শৰবিদ্ধ হ'ব নোৱাৰে, যুদ্ধত মোৰ সৈন্যই তেওঁৰ দৰে সাহসী আৰু নিপুণ যোদ্ধাৰ ইমান কাষ চাপিব পৰাটোৱেই সম্ভৱ নহয়, বুকু ভেদ কৰাকৈ শৰবিদ্ধ কৰাটো দূৰৈৰ কথা; যদি আহোম সৈন্যবাহিনীত এই বিশ্বাসঘাতকতাৰ বীজ আছে, তেনে আহোম ৰাজ্য আগন্তুক কম দিনৰ ভিতৰত ছাৰখাৰ হৈ যাব।"

শৰীৰৰ সমস্ত শক্তি একত্ৰিত কৰি মুলাই কোনোমতে ক'লে "যদি সেয়ে সঁচা, তোমাৰ স্বীকাৰোক্তিক শলাগিছোঁ; কিন্তু মনত ৰাখিবা ফ্ৰাচেংমুঙৰ দৰে আৰু দুই বাঘৰ দৰে পৰাক্ৰমী বীৰ আছে আহোমৰ, এজন মোৰ পুত্ৰ আৰু আনজন ভাতৃ, তেওঁলোকৰ বৰ্তমানত কোনোৱেই আহোম ৰাজ্য আক্ৰমণ কৰিব নোৱাৰে, এই যুদ্ধতে তুমি গম পাবা তেওঁলোকৰ যিকোনো এজনেই মোগলক একেদিনাই ওফৰাই পঠাবলৈ যথেষ্ট, সেইদিন নিচেই কাষ চাপিছে" এইদৰে কৈ মুলা ধলি পৰিল, উৰি গ'ল তেওঁৰ প্ৰাণবায়ু---।

সেইদিনা আবেলি নৌহওঁতেই তংখাম আৰু কনচেঙৰ নেতৃত্বত আহোম সেনা মোগলৰ বিপক্ষে তুমুল যুদ্ধত নামিল। যুদ্ধভূমিত মোগল সেনাৰ মাজত মুলাৰ মৃতদেহ আৰু ৰণক্লান্ত তুৰ্বক খান, কনচেঙে তুৰ্বকক দেখি থিৰেৰে থাকিব নোৱাৰিলে আৰু যুদ্ধৰ বাবে প্ৰত্যাহ্বান জনালে, কনচেঙৰ হাতত উদ্যত হেংদাং দেখি তুৰ্বক শিয়ঁৰি উঠিল, মুহূৰ্ততে তুৰ্বকে তলকিব নোৱৰাকৈ কনচেঙে হেংদাঙেৰে তুৰ্বকৰ শিৰশ্ছেদ কৰি দিলে, বিধ্বস্ত মোগল সেনা পলায়ন কৰিলে, কনচেং আৰু তংখামে কৰতোৱা নদী পাৰ কৰি মোগলক খেদি পঠিয়ালে--।

এমাহৰ মূৰত উলটি আহি কনচেং আৰু তংখাম ৰাজধানী গড়গাঁও পালে, তংখাম বৰগোহাঁই পদবীত নিযুক্ত হ'ল। মুলাগাভৰুৰ বীৰত্ব ইতিহাসৰ যুগমীয়া চানেকি, আহোমৰ ৰণকৌশল আৰু যুদ্ধ সামৰ্থ্যও অন্য এক আশ্চৰ্য্যৰ বিষয়, মোগলৰ ২০০০ অশ্বাৰোহী আৰু ২৫,০০০ পদাতিক সৈন্যৰ বিপৰীতে আহোমৰ মাত্ৰ ৩০০ অশ্বাৰোহী আৰু ২০০০ ধনুৰ্ধৰ। আজিও অসমীয়াৰ মুখে মুখে মুলাগাভৰুৰ নাম আৰু বীৰত্বৰ চৰ্চা, যিকোনো জাতীয় সন্ধিক্ষণত তেওঁৰ আদৰ্শই প্ৰেৰণা আৰু পথৰ চানেকি।

●

প্ৰবন্ধ



# চাইবাৰ অপৰাধ আৰু সুৰক্ষা

**পল্লৱ ভট্টাচাৰ্য্য**

যেতিয়া কম্পিউটাৰৰ জৰিয়তে এটা অপৰাধ সংঘটিত হয় তাকে চাইবাৰ অপৰাধ বোলা হয়। বিভিন্ন প্ৰকাৰৰ চাইবাৰ অপৰাধ সংঘটিত কৰিবলৈ সাধাৰণতে ব্যৱহাৰ কৰা কৌশলসমূহ হ'ল- ১) ফিচিং- সংবেদনশীল তথ্য নিয়মবহিৰ্ভূতভাৱে হস্তগত কৰিবলৈ বিশ্বাসযোগ্য উৎসৰপৰা অহা যেন লগা প্ৰতাৰণামূলক ইমেইল, ২) ৰেন্চমৱেৰ- ই এটা চফ্টৱেৰ যাক কোনো ব্যক্তিৰ কম্পিউটাৰত প্ৰতিষ্ঠা কৰিব পাৰিলে দাবী কৰা ধন নিদিয়া পৰ্য্যন্ত ৰেহাই পোৱা নাযায়, ৩) মেলৱেৰ- এটি চফ্টৱেৰ যাৰ জৰিয়তে আক্ৰমণ কৰা কম্পিউটাৰৰ তথ্য সংগ্ৰহ কৰা হয়, ৪) সামাজিক প্ৰকৌশলী (Social Engineering)- এনে এটি কৌশল যাৰ জৰিয়তে কোনো ব্যক্তিৰ কম্পিউটাৰ দূৰনিয়ন্ত্ৰণেৰে প্ৰভাৱিত কৰি গোপন তথ্য আহৰণ কৰা হয়। উপৰিউক্ত প্ৰক্ৰিয়াসমূহৰ সংযোজনৰ জৰিয়তেও আক্ৰমণ কৰা হয়।

আজিৰ এই কম্পিউটাৰৰ যুগত এই অপৰাধসমূহে সমাজৰ সকলো বৰ্গৰ মানুহৰ লগতে ব্যৱসায়-বাণিজ্যকো আক্ৰান্ত কৰিছে। কিছু দিনৰ আগতে দুজন কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ বেঙ্কৰপৰা চাইবাৰ অপৰাধীয়ে সকলো টকা হস্তগত কৰিলে। তাৰ দুদিনৰ পিছত ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ আন দুগৰাকী অধ্যাপক চাইবাৰ অপৰাধৰ চিকাৰ হ'ল।

৭ মে' ২০২১-ত আমেৰিকাৰ Houston, Taxas-ৰপৰা দক্ষিণ-পূব আমেৰিকালৈ গেছ আৰু জেট ইন্ধন সৰবৰাহ কৰা Colonial Pipeline, Ransomware চাইবাৰ আক্ৰমণৰ সন্মুখীন হয় আৰু চাইবাৰ অপৰাধীক ৭৫ বিট্‌কইন (৪.৪ নিযুত ডলাৰ) দিহে এই কুটাঘাটৰ

পৰা ৰক্ষা পৰে। নুমলীগড়, বঙাইগাঁও, গুৱাহাটী আদি শোধনাগাৰত SCADA (Supervisory Control and Data Acquisition) নামৰ কম্পিউটাৰ চালিত প্ৰক্ৰিয়াৰে খাৰুৱা আৰু শোধিত তেলৰ নিয়ন্ত্ৰণ কৰা হয়। Colonial Pipleline ৰ দৰে দেশবিৰোধী বহিৰ্শক্তিয়ে এই প্ৰক্ৰিয়া হ্যাক কৰিলে দেশৰ লগতে অসমৰ অৰ্থনীতিত কি বিৰূপ প্ৰভাৱ পৰিব সি সহজে অনুমেয়।

সমগ্ৰ ভাৰতত চাঞ্চল্য সৃষ্টি কৰা 'বুল্লিবাই' আৰু 'চুল্লি দিল্' মামলাৰ জৰিয়তে মুছলিম সম্প্ৰদায়ৰ মহিলাক কম্পিউটাৰ এপৰ জৰিয়তে নিলাম কৰি বিক্ৰী কৰাৰ ষড়যন্ত্ৰ কৰা ঘটনাত যোৰহাটৰ নীৰজ বিষ্ণয় নামৰ এজন যুৱক গ্ৰেপ্তাৰ হৈছিল। বিজিনেচ ষ্টেণ্ডাৰ্ডৰ এক জৰীপমতে ভাৰতৰ প্ৰায় ৫৯% প্ৰাপ্তবয়স্ক ব্যক্তি চাইবাৰ অপৰাধীৰ চিকাৰ হয়। ২০২১- ৰ Norton Cyber Safety Insights Report- ৰ মতে ভাৰতত ২৭ নিযুতৰ অধিক প্ৰাপ্তবয়স্ক লোক এবছৰত Identity Theft অপৰাধত ভুগিছে আৰু ৫২% লোকে নিজে কেনেকৈ চাইবাৰ অপৰাধৰপৰা মুক্ত হ'ব পাৰে সেই সম্পৰ্কে অৱগত নহয়। ২০২১-ৰ নৱেম্বৰৰ এক তথ্য অনুসৰি ক'ভিড অতিমাৰীৰ সময়ত চাইবাৰ অপৰাধৰ সংখ্যা ৫০০% বৃদ্ধি হয়।

৯-১১-২০০১ৰ ইচলামীয় গোট অল-কাইদাই ৰোমাঞ্চকৰ আক্ৰমণ সংঘটিত কৰাৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংসদে USA Patriot Act, 2001 (Uniting and Strengthening America by Providing Appropriate Tools Required to Intercept and Obstruct Terrorism ৰ সংক্ষিপ্ত ৰূপ) গৃহীত কৰে যাৰ জৰিয়তে খবৰ সংগ্ৰহৰ বাবে গোয়েন্দা সংস্থাসমূহক অভূতপূৰ্বভাৱে বলীয়ান কৰা হয়। এই পদক্ষেপৰ পাছত আমেৰিকাত বিদ্ৰোহীৰ আক্ৰমণ যথেষ্ট হ্ৰাস পায়। আনহাতে যুক্তৰাষ্ট্ৰত ফোন পৰ্য্যবেক্ষণ প্ৰক্ৰিয়া যথেষ্টভাৱে বৃদ্ধি পায় যাক জনসাধাৰণে ব্যক্তি স্বাধীনতাৰ উলংঘন বুলি দোষাৰোপ কৰিলে। ৰাষ্ট্ৰ নিৰাপত্তা বনাম ব্যক্তি স্বাধীনতাৰ তৰ্ক ইয়াৰ পৰাই আৰম্ভ হয়। ভাৰতৰ ৰাজনৈতিক পৰিৱেশত এই সমস্যাসমূহৰ নিৰ্মোহ বিশ্লেষণ সুশীল সমাজ আৰু গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভই কৰাটো সময়ৰ আহ্বান।

উল্লেখযোগ্য যে ২০২০ বৰ্ষত সমগ্ৰ দেশত তোলপাৰ লগোৱা পেগাচুচ প্ৰকল্পৰ জৰিয়তে চাইবাৰ ক্ষেত্ৰত সংবিধান প্ৰদত্ত গোপনীয়তাৰ দুৰ্ব্যৱহাৰ ৰোধ কৰাৰ এক প্ৰচেষ্টা আছিল বুলি ক'ব পাৰি। ইয়াৰ জৰিয়তে পৃথিৱীৰ ১৭ সঞ্চাৰ মাধ্যমে এটি সহযোগী অনুসন্ধানী সাংবাদিকতাৰ প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ জৰিয়তে পেগাচুচ নামৰ এটা চফ্‌টৱেৰ কিদৰে ইজৰাইলী কম্পেনী NSO-এ বিধিনিষিদ্ধভাৱে পৃথিৱীৰ বিভিন্ন দেশৰ মন্ত্ৰী, আমোলা, সাংবাদিক, সংখ্যালঘু নেতা আদিৰ মোবাইলত গোপনীয়ভাৱে প্ৰতিষ্ঠা কৰি তেওঁলোকৰ গোপন তথ্য আহৰণ কৰিছিল সেয়া অনুসন্ধান কৰি উলিয়াইছিল। পেগাচুচৰ এই আক্ৰমণত চৰকাৰৰ পৰোক্ষ সহযোগিতা বহুলভাৱে চৰ্চিত হৈছে। পেগাচুচ সম্পৰ্কে চৰকাৰৰ নিৰ্লিপ্ততা, চুপ্ৰীম ক'ৰ্টত মামলা দৰজ, তৃণমূল শাসিত পশ্চিমবঙ্গ চৰকাৰৰ বিচাৰিক আয়োগ গঠন, পশ্চিমবঙ্গৰ ৰাজ্যপাল জগদীশ ধনকাৰৰ সংবিধানৰ দফা ১৬৭ৰ জৰিয়তে মমতা বেনাৰ্জী চৰকাৰক এই পদক্ষেপ লোৱাৰ বাবে প্ৰশ্নৰ অৱতাৰণা আৰু ৰাষ্ট্ৰৰ সুৰক্ষা বনাম সংবিধানপ্ৰদত্ত পুত্তুস্বামী মামলাৰে বলীয়ান গোপনীয়তা বিধিয়ে সমগ্ৰ প্ৰক্ৰিয়া ধূসৰ কৰি তুলিছে। অতি সম্প্ৰতি "তেক ফগ" নামৰ এটা চফ্‌টৱেৰৰ জৰিয়তে ৰাজনৈতিক দলে ফেচবুক, টুইটাৰ আদি সামাজিক মাধ্যমৰ জৰিয়তে গণতান্ত্ৰিক প্ৰমূল্যবোধৰ বিপক্ষে গৈ কিদৰে বিধিনিষিদ্ধভাৱে ৰাইজৰ মতামত নিয়ন্ত্ৰণ কৰিছিল তাক 'দী ৱাইৰ' নামৰ কাকতখনে উন্মোচন কৰিছে। ২ বছৰীয়া অনুসন্ধানৰ পাছত, "তেক ফগ"ৰ দ্বাৰা ক্ষমতাসীন দলে চাইবাৰ আইন থকা সত্ত্বেও কেনেকৈ ঘৃণা আৰু ৰাইজৰ প্ৰৱণতা নিজৰ ফলীয়া সম্ভৱপৰ কৰিব পাৰি তাৰ নিদৰ্শন ৰাইজৰ আগত দাঙি ধৰিলে। বৰ্তমান সময়ত ভিডিঅ' ভাইৰেলৰ জৰিয়তে সমাজৰ বিভিন্ন শ্ৰেণীৰ মাজত বিভাজন অনা, দুৰ্নীতিৰ উন্মোচন কৰা,

ৰাইজৰ মাজত কোনো ধাৰণা প্ৰচাৰ কৰা আদি ঘটনা সম্ভৱপৰ হৈছে। সৌ সিদিনা ইন্‌চাইদ এন্ ইৰ ৱেবচাইট হ্যাকাৰৰ দ্বাৰা আক্ৰান্ত হ'ল। চৰকাৰৰ বহু ৱেবচাইট সময়ে সময়ে  হ্যাক কৰা কথা সকলোৱে জ্ঞাত। ২০২২ চনৰ জানুৱাৰি মাহত ভাইৰেল হোৱা বিহপুৰীয়াৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞা আৰু আৰক্ষীৰ এগৰাকী সহকাৰী পৰিদৰ্শকৰ মাজত হোৱা বিতৰ্কিত ফোন টেপিং বিতৰ্কই অসমৰ ৰাজনীতি উত্তপ্ত কৰি তোলা এই ঘটনা প্ৰবাহৰ নবীনতম সংস্কৰণ হিচাপে পৰিগণিত হৈছে।

সময়ৰ অগ্ৰগতিৰ লগে লগে কম্পিউটাৰ, ম'বাইল আদি ইলেক্ট্ৰনিক সৰঞ্জামৰ ব্যৱহাৰ বৃদ্ধি পাইছে। আজিকালি দৈনন্দিন বজাৰ, সামাজিক মাধ্যমৰ ব্যৱহাৰ, মিটিং, শিক্ষা প্ৰদান  আদিত এইবিলাকৰ ব্যৱহাৰ অতিকৈ বৃদ্ধি পাইছে। লকডাউনে দিজিটেল ইণ্ডিয়া প্ৰকল্পৰ বহুল প্ৰসাৰ কৰিলে। সময়ৰ অগ্ৰসৰৰ লগে লগে আৰু দেশৰ উন্নতিত চাইবাৰ জগতে অধিক প্ৰাধান্য পোৱাটো ধ্ৰুপ। এনে এটি প্ৰেক্ষাপটত চাইবাৰ সুৰক্ষাৰ প্ৰয়োজনীয়তা অতিকৈ বৃদ্ধি পাইছে। এনে এক পৰিস্থিতিত ৰাইজৰ সুবিধাৰ্থে প্ৰচলিত ব্যৱস্থাসমূহ তলত উল্লেখ কৰা হ'ল। এইবোৰ সময়মতে গ্ৰহণ কৰিলে চাইবাৰ আক্ৰমণৰ পৰা হাত সাৰিব পৰা যায়।

১) অসম চৰকাৰৰ গৃহ বিভাগৰ ৱেবচাইটত CID -ৰ Cyber Crime Cell -এ Social media fraud, Financial Fraud, Hacking of email, facebook etc, Creation of fraud account, Publishing obscene materials in facebook আদিৰ অনুসন্ধানৰ সম্পৰ্কে বিশদভাৱে আলোচনা কৰিছে।

২) কেনেধৰণে চাইবাৰ কেচ পঞ্জীয়ন কৰিব পাৰি তাৰ বিতং ৰূপৰেখা এই ৱেবচাইটত আছে।

৩) ২৮-০৬-২০২১ত অসমৰ মুখ্যমন্ত্ৰীয়ে ২৪x৭ চাইবাৰ অপৰাধ হেল্পলাইন ১৫৫২৬০ উন্মোচন কৰে। যি কোনো চাইবাৰ অপৰাধ হ'লে এই নাম্বাৰত ফোন কৰিলে সহায় পোৱা যাব।

৪)  কোনো অচিনাকি ব্যক্তিয়ে ফোনেৰে বেঙ্ক সম্পৰ্কীয় তথ্য বিচাৰিলে দিব নালাগে আৰু সন্দেহ হ'লে হেল্পলাইন নম্বৰত জনাব লাগে।

৫) বেঙ্কৰ অনলাইন account থাকিলে তাৰ password সময়ে সময়ে পৰিৱৰ্তন কৰাটো জৰুৰী।

৬) কোনো নম্বৰৰ পৰা সন্দেহজনক ফোন বা SMS আহিলে ২৪x৭ হেল্পলাইনত জনাব লাগে।

৭) কম্পিউটাৰ সাক্ষৰতা আৰু চাইবাৰ সুৰক্ষা পাঠ্যক্ৰমত বহু আগৰপৰা অন্তৰ্ভুক্ত কৰিব লাগে।

উপসংহাৰত এই কথা ক'ব পাৰি যে উচ্চতম ন্যায়ালয়ৰ ২০১৭ চনৰ কে এচ পুট্টুস্বামি বনাম ভাৰত চৰকাৰ মামলাত ব্যক্তি স্বাধীনতাক Fundamental Right বুলি ঘোষণা কৰাৰ পিছত আদালতৰ আদেশ অনুসৰি গঠন হোৱা ন্যায়াধীশ বি এন শ্ৰীকৃষ্ণ সমিতিয়ে দাখিল কৰা Personal Data Protection Bill, 2018 এতিয়ালৈকে সংসদত পাৰিত হোৱা নাই। নাগৰিক সমাজৰ লগতে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভই এই ক্ষেত্ৰত চৰকাৰৰ ওপৰত চাপৰ সৃষ্টি কৰিব লাগে। সামাজিক মাধ্যমৰ ব্যৱহাৰত বৰ্তমানৰ খেলিমেলি, ৰাষ্ট্ৰীয় সুৰক্ষা বনাম ব্যক্তি স্বাধীনতাৰ তৰ্ক, সামাজিক মাধ্যমত তথ্য স্থানীয়কৰণৰ বিতৰ্ক আদি সমস্যাসমূহ ইয়াৰ জৰিয়তে সমাধান হ'ব বুলি আশা কৰিব পাৰি।

●



# সমকালীন অসমীয়া আলোচনীত ২০২২ চনৰ জানুৱাৰি মাহত প্ৰকাশিত গল্প ঃ এটি চমু অৱলোকন

**মদন চন্দ্ৰ ডেকা**

ইতিমধ্যে একবিংশ শতিকাৰ একৈশটা বছৰে মহাকালৰ বুকুৰপৰা মেলানি মাগিছে। দ্বাবিংশতিতম বছৰটোৰ আৰম্ভণিও মহাকালৰ বুকুত ঘটিছে। অবিৰত গতিৰে আগবঢ়া সময়ৰ বোৱতী সোঁতৰ লগে লগে আগবাঢ়িছে মানুহৰ জীৱন-চৰ্য্যাৰ নৱ নৱ বিন্যাস আৰু সৃষ্টিৰ কৰ্ষণ। ডেৰশ বছৰীয়া অসমীয়া গল্প (চুটি গল্প) সাহিত্যই ইতিমধ্যে এটা নিৰ্দিষ্ট গতি লাভ কৰিছে, অৱস্থান কৰিছে উৎকৃষ্টতাৰ শিখৰত। অসমীয়া গল্পৰ সৌৰভ বিয়পি পৰিছে দেশ-দেশান্তৰত। ঘৰুৱা পাঠকৰ উপৰিও ভিন্নভাষী পাঠকৰ চাহিদা পূৰাবলৈ এচাম কুশলী অনুবাদকে চলাইছে নিৰলস প্ৰচেষ্টা। তাৰ মাজতে চলিছে বিভিন্ন পৰীক্ষা-নীৰিক্ষা, সনাতন ধ্যান-ধাৰণাৰ ঊৰ্ধত গল্পৰ শৈলীত অতিৰিক্ত মাত্ৰা প্ৰদানৰ কছৰৎ। গল্প সাহিত্য হৈ পৰিছে কলা-কুশলী(গল্পকাৰ)ৰ উন্মুক্ত ৰণাঙ্গন।

বছৰ এটাত অসমত প্ৰকাশিত গল্প সংকলনৰ সংখ্যা সৰহ নহয়, আঙুলি মূৰত লেখিব পৰা। গল্পৰ সংকলন এখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত পাৰ হ'বলগীয়া ওখ হেঙাৰ এখন হয়তো প্ৰথমেই ইয়াৰ কাৰক হ'ব পাৰে। লগতে থাকে এগৰাকী গল্পকাৰৰ জোলোঙাত গল্পকাৰৰ নিজৰ মতে বা প্ৰকাশকৰ মতে সাৰ্থক প্ৰকাশিতব্য গল্প কিমান থাকে, তাৰ বিচাৰ। তথাপি কম সংখ্যক হ'লেও ধাৰাবাহিকভাৱে প্ৰতি বছৰে অসমীয়া গল্পৰ সংকলন প্ৰকাশ পাই আহিছে। উৎসাহজনক কথাটো হৈছে প্ৰতিষ্ঠিত গল্পকাৰসকলৰ লগতে নতুন গল্পকাৰৰ গল্পৰ কিতাপ প্ৰকাশ পোৱাটো।

ইয়াৰ বিপৰীতে সমকালীন অসমীয়া আলোচনীসমূহে গোটেই বছৰ জুৰি অসমীয়া

পাঠকক গল্প পঠনৰ সুযোগ দি আহিছে। প্ৰতিখন আলোচনীয়ে প্ৰতিমাহে গড়ে তিনিটাকৈ (পযেকীয়া আলোচনী "প্ৰান্তিকে" চাৰিটাকৈ) গল্প প্ৰকাশ কৰি আহিছে। ৰঙালী বিহু সংখ্যা আৰু দুৰ্গা পূজা সংখ্যাত প্ৰকাশিত গল্পৰ সংখ্যা বহুগুণে বেছি হয়। কোনোবাখন আলোচনীয়ে কেতিয়াবা গল্প সংখ্যা হিচাপে 'বিশেষ' সংখ্যা প্ৰকাশ কৰে। গতিকে সমকালীন আলোচনীসমূহৰ জৰিয়তে সমগ্ৰ বছৰ জুৰি অসমীয়া পাঠকে গল্পৰ ৰসাস্বাদন কৰিবলৈ সুবিধা পায়।

তদুপৰি অসমত প্ৰচলিত দৈনিক আৰু সাপ্তাহিক বাতৰি কাকতসমূহতো ভালেমান গল্প প্ৰকাশিত হয়। 'দৈনিক অসম', 'দৈনিক জনমভূমি', ইত্যাদি বাতৰি কাকতে সপ্তাহান্তত দেওবাৰে ন্যূনতম এটাকৈ গল্প পাঠকৰ হাতত তুলি দিয়ে। একেদৰে 'অসম বাণী', 'সাদিন', ইত্যাদি সাপ্তাহিক কাকতেও প্ৰতিটো সংখ্যাত ন্যূনতম এটাকৈ গল্প প্ৰকাশ কৰে। অৰ্থাৎ বছৰত বাৱন্নটা (বাৱন্ন সপ্তাহত) গল্প (X) যিমানখন বাতৰি (=) সিমানটা গল্প। এয়া গল্প সাহিত্যৰ চহকী অৱস্থা এটাৰ খতিয়ান।

আলোচনাৰ সুবিধাৰ্থে সমকালীন অসমীয়া আলোচনীৰ ভিতৰত এই লেখাত 'প্ৰকাশ', 'গৰীয়সী', 'সাতসৰী' আৰু 'প্ৰান্তিক' অন্তৰ্ভুক্ত কৰা হৈছে। গল্পৰ সংখ্যা বা প্ৰকাশিত গল্পৰ গড় হিচাপ কৰোঁতে পাঠকসকলে অন্যান্য আলোচনীৰ গল্প হিচাপৰ গণ্ডীলৈ আনি ল'ব বা চাব পাৰে।

আমাৰ আলোচনাৰ গণ্ডীলৈ অনা 'প্ৰকাশ'ৰ জানুৱাৰি (প্ৰকাশন গোষ্ঠীটোৱে 'জানুৱাৰী' লিখে) মাহৰ সংখ্যাত ৪ (চাৰি)টা গল্প প্ৰকাশ হৈছে। গল্পৰ নাম গল্পকাৰৰ নামৰ সৈতে তলত উল্লেখ কৰা হ'ল—

শোণিতগাথা - আকাশ দীপ্ত ঠাকুৰ
মাইকীমুৰা - অপু ভৰদ্বাজ
গল্পৰ মৃত্যু - সৃঞ্জনা শৰ্মা
বৰসোণৰ মাকৰ নথকা জীয়েকজনী - মনস্বিনী মহন্ত।

জানুৱাৰি (জানুৱাৰী) মাহৰ 'গৰীয়সী'ত মুঠে ২ (দুই)টা গল্প প্ৰকাশিত হোৱা দেখা গ'ল—

👍 - অপু ভৰদ্বাজ
আহা পখী - ভৰত ৰাজখোৱা

'সাতসৰী'ত জানুৱাৰি (জানুৱাৰী) মাহত প্ৰকাশিত গল্প ৪ (চাৰি)টা হ'ল—

খোজ - কঞ্জলোচন পাঠক
জোৰা লগা ঘৰ - মণিকা দেৱী
বে-ঘ-নী-সে-হা-সু-ৰ - ডাঃ নয়নজ্যোতি শৰ্মা
মাংস - অপু ভৰদ্বাজ।

পযেকীয়া আলোচনী 'প্ৰান্তিক'ৰ জানুৱাৰি মাহৰ প্ৰথম পযেক (১-১৫ জানুৱাৰি)ত প্ৰকাশিত গল্পৰ সংখ্যা ২ (দুই)টা—

কলিজাৰ ভাষা - ডাঃ জয়ন্ত কুমাৰ গোস্বামী
সঞ্জীৱনী - হীৰামনি গোস্বামী

আনহাতে দ্বিতীয় পযেক (১৬-৩১ জানুৱাৰী)ৰ 'প্ৰান্তিক'তো ২ (দুই)টা গল্পই প্ৰকাশ পাইছে —

আকাশ - নিজৰা ৰাজকুমাৰী
ইপাৰ সিপাৰ - সুস্মিতা দাস

দেখা গ'ল যে এই বছৰ(২০২২)ৰ জানুৱাৰি মাহত আলোচনাৰ অৰ্থে আমি হাতত লোৱা চাৰিখন আলোচনীত প্ৰকাশ পোৱা গল্পৰ সংখ্যা ১৪ (চৌধ)টা। এই সংখ্যা নিচেই কম বুলিব নোৱাৰি। আন এটা লক্ষ্য কৰিবলগীয়া কথা হ'ল এয়ে যে অপু ভৰদ্বাজ(তেওঁ জানুৱাৰিত তিনিখন আলোচনীৰ কাৰণে গল্প লিখিছে)ৰ বাহিৰে আন সকলো গল্পকাৰৰ ১ (এক)টা কৈহে গল্প প্ৰকাশ পাইছে। অৰ্থাৎ আন ১১ (এঘাৰ)টা গল্পৰ বাবে আমি আন ১১ (এঘাৰ) গৰাকী

গল্পকাৰৰ গল্পৰ সৈতে মুখা-মুখি হৈছোঁ। সেইটোও কম ডাঙৰ কথা নহয়। এতিয়া আমি জানুৱাৰি মাহত প্ৰকাশিত গল্পসমূহ চকু ফুৰাওঁ আহক—

জানুৱাৰি মাহৰ 'প্ৰকাশ'ত প্ৰকাশিত চাৰিটা গল্পৰ কথা আগতেই কৈ আহিছোঁ। আকাশ দ্বীপ্ত ঠাকুৰৰ গল্প 'শোণিতগাথা' মহাভাৰতৰ প্ৰখ্যাত চৰিত্ৰ পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদীৰ স্বৰ্গাৰোহণ যাত্ৰাৰ ওপৰত ভিত্তি কৰি লিখা হৈছে। প্ৰাচীন কাহিনী, মহাকাব্য, পুৰাণ আদিক আশ্ৰয় কৰি লিখা বহু গল্প-উপন্যাসে অসমীয়া তথা ভাৰতীয় সাহিত্য সমৃদ্ধ কৰিছে। অতি কুশলতাৰে আৰু মনোগ্ৰাহী কৰি চিত্ৰকল্প আৰু ৰূপকৰ যথোপযুক্ত ব্যৱহাৰেৰে গল্পকাৰ ঠাকুৰে স্বৰ্গাৰোহণৰ পথত নিজা নিজা কৃতকৰ্মৰ বাবে মৃত্যুবৰণ কৰা দ্ৰৌপদী আৰু ভীমক মুখামুখি কৰাইছে। জীৱদ্দশাত যি সংঘটিত নহ'ল, মৃত্যু পৰৱৰ্তী সময়ত সেই অনুপলব্ধ প্ৰেমৰ পৰাকাষ্ঠাৰ চিত্ৰ অঙ্কন কৰিছে—

"তোমাৰ মুক্ত কেশত এয়া একাঁজলি কেঁচা তেজ পাঞ্চালী। এয়া...এয়া কাৰ তেজ জানা? পাঞ্চালীৰ মুক্ত কেশত এয়া তপ্ত শোণিত--বৃকোদৰৰ উদং কলিজাৰ...।"

মহাভাৰতৰ কেন্দ্ৰীয় চৰিত্ৰ দুটাৰ মানসিক সংঘাতৰ সম্ভেদ দিওঁতে স্বৰ্গাৰোহণৰ পথত দৃশ্যমান নৈসৰ্গিক প্ৰাকৃতিক শোভাৰো ঠাকুৰে সুন্দৰ বৰ্ণনা দিছে। মহাকাব্যিক প্ৰেক্ষাপটত গল্পৰ শৰীৰে ঠন ধৰি উঠিলেও আধুনিক মনস্তত্বৰ জটিল সমীকৰণেৰে 'শোণিতগাথা' এটা সাৰ্থক গল্প।

জানুৱাৰিৰ 'প্ৰকাশ'ৰ দ্বিতীয়টো গল্প অপু ভৰদ্বাজৰ 'মাইকীমুৰা'। গল্পৰ শৈলীৰ বিভিন্ন পৰীক্ষা-নীৰিক্ষাত সিদ্ধহস্ত ভৰদ্বাজৰ গল্পৰ শিৰোনামসমূহো চমকপ্ৰদ। 'মাইকীমুৰা' মাইকী ছোৱালীৰে কাহিনী। পৈতৃক সম্পত্তি, যাৰ ওপৰত দখলকাৰীৰ কুদৃষ্টি পৰিছিল, ৰক্ষাৰ কাৰণে সৰুজনী ভনীয়েকক পুৰুষৰ সাজ পিন্ধোৱাই, পুৰুষৰ দৰে আচাৰ আচৰণ কৰোৱাই ডাঙৰ কেইজনীয়ে কাৰ্য্যসিদ্ধি কৰি পাছত ঘোষণা কৰিলে যে তেওঁলোকৰ পৰিয়ালত কস্মিনকালেও ল'ৰা সন্তান জন্মাই নাছিল। চুবুৰীয়া তথা বাটত বৈ থকা ছোৱালী জোকোৱা ল'ৰাকেইটাৰ কৌতূহলী চকুৰ সমুখতে মাইকীমুৰা ল'ৰাটো ছোৱালীলৈ ৰূপান্তৰিত হ'ল। বৰ বেছি চমক সৃষ্টি কৰিব নোৱাৰিলে যদিও অপু ভৰদ্বাজৰ এই গল্পটোৱে পাঠকক মানসিক খোৰাক যোগাব পাৰিছে বুলি ক'ব পাৰি। ঠায়ে ঠায়ে ৰূপকৰ ব্যৱহাৰ কৰা গল্পকাৰৰ বাক্-চাতুৰ্য্য প্ৰশংসনীয়—

'পুৰুষক বিশুদ্ধ পুৰুষ হিচাপে আৰু নাৰীক লাস্যময়ী হিচাপে গ্ৰহণ কৰাটোহে স্বাভাৱিক। অন্যথা অলপ হেৰফেৰ হ'লেই হাজাৰ কৌতূহলী চকুৱে খেদি ফুৰে সেই ভিন্ন ৰূপক। তিতা ফুচ্‌ফুচনিবোৰে ঘূলি লয়। খোঁচা-বিন্ধা আৰু অশ্লীল তিতকাৰীবোৰে ক্ৰমশঃ কাঢ়ি নি থাকে তেনে অস্বাভাৱিক মানুহ একোজনৰ জীয়াই থকা অধিকাৰ..."।

সৃঞ্জনা শৰ্মাৰ 'গল্পৰ মৃত্যু' জানুৱাৰি সংখ্যা 'প্ৰকাশ'ত প্ৰকাশিত এটা নতুন আঙ্গিকৰ গল্প। গল্পটিত গল্পকাৰৰ সম্পৰীক্ষাৰ স্বাক্ষৰ আছে। চাকৰিৰপৰা বৰ্খাস্ত হোৱা দেৱজ্ঞান বৰুৱাই নিজৰ হকে চাফাই নাগাই বা ওকালতি নকৰি এটা নতুন বৃত্তি আকোৱালি লৈছে– গল্পৰ প্লট বিক্ৰীৰ বৃত্তি। যিসকল গল্পকাৰে প্লটৰ অভাৱত গল্প লিখিব পৰা নাই বা সৃষ্টিশীল কৰ্মত সাময়িক যতি পৰিছে সেইসকল গল্পকাৰক দেৱজ্ঞান বৰুৱাই প্লট যোগান ধৰিছে, প্লট বিক্ৰী কৰিছে। প্ৰথমে প্লট বিক্ৰীৰ বাবে গল্পকাৰৰ দুৱাৰে দুৱাৰে ঘূৰিবলগীয়া হোৱা বৰুৱাৰপৰা এতিয়া গল্পকাৰসকলেহে আগবাঢ়ি আহি প্লট কিনে আৰু মনোগ্ৰাহী গল্প লিখে। গল্পকাৰৰ ভাষাত সেয়েহে 'গল্পৰ মৃত্যু হৈছে, জয় হৈছে প্লটৰ'। পাঠকৰ চেতনাত জোকাৰ তুলিব পৰা এটা অৱশ্য পঠনীয় গল্প।

জানুৱাৰি মাহৰ 'প্ৰকাশ'ৰ শেষৰটো গল্প হ'ল— 'বৰসোণৰ মাকৰ নথকা জীয়েকজনী'। গল্পকাৰ মনস্বিনী মহন্ত। এটি সুখপাঠ্য গল্প। সুন্দৰ, সাৱলীল গতিত প্ৰৱাহিত ঘটনাস্ৰোতৰ গল্পটিত আছে নগৰীয়া ছোৱালী এজনী ভিতৰুৱা গাঁও এখনলৈ বিয়া হৈ যোৱা আৰু বিবাহোত্তৰ জীৱনৰ আদৰ্শময় গাথা। বিয়াৰ পাছদিনাৰ পৰাই ছোৱালীজনী স্বামীগৃহৰ জীয়ৰীলৈ পৰ্য্যবসিত হ'ল। কিন্তু বোৱাৰীয়েকজনী তেওঁৰ জীয়েক হ'বগৈ নে! – এই চিৰন্তন প্ৰশ্নৰ শেষত প্ৰশান্তিৰ প্ৰলেপ। অধিক বৰ্ণনাৰপৰা বিৰত থাকি সামান্য উদ্ধৃতি এটাৰে মনস্বিনী মহন্তৰ সৃষ্টিৰ চানেকি দাঙি ধৰিলোঁ--

"গাঁৱৰ ঠাই। অকণমান বেলি হ'লেই, পদূলিমুখত ৰাস্তাটোৰ সিপাৰে থকা জাতি বাঁহৰ জোপোহাটোতে সংসাৰৰ ভূতৰ কাহিনীবোৰে ওলমি ৰয়হি।..."

সি সুন্দৰ চিত্ৰকল্প!

'গৰীয়সী' আলোচনীৰ জানুৱাৰি সংখ্যাত মাথোঁ দুটা

গল্প প্ৰকাশিত হৈছে।

অপু ভৰদ্বাজৰ 👍 (লাইক কৰা ইমোজি)। দোকানে-অফিচে কান্ধৰ ভাৰেৰে দুটা টিনেৰে পানী বিক্ৰী কৰি পেট প্ৰৱৰ্তোৱা মানুহজনৰ ঘৈণীয়েক টুপলীও ঘৰধৰা গৃহিণীয়েই আছিল। ছাগলী পুহি গিৰিয়েকক সহায় কৰাৰ লগতে আটোমটোকাৰিকৈ ঘৰখন সজাই ৰাখিছিল। পিছে হঠাৎ প্ৰলোভন আহিল— মাটি বেচি মদ খোৱা মানুহৰ দৰেই ছাগলী বেচি পোৱা ধনেৰে এনড্ৰইদ্ মোবাইল এটা কিনি পেলালে। ইণ্টাৰনেট-ফে'চবুক শিকাবলৈ ডঙুৱা ডেকাৰ অভাৱ নহ'ল। লোভনীয় ফে'চবুকৰ পৃথিৱীলৈ অৰ্থাৎ অন্ধকাৰলৈ সোমাওঁতে সোমাওঁতে ওলাব নোৱাৰাকৈ আষ্টে-পৃষ্ঠে বান্ধ খাই পৰিল। আন্ধাৰৰ সুৰঙ্গলৈ যাত্ৰা কৰাৰ পথত ডঙুৱা ডেকাক দেহাটোও উচৰ্গা কৰিলে। কিন্তু অপু ভৰদ্বাজে অন্ধকাৰ সুৰঙ্গৰ শেষত পোহৰৰ জিলিকনি নেদেখুৱাকৈ হাত ধোৱা নাই। পুনৰ নিজস্বতালৈ ঘূৰি অহাৰ ইঙ্গিতেৰে ভৰদ্বাজে গল্পটো সামৰিছে--"টুপলীয়ে কামৰ মাজে মাজে ফে'চবুকটো খুলি খুঁচৰি থাকে— লাইক-কমেণ্ট নাচায়, বিচাৰে একাউণ্টটো ডি-এক্টিভ কৰাৰ অবচনটো।'

ভৰদ্বাজৰ এই গল্পটো আমি 👍 কৰিব পাৰোঁ।

জানুৱাৰি মাহৰ 'গৰীয়সী'ত প্ৰকাশিত আনটি গল্প ভৰত ৰাজখোৱাৰ 'আহা পখী।' দেশ উদ্ধাৰৰ সেউজীয়া সপোন দুচকুত লৈ উগ্ৰপন্থী সংগঠনত যোগদান কৰিবলৈ অৰণ্যলৈ যোৱা জিলমিল শেনচোৱা নামৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰীগৰাকী এসময়ত ছানফ্লাৱাৰ ওৰফে জিকাফুলি ওৰফে হোৱাইট ভাইপাৰ নামে দুৰ্ধৰ্ষ সৈনিক হৈ উঠিছিল। কিন্তু তাইৰ মোহভঙ্গ হ'বলৈ বেছি দিন নালাগিল-- সোনকালেই উদ্দেশ্যহীন উগ্ৰপন্থী সংগঠনটোৰ স্বৰূপ ওলাই পৰিল।

"...জিলমিল ৰাণী দুৰ্গাৱতী হ'বলৈ বিচাৰিছিল, লক্ষ্মীবাঈ হ'বলৈ বিচাৰিছিল বা মূলাগাভৰু হ'বলৈ বিচাৰিছিল। কিন্তু হ'লগৈ উৰ্বশী, ৰম্ভা বা মেনকাহঁতৰ এজনী। নৰকৰ দেৱতাৰ বাসনা নিবৃত্তিৰ সমল।"

সেয়েহে জিলমিল উভতি আহিল অৰণ্যৰপৰা মানুহৰ মাজলৈ। সাৱলীল বৰ্ণনাৰীতিৰ ভৰত ৰাজখোৱাৰ গল্পটো পঢ়ি এখন মনোগ্ৰাহী চিনেমা চাই থকাৰ দৰে লাগিল। এটি সাৰ্থক গল্প।

জানুৱাৰি মাহৰ 'সাতসৰী'ত প্ৰকাশিত চাৰিটা গল্পৰ প্ৰথমটো 'খোজ', গল্পকাৰ কঞ্জলোচন পাঠক। কৰ'না অতিমাৰীৰ সময়ত ২০২০ চনৰ মাৰ্চত দেশজুৰি বলৱৎ হোৱা লকডাউনৰ ফলত আৰ্থিক অনাটনত দিশহাৰা হৈ হাজাৰ হাজাৰ কিল'মিটাৰ দূৰৰ স্বগৃহলৈ বুলি প্ৰত্যাৱৰ্তন কৰা অগণন প্ৰব্ৰজিত শ্ৰমিকৰ খোজৰ কথা গল্পকাৰে অতি মননশীল শব্দচয়নেৰে অংকন কৰিছে। দুটাকৈ সন্তানেৰে সৈতে দিল্লীৰ মহল্লা এটাত নিঠৰুৱা কৰি গিৰিয়েকে এৰি থৈ যোৱাৰ পাছত মাধৱীয়ে এখন সাধাৰণ ৰুটি-চাহ-ভাতৰ দোকান দি চলিবলৈ লৈছিল। ল'ৰা-ছোৱালীহালকো স্কুলত পঢ়ুৱাই ছিল। গিৰিয়েকে লগাই থৈ যোৱা ধাৰ মাৰি দোকানখন টনকিয়াল কৰি আনিছিল আৰু এদিন এখন ভাল হোটেলৰ গৰাকিনী হোৱাৰ সপোন দেখিছিল। কিন্তু কৰ'নাৰ কাৰণে হোৱা লকডাউনে তাইৰ সপোন থানবান কৰিলে আৰু অগণিত শ্ৰমিকৰ সৈতে নিজা ঘৰ বিহাৰলৈ বুলি অনিশ্চয়তাৰ খোজ পেলাবলৈ বাধ্য হ'ল। মাধৱীৰ জীৱন-চয়নৰ জৰিয়তে গল্পকাৰে ভাৰতীয় প্ৰব্ৰজিত শ্ৰমিক তথা ক্ষুদ্ৰ ব্যৱসায়ীয়ে মুখামুখি হ'বলগীয়া এছোৱা কঠিন সময়ৰ নিৰ্মোহ দস্তাবেজ পাঠকৰ সন্মুখত মেলি ধৰিছে। এটি অৱশ্যে পঠনীয় সাৰ্থক গল্প।

'সাতসৰী'ৰ দ্বিতীয়টো গল্প মণিকা দেৱীৰ 'জোৰা লগা ঘৰ'। ক'ভিডকালীন লকডাউনৰ সময়ত সাময়িকভাৱে একাকীত্বৰ জীৱন কটাবলগীয়া হোৱা এজন মানুহৰ জৰিয়তে গল্পকাৰে বৰ্ণনা কৰিছে বাঢ়ি অহা নগৰীয়া সভ্যতাৰ আবৰ্জনা আৰু যান্ত্ৰিকতাৰ ৰূঢ় বাস্তৱ। কেৱল পিছফালটোৰে জোৰা লগা, মাজত অৱশ্যেই এটি ড্ৰেইন— যিটো পূৰ্বতে এটা নিজৰা আছিল, দুখন ঘৰৰ দুজন মানুহৰ মাজত মাজে সময়ে বেৰৰ দুটা ফালৰপৰা হোৱা কথোপকথন, একেলগে সমাজ সেৱা কৰাৰ পৰিকল্পনা, সাধাৰণ সুখ-দুখৰ ভাগ-বাটোৱাৰা বন্ধ হৈ গ'ল লকডাউনৰ ভৰত। পিছফালৰ ঘৰটোৰ মানুহজন ক'ভিডত ঢুকাই থকাৰ খবৰটোও আনকি ফে'চবুকতহে পাবলগীয়া হ'ল। কিন্তু এনেকৈয়ো মানুহ এজন গুচি যায় নে—

"মই থিৰেৰে থাকিব নোৱাৰিলোঁ। আদ্যাক্ষৰ জোৰা লাগি হোৱা সামান্য শব্দ (RIP) এটাই প্ৰকাশ কৰিব নোৱাৰে মোৰ মনৰ অৱস্থা। আশ্চৰ্য্যচকিত হৈ পৰিছোঁ মই। হৈ পৰিছোঁ শোকবিহ্বল। চৌধুৰী সঁচাকৈয়ে গ'লগৈ?"

মাজে মাজে প্ৰতীকৰ ব্যৱহাৰ আৰু উপযুক্ত শব্দচয়নেৰে মনত দোলা দি যাব পৰা এটা ধুনীয়া গল্প।

জানুৱাৰি মাহৰ 'সাতসৰী'ত প্ৰকাশিত তৃতীয়টো গল্প হ'ল ডাঃ নয়নজ্যোতি শৰ্মাৰ "বে-ঘ-নী-সে-হা-সু-ৰ"। ৰামধেনুৰ সাতোটা ৰঙ(বেঙুনীয়া, ঘননীলা, নীলা, সেউজীয়া, হালধীয়া, সুমথিৰা আৰু ৰঙা)ৰ চমু ৰূপটোৱেই হ'ল গল্পৰ শিৰোনাম। গল্পটোৰ মৰ্মকথাও হ'ল ৰামধেনুৰ সাতোটা ৰঙেই। পঢ়াৰ তাগিদাত ছবি অঁকাৰ কৰ্চ সম্পূৰ্ণ কৰিব নোৱৰা সমীৰৰ মনত অনবৰত এটা হীনমন্যতা আৰু সংকোচৰ ভাবে পীড়া কৰি আছিল। হঠাতে এদিন তাৰ দিব্য উপলব্ধি হ'ল। সেই উপলব্ধিয়ে তাক ক'লে- "... তুমি যে সম্পূৰ্ণকৈ ছবি আঁকিবলৈ নিশিকিলা সেইটো তোমাৰ বাহিৰে কোনেও নাজানে। আৰু তুমি যদি নিজে সেইটো কথাক তোমাৰ ৰঙীন যাত্ৰাটোৰ অন্তৰায় হ'বলৈ নিদিয়া, কোনেও তোমাক জোৰকৈ হতাশ কৰি দিবলৈ নাহে। কোনেও তোমাক বজাৰৰ মাজত, পদপথত আঙুলিয়াই নকয় যে তোমাৰ চমকপ্ৰদ ছবিখন আমি গ্ৰহণ নকৰোঁ, কাৰণ তুমি আনুষ্ঠানিক শিক্ষা লোৱা নাই।..." সমীৰৰ আদৰ্শ চিত্ৰশিল্পী ভিনচেণ্ট ভেন গঁগেও যেন স্বপ্নাবিষ্ট সমীৰক ক'লে- "সমীৰ, ৰংবোৰ তোমাৰ। সেইটো কথা মনত ৰাখিবা। অকল কেনভাছতেই নহয়, অকল হাতে বনোৱা কাগজতেই নহয়, বৰং জীৱনতো।..."

আৰু যেন দ্বিধাগ্ৰস্ত, নীচাত্মিকা ভাবত আক্ৰান্ত সমীৰে ভৱিষ্যতৰ সিদ্ধান্ত ল'ব পাৰিলে– ৰামধেনুৰ সাতোটা ৰং তাৰ চকুত উদ্ভাসি উঠিল। — চিত্ৰকল্প, প্ৰতীক আৰু ৰূপকৰ যুগপৎ ব্যৱহাৰে গল্পটো সুন্দৰ কথকতাৰে পৰ্য্যবসিত কৰিছে। — "... বাটৰ কাষতে থকা কলেজৰ বগা, ওখ বিল্ডিংবোৰে ইতিমধ্যে সিহঁতৰ সঙ্গ এৰিছিল। পথটো অধিক সেউজীয়া আৰু এঢলীয়া হ'বলৈ ধৰিছিল। বাটত লগ পাই সম্ভাষণ জনাবলৈ স্পীডব্ৰেকাৰকেইটাৰ বাহিৰে কোনো নাছিল।" -- এই ধৰণৰ বৰ্ণনাৰে কল্পনা আৰু বাস্তৱৰ বণিয়াইদি পাঠকক খোজকঢ়াই লৈ গৈছে গল্পকাৰে।

'সাতসৰী'ৰ শেষৰটো গল্প অপু ভৰদ্বাজৰ 'মাংস'। দীঘলীয়া গল্পটোত মাংসক এটা প্ৰতীকৰ ৰূপত সজাই গল্পকাৰে সূচনা কৰিছে ধৰ্ম-অধৰ্মৰ বিতৰ্ক। মাংসই (ধৰ্মই) বিভাজিত কৰা ধৰ্মীয় তথা সম্প্ৰদায়ভিত্তিক সমাজৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠানৰ কথা ক'বলৈ যাওঁতে গল্পকাৰে বিচৰণ কৰিছে বিভিন্ন ধৰ্মৰ প্ৰচলিত নিয়ম-কানুন, চলি অহা পৰম্পৰাৰ মাজত; ভাৰতৰ অতীত ইতিহাসৰ বুকুত। ধৰ্মসম্ভূত ঘৃণা আৰু বিশ্বাসে জন্ম দিয়া দেশৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ খতিয়ানো বছৰৰ উল্লিখনেৰে ভৰদ্বাজে দাঙি ধৰিছে। ধৰ্মীয় ৰীতি-নীতি, ধৰ্মগ্ৰন্থৰ আলোচনাই গল্পটোৰ সৌন্দৰ্য্য ভালেখিনি হ্ৰাস কৰিছে। এটা সত্যৰে গল্পকাৰে গল্পটো শেষ কৰিছে— "জীয়াকহে লাগে, মৰাক ধৰ্ম নালাগে। নালাগে খাবলৈ অলপ মাংসও।"

জানুৱাৰি মাহৰ প্ৰথমটো পযেকৰ (১-১৫ জানুৱাৰি) 'প্ৰান্তিক'ত প্ৰকাশ পোৱা প্ৰথমটো গল্প- 'কলিজাৰ ভাষা', গল্পকাৰ ডাঃ জয়ন্ত কুমাৰ গোস্বামী। বৃত্তিত চিকিৎসক গল্পকাৰে হাৰ্ট ট্ৰেন্সপ্লেণ্টেচনৰ ৰোগী এগৰাকীয়ে কলিজাত কঢ়িয়াই লৈ অহা পূৰ্বৰ স্মৃতিৰ জটিল বিষয় এটিৰ কাহিনী কৈছে 'কলিজাৰ ভাষাত'। গল্পকাৰৰ মতে মগজুৰ উপৰিও হৃৎপিণ্ড, যকৃত আদিতো স্মৃতি সঞ্চিত হৈ থাকিব পাৰে– বিজ্ঞানীসকলে তাৰ নাম দিছে 'ছেলুলাৰ মেম'ৰি'। গল্পৰ কাহিনীভাগ আগবাঢ়িছে সফলতাৰে হাৰ্ট ট্ৰেন্সপ্লেণ্ট কৰা আঠ বছৰীয়া ছোৱালী এজনীৰ বিশেষ মানুহ এজন(মানৱ বৰুৱা)ৰ প্ৰতি কৰা অস্বাভাৱিক আচৰণৰ কথাৰে। সেই মানুহজনক দেখি তাই অসন্তুষ্ট হ'ল, ভয়ত সন্ত্ৰাসিত হ'ল আৰু ঘোষণা কৰিলে যে তেওঁ এজন বেয়া মানুহ। কিয় মানুহজন বেয়া, তাৰ ব্যাখ্যা আগবঢ়াবলৈ গৈ তাই ক'লে যে তেওঁ তাইক বেয়া (?) ব্যৱহাৰ কৰিছিল। পৰৱৰ্তী অনুসন্ধানত ওলাই পৰিল যে মানৱ বৰুৱা নামৰ সেই মানুহজনে দহবছৰীয়া ছোৱালী এজনীৰ ওপৰত যৌন আতিশয্য চলাবলৈ লওঁতে ছোৱালীজনী ছাদলৈ লৰৰি পলাইছিল আৰু মানুহজনে ছাদৰপৰা তললৈ ঠেলি পেলাই সেই ছোৱালীজনীক হত্যা কৰিছিল। হত্যাৰ বলি হোৱা সেই দহ বছৰীয়া ছোৱালীজনীৰ হৃৎপিণ্ডটোকে এই আঠ বছৰীয়া ছোৱালীজনীৰ দেহত সংৰোপিত কৰা হৈছিল। ছোৱালীজনীৰ ভাষ্যৰ আঁত ধৰি দহ বছৰীয়া ছোৱালীজনীৰ হত্যাকাৰী হিচাপে মানৱ বৰুৱাক পুলিচে গ্ৰেপ্তাৰ কৰিলে।

কাহিনী কথনত সামান্য চাচপেন্স ৰাখিলেও গল্পকাৰে সহজ-সৰল ভাষাত গল্পটো লিখিছে। এটি সুখপাঠ বুলি ক'ব পাৰি।

এই সংখ্যা 'প্ৰান্তিক'ত প্ৰকাশিত দ্বিতীয়টো গল্প হীৰামনি গোস্বামীৰ 'সঞ্জীৱনী'। 'সঞ্জীৱনী' বোৱাৰী ছোৱালী হৈ উঠাৰ আৰু শহুৰেক দেউতাক হোৱাৰ অনুপম কাহিনী। প্ৰয়োজনতকৈ বহু আগতে ঘৰৰ মানুহজনী

ঢুকাইছিল। পুতেকক বিয়া পাতি দিয়াৰ পাছত বোৱাৰীজনীয়ে আহি ঘৰখন ধৰিলে। কিন্তু সেনাবাহিনীত কৰ্মৰত পুতেকৰ নিথৰ দেহটো এদিন ঘৰলৈ অহাত আশাহত শহুৰেক আৰু একেই আশাহত বোৱাৰীয়েকৰ জীৱন আগনবঢ়া হ'ল। তেতিয়াই ইতিমধ্যে দেউতাকলৈ পৰ্য্যবসিত হোৱা শহুৰেকে ছোৱালীলৈ ৰূপান্তৰ ঘটা বোৱাৰীয়েকক সকলো প্ৰকাৰৰ স্বাধীনতা দি জীৱনটো নতুনকৈ আৰম্ভ কৰিবলৈ আগুৱাই দিলে। প্ৰথমে বিশ্ববিদ্যালয়ত পঢ়িবলৈ লোৱা বোৱাৰীয়েকে চাকৰি এটাও পালে আৰু তেতিয়াই এটা ডাঙৰ সিদ্ধান্ত লৈ পেলালে— এটা সন্তান তুলি ল'ব; ভাল বোৱাৰীৰ লগে লগে ভাল মাকো হ'ব। শহুৰেকে আনন্দে সন্মতি জনোৱাতে কাহিনীৰ মোখনি পৰিছে। কোনো জটিল মনস্তত্বৰ অৱতাৰণা নকৰাকৈ সহজ-সৰল কোমল ভাষাৰে লিখা গল্পটো অৱশ্যেই সুখপাঠ্য হৈ উঠিছে।

জানুৱাৰি মাহৰ দ্বিতীয়টো সংখ্যা (১৬-৩১ জানুৱাৰি) 'প্ৰান্তিক'ত প্ৰকাশিত প্ৰথমটো গল্প নিজৰা ৰাজকুমাৰীৰ 'আকাশ'। মদ-ভাং জুৱাই উচ্ছন্ন কৰা ফলঙনি গাঁৱৰ মানুহসোপাই নিচা সেৱন আৰু জুৱাৰ বাবেই নিজৰ নিজৰ মাটি-ভেটি বিক্ৰী কৰিলে— বাহিৰৰপৰা আহি হোটেল ৰিজ'ৰ্ট খোলা মানুহৰ হাতত। তাৰপৰা বিৰত নাথাকিল কণিকাই ভাল পাই বিয়া হৈ সোমোৱা ভঙুৱা বিষ্ণুও। তথাপি এসোপা নষ্ট যোৱা মানুহৰ মাজত পোহৰৰ আশাত বন্দী হৈ থাকিল কণিকা—

"...সপোন খেদি খেদি ঘাম বোৱাব জনা মানুহৰ বাবে ধন অন্তৰায় নিশ্চয় নহয়। ... অনাখৰী কণিকাই বুজি পায় নিজৰ মাটিত গাখীৰ মাছ শইচেৰে বিপ্লৱ কৰিব নোৱাৰিলে কোনো বিপ্লৱে দেশ বা মানুহক সমৃদ্ধ কৰিব নোৱাৰে।" — এটা সাংঘাতিক ডাঙৰ বাৰ্তা। ভঙুৱা গিৰিয়েক বিষ্ণুৰ নঞাৰ্থক কথা-কাণ্ড আৰু সমগ্ৰ গাঁওখনৰ নিৰাশাব্যঞ্জক আৱহাৱাতো "কণিকাই কিন্তু আজিও সপোন এটা খেদি ফুৰে। দন্দুৰী ঘৰ চাপিব নোখোজা চেউৰী এজনীক গধূলা এপৰলৈ খেদি ফুৰাৰ দৰে বৰ আহুকলীয়া সপোন তাইৰ। ..." কণিকাৰ সপোন নিজাকৈ খেতি কৰি গুটি ধানৰ ভঁড়াল ভৰোৱাৰ। আৰু পুতেক নৱম শ্ৰেণীত পঢ়ি থকা বাবু(শঙ্কৰ)ৰ সপোন মহাকাশৰ আশ্চৰ্য্যৰ সন্ধান কৰি মহাকাশ বিজ্ঞানী হোৱাৰ। মাক-পুতেকৰ সপোনৰ বাস্তৱায়নৰ দায়িত্ব সেই গাঁৱৰে সুসন্তান কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষক গুঞ্জন খনিকৰৰ। কিন্তু গাঁৱৰ শনাহীকেইটাৰ শেন চকুৱে মাক-পুতেকৰ সপোন পূৰ্ণ হ'বলৈ নিদিলে। শনাহীয়ে বিষ্ণুৰ বুকুত দিয়া জুয়ে পুৰিলে সকলো— দ'ম কৰি থোৱা ধানৰ ডাঙৰি, মণিকাৰ সপোন, আনকি বাবুকো। এই সকলোৰে সাক্ষী হৈ ৰ'ল আকাশ।

ৰূপক, চিত্ৰকল্প আৰু প্ৰতীকৰ ব্যৱহাৰ, ঠায়ে ঠায়ে ফকৰা-যোজনা আৰু প্ৰবচনৰ উপযুক্ত ব্যৱহাৰে 'আকাশ'ক এটা সাৰ্থক গল্পৰ ৰূপ দিছে।

'প্ৰান্তিক'ৰ এই সংখ্যাৰ দ্বিতীয়টো গল্প "ইপাৰ সিপাৰ", গল্পকাৰ সুস্মিতা দাস। নিম্ন আয়ৰ এগৰাকী পুৰোহিতৰ কষ্টকৰ জীৱন কাহিনী বৰ্ণিত হৈছে এদিনৰ ঘটনাৰ মাজেৰে। পুৰোহিত ভট্টাচাৰ্য্য নামজ্বলা ঠিকাদাৰ এজনৰ কন্যাৰ বিয়াৰ পুৰোহিত। একেদিনাই জোৰোণৰপৰা বিয়ালৈকে সামৰা বিয়াখনৰ বিনিময়ত তেওঁ পালে ছহেজাৰ টকা। সকলো কন্যাকে নিজৰ কন্যা জ্ঞান কৰা ভট্টাচাৰ্য্যই এইখন বিয়াতো দিনটো উপবাসে থাকিল যদিও 'ভৱনত' বিয়াৰ আয়োজন কৰা কইনাঘৰীয়াই একাপ চাহ পৰ্য্যন্ত নুখুৱালে। বিয়াৰ শেষত কইনা ওলাই গ'ল, কইনাঘৰীয়া মানুহ ঘৰাঘৰি গ'ল— একেটা পথতে থাকে যদিও ভট্টাচাৰ্য্যক ঘৰলৈ পঠোৱাৰ কোনো ব্যৱস্থা ঠিকাদাৰে নকৰিলে। মেধাৱী পুত্ৰক নিম্ন আয়ৰ প্ৰমাণ পত্ৰ এখন আনি দিব নোৱৰা পুৰোহিত ভট্টাচাৰ্য্যই শেষ নিশা ভৱনৰ বাহিৰত আকাশ পাতাল ভাবি ঠাণ্ডাত কঁপি কঁপি বহি থাকোঁতে ত্ৰাণকৰ্তাৰ ৰূপত যি হাজিৰ হ'লহি সেয়া আন কোনো নহয়— অট'চালক তাৰিণী আৰু তেওঁৰ পৰিবাৰ মলয়া। মলয়াই দিনত 'ভৱন'তে কাম কৰি ছশ টকা পাইছে। তাৰিণীয়ে নিজৰ অ'টোখন চলাই জীৱিকা উপাৰ্জন কৰে। তেনেকৈয়ে তেওঁলোকে দুয়োটা পুত্ৰক ৰাজ্যৰ বাহিৰত মেডিকেল পঢ়ুৱাইছে। মলয়াৰ আশা-- এদিন পুত্ৰদ্বয়ৰ কৃতিত্বৰ জৰিয়তে তেওঁলোক সমাজৰ আগশাৰীত স্থান পাবৰ যোগ্য হ'ব আৰু উচ্চবৰ্ণৰ মানুহে এপিয়লা চাহ যাচিবলৈ কুণ্ঠাবোধ নকৰিব। এই প্ৰহসনৰ মাজতে গল্পকাৰৰ উপলব্ধি--"...দৰিদ্ৰৰ কোনো ধৰ্ম নাথাকে, কোনো জাতি নাথাকে। দৰিদ্ৰতাই দুখীয়াৰ একমাত্ৰ পৰিচয়।"

কোনো জটিল শব্দৰ ব্যৱহাৰ নকৰাকৈ সহজ-সৰল ভাষাত লিখা 'ইপাৰ সিপাৰ' এটি অৱশ্য পঠনীয় গল্প।

ওপৰৰ আলোচনাৰপৰা প্ৰতীয়মান হ'ল যে অসমীয়া চুটি গল্পৰ বাৰেৰহণীয়া ৰূপ জানুৱাৰি সংখ্যা সমকালীন


আলোচনীসমূহত প্ৰকাশিত গল্পবিলাকত প্ৰৱাহিত হৈছে। কোনো লেখকেই যেতিয়া সমকালক উপেক্ষা কৰিব নোৱাৰে, গতিকে এতিয়াৰ গল্পকাৰসকলেও তাক উপেক্ষা কৰিব পৰা নাই। কবি নৱকান্ত বৰুৱাই কৈছে--

পলাশৰ জুই নুমাল এতিয়া
শাল আৰু চতিয়ান বনত
মানৰ দিনৰ অতীত ব'হাগৰ ধুমুহা স্বাক্ষৰ...............


উগ্ৰপন্থাৰ সৰ্বনাশী আতিশয্য স্তিমিত হৈ আছে যদিও সম্পূৰ্ণ বন্ধ হোৱা নাই। ঠিক পলাশৰ জুইৰ দৰেই, বতৰত পুনৰাই জ্বলি উঠে। উগ্ৰপন্থাৰ ওপৰত লিখা এটা গল্প আৰু অতিমাৰী কৰ'নাৰ ওপৰত লিখা দুটা গল্প জানুৱাৰি মাহত প্ৰকাশিত গল্পসমূহৰ অন্যতম। আমাৰ আলোচনাত ঠাই পোৱা আন গল্পকেইটাৰ বিষয়বস্তু সাৰ্বজনীন। কোনোবাটোত যদি ৰামধেনুৰ ৰঙৰ কথা, আন এটাত উছন যোৱা সমাজ এখনৰ কথা, কোনোবাটোত মানুহৰ মাজৰ অনুপম সম্বন্ধৰ কথা, আন ক'ৰবাত যুক্তি-তৰ্কৰ অৱতাৰণা। যেন একেটা কুঁকিতে তগৰ, গোলাপ, হাচনাহানা, খৰিকাজাঁইৰ সংস্থাপন!

অসমীয়া চুটিগল্পই এদিন বিশ্ব সাহিত্যত সুকীয়া আসন লাভ কৰিব পাৰিব বুলি আমি আশাবাদী।

●



প্ৰবন্ধ



# মৎস্যগন্ধা ঃ এগৰাকী প্ৰান্তীয় নাৰীৰ আত্মপৰিচয়ৰ সন্ধান

**ড° বিনীতা বৰা দেৱচৌধুৰী**

**সাৰাংশ**

অসমীয়া গদ্য সাহিত্যৰ শক্তিশালী গদ্যকাৰ হোমেন বৰগোহাঞিৰ এখন অন্যতম উপন্যাস 'মৎস্যগন্ধা'। প্ৰচলিত সমাজ ব্যৱস্থাৰ বলি হোৱা এগৰাকী প্ৰান্তীয় নাৰীয়ে আত্মপৰিচয় বিচাৰি কৰা প্ৰতিবাদেই উপন্যাসখনৰ মূল বিষয়বস্তু। এই বিষয়বস্তুক কেন্দ্ৰ কৰি মেনকা নামৰ নাৰী চৰিত্ৰটোৰ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হৈছে এই আলোচনাত।

আলোচনা আগবঢ়াই নিওঁতে বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। মুখ্য শব্দ হিচাপে ব্যৱহাৰ কৰা হৈছে উপন্যাস, প্ৰান্তীয়, নাৰী, চৰিত্ৰ, আত্মপৰিচয়।

**মূল আলোচনা**

অসমীয়া উপন্যাস সাহিত্যক বলিষ্ঠ ৰূপত প্ৰতিষ্ঠা কৰাত হোমেন বৰগোহাঞিৰ অৱদান অনস্বীকাৰ্য্য। 'সুবালা', 'তান্ত্ৰিক', 'কুশীলৱ', 'হালধীয়া চৰায়ে বাওধান খায়', 'পিতাপুত্ৰ', 'তিমিৰ তীৰ্থ', 'অস্তৰাগ', 'সাউদৰ পুতেকে নাও মেলি যায়', 'মৎস্যগন্ধা'-- এইকেইখন উপন্যাসেৰে অসমীয়া উপন্যাস সাহিত্যক সমৃদ্ধ কৰা বৰগোহাঞিৰ এক শক্তিশালী কাহিনী আৰু চৰিত্ৰৰে সমৃদ্ধ অনন্য উপন্যাস 'মৎস্যগন্ধা'।

সামাজিক উপন্যাস হিচাপে 'মৎস্যগন্ধা' এখন গুৰুত্বপূৰ্ণ উপন্যাস। কাহিনীৰ পটভূমি মহঘুলি নৈৰ পাৰৰ গৰৈমাৰী নামৰ কৈৱৰ্ত্ত গাঁওখন। অতি দৰিদ্ৰ

গাঁওবাসীৰ মাজত তুলনামূলকভাৱে কিছু ভাল অৱস্থা আছিল দুৰ্যোধনৰ। দুজন পুত্ৰ আৰু দুগৰাকী কন্যাৰে দুৰ্যোধনৰ এখন ভৰপূৰ সংসাৰ আছিল। বেউলা আৰু মেনকা নামৰ দুজনী ধুনীয়া ছোৱালীক লৈ দুৰ্যোধনৰ বহু কল্পনা– "তেওঁৰ এটা জোঁৱাই কাছাৰিৰ সৰু নাজিৰ আৰু আনটো জোঁৱাই বাগিচাৰ মহৰী" "(মৎস্যগন্ধা, পৃঃ২৩)। হঠাৎ দুৰ্যোধনৰ পৰিয়ালৰ ভাগ্য বিপৰ্য্যয় ঘটিল, গৰৈমাৰী অঞ্চল উছন কৰি নিয়া হাইজা মহামাৰীত দুৰ্যোধন আৰু দুই পুত্ৰৰ মৃত্যু ঘটিল।

ছোৱালী দুজনী লৈ দুৰ্যোধনৰ ঘৈণীয়েক মেমেৰীৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল।

দুয়োজনী ছোৱালীৰ ভিতৰত মেনকা স্বভাৱগতভাৱে অলপ পৃথক বৈশিষ্ট্যৰ আছিল। মেনকা শৈশৱতে পৰিচিত হৈছিল ডোম শব্দটোৰ লগত। মাকৰ লগত শৈশৱতে এদিন তাই ধান খুজিবলৈ উচ্চবৰ্ণৰ মানুহ এঘৰলৈ গৈছিল। নজনাকৈ তাই থিয় হৈছিলগৈ ঘৰৰ গৃহিণীগৰাকীৰ কাষত। মাকে সাৱধান কৰি দিয়াৰ সুযোগেই নাপালে। গিৰীহঁতনীয়ে ৰণচণ্ডী হৈ মেনকাৰ গালত কাণতলীয়া চৰ সোধালে। হতভম্ব মেনকাই পিছত মাকৰ পৰাহে নিজৰ অপৰাধৰ কথা গম পালে। জীৱনত বিভিন্ন ঠেকা খোৱা মেনকাই পিছলৈ গম পাইছিল সমাজে অস্পৃশ্য বুলি জ্ঞান কৰা নিজৰ জাতিগত অৱস্থানক–"ডোমৰ গাৰ ছাঁ পৰিলে কেৱল যে চোতালত শুকাবলৈ মেলি দিয়া ধানেই চুৰা হয় এনে নহয়; ডোমৰ হাত লাগিলে সকলো খাদ্য বস্তুৱেই অখাদ্য হয়। হেঁদু মানুহৰ ঘৰৰ ভিতৰত সোমাবলৈ ডোমৰ অধিকাৰ নাই।" (মৎস্যগন্ধা, পৃঃ ১৬) কেৱল জন্মসূত্ৰে 'ডোম' হোৱাৰ অভিশাপ কঢ়িয়াই লৈ ফুৰা মেনকাৰ 'ডোম' শব্দটোৰ প্ৰতি আছে তীব্ৰ বিতৃষ্ণা। মনে-প্ৰাণে তাই ঘৃণা কৰে শব্দটো। শব্দটো শুনিলেই শৈশৱৰ চৰ খোৱা ঘটনাটোলৈ মনত পৰি তাই উন্মাদপ্ৰায় হৈ উঠে।

পূৰ্ণৰ লগত বিয়া হোৱাৰ পাচতো তাইৰ সেই স্বভাৱ সলনি নহ'ল। তাইৰ বায়েক বেউলা আৰু তাইৰ বিয়া একেখন ঘৰতে এবছৰ অগা-পিছাকৈ। গাঁৱৰ আটাইতকৈ ধনী মানুহ দিগম্বৰৰ দুই পুত্ৰ জয়হৰি আৰু পূৰ্ণৰ লগত। দুই ককাই ভাই কিন্তু স্বভাৱত আছিল সম্পূৰ্ণ বিপৰীত। ধীৰ-স্থিৰ আৰু পৰিশ্ৰমী জয়হৰিৰ বিপৰীতে পূৰ্ণ আছিল সোৰোপা আৰু উশৃঙ্খল। বিয়াৰ পাছত মেনকায়ো তাৰ স্বভাৱ সলনি কৰিব নোৱাৰিলে। শহুৰেক উপায়বিহীন হৈ তাক ঘৰৰপৰা বেলেগ কৰি দিলে যিটো সিদ্ধান্তত মেনকা আচৰিত হ'ল। এই সিদ্ধান্তৰ মূলতে বায়েক বেউলা বুলি ভাবি তাই বায়েককে আটাইতকৈ ডাঙৰ শত্ৰু বুলি গণ্য কৰিবলৈ ল'লে। বায়েকক অকথ্য গালি-শপনি পাৰি তাই নিজৰ ঈৰ্ষাৰ জুইকুৰা নুমুৱাবলৈ বৃথা চেষ্টা কৰে। জয়হৰি আৰু পূৰ্ণৰ ভনীয়েক কমলা প্ৰেমত পৰে আহোম সম্প্ৰদায়ৰ ল'ৰা মণিৰামৰ লগত। কমলা আৰু মণিৰামৰ সম্পৰ্ক ইমানদূৰ আগুৱাই গ'ল যে তাৰ ফলশ্ৰুতিত কমলা অন্তঃসত্বা হ'ল। ভয়তে কমলাই আত্মহত্যাৰ সিদ্ধান্ত ল'লে। কাৰণ, গৰ্ভপাতৰ উপায় জনা মেনকাৰ ওচৰ চপাৰ সাহসো তাইৰ নাছিল। তাই মাজনিশা আত্মহত্যাৰ সিদ্ধান্ত লৈ ওলাই আহোঁতেই মেনকাৰ মাত শুনিলে। ইতিমধ্যে পুৱা-গধূলি দুয়োবেলা এৰতিকৈ কানিত অভ্যস্ত হৈ পৰা মেনকাই সেই ৰাতি কানি খাবলৈ নাপাই তিক্ততাত বাহিৰত বহি থাকোঁতে চোতালত শিয়াল এটা দেখি চিঞৰি উঠিছিল-- 'কাৰ ঘৰত হাঁহ-পাৰ বিচাৰি আহিছ? যা যা, সৌ মৰিব নজনা বাঘৰ আগতেল-খোৱাজনীৰ ঘৰত আজি কোনোবা নহয় কোনোবা এটা মৰিবই; তালৈ গ'লেহে পেট ভৰাই ভাত খাবলৈ পাবি।" (মৎস্যগন্ধা, পৃঃ ৩৫) মেনকাৰ মাতটো শুনাৰ লগে লগে কমলাৰ মন সলনি হ'ল আৰু তাই দৌৰি মেনকাৰ ভৰিত পৰিলগৈ। মেনকাই কমলাক দেখিয়েই সকলো বুজি পালে। ল'ৰাজন আহোম সম্প্ৰদায়ৰ মণিৰাম বুলি জনাৰ লগে লগে মেনকাই অঙ্ক কৰিছে প্ৰতিশোধৰ। মণিৰামে অৰ্থৰ লোভ দেখুওৱাতো মেনকা মান্তি হোৱা নাই কমলাৰ গৰ্ভ নষ্ট কৰিবলৈ। কাৰণ, কমলাৰ সন্তানৰ জৰিয়তে তাই তথাকথিত উচ্চবৰ্ণৰ

হিন্দু সমাজখনৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিব বিচাৰে।

**মেনকাৰ জেহাদ**

ব্যক্তিগত হৈয়ো মেনকাৰ জেহাদ সমষ্টিগত। মেনকাই জেহাদ ঘোষণা কৰিব বিচাৰে 'ডোম' শব্দটোৰ বিৰুদ্ধে। মেনকা এটা বিদ্ৰোহী নাৰী চৰিত্ৰ। শৈশৱতে মেনকাৰ অভিজ্ঞতা হৈছিল সমাজত প্ৰচলিত 'অস্পৃশ্যতা' নামৰ প্ৰথাটোৰ। একোনজনাকৈয়ে তাই বলি হৈছিল তাৰ, যেতিয়া তাইৰ গালত উচ্চবৰ্গৰ গিৰীহঁতনীৰ 'কাণতলীয়া চৰ'টো পৰিছিল। তাৰ পৰাই আৰম্ভ আৰু গোটেই জীৱন বহন কৰি আহিছে। 'নীহকুলীয়া ডোম' হৈ ওপজাৰ অভিশাপ তথা দাৰিদ্ৰ্যৰ যন্ত্ৰণা পাহৰিবলৈ মেনকাই আশ্ৰয় লয় কানিৰ। কানি আৰু চিএঙৰি বাখৰি পৰা গুৱাল-গালিবোৰেই পাতল কৰে তাইৰ ডোম হৈ জন্ম লোৱাৰ ফলত লাভ কৰা লাঞ্চনাৰ যন্ত্ৰণা–"মেনকাৰ অৱচেতন মনত ক্ৰমে চৰটোৰ যন্ত্ৰণা ৰোপিত হ'লগৈ। আৰু সি গুটিৰ পৰা গছ হৈ মেনকাৰ কথা-কাৰ্য সকলোতে আত্মপৰিচয় দিবলৈ ধৰিলে। মেনকাই সমাজৰ তথাকথিত উচ্চকুলীয়া সকলক সুযোগ বুজি গুৱাল-গালিৰে থকা সৰকা কৰি নিজৰ অপমানৰ পোটক লোৱাত বদ্ধপৰিকৰ হ'ল। গুৱাল-গালিৰ বৰ্ষণেৰে তাইৰ অৱচেতন মনৰ বোজাটো লঘু কৰি দিয়ে।" (নীলিমা শৰ্মা "অসমীয়া উপন্যাসত নাৰীৰ মনস্তত্ব", "এশ বছৰৰ অসমীয়া উপন্যাস", নগেন ঠাকুৰ (সম্পাদিত, পৃঃ ৩০৫) ঔপন্যাসিকে কৈছে– "কানি খাবলৈ নোপোৱাৰ অসহ্য যন্ত্ৰণাৰ সময়ত অচিনাকি বাটৰুৱা দুজনে 'ডোম' বুলি কৈ তাইৰ মনত ইমানবোৰ বিষাক্ত স্মৃতি আৰু হিংস্ৰ প্ৰতিশোধৰ বাসনা জগাই তুলিছে যে কাৰোবাক আঘাত কৰি ক্ষত-বিক্ষত কৰিব নোৱৰালৈকে তাইৰ শান্তি নাই।" (মৎস্যগন্ধা, পৃঃ ১৯)। নীহকুলীয়া ডোম বুলি পোৱা সামাজিক অৱজ্ঞাই মেনকাক অহৰহ মানসিক যন্ত্ৰণা দি আছে। লগতে সংযুক্ত হৈছে গিৰীয়েকৰ নিষ্কৰ্মা স্বভাৱ, দাৰিদ্ৰ্য সকলো। এখন প্ৰান্তীয় সমাজৰ নাৰী হিচাপে হোৱা এনেবোৰ অভিজ্ঞতাই মেনকাক এনে পৰ্য্যায়ত উপনীত কৰাইছে যে তাই একপ্ৰকাৰ মনোগ্ৰস্থতা বা Obsession-ত ভুগিছে। কিন্তু কানিৰ মাধ্যমেৰে তাই জীৱন যন্ত্ৰণাৰ পৰা পলাব খুজিলেও তাইৰ অন্তৰালত কিন্তু এটা সাহসী মন লুকাই আছে। অস্পৃশ্যতা নিবাৰণ আৰু নিজৰ আত্মপৰিচয় প্ৰতিষ্ঠাৰ সুযোগ যেতিয়াই কমলাৰ মাজেৰে পোৱাৰ সম্ভাৱনা দেখিছে তেতিয়াই তাই কানিৰ নিচাকো অতিক্ৰম কৰি সাহসী হৈ উঠিছে সেই সুযোগ গ্ৰহণ কৰাৰ বাবে।

ঔপন্যাসিকে আচলতে মেনকা চৰিত্ৰটোৰ মাজেৰে বৰ্ণ বৈষম্য আৰু অৰ্থনৈতিক শোষণে কেনেকৈ মানৱীয় মৰ্য্যাদা নিঃশেষ কৰি মানুহক মানসিক হতাশগ্ৰস্ততাৰ চূড়ান্ত পৰ্য্যায়লৈ লৈ যায় তাক দেখুৱাবলৈ চেষ্টা কৰিছে। কিন্তু তাৰ পাছতো মেনকাৰ দৰে চৰিত্ৰই আত্মপৰিচয় প্ৰতিষ্ঠাৰ সন্ধানত অহৰহ সুযোগ বিচাৰি থাকে। সেয়ে কমলাৰ মাজেৰে অহা সুযোগ মেনকাই এৰি দিয়া নাই। তাইৰ বিদ্ৰোহী সত্তাই 'ডোম' বুলি পোৱা অপমানৰ পোতক তুলি প্ৰতিশোধ ল'বলৈ এক সুযোগ পালে।

গৰ্ভপাতৰ উপায় জনা সত্ত্বেও মেনকাই ননদ কমলাৰ গৰ্ভত থিতাপি লোৱা আহোম মণিৰামৰ সন্তান নষ্ট কৰিবলৈ সন্মত নহ'ল। মণিৰামে টকাৰ লোভ দেখুওৱাতো মেনকাই মান্তি নহৈ কমলাৰ প্ৰাপ্য মৰ্য্যাদা প্ৰাপ্তিৰ লগতে প্ৰান্তীয় নাৰীৰ সামাজিক স্বীকৃতিৰ বাবে যুঁজিবলৈ সাজু হ'ল। কাৰণ টকাৰ লোভত মেনকাই কাৰো গৰ্ভপাত নকৰাইছিল। সন্তান ৰক্ষাৰ বাবেহে কৰাইছিল– "গৰ্ভ নষ্ট কৰিছোঁ কেৱল টকাৰ লোভত নহয়। গৰ্ভ নষ্ট কৰিছোঁ মানুহৰ প্ৰাণ বচাবলৈ, মান বচাবলৈ। (মৎস্যগন্ধা, পৃঃ ৭৮) এইবাৰ কিন্তু মেনকাই কমলাৰ গৰ্ভ নষ্ট নকৰে তথাকথিত উচ্চবৰ্ণৰ সমাজখনৰ মান নষ্ট কৰিবলৈ। নিজৰ আত্মপৰিচয় প্ৰতিষ্ঠা কৰিবলৈ "কিন্তু এইবাৰ মই গৰ্ভ নষ্ট নকৰি গৰ্ভ ৰক্ষা কৰিম ডোমৰ প্ৰাণ বচাবলৈ, ডোমৰ মান বচাবলৈ। ডোমৰ ছোৱালীক তুমি খেলাৰ পুতলা পাইছা নেকি যে খেলা শেষ হোৱাৰ পিছত

পুতলা দলিয়াই দিয়াৰ দৰে তাইক দলিয়াই দিবা।" (মৎস্যগন্ধা, পৃঃ ৭৮) কাৰণ, মেনকাই গম পাইছিল মণিৰামৰ অন্তৰত কমলাৰ প্ৰতি কোনো প্ৰেম নাছিল। একমাত্ৰ শৰীৰটো উপভোগ কৰাটোৱেই তাৰ উদ্দেশ্য আছিল। তাৰ বাবে কমলাক বিয়া কৰোৱাৰ ভুৱা প্ৰতিশ্ৰুতি দিবলৈকো সি পিছ হুঁহুকা নাছিল। কাৰণ, ইতিমধ্যে থুৰিমলাৰ লগত তাৰ বিবাহ ঠিক হৈয়ে আছিল। মেনকাই মণিৰামক গালি শপনি পাৰি যেতিয়া কমলাক বিয়া কৰাবলৈ সন্মত কৰাব নোৱাৰিলে তেতিয়া তাই আন এক পন্থা গ্ৰহণ কৰিলে। কাৰণ, কোনো পৰিস্থিতিতে 'ডোম' আত্মপৰিচয়ৰ এই সুযোগ তাই হাতৰপৰা ওলাই যাবলৈ দিব নোৱাৰে। কাৰণ, মণিৰামে যদি সঁচা গাৰ আৰু ধনৰ জোৰেৰে মিছা কৰিব পাৰে, মেনকায়ো জোৰকৈ মিছাক সঁচা কৰিব পাৰিব। কমলাৰ লগত সম্পৰ্ক মণিৰামে ৰাজহুৱাভাৱে স্বীকাৰ নকৰিলে মেনকাই তাৰ মাকৰ বদনাম ৰাজহুৱা কৰিব। সেই 'কাণতলীয়া চৰ'ৰ পোতক তুলিবলৈ পোৱা সুযোগ মেনকাই কোনো কাৰণতে গ্ৰহণ নকৰাকৈ নাথাকে। যি উচ্চবৰ্ণৰ লোকৰ জাত্যাভিমানে মেনকাক এদিন অপমান কৰিছিল আৰু যুগে যুগে তাইৰ জাতিগত সমাজখন অপমানৰ সন্মুখীন হৈছিল সেই প্ৰান্তীয় সমাজখনৰ দীৰ্ঘদিনীয়া অপমানৰ পোতক তুলিবলৈ তাই বদ্ধপৰিপকৰ। তাই জানে ইয়াৰ দ্বাৰা তাই এই বিভাজন নাইকিয়া কৰিব নোৱাৰে কিন্তু কিছু হ'লেও বুকুত জ্বলি থকা জুইকুৰাৰ উত্তাপ কমিব। অৱশেষত মেনকাই যেন প্ৰতিশোধৰ জুইকুৰা কিছু পৰিমাণে নুমুৱাবলৈ সক্ষম হৈছে। মণিৰামে ভয়তে ঘৰজোঁৱাই চাপিছেহি। মণিৰামৰ মাক-দেউতাকে ল'ৰা মৰিল বুলি ধৰি চৰু-হাড়ী ধুই তাৰ মৰা সকাম পাতিছে। আনহাতে কৈৱৰ্ত্ত গাঁৱত যেন উৎসৱৰ মেলা বহিছে। কমলাক ন্যায় প্ৰদান কৰাৰ লগতে মেনকাই কাণতলীয়া চৰটোৰ প্ৰতিশোধ লৈছে। সেয়ে বাটৰুৱা দুজনৰ কথা বতৰা কাণত পৰাৰ লগে লগে মেনকা গৰ্জি উঠিছে–" জাতলৈ নমোৱা নাই (মণিৰামক), আজি তহঁতৰ এটাক জাতলৈ তুলিলো। ভয় নকৰিবি, তহঁতৰো আৰু বেছি দিন নাই। এটা এটাকৈ তহঁত গোটেইবোৰকে জাতত নোতোলাকৈকে মোৰ শান্তি নাই।" (মৎস্যগন্ধা, পৃঃ ৮৮) এয়া যেন আত্মপৰিচয় বিচাৰি এগৰাকী প্ৰান্তীয় নাৰীৰ সামাজিক গাঁথনিৰ প্ৰতি চূড়ান্ত বিদ্ৰোহ।

উপসংহাৰ ঃ মেনকাৰ মাজেদি হোমেন বৰগোহাঞিয়ে সমাজৰ প্ৰচলিত জাতি বিভাজনক প্ৰচণ্ড বিদ্ৰূপ কৰিছে। উচ্চ বংশজাত লোকসকলে তথাকথিত নিম্ন বংশগত লোকসকলৰ প্ৰতি যুগ যুগ ধৰি যি আচৰণ কৰি আহিছে তাৰ বিৰুদ্ধে এক প্ৰত্যাহবান 'মৎস্যগন্ধা'। উপন্যাসখনত কাহিনী আৰু চৰিত্ৰ ইটোৰ লগত সিটো অভিন্ন। শিল্প কৌশলৰ ফালৰপৰা ইয়াত নাটকীয় গুণৰো সমাহাৰ ঘটিছে। যদিও 'মেনকা' চৰিত্ৰটোতে পাঠকৰ দৃষ্টি আৰু তন্ময়তা কেন্দ্ৰীভূত হয় তথাপিও কাহিনীক বাস্তৱধৰ্মী কৰি কৈৱৰ্ত্ত সমাজখন সম্পূৰ্ণ ৰূপে চিত্ৰিত হৈছে। 'মৎস্যগন্ধা' উপন্যাসখন আৰু 'মেনকা' চৰিত্ৰটো অসমীয়া উপন্যাসত এক শক্তিশালী সংযোজন। মেনকা কেৱল মাত্ৰ এটা নাৰী চৰিত্ৰ হৈ নাথাকি আত্মপৰিচয়ৰ সন্ধানত সংবেদনশীল এটা প্ৰান্তীয় নাৰী চৰিত্ৰ হৈ পৰিছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। চাৰিটা দশকৰ ফচল, উপন্যাস সমগ্ৰ– হোমেন বৰগোহাঞি

২। সুবালাৰ পৰা মৎস্যগন্ধালৈ– ড° জয়ন্ত কুমাৰ বৰা

৩। এশ বছৰৰ অসমীয়া উপন্যাস– ড° নগেন ঠাকুৰ (সম্পাদিত)

৪। মাণিক সন্ধানী হোমেন বৰগোহাঞি-- নবীন বৰুৱা (সম্পাদিত)



# উত্তৰ-পূব ভাৰতৰ সাহিত্য ঃ ৰাজনৈতিক, সাংস্কৃতিক আৰু থলুৱা পৰিচিতিৰ এক প্ৰতিনিধিত্ব

**ড° অৰুণাভা ভূঞা**

উত্তৰ-পূব ভাৰতৰ সাহিত্যৰ বিষয়ে কওঁতে আমি মনত ৰাখিব লাগিব যে ই অঞ্চলটোৰ আঠখন ভিন্ন ৰাজ্যৰ সাহিত্য কৰ্ম। সংস্কৃতি, ভাষা, পৰম্পৰা আৰু ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই ৰাজ্য কেইখনৰ সাহিত্যৰ মাজত স্বাভাৱিকতে কিছু স্পষ্ট প্ৰভেদ আছে। উত্তৰ-পূব বুলিলে আজিও আমি আঠোখন ৰাজ্যৰ জনজীৱন ধাৰাক এক ছত্ৰছায়াই আৱৰা ঐক্যকে বুজোঁ। উত্তৰ-পূবৰ সাহিত্য বুলিলে অসমীয়া, বাংলা আৰু বৰ্তমান হিন্দী, বড়ো, কাৰ্বি, নেপালী আদি অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীয় ভাষাভাষীৰ সাহিত্য আৰু মেঘালয়, নগালেণ্ড, মণিপুৰ আৰু চিকিমৰ ইংৰাজী ভাষাত লিখা সাহিত্যৰ কথাই ক'ব লাগিব। অৱশ্যে গুৰুত্ব সহকাৰে আমি মনত ৰাখিব লাগিব যে এই আঠখন ৰাজ্যৰ প্ৰত্যেকেই ভিন্ন জনগাঁথনি তথা ভিন্ন কৃষ্টি-সংস্কৃতি, ধৰ্মীয় পৰম্পৰা আৰু ৰাজনৈতিক আদৰ্শ প্ৰতিনিধিত্ব কৰি আহিছে। উত্তৰ-পূৰ্বাঞ্চলৰ বিশিষ্ট লেখক হৰেকৃষ্ণ ডেকা আৰু টেমছুলা আৱে "উত্তৰ-

পূবৰ লেখা" (North-East writings) বুলি কোৱা এক বিশেষ সূচকৰ প্ৰয়োজনীয়তা অগ্ৰাহ্য কৰিছে, কিয়নো এনে সূচকে ৰাজ্যকেইখনৰ মাজত থকা অতি বিসদৃশ জনগাঁথনিক সদৃশ বুলি বুজোৱাৰ প্ৰৱণতা এটা আনি দিয়ে (it tends to homogenize an extremely heterogeneous cluster of people), যিহেতু এই জনগাঁথনিত পৰস্পৰৰ মাজত থকা মিল নিচেই সামান্য (little commonality between them) । অন্যান্য লেখকেও এনে সূচকক মানি ল'ব নোখোজে; তেওঁলোকৰ মতে এনে সূচক ঔপনিৱেশিক ছায়াৰ আচ্ছাদনেৰে দ্ব্যৰ্থক (Colonial connotation)।

ব্ৰিটিছ চৰকাৰে নিজৰ প্ৰশাসনিক সুবিধাৰ্থে এই উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ-ভৈয়ামৰ জনবসতিক একেলগে যুতি থৈছিল যদিও স্বাধীনতা ঘোষণাৰ আৰম্ভণিতে আঞ্চলিক জনগাঁথনিৰ এই যোত ক্ৰমশঃ শিথিল হৈ পৰস্পৰৰ পৰা দূৰত্বলৈ আঁতৰি আহিছিল (gradual drifting away from each other)। ব্ৰিটিছসকলেই ৰাজ্যকেইখনত ইংৰাজী ভাষাৰ প্ৰচলন ধাৰ্য্য কৰি দিছিল আৰু খ্ৰীষ্টান মিছনেৰিসকলে পাছত বিদ্যালয়, মহাবিদ্যালয় আদি প্ৰতিষ্ঠা কৰি তাত ইংৰাজীক স্থানীয় ভাষা হিচাপে জাপি দিছিল। মিছনেৰিসকলে পৰৱৰ্তী সময়ত ছপাশালৰ প্ৰয়োগ আৰম্ভ কৰাত থলুৱা বাসিন্দা সকলে নিজৰ ভাবনা আৰু পৰম্পৰাগত বিশ্বাসবোৰ ইংৰাজী ভাষাতে লিপিবদ্ধ কৰিবলৈ আগবাঢ়ে।

এইটো ঠিক যে অসমীয়া ভাষাৰ অৱয়ব অঞ্চলটোৰ বাকী ৰাজ্যকেইখনৰ ভাষাৰ তুলনাত বৃহৎ, অনেক জনপ্ৰিয় অসমীয়া লেখা আৰু কাব্য-ৰচনা ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, ড° হীৰেন গোঁহাই, প্ৰদীপ আচাৰ্য্য, মিত্ৰা ফুকন আদি বিশিষ্ট লেখকসকলে পাৰদৰ্শিতাৰে (profficiently) ইংৰাজী ভাষালৈ অনুবাদ কৰে, যাতে এই অনুবাদ লেখাসমূহে বৰ্তমান প্ৰজন্মৰ সাহিত্যৰ প্ৰতি থকা ৰুচি পূৰণ কৰিব পাৰে, লগতে দেশৰ বাহিৰলৈও সাহিত্যসৃষ্টি সমূহ প্ৰসাৰিত হ'ব পাৰে। অৱশ্যে মেঘালয়, নগালেণ্ড আৰু মিজোৰামৰ বিশিষ্ট লেখক টেমছুলা আও, ঈষ্টাৰীণ কীৰে, ৰবীন এছ্ নংগাম, ডে' ছমণ্ড এল খাৰমাওফ্লাং, মামাং জাই, মাৰ্গাৰেট জামা আদিয়ে কেৱল ইংৰাজী ভাষাতেই তেওঁলোকৰ লেখাসমূহ প্ৰকাশ কৰি আহিছে। সাহিত্য চৰ্চাত ইংৰাজী ভাষা ব্যৱহাৰৰ দিশটোৱে অঞ্চলটোৰ ভিন্ন সংস্কৃতিৰ বৈচিত্ৰ্য উদযাপন কৰাৰ উপৰিও বিশ্বত পাঠক সমাজলৈ এই সাহিত্য-সৃষ্টি সমূহ কঢ়িয়াই নিয়াটো লক্ষণীয়।

সাধাৰণতে এই লেখকসকলৰ সাহিত্য সৃষ্টিৰ সমল আৰু বিষয়বস্তুনো কেনে ধৰণৰ সেই বিষয়ে লক্ষ্য কৰিলে দেখা যায় যে অঞ্চলটোৰ ৰাজনৈতিক অস্থিৰতা, সন্ত্ৰাসবাদৰ সমস্যা, লোকপৰম্পৰা, প্ৰকৃতিৰ নৈসৰ্গিক শোভা, পাহাৰ-ভৈয়ামৰ সমন্বয় আৰু অন্যান্য থলুৱা জনগোষ্ঠীয় ভাষা-সংস্কৃতিৰ সমল লৈয়ে ভাৰতীয় ভূখণ্ডৰপৰা পৃথক এই অঞ্চলৰ সাহিত্য হিচাপে স্বীকৃত হৈ আহিছে। অঞ্চলটোৰ লেখাসমূহৰ পৰা স্পষ্ট হয় যে, থলুৱা জনবসতি ৰাজনৈতিক সচেতনতা আৰু সামাজিক বিবেচনামূলক দিশবোৰ লেখকসকলে স্পষ্ট ৰূপত জনমানসলৈ লৈ যাব বিচাৰে, যাৰ জৰিয়তে তেওঁলোকে দাঙি ধৰিব খোজে নিজ নিজ আঞ্চলিক ৰাজনৈতিক পৰিচিতি, সন্ত্ৰাস-জৰ্জৰ অৱস্থিতি, থলুৱা সত্তা আৰু দেশীয় সাহিত্যৰ মূলসূঁতিৰ লগত মিলি যাব খোজা প্ৰৱণতা।

অসমৰ অনেক লেখকেও প্ৰায় সঘনে আশী আৰু নব্বৈ দশকৰ মুক্তি বাহিনী আৰু বড়ো সন্ত্ৰাসবাদেৰে অগ্নিগৰ্ভা পৰিস্থিতি আৰু অসম আন্দোলনৰ প্ৰসঙ্গত অনেক লেখা আগবঢ়াইছে। বিশিষ্ট লেখিকা নিৰ্মলপ্ৰভা বৰদলৈয়ে তেওঁৰ এটি কবিতাত লিখিছে যে হিংসাৰে কোনো পৰিৱৰ্তন আনিব নোৱাৰি; কবিতাটো ধীৰেন্দ্ৰ নাথ বেজবৰুৱাই এনেকৈ ইংৰাজীলৈ অনুবাদ কৰিছে ঃ

'DAWN'

"Does the day break
With the sound of guns?
No,
It breaks with the cry
Of that bird
Which nibbles through
The night's darkness
Very slowly."

নীলমণি ফুকনৰ কবিতাতো অনমনীয় হিংসাৰ প্ৰসঙ্গই ঠাই পাইছে। মানুহৰ যন্ত্ৰণাৰ প্ৰতি মানুহৰে নিৰুদ্বিগ্ন মনোভাবৰ প্ৰতিফলন ঘটিছে তেওঁৰ কবিতাত। প্ৰদীপ আচাৰ্য্যই ইংৰাজীলৈ অনুবাদ কৰা এইটো কবিতা তাৰেই পৰিচায়ক ঃ

"Do not ask me how I have been
I haven't asked myself either
Down the Kolong flows

A young, female torso
Because, for forty-two hours
My corpse lay there
On the foot paths of Guwahati."

ঠিক তেনেকৈ মণিপুৰৰ মানৱ-অধিকাৰ ভঙ্গৰ ঘটনাৰাজি মণিপুৰৰ সাহিত্যত বাৰম্বাৰ চৰ্চিত হৈছে। মণিপুৰৰ দ্বিভাষিক (bi-lingual) কবি তথা উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়(NEHU)ৰ সাহিত্য বিভাগৰ অধ্যাপক ইংৰাজী ভাষাৰ লেখক ৰবীন এছ্ নংগমেও তেওঁৰ "Last words" নামৰ কবিতাত একেই মনোভাব প্ৰকাশ কৰিছে ঃ

"--I wanted my poems to exude a heady odour
But only the sweet taint of blood
Or burning flesh emanates from my poem."
(Last Word)

অন্যহাতে মিজোৰামৰ লেখক ম'না জ'টে তেওঁৰ "Heaven in Hell" গ্ৰন্থখনত সজোৰে এক সত্য উত্থাপন কৰিছে যে কেনেকৈ খ্ৰীষ্টীয় মতবাদে অঞ্চলটোত গভীৰলৈ শিপাই পৰিসংঘাত সৃষ্টি কৰিলে ঃ "Religion and culture are now entangled and undistinguishable, one from the other--."। অতীজৰ সমাজত কঠোৰ মৌলিক নীতিৰ প্ৰচলন আছিল, যিবোৰ অগোচৰে থকাৰ মাজতে সামাজিক জীৱনধাৰা সৰল আৰু শিথিল নিয়মেৰে চলিছিল।

উত্তৰ-পূবৰ সমসাময়িক সাহিত্যসৃষ্টি সমূহে, বিশেষকৈ ইংৰাজী ভাষাত লিখা লেখাসমূহে, এনে কিছু ঘটনা-পৰিঘটনা (story) সম্পৰ্কে ব্যক্ত কৰিছে যিখিনি হয়তো এই লেখাসমূহ অবিহনে অব্যক্ত হৈয়ে ৰৈ গ'লহেঁতেন। এই ব্যক্ত লেখাসমূহে অঞ্চলটোৰ কেৱল যে সংস্কৃতিৰ ভিন্নতাহে প্ৰকাশ কৰিছে এনে নহয়, বৰং সাহিত্যকৰ্মক সংকুচিত সীমাবদ্ধতাৰ বাহিৰলৈও উলিয়াই নিছে।

টেমছুলা আওৰ "These Hills Called Home: Stories From A War Zone" নামৰ গ্ৰন্থখন নগা জনসাধাৰণৰ স্বৰাজ অধিকাৰ প্ৰাপ্যৰ বাবে গঢ়ি উঠা হিংসা আৰু তাৰ প্ৰতিৰোধ সম্পৰ্কীয় এক বিস্তৃত বিশ্লেষণাত্মক লেখাৰ গ্ৰন্থ। ঈষ্টাৰীণ কীৰে নামৰ অন্য এক বিশিষ্ট নগা লেখিকাই নগালেণ্ডত সংঘটিত হিংসাৰ সুদীৰ্ঘ পৰিক্ৰমাই কেনেকৈ তেওঁৰ জীৱনধাৰাত প্ৰভাৱ পেলাইছিল আৰু এক অবৰ্জনীয় অঙ্গও হৈ পৰিছিল সেই বিষয়ে লিখিছে ঃ

"Curfews and continued periods of gunfire were all a part of growing up in Nagaland --."

পুৰাকথা আৰু লোক-কৃষ্টিৰ (myth and folklore) উপাদানৰাজিও উত্তৰ-পূবৰ লেখাবোৰৰ সমল হোৱাটো পৰিলক্ষিত হৈছে। ইয়াৰপৰা স্পষ্ট হয় তেওঁলোকৰ শিপাৰ প্ৰতি কিমান টান ঃ "There is a born desire in them to interpret the mythic past flourishing in timeless villages and repossess this as high culture." ('Dancing Earth')। এনেদৰে পুৰাকথা আৰু লোক-কৃষ্টিৰ উপাদানৰাজিয়েও তেওঁলোকৰ সাহিত্য চহকী কৰা দিশটো স্বীকাৰ্য্য। বিখ্যাত মণিপুৰী নাট্যকৰ্মী ৰতন থিয়ামে তেওঁৰ "Manipur Triology" নামৰ নাটকত 'মেইটী' মিথৰ লগত মানুহৰ সমস্যাৰ সমসাময়িক আৰু বিশ্ব-জাগতিক যোগসূত্ৰ (Contemporary and universal concerns) স্থাপন কৰাৰ প্ৰচেষ্টা দেখা গৈছে। থিয়ামে দুখ প্ৰকাশো কৰিছে যে বিজ্ঞান-প্ৰযুক্তিৰ প্ৰভাৱত সমাজে নিজৰ পৰম্পৰাৰ সৈতে সংস্পৰ্শ ক্ৰমান্বয়ে হেৰুৱাই পেলাইছে।

এইদৰেই উত্তৰ-পূব ভাৰতৰ সাহিত্য বুলিলে অসম, মেঘালয়, নগালেণ্ড, ত্ৰিপুৰা, মিজোৰাম, মণিপুৰ, অৰুণাচল প্ৰদেশ আৰু চিকিমক সামৰি অঞ্চলটোৰ বিভিন্ন জনগোষ্ঠীৰ ভিন্ন সাংস্কৃতিক আৰু থলুৱা পৰম্পৰাৰ পৰিচয় প্ৰতিনিধিত্ব আৰু একত্ৰিত কৰা সাহিত্যকৰ্ম সমগ্ৰকে বুজাইছে। এই কথা স্বীকাৰ্য্য যে অঞ্চলটোৰ ৰাজ্যসমূহৰ সাহিত্যসৃষ্টিৰ বিষয়বস্তু আৰু সমল ভিন্ন হ'লেও ৰাজ্যসমূহৰ সমন্বয় একেডাল ৰছীৰে গঁথা, য'ত নিহিত আছে স্ব-ভূমিৰ প্ৰতি স্নেহ, যি স্নেহ অঞ্চলটোৰ সমগ্ৰ সাহিত্যকৰ্মত প্ৰতিফলিত হৈছে।

**গ্ৰন্থ সূচী ঃ**

* Temsula Ao, These Hills Called Home : Stories From A War Zone, Zubaan, 2006.
* তিলোত্তমা মিশ্ৰ, সম্পা. The Oxford Anthology of Writings from North East India. OUP, 2011.
Ngangom, Robin S. and Kynpham S. Nongkynrih ed. Dancing Earth : An Anthology of Poetry From North East India", Penguin, 2009.

* মূল ইংৰাজীৰপৰা অসমীয়ালৈ অনুবাদ তপোধন দাসৰ

# অলিম্পিয়া অকাডেমি আৰু আইনষ্টাইনৰ বিষ্ময়কৰ এটা বছৰ

**ড° পবন চহৰীয়া**

ত্ৰিশ অনুৰ্ধ কেইজনমান ডেকাই যদি সদায় একেলগ হোৱাৰ সময় পায় তেতিয়া কি কথা বাৰু আলোচনা কৰিব ? ৰাজনীতি, গান, খেলা, ভালপোৱাৰ কথা, হয়তোবা সাহিত্য, চিনেমা, কবিতা ? হ'ব পাৰে সকলো। সেই আড্ডাতেই হয়তো সৃষ্টি হ'ব পাৰে কাৰোবাৰ বাওঁহাতেৰে যুগজয়ী কবিতা। কিন্তু যিটো আড্ডাৰ বিষয়ে ইয়াত ক'ব বিচৰা হৈছে সেই আড্ডাৰ সদস্যসকলৰ সঙ্গীত, সাহিত্য, সমাজ, ৰাজনীতি সকলোতে গভীৰ ব্যুৎপত্তি থাকিলেও আলোচনাৰ মূল বিষয় আছিল প্ৰকৃতিৰ নিয়মক লৈ, পদাৰ্থ বিজ্ঞানৰ গূঢ় আৰু তেতিয়ালৈকে কোনেও সমাধান কৰিব নোৱৰা সমস্যাক লৈ। তেওঁলোক কোনো বিশ্ববিদ্যালয়ৰ গৱেষক বা অধ্যাপক নাছিল। বিজ্ঞানৰ ইতিহাসৰ গতিপথ সলনি কৰি পেলোৱা, মানুহৰ চিন্তাৰ জগতক নতুন মাত্ৰা প্ৰদান কৰা তেনেকুৱা  এক ক্ষুদ্ৰ ক্লাবটোৰেই নাম আছিল অলিম্পিয়া অকাডেমি। যোৱা শতিকাৰ ঠিক আৰম্ভণিতে ঠন  ধৰি উঠা আৰু মাত্ৰ কেইবছৰমান জীয়াই থকা, আকাৰত তেনেই ক্ষুদ্ৰ এই আড্ডাবাজ গোটৰ মধ্যমণি আছিল এলবাৰ্ট আইনষ্টাইন নামৰ এজন যুৱক যিজনক সৰ্বসাধাৰণৰ কথাতো বাদেই বিজ্ঞান সমাজতো তেতিয়ালৈ কোনেও চিনি পোৱা নাছিল। তেওঁলোকৰ আড্ডাৰ কোনো নিৰ্দিষ্ট স্থান  নাছিল। আড্ডা প্ৰায়ে বহিছিল চুইজাৰ্লেণ্ডৰ বাৰ্ন চহৰৰ এটা ঘৰৰ দ্বিতীয় মহলাত য'ত আইনষ্টাইনে পৰিয়ালসহ বাস কৰিছিল,  কেতিয়াবা হয়তো ফুটপাথৰ কাষৰ কোনো কফি হাউচত আৰু কেতিয়াবা আল্পচ্ পৰ্বতৰ পাদদেশত  মুক্ত আকাশৰ তলত গোটেই নিশা। প্ৰথমতে সদস্য সংখ্যা মাত্ৰ তিনিজন– কনৰাড হাবিছ, ম'ৰিছ চ'লোভাইন আৰু আইনষ্টাইন। কিছুদিন পাছত লুচিয়েন ছাভ'ন নামৰ আন এজনে আৰু এবছৰ পাছত পঞ্চম আৰু বিশেষভাৱে উল্লেখযোগ্য সদস্য মিছেল বেছ'ই যোগদান কৰিছিল।

১৯০২ চন। তেতিয়ালৈকে আইনষ্টাইনৰ কোনো চাকৰি নাছিল। জুৰিক পলিটেকনিকত একেলগে পঢ়া এজন বন্ধুৰ দেউতাকে দিয়া আশ্বাসত চাকৰি এটা

পোৱাৰ আশাত তেওঁ জুৰিকৰ পৰা আহি বাৰ্ণ চহৰত ১৯০২ চনৰ জানুৱাৰি মাহৰ শেষৰফালে থিতাপি লৈছিল। বাৰ্ণত উপস্থিত হৈয়েই অঙ্ক আৰু পদাৰ্থ বিজ্ঞানৰ ঘৰুৱা শিক্ষকতা কৰিব বুলি বাতৰি কাকতত বিজ্ঞাপন দিছিল আৰু বিজ্ঞাপনত এইটোও উল্লেখ কৰিছিল যে প্ৰথমতে কোনোবাই ইচ্ছা কৰিলে ফিজ নিদিয়াকৈয়ে তেওঁৰ ক্লাছ কৰি চাব পাৰে ("free trial lecture") । সেই সময়ত আইনষ্টাইনৰ অৱস্থা কেনেকুৱা আছিল ইয়াৰ পৰাই কিছু বুজিব পাৰি। ইতিমধ্যে ১৯০১ চনটোত ইউৰোপৰ বিভিন্ন শিক্ষানুষ্ঠানত সাধাৰণ এটা শিক্ষন সহায়কৰ কাৰণে আবেদন কৰিও ক'তো একো যোগাৰ কৰিব পৰা নাছিল; চাকৰিৰ কথাতো বাদেই কোনেও প্ৰিপেইড লেফাফা দিয়া সত্বেও উত্তৰ দিয়াৰো প্ৰয়োজন অনুভৱ কৰা নাছিল। তেনে দুখনমান চিঠি এতিয়া উদ্ধাৰ হৈ মিউজিয়ামত ঠাই পাইছে আৰু আইনষ্টাইনৰ জহতে উত্তৰ নিদিয়াকৈয়ে থকা সেইকেইজন অধ্যাপকেও যি ভাবেই নহওক বিজ্ঞানৰ ইতিহাসত ঠাই পাইছে। আইনষ্টাইনৰ এই বিজ্ঞাপন চকুত পৰিল ম'ৰিছ ছ'ল'ভিন নামৰ এজন ৰোমানিয়ান ছাত্ৰৰ। আইনষ্টাইনতকৈ চাৰি বছৰ ডাঙৰ বাৰ্ণ বিশ্ববিদ্যালয়ৰ দৰ্শনৰ ছাত্ৰজনে এদিন গৈ আইনষ্টাইনে দিয়া ঠিকনাত হাজিৰ হ'ল ব্যক্তিগতভাৱে টিউচন লোৱাৰ মানসেৰে। ম'ৰিছ ছ'ল'ভিনো বৰ চোকা বুদ্ধিৰ আৰু জ্ঞানপিপাসু ছাত্ৰ আছিল, কিন্তু তেওঁৰ সিমান দৃঢ় লক্ষ্য নাছিল। প্ৰথমদিনা দুঘণ্টামান কথা-বাৰ্তা পাতি আইনষ্টাইন বোধকৰো ছ'ল'ভিনক লৈ বেচ সন্তুষ্ট হ'ল। সেয়েহে তেওঁ ছ'লভিনক একেবাৰে বহুদূৰ আগুৱাই থলে। তৃতীয় দিনা আইনষ্টাইনে তেওঁক ক'লে, "এনেকৈ ফিজ লৈ পঢ়োৱাতকৈ মুক্তমনে আলোচনা কৰাতহে বেছি আনন্দ, তোমাক মই পদাৰ্থ বিজ্ঞান পঢ়াব লগা একো নাই, গতিকে যেতিয়াই মন যায় আহিবা, আমি আলোচনা কৰিম।" সেয়াই আচলতে অলিম্পিয়া অকাডেমিৰ আৰম্ভণি। তেওঁলোকৰ লগত দুদিনমান পাছতে আহি যোগ দিলে ক'নৰাড হাবিছ নামৰ তৃতীয়জন সদস্যই, তেওঁ জুৰিক পলিটেকনিকত গণিত শাস্ত্ৰ অধ্যয়ন কৰিছিল আৰু ছুইছ ফেডাৰেল পোষ্ট অফিচত কাম কৰিছিল। তেওঁলোকে এই তিনিজনীয়া ক্লাবটোৰ নাম ৰাখিলে "অলিম্পিয়া অকাডেমি"। আইনষ্টাইন আটাইতকৈ সৰু আছিল যদিও তেওঁকেই ইয়াৰ সভাপতি পাতিলে। এই অকাডেমিৰ চতুৰ্থজন সদস্য আছিল লুচিয়েন ছা'ভন নামৰ ফেডাৰেল পোষ্ট অফিচত কাম কৰা বিষয়া এজন।

অলিম্পিয়া অকাডেমিৰ অন্তিম আৰু অতি উল্লেখযোগ্য সদস্য আছিল মিছেল বেছ'। আইনষ্টাইনতকৈ প্ৰায় ছবছৰমান ডাঙৰ বেছ'ৰ জন্ম হৈছিল জুৰিকৰ কাষৰ এখন সৰু চহৰত (১৮৭৩, ২৫ মে')। বেছ' সৰুৰে পৰা অত্যন্ত চোকাবুদ্ধিৰ বুলি জনাজাত হৈছিল। তেওঁৰ অঙ্ক আৰু বিজ্ঞানত গভীৰ নিচা আছিল আৰু আইনষ্টাইনৰ দৰেই প্ৰায়েই তেওঁলোকৰ শিক্ষকবিলাকক নানাধৰণে ব্যতিব্যস্ত কৰি শ'লঠেকত পেলাইছিল। নবছৰ বয়সতে তেওঁ প্ৰশ্ন কৰিছিল যে অসীমত এটা বিন্দু বুলিলে কি বুজায়? স্কুলত অঙ্ক শিকোৱাৰ পদ্ধতি লৈ অতি বিতুষ্ট হৈ তেওঁ আৰু এজন বন্ধুৱে এক সৰু পিটিচন উলিয়াই শিক্ষকৰ বিৰুদ্ধে প্ৰচাৰ কৰিছিল আৰু সেই অপৰাধতে তেওঁক স্কুলৰ পৰাও বহিষ্কাৰ কৰা হৈছিল। বেছ' আৰু আইনষ্টাইনে ইজনে সিজনক লগ পাইছিল এক সঙ্গীত সন্ধিয়াত আৰু তেতিয়াৰপৰাই আইনষ্টাইনে দেখিলে যে দুয়োজনৰ হ'বী, চিন্তাভাবনা আৰু জ্ঞানৰ প্ৰতি থকা প্ৰচণ্ড স্পৃহা একে ধৰণৰ আৰু এই সাদৃশ্যই তেওঁলোকক এক জীৱনজোৰা বন্ধুলৈ ৰূপান্তৰিত কৰিলে। আইনষ্টাইনে পাছত বেছ'ক তেওঁৰ কাৰণে এখন চাউণ্ডিং ব'ৰ্ড বুলি কৈছিল কাৰণ যি কোনো ধৰণৰ ধাৰণা এটাৰ বিষয়ে খাটাং সিদ্ধান্তলৈ অহাৰ আগেয়ে আইনষ্টাইনে এবাৰ বেছ' নামৰ এই চাউণ্ডিং ব'ৰ্ডখনত বজাই চাইছিল। সেই চাউণ্ডিং ব'ৰ্ডত যদি ভালদৰে শব্দ ওলাইছে তেনেহ'লে তেওঁ নিশ্চিত আছিল যে তেওঁ সঠিক দিশতেই আগবাঢ়িছে। পদাৰ্থ বিজ্ঞান আৰু দৰ্শনত বেছ'ৰ জ্ঞান আৰু দখল গভীৰ আছিল যদিও বিজ্ঞানক তেওঁ এটা কেৰিয়াৰ হিচাপে গ্ৰহণ কৰিব নোৱাৰিলে। বিভিন্ন বিষয়ত অধ্যয়ন, সদায় ছাত্ৰ হিচাপে থকাৰ ইচ্ছা আৰু নিজকে টানি নিয়াৰ কাৰণে থাকিব লগা ইচ্ছা শক্তিৰ অভাৱতে হয়তো তেওঁ বিখ্যাত হ'ব নোৱাৰিলে। কিন্তু আইনষ্টাইনৰ লগত থকা সম্পৰ্ক আৰু বিশেষকৈ আপেক্ষিকতাবাদত আইনষ্টাইনক দিয়া কেবাটাও সঠিক পৰামৰ্শৰ কাৰণেই বেছ' ইতিহাসৰ পাতত স্মৰণীয় হৈ ৰৈ গ'ল। আইনষ্টাইনে নিজেও তেওঁৰ পত্ৰিকাতেই তেওঁক স্বীকৃতি দিছিল। আইনষ্টাইনে তেওঁকতো মাজে মাজে এজন পাগল হিচাপেই ("an awful schlemiel") বৰ্ণনা কৰিছিল। কিন্তু তেওঁলোকৰ এই অলিম্পিয়া অকাডেমিৰ 'নায়ক' (Hero) বুলিও তেওঁক উল্লেখ কৰিছিল আৰু কৈছিল যে "The circle of Besso's interests seemed truly with-

out limit". বেছ'ই মিলানত এটা ইলেক্ট্ৰিকেল কোম্পানীত কাম কৰিছিল যদিও আইনষ্টাইনেই তেওঁক বাৰ্ণৰ তেওঁ কাম কৰা চুইছ পেটেণ্ট অফিচলৈ আনিছিল। আইনষ্টাইন নিজেও বেছ'ৰ থকা ঠাইৰ কাষলৈ গুচি গৈছিল। অফিচৰ পৰা ঘৰলৈ ঘূৰোঁতে দুয়ো বন্ধুৱে আলোচনা কৰিছিল কেৱল পদাৰ্থ বিজ্ঞান আৰু দৰ্শন।

অলিম্পিয়া অকাডেমিৰ পঢ়া, আলোচনাৰ বিষয়বস্তু আছিল বিস্তৃত। ছফ'ক্লি'জ, চাৰ্ভেন্তিছ আদি সকলোৰে ঠাই পালেও বেছিকৈ আলোচনা হৈছিল বিজ্ঞান আৰু দৰ্শনৰ মাজৰ সম্পৰ্ক আৰু সংঘাতক লৈ। সেয়েহে ডেভিদ হিউম, আৰ্নষ্ট মে'ক, বাৰুচ স্পিনোজা, হেনৰি পইনকেয়াৰ আদিৰ কিতাপ আৰু চিন্তাভাবনাই বেছিকৈ ঠাই পাইছিল। ডেভিদ হিউমৰ (১৭১১-১৭৭৬) প্ৰভাৱ বোধকৰো আটাইতকৈ বেছি আছিল। আমাৰ ইন্দ্ৰিয় বা বোধৰদ্বাৰা পাব পৰা জ্ঞানৰ বাহিৰে আন সকলো ধৰণৰ জ্ঞানৰ ওপৰত হিউমে সন্দেহ কৰিছিল। আনকি তেওঁ কাৰ্য-কাৰকৰ সম্বন্ধৰ ওপৰতো সন্দেহ প্ৰকাশ কৰিছিল। ডেভিদ হিউমে 'সময়'কো তেওঁৰ সন্দেহবাদী দৃষ্টিৰে চাইছিল। হিউমৰ মতে সময়ক আমি এক পৰম বা স্বতন্ত্ৰ ধাৰণা হিচাপে গণ্য কৰিব নোৱাৰো। কোনো বস্তুৰ গতিৰ লগত ৰিজনি কৰিহে আমি সময়ক বুজিব পাৰো। বস্তুৰ গতিয়েহে আমাক সময়ৰ সংজ্ঞা দিয়াৰ উপায় দিয়ে। বস্তুৰ গতি অবিহনে সময়ে নিজে নিজে কেতিয়াও আমাৰ মনত ইয়াৰ অৱস্থিতিৰ কথা ঘোষণা কৰিব নোৱাৰে। ডেভিদ হিউমৰ এই দৰ্শনে আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদ গঢ়াত বিশেষ অৰিহণা যোগাইছিল, য'ত সময়ক অন্তৰীক্ষৰ সৈতে আইনষ্টাইনে সাঙোৰ খুৱাই পেলাইছিল, সময়ৰ এক স্বতন্ত্ৰ অস্তিত্ব নোহোৱা কৰিছিল। ডেভিদ হিউমৰ এই দৰ্শনক "প্ৰত্যক্ষবাদ' (positivism) (পৰীক্ষালব্ধ স্পষ্ট ফলেই সত্য অন্বেষণৰ একমাত্ৰ উপায়) বুলিও জনা যায়। হিউমৰ এই দৰ্শনক আৰু সবল কৰি তুলিছিল আৰ্ণষ্ট মে'ক (Ernst Mach: 1838-1916) নামৰ অষ্ট্ৰিয়ান পদাৰ্থবিদ আৰু দাৰ্শনিক এজনে। বহুতে প্ৰত্যক্ষবাদ বা পচিটিভিজমক আৰ্ণষ্ট মে'কৰ লগতহে বেছিকৈ যুৰিব খোজে। মিছেল বেছ'ই আইনষ্টাইনক আৰ্ণষ্ট মে'কৰ লিখাৰ লগত চিনাকি কৰি দিছিল আৰু সেইবোৰ পঢ়িবলৈ উদগনি যোগাইছিল। কোনোবাই আৰোপ কৰি দিয়া বা পৰম্পৰাগতভাৱে পোৱা জ্ঞানক সন্দেহ কৰাৰ আইনষ্টাইনৰ যি মানসিকতা আছিল সেয়া আৰ্ণষ্ট মে'ক অধ্যয়নৰপৰা আৰু দৃঢ় হৈছিল। এই 'পজিটিভিজম' বা প্ৰত্যক্ষবাদৰ মূল বাণী হ'ল যে কোনো ধাৰণাই অৰ্থ বহন কৰে যদিহে সেই ধাৰণাৰ লগত কোনো বস্তুক আমি জড়িত কৰিব পাৰো আৰু কিদৰে জড়িত হয় তাৰ নিয়মো দাঙি ধৰিব পাৰো। অৰ্থাৎ যিকোনো ধাৰণাই অৰ্থপূৰ্ণ হ'ব যদিহে তাৰ এটা কাৰ্য্যক্ষম ("operational") সংজ্ঞা দিব পৰা যায়, যিটো সংজ্ঞা ব্যৱহাৰ কৰি আমি সেই ধাৰণাটোক জুখিব পাৰো। আৰ্ণষ্ট মে'কৰ এই প্ৰত্যক্ষবাদৰ ওপৰত বেছ' আৰু আইনষ্টাইনে কৰা গভীৰ আলোচনাই আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদত বিশেষভাৱে প্ৰভাৱ পেলাইছিল। আইনষ্টাইনেও তেওঁৰ গৱেষণা পত্ৰিকাত বেছ'ৰ নাম উল্লেখ কৰি তেওঁক বিজ্ঞানৰ ইতিহাসত প্ৰায় অমৰ কৰি থৈ গ'ল। অলিম্পিয়া অকাডেমিৰ আলোচনাত বিশেষভাৱে ঠাই পোৱা আন এজন সোতৰ শতিকাৰ আমষ্টাৰডামৰ ইহুদী দাৰ্শনিক বাৰুছ স্পিনোজা (১৬৩২-১৬৭৭)। বাৰুছ স্পিনোজাৰ দৰ্শনৰ প্ৰভাৱতে আইনষ্টাইনে প্ৰকৃতিৰ নিয়মৰ মাজতে ভগৱানক বিচাৰি পাইছিল আৰু এই নিয়মসমূহৰ নিশ্চয়তাৰ ওপৰত বিশ্বাস কৰিছিল। ধূপ-ধূনাৰে পূজা উপাসনা কৰিব লগা ঈশ্বৰ চেতনাৰ বিপৰীতে আইনষ্টাইনে যি মহাজাগতিক ধৰ্মীয় চেতনাৰ কথা জীৱনজুৰি কৈছিল আৰু উপলব্ধি কৰিছিল সেই চেতনাৰ ভেটিও গঢ় লৈ উঠিছিল স্পিনোজা অধ্যয়নৰ পৰা এই অলিম্পিয়া অকাডেমিতেই।

অলিম্পিয়া অকাডেমি বহুদিন নাথাকিল। খুব সক্ৰিয়ভাৱে থাকিল মাত্ৰ তিনি চাৰি বছৰমান। এই সক্ৰিয় হৈ থকা সময়ৰে এটা বছৰ হৈছে ১৯০৫ চনটো। এই চনটোক বিজ্ঞানৰ ইতিহাসত আইনষ্টাইনৰ 'বিস্ময়কৰ বছৰ' ("Annas mirabilus") বুলি কোৱা হয়। আইনষ্টাইনে এই বছৰৰে মাৰ্চৰপৰা জুনলৈ মাত্ৰ চাৰি মাহৰ ভিতৰত পাঁচখনকৈ তেওঁৰ যুগান্তকাৰী গৱেষণা পত্ৰিকা লিখিছিল। ইয়াৰ ভিতৰত আছিল বিশেষ আপেক্ষিকতাবাদ আৰু আলোক-বৈদ্যুতিক ঘটনাৰ ব্যাখ্যা যিটোৰ কাৰণে তেওঁ ন'বেল পুৰস্কাৰ পাইছিল। এই সময়ছোৱাতেই আইনষ্টাইনৰ নিশ্চয় সাধাৰণ আপেক্ষিকতাবাদৰ বীজো অংকুৰিত হৈছিল। অলিম্পিয়া অকাডেমি নথকাহেঁতেনো নিশ্চয় আইনষ্টাইনে আপেক্ষিকতাবাদ আৱিষ্কাৰ কৰিলেহেঁতেন, কিন্তু এই অকাডেমিৰ প্ৰভাৱ যে তেওঁৰ ওপৰত ব্যাপক আছিল সেয়া তেওঁ নিজেও বহু ঠাইত প্ৰকাশ কৰিছে।

# অভিজ্ঞতা



# বাৰ্ধক্য - আশীৰ্বাদ নে অভিশাপ?

**ড° চন্দনা চৌধুৰী বৰুৱা**

আমি সকলোৱে লাহে লাহে জীৱনৰ অন্তিম দিনৰ দিশে আগবাঢ়িছোঁ। ইতিমধ্যে নানান কষ্ট, পৰিশ্ৰম, দুখ, বেদনা, বিৰহ, স্বাস্থ্যজনিত কাৰণত মনলৈ বিষাদগ্ৰস্ততাও নহা নহয়। কিন্তু ক'ভিড কালত কাৰ্য্যক্ষেত্ৰলৈ যোৱাটো অনিয়মিত হৈ পৰা বাবে Social Media, What's App, Face Book, Youtube আদিৰ জৰিয়তে বহুতো উৎসাহজনক ভিডিও দেখি মনলৈ বহুতো ধনাত্মক চিন্তা আহি যায়। লাহে লাহে এই Virtual Mediaৰ প্ৰতি আকৰ্ষণো বাঢ়ি যোৱা দেখা গৈছে নিজৰ ক্ষেত্ৰত। আগতে কম্পিউটাৰটোৱে সঙ্গী হৈ পৰিছিল। এতিয়া দুবাৰকৈ চকুৰ অস্ত্ৰোপচাৰৰ পাছত ডাক্তৰৰ পৰামৰ্শত কম্পিউটাৰৰ লগত সম্পৰ্ক অস্থায়ীভাৱে বিচ্ছিন্ন হৈছে। কিন্তু আনপিনে Social Media ৰ ভাল ভাল পোষ্টৰ প্ৰতি আকৰ্ষণ বাঢ়ি গৈছে। ই ভালো, বেয়াও— আমাক নিঃসঙ্গতাৰপৰা কিছু পৰিমাণে হ'লেও ৰেহাই দিছে।

বিশ্ববিদ্যালয়ত "Lock down" দিয়াত প্ৰথমেই মগজুত খেলালে ছাত্ৰ-ছাত্ৰীৰ Online class নলওঁনো কিয়? আমাৰ অকলশৰীয়া দুজনীয়া সংসাৰত কামৰ হেঁচাও বেছি নাই। দুটা পোহনীয়া কুকুৰে আমাক জীপাল কৰি ৰাখে। সন্ধিয়া ৭ বজাৰপৰা ৯ বজালৈ Online class ৰ প্ৰস্তাৱ দিয়াত ছাত্ৰ-ছাত্ৰী সকল অতি উৎসাহিত হ'ল, কিয়নো তেতিয়াও আমাৰ বিশ্ববিদ্যালয়ত Online class আৰম্ভই হোৱা নাছিল। আমিয়ে পথ

প্ৰদৰ্শক হ'লোঁ, ক্লাছৰ সময়খিনিৰ বাহিৰে ৰবিবাৰে অথবা বন্ধৰ দিনত নিজৰ পছন্দৰ ছবি আঁকা, গীত, বাদ্যযন্ত্ৰ, পেইণ্টিং আদিও পোষ্ট কৰিবলৈ ক'লোঁ। তেওঁলোকৰ লুপ্ত-সুপ্ত প্ৰতিভাৰো উমান পালোঁ। সকলোৱে উৎসাহতে নিজৰ হাতৰ কাম ফটো, পেইণ্টিং, ৰন্ধাবঢ়াৰ ফটো পঠিয়ালে, ময়ো Face Bookত দি উৎসাহ বুটলি তেওঁলোকক উৎসাহিত কৰিলোঁ। বিশ্ব পশু স্বাস্থ্য দিৱস এটি সুন্দৰ ভিত্তিত প্ৰস্তুত কৰিলে। এনেদৰে সৰু-সুৰা কামৰ মাজেৰে ময়ো ব্যস্ত হৈ থাকিলোঁ আৰু ছাত্ৰ-ছাত্ৰীকো ব্যস্ত ৰাখিলোঁ।

সঁচাকৈয়ে "Lock down" এ আমাৰ জীৱন শৈলীয়ে সলনি কৰি পেলালে। সামাজিক দূৰত্ব বজাই ৰাখিব লোৱা হোৱাত ময়ো ফোনৰ যোগেৰে সম্বন্ধ ৰক্ষা কৰিবলগীয়া হ'ল। ঘৰুৱা কাম বহুত বাঢ়ি গ'ল- বজাৰৰ বস্তু, শাক-পাচলি আদি বীজাণুমুক্ত কৰা Offline ক্লাছ আৰম্ভ হোৱাৰ লগে লগে। ভাগ্য সুপ্ৰসন্ন যে দুপালি ভেকচিনে লক্ষণবোৰ কিছু পৰিমাণে হ্ৰাস কৰিলে।


বাৰ্ধক্য আৰু একাকীত্ব উপলব্ধি কৰা নাছিলোঁ যেতিয়া দুয়োজনী ছোৱালী লগত আছিল। লাহে লাহে ঘৰখন উৰুঙা হৈ পৰিল। তেতিয়া অনুভৱ কৰিলোঁ আমাৰ মা-দেউতাৰ একাকীত্ব। সেয়েহে ‘আপুনি বয়স হ'লে বুদ্ধি হৈবে ভাল’ আপ্ত বাক্যশাৰীৰ মৰ্মাৰ্থ বুজিলোঁ। বাৰ্ধক্যক অভিশাপ হিচাপে নলৈ আশীৰ্বাদ হিচাপে ল'বলৈ চেষ্টা কৰিছোঁ। নানান প্ৰবন্ধ, সঁচা কাহিনী, অভিজ্ঞতায়ো আমাৰ চকু মুকলি কৰে। কোনোৱে লিখিছে বয়স বঢ়াৰ বাবে কাকো ভয় কৰিব নালাগে, নিৰ্ভয়ে ঘূৰি ফুৰিব পাৰি, সকলোৱে সন্মানৰ চকুৰে চায়, অধিক সময় শাৰী পতা অথবা থিয় হৈ থকাৰ প্ৰয়োজন নাই, প্ৰয়োজনো ক্ৰমে সীমিত হৈ আহে। নতুন কিবা শিকাৰ প্ৰতি আগ্ৰহ জন্মাব লাগে , আজৰি সময়ত নিজৰ প্ৰিয় কাম অথবা অসম্পূৰ্ণ কাম আদিত মনোনিৱেশ কৰিব পাৰে। নিজৰ হেঁপাহৰ সঙ্গীত শিকা, বাদ্যযন্ত্ৰ, ফুলনি বাগিচা, চিলাই, ৰন্ধা-বঢ়া, ফটোগ্ৰাফি, কম্পিউটাৰ শিকা ইত্যাদি অন্ত নাই, মাথোঁ মনটোহে লাগে। মোৰ আইতা অৰ্ধশিক্ষিত আছিল, কিন্তু তেখেতক হিন্দী শিকি জোঁটাই জোঁটাই পঢ়ি থকা দেখিছিলোঁ, এখন নিজ হাতেৰে বহীতে লিখা ৰন্ধা-বঢ়াৰ কিতাপ মই সযতনে থৈছোঁ। মোৰ শহুৰক দেখিছিলোঁ ক্ৰিকেটৰ অত্যন্ত অনুৰাগী বৃদ্ধ বয়সতো।

সেয়েহে কয় "Age is just a number"। মনটো আনন্দেৰে ৰাখি, শৰীৰৰ যত্ন লৈ, প্ৰাণায়াম কৰি, খোজ কাঢ়ি, নিজে ভাল পোৱা কাম কৰি বাৰ্ধক্যক অনায়াসে ধৰি ৰাখিব পৰা যায়। মাজে সময়ে "Beauty Parlour" লৈ গৈ নিজকে ভাল পাবলৈ যত্ন ল'বলৈ প্ৰয়াস কৰিব লাগে। বিদেশত দেখিছিলোঁ আশীৰ ঊৰ্ধৰ মহিলা সকলে টিক্‌টিকীয়া ৰঙা লিপষ্টিক, ৰঙা নেইল পলিছ, অত্যাধুনিক কেশ সজ্জা আৰু সাজপাৰেৰে Mall ত খিকিন্দালি কৰি ষোড়শী যুৱতীৰ দৰে ঘূৰি ফুৰে। তেতিয়াই মই ভাবিছিলোঁ ময়ো এনেকৈয়ে সাজিকাছি থাকিম, লাগে যদি বয়সকে চোলাৰ পিনত মাৰিম।

সেয়েহে আহকচোন আমিও যাঠিৰ দেওনা পাৰ হোৱা বুলি ভাবি মন বেয়া নকৰি কমোৱা তুলাৰ দৰে উৰি ফুৰা মনটোক বান্ধি নেৰাখি বাকী থকা দিনকেইটা নিজৰ ইচ্ছামতে উপভোগ কৰো ! "Age is not how old you are, but how many years of fun you have had." (Mati Maldre).

●

প্ৰবন্ধ



# ব্ৰহ্মপুত্ৰ ঃ অসমৰ উন্নয়ন আৰু প্ৰাচুৰ্য্যৰ আহিলা- এক ধাৰণা

**তপোধন দাস**

ব্ৰহ্মপুত্ৰ সম্পৰ্কে এই বিশেষ দিশটো আলোচনাৰ আগতে আমি ধৰি লওঁ নদীখন পাণ্ডুত যিমান প্ৰস্থ আৰু গভীৰ, শদিয়াৰপৰা ধুবুৰীলৈকেও প্ৰায় সিমানেই প্ৰস্থ আৰু গভীৰ, দুয়োপাৰ খহাব নোৱৰাকৈ কঠিন বা শিলাময় আৰু ওখ, নদীৰ বুকুৰেদি শদিয়াৰপৰা ধুবুৰীলৈ দৈনিক সঘনে চলে আধুনিক মালবাহী আৰু যাত্ৰীবাহী জাহাজ, দুয়োপাৰে ঠায়ে ঠায়ে মালবস্তু আৰু যাত্ৰীৰ বাবে সুকীয়া নদী-বন্দৰ, বন্দৰবোৰৰপৰা দুয়োপাৰৰ ৰাষ্ট্ৰীয় ঘাইপথলৈ যাতায়াতৰ সুচল যোগাযোগ; আৰু ধৰি লওঁ নদীখন তেনেকৈ ঠেক হোৱাৰ ফলত শদিয়াৰ পৰা ধুবুৰীলৈকে দুয়োপাৰে নদীৰ বুকুতে ওলাই পৰা (reclaim) বিস্তীৰ্ণ এলেকাবোৰো দুপাৰৰ জনবসতি এলেকাৰ দৰে সমভূমি আৰু ওখ, তাত ঠায়ে ঠায়ে পৰ্য্যটনৰ মুকলি বাহৰ, ঠায়ে ঠায়ে বিশাল উদ্যোগ প্ৰাঙ্গন, বননি, অত্যাধুনিক প্ৰযুক্তিৰে কৰা খেতি-পথাৰ, ঠায়ে ঠায়ে জলক্ৰীড়াৰ হ্ৰদ, ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প ইত্যাদিৰে ভৰপূৰ। তদুপৰি ধৰি লওঁ শদিয়াৰ পৰা ধুবুৰীলৈকে ব্ৰহ্মপুত্ৰখনৰ দুপাৰেদি দুটা চাৰিলে'ন-যুক্ত দ্ৰুতবেগৰ ঘাইপথ (Expressway), নদী-উপনদীবোৰৰ ওপৰেদিও চাৰিলে'ন-যুক্ত দলঙেৰে সংযোগ কৰা, পথটোৰপৰা ভ্ৰমণকাৰীৰ চকুত পৰাকৈ ব্ৰহ্মপুত্ৰৰ প্ৰাকৃতিক সৌন্দৰ্য্যবোৰ দৃশ্যমান। অকল সিমানেই নহয়, বাৰিষা ব্ৰহ্মপুত্ৰৰ বুকুত আজিলৈকে হোৱা আটাইতকৈ ডাঙৰ বানপানী একোটা আহিলেও পাৰলৈ বাগৰি নহাকৈয়ে পৰিবহণ কৰিব পৰাকৈ নদীখন খৰস্ৰোতা আৰু পৰ্য্যাপ্ত গভীৰ, আনকি যিমান গেদ (sediment) আহিলেও নদীৰ বুকুত জমা হ'বলৈ সুবিধা নোপোৱাকৈ সোঁতে বগৰাই লৈ যাব পৰা ক্ষমতা থকা এখন নতুন ৰূপৰ ব্ৰহ্মপুত্ৰ। এনে এটা বৃহৎ সুন্দৰ অভিলাষ বাস্তৱ হ'লে কিমান সম্পদ প্ৰাচুৰ্য্যময় হ'ব পাৰে এই অসম তথা উত্তৰ পূৰ্বাঞ্চল, বিশ্বৰ বুকুত কিমান বেছি আকৰ্ষণীয়

হ'ব পাৰে ৰাজ্যখন, নদীখনৰ বান-গড়াখহনীয়াৰ সমস্যা চিৰদিনৰ বাবে নির্মূল হৈ কিমান উন্নীত হ'ব পাৰে ৰাজ্যখনৰ আর্থ-সামাজিক দিশ আৰু তেনে এক ৰূপান্তৰৰ পৰিকল্পনা ও ৰূপাঙ্কন তথা ৰূপায়ন আধুনিক প্রযুক্তিৰে কেনেকৈ সম্ভৱ হ'ব পাৰে তাৰ ধাৰণা এটালৈকে আমি আগবাঢ়োঁ।

অত্যাধুনিক প্রযুক্তিৰে তৈয়াৰী 'জিঅ'-টেক্সটাইল মেগা-কণ্টেইনাৰ' নামৰ এবিধ বৃহৎ আকাৰৰ বেগ বা বস্তা আৰু এবিধ টিউব আছে, তাৰ ভিতৰত একে প্রযুক্তিৰ সহায়ত ব্ৰহ্মপুত্ৰৰ বুকুত জমা থকা গেদ-বালি ভৰাই তাৰে নদীৰ বুকুৰেদি শদিয়াৰপৰা ধুবুৰীলৈকে নদীখন ঠেকাই দুয়োফালে দুটা কৃত্রিম স্থায়ী পাৰ (sustainable river-bank) নির্মাণ কৰিব পাৰি, দুয়োপাৰৰ নদী-উপনদীবোৰো এখন এখনকৈ একেধৰণে নির্মাণ কৰা দুটা দুটা কৃত্রিম স্থায়ী পাৰৰ মাজেদি আগুৱাই আনি ব্ৰহ্মপুত্ৰত পেলাবহি পাৰি, **মূল নদী ব্ৰহ্মপুত্ৰ আৰু উপনদীবোৰৰ কৃত্রিম পাৰবোৰ য'ত যেনেকৈ দৰকাৰ সংযোগ কৰিব পাৰি, এনেকৈ ব্ৰহ্মপুত্ৰৰ বুকুতে নদী-উপনদী সমূহৰ সৈতে এখন নতুন মিলন ক্ষেত্ৰ নির্মাণ কৰি উলিয়াব পাৰি।**

এতিয়া, কেনেকৈ নদীৰ সোঁতৰ বুকুত এই বৃহদাকাৰ জিঅ'-টেক্সটাইল বেগ বা বস্তাবোৰৰ ভিতৰত নদীৰ বুকুৰ পৰাই গেদ-বালি উলিয়াই ভৰাব পাৰি আৰু সেইবোৰ পৰিকল্পিতভাৱে সংস্থাপন কৰি তাৰে কৃত্রিম পাৰবোৰ নির্মাণ কৰি উলিয়াব পাৰি, সেই কথালৈ আহোঁ ঃ-

১, ২, ৩ আৰু ৪ নং ছবিত দেখুওৱাৰ দৰে একোখন ড্ৰেজাৰে ঘণ্টাত প্ৰায় ২০০০ ঘনমিটাৰ গেদ-বালি নদীৰ বুকুত




১নং ছবি ঃ ড্ৰেজাৰ



২নং ছবি ঃ ড্ৰেজাৰৰ খননযন্ত্ৰ



৩নং ছবি ঃ লোৰ পাইপ




৪নং ছবি ঃ পাম্প কৰা গেদ-বালি

খনন কৰি প্ৰায় ৪ কিঃ মিঃ দূৰলৈ লোৰ পাইপৰ মাজেদি পাম্প কৰি পঠিয়াব পাৰে। এনেকৈ কৃত্রিম পাৰ নির্মাণ কৰিব লগা ঠাইবোৰলৈ খনন কৰা গেদ-বালিবোৰ পাম্প কৰি তাত 'বাৰ্জ' নামৰ জাহাজ একোখনৰ মজিয়াত জমা কৰি তাতে জিঅ'-টেক্সটাইল বেগবোৰত আধুনিক যন্ত্ৰৰ সহায়ত শীঘ্ৰে ভৰাই বেগৰ মুখবোৰ যন্ত্ৰৰ সহায়তে চিলাই বন্ধ কৰি ঠাইতে নদীৰ বুকুত সংস্থাপন কৰিব পাৰি। এনেকৈ পৰিকল্পিতভাৱে

ইটোৰ ওপৰত সিটো বেগ সংস্থাপন কৰি ৫ আৰু ৬ নং ছবিত দেখুওৱাৰ দৰে ব্ৰহ্মপুত্ৰৰ বুকুতে দুটা কৃত্ৰিম পাৰ নিৰ্মাণ কৰি উলিয়াব পাৰি, এই পাৰ দুটা ৭ নং ছবিত দেখুওৱাৰ দৰে লোহা আৰু কংক্ৰিটেৰেও (Reinforced Concrete) বনাব পাৰি, তাৰ মাজেদিয়ে ব্ৰহ্মপুত্ৰক গভীৰ কৰি বোৱাই দিব পাৰি, একেদৰে নদী-উপনদী সমূহৰ কৃত্ৰিম পাৰবোৰো নিৰ্মাণ কৰি উলিয়াব পাৰি। **এনে নিৰ্মাণত নদীৰ সোঁত, পানীৰ গভীৰতা একোৰেই বাধাৰ সৃষ্টি কৰিব নোৱৰাকৈ সম্পূৰ্ণ আধুনিক প্ৰযুক্তি মজুত আছে।**



৫নং ছবি ঃ জিঅ' টেক্সটাইল বেগৰ পাৰ



৬নং ছবি ঃ জিঅ' টেক্সটাইল বেগৰ পাৰ



৭নং ছবি ঃ লো-কংক্ৰিটৰ পাৰ

নদীখন এনেকৈ ঠেকাই দিয়াৰ ফলত নদীৰ বুকুত দুয়োপাৰে ওলাই পৰা বিস্তীৰ্ণ মাটিকালিত ঠায়ে ঠায়ে হ্ৰদৰ দৰে গভীৰ ৰাখি সেইবোৰ আধুনিক জলক্ৰীড়া আৰু ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প হিচাপে গঢ়ি তুলিব পাৰি (৮ আৰু ৯ নং ছবিত)। বাকী এলেকাসমূহ ড্ৰেজাৰ আৰু পাইপৰ জৰিয়তে ঠেক নদীখনৰ বুকুৰ পৰা খনা গেদ-বালিৰে দুপাৰৰ জনবসতি এলেকাবোৰৰ সমান ওখকৈ পুতি পেলাব পাৰি, এই এলেকাসমূহত পৰ্য্যটন (১০ নং ছবি), বনানিকৰণ, উদ্যোগ প্ৰাঙ্গন, বৈজ্ঞানিকভাৱে কৰা খেতি পথাৰ (১১ নং ছবি)



৮নং ছবি ঃ আধুনিক জলক্ৰীড়া প্ৰকল্প



৯নং ছবি ঃ ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প



১০নং ছবি ঃ পৰ্য্যটন



১১নং ছবি ঃ বৈজ্ঞানিক কৃষি পথাৰ

ইত্যাদি প্ৰকল্পৰ পৰিকল্পনা ৰূপায়ন কৰিব পাৰি, খননৰ ফলত গভীৰ  হৈ পৰা নদীখনৰ বুকুত আধুনিক মালবাহী আৰু যাত্ৰীবাহী জাহাজ  শদিয়াৰপৰা ধুবুৰীলৈ চলাচল কৰাব পাৰি (১২ নং ছবিত দেখুওৱাৰ দৰে), দুয়োপাৰে পৰিকল্পিতভাৱে মাল আৰু যাত্ৰাবাহী জাহাজৰ বাবে নদীবন্দৰ সজাই তুলিব পাৰি (১৩, ১৪ নং ছবিত),  নদীৰ পাৰৰপৰা এশ বা ডেৰশ মিটাৰমান দূৰেৰে দুয়োপাৰেদি কিছু ওখকৈ দুটা দ্ৰুত গতিসম্ভৱ ঘাইপথ (Expressway) শদিয়াৰপৰা ধুবুৰীলৈকে



১২নং ছবি ঃ জাহাজ চলাচল



১৩নং ছবি ঃ মালবাহী বন্দৰ



১৪নং ছবি ঃ যাত্ৰীবাহী বন্দৰ



১৫নং ছবি ঃ উপনদীবোৰৰ ওপৰেদি চাৰিলেনৰ দলং

নিৰ্মাণ কৰি তাৰ লগত উপনদীবোৰৰ ওপৰেদি চাৰিলে'ন-যুক্ত দলঙেৰে সংযোগ কৰিব পাৰি (১৫ নং ছবিত)।

এই সকলোবোৰ সামৰি এনে এটা বৃহৎ অভিলাষী প্ৰকল্প পৰিকল্পনা কৰোঁতে আগতীয়াকৈ অধ্যয়ন কৰিবলগীয়া অত্যন্ত জৰুৰী আৰু গুৰুত্বপূৰ্ণ কিছু দিশ আছে। অধ্যয়ন প্ৰণালী সম্পূৰ্ণ বৈজ্ঞানিক প্ৰযুক্তিগত (Study in river modeling software) বাবে সেই বিষয়ে ইয়াত আলোচনা নকৰি অধ্যয়ন কৰিবলগা আৱশ্যকীয় দিশবোৰ সম্পৰ্কেহে সীমিত আলোচনা কৰোঁ ঃ-

প্ৰথমতে ঃ ব্ৰহ্মপুত্ৰ নদীখন শুক্লেশ্বৰৰপৰা পাণ্ডুলৈকে এটাই সুঁতি  হৈ বৈছে, তাৰ বিপৰীতে উজনি আৰু নামনিৰ অন্যান্য অংশত দুই তিনিটা বা ততোধিক সুঁতি হৈ বৈছে। এই অংশবোৰত নদীখন অনাহক ১০ ৰপৰা ১৫/১৬ কিলোমিটাৰ পৰ্য্যন্ত বহল, আনকি পলাশবাৰীৰ ওচৰত ২২ কিলোমিটাৰ পৰ্য্যন্ত বহল হৈছিল। এই অংশবোৰত অলাগতিয়াল সুঁতিবোৰ পুতি বাকী দুটা বা

তিনিটা ঠেক আৰু গভীৰ সুঁতিয়েদি বৈ যাবলৈ দিলেই হ'ব। এনেকুৱা সুঁতিবোৰৰ মাজত থকা চৰ-চাপৰি কিছুমান স্থায়ীভাৱে খহনীয়া আক্রান্ত নোহোৱাকৈ বৰ্তি আছে, সেইবোৰত জনবসতিও আছে, নাথাকিলেও পৰ্য্যটন-থলী হিচাপে গঢ়িব পৰাকৈ এনেধৰণৰ স্থায়ী চৰ-চাপৰিবোৰ সংৰক্ষিত ৰাখিয়েই ব্ৰহ্মপুত্ৰক ঠায়ে ঠায়ে দুই-তিনিটা সুঁতিৰে বোৱাই দিব পৰা দিশটো অধ্যয়নৰ আৰ্হিয়ে (model study) সামৰি ল'ব, সুঁতিকেইটা কিমান বহল আৰু গভীৰ হ'ব লাগিব তাৰো অধ্যয়ন হ'ব যাতে য'ত য'ত নদীখন এসুঁতীয়া ত'ত ত'ত নদীখনৰ যি পৰিমাণৰ সোঁতৰ গতিবেগ আৰু গভীৰতা হ'ব সেই একেই গতিবেগ আৰু গভীৰতা দুসুঁতীয়া বা তিনিসুঁতীয়া অংশবোৰতো হয়।

দ্বিতীয়তে ঃ সুঁতিবোৰেদি ভৰ বাৰিষা আটাইতকৈ ডাঙৰ সম্ভাব্য বানটো হ'লে কোন কোন অংশত কিমান পৰিমাণৰ বান পৰিবহণ হ'ব তাৰ আৰ্হি (model) অধ্যয়ন হ'ব লাগিব। অৰ্থাৎ উজনিৰ পৰা নামনিলৈ বান পৰিবহণ ক্ষমতা ক্ৰমশঃ অধিক হ'ব লাগিব, কিমান অধিক হ'ব সেয়া নিৰ্ভৰ কৰিব প্ৰত্যেক অংশৰ উজনিত আহি পৰা দুপাৰৰ উপনদীসমূহৰ বানৰ পৰিমাণৰ ওপৰত। ধৰি ল'ব লাগিব এই উপনদীসমূহেও একে সময়তে নিজৰ নিজৰ সৰ্বোচ্চ বান পৰিবহণ কৰি আনি ব্ৰহ্মপুত্ৰত পেলায়হি। সেই অনুপাতে উজনিৰ পৰা নামনিলৈ ব্ৰহ্মপুত্ৰক ক্ৰমশঃ বৰ্ধিত বান পৰিবাহী ক্ষমতা প্ৰদান কৰিব লাগিব।

তৃতীয়তে ঃ সম্ভাব্য সৰ্বোচ্চ বানৰ আয়তনৰ (flood volume) আৰ্হি অধ্যয়ন। এইক্ষেত্ৰত বেছিভাগ বিশেষজ্ঞই কয় যে ব্ৰহ্মপুত্ৰৰ সম্ভাব্য সৰ্বোচ্চ বানৰ পৰিমাণ নিৰ্ণয় কৰিবলৈ হ'লে নদীখনৰ তিব্বতত থকা উৎসৰপৰা বঙ্গোপসাগৰত পৰালৈকে থকা দৈৰ্ঘ্যত যি বিশাল মাটিকালিৰ পৰা বৰষুণৰ পানী বৈ আহি পৰেহি সেই মাটিকালিত ক'ত কিমান সৰ্বাধিক বৰষুণ হয় আৰু তেতিয়া কিমান বান একেলগ হৈ ব্ৰহ্মপুত্ৰত পৰেহি তাৰ সম্পূৰ্ণ আৰ্হি অধ্যয়ন হ'ব লাগিব; কিন্তু **ব্যৱহাৰিক ক্ষেত্ৰত দেখা গ'ল যে ব্ৰহ্মপুত্ৰৰ গতিপথত ভাৰত-চীনৰ সীমান্তত অৰুণাচলৰ ভিতৰত থকা 'টুটিং' নামৰ ঠাইৰপৰা পাছিঘাটলৈকে যি দৈৰ্ঘ্য আছে সেইছোৱাতে হোৱা বৰষুণৰ পৰিমাণ অনুসৰিহে অসমৰ ভৈয়ামত ব্ৰহ্মপুত্ৰৰ বানৰ পৰিমাণ নিৰ্ভৰ কৰি আহিছে।** এই সম্পৰ্কে আজি পৰ্য্যন্ত থকা বৰষুণৰ যিমান তথ্য কেন্দ্ৰীয় জল আয়োগত মজুত আছে সেয়াই কৰিবলগা অধ্যয়নৰ বাবে যথেষ্ট। ব্ৰহ্মপুত্ৰ আৰু উপনদীসমূহৰ সৰ্বোচ্চ বান-পৰিবহণ তথ্যও (maximum discharge data) মজুত আছে, তেনেক্ষেত্ৰত শদিয়াৰ পৰা ধুবুৰীলৈকে থকা ব্ৰহ্মপুত্ৰৰ দৈৰ্ঘ্য সামৰিয়ে এই আৰ্হি অধ্যয়ন কৰিব পৰা হ'ব। **আন্তঃৰাষ্ট্ৰীয় বা আন্তঃৰাজ্যিক তথ্যৰ ওপৰত নিৰ্ভৰশীল বুলি কৈ আৰ্হি অধ্যয়নৰ চেষ্টা নকৰাটো অনাহক অজুহাত।**

চতুৰ্থতে ঃ সৰ্বোচ্চ বান-পৰিবহণ কৰি শদিয়াৰপৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰখন দুসুঁতীয়া বা তিনিসুঁতীয়া হৈ বৈ যাওঁতে বানপানী দুপাৰৰ গৰাৰ ওপৰলৈও নুঠাকৈয়ে সুঁতিৰ বুকুৰেদি সুকলমে নিৰ্দিষ্ট সময়ৰ ভিতৰত পৰিবাহিত হ'ব পৰা দিশটোৰ আৰ্হি অধ্যয়ন হ'ব লাগিব। দেখা গ'ল এতিয়ালৈকে হোৱা সৰ্বোচ্চ বানত গুৱাহাটীত কাছাৰীৰপৰা পাণ্ডুলৈ ব্ৰহ্মপুত্ৰৰ পানী ঠায়ে ঠায়ে পাৰৰ ৰাস্তাৰ ওপৰলৈ সামান্য উঠিছে(৫/৬ চেণ্টিমিটাৰ)। এনে সময়ত নদীখন অন্য সময়তকৈ বেছি গভীৰ হয়, তেন্তে ধৰি ল'ব পাৰি যে শুক্লেশ্বৰপৰা পাণ্ডুলৈকে ব্ৰহ্মপুত্ৰখন যদি এক বা ডেৰ কিলোমিটাৰ বহলকৈ আজিকোপতি সুস্থিৰে বৈ থাকিব পাৰিছে, তাৰ উজনিৰ শদিয়ালৈকে সিমান বা তাতকৈ কম বহল আৰু নামনিৰ ধুবুৰীলৈকে তাতকৈ সামান্য বেছি বহল হৈয়ে নদীখন সুস্থিৰে বৈ থাকিব পাৰিব আৰু উজনি নামনি সকলো অংশৰ গভীৰতাও প্ৰায় পাণ্ডুৰ অংশত থকা গভীৰতাৰ সমান হ'ব লাগিব। এই ধাৰণাটো এশ শতাংশই শুদ্ধ ন'হলেও **কি সঠিক আকাৰত** (size) **নদীখন উজনিৰপৰা নামনিলৈকে সুস্থিৰ হৈ বৈ থাকিব তাক প্ৰযুক্তিগত আৰ্হি অধ্যয়ন**(model study)**ৰ জৰিয়তে নিৰ্ণয় কৰি ল'ব পাৰি।** য'ত য'ত নদীখন দুসুঁতীয়া বা তিনিসুঁতীয়া হ'ব, তাত গভীৰতা একে (অৰ্থাৎ পাণ্ডুত যিমান গভীৰ প্ৰায় সিমান) ৰাখি মুঠ প্ৰস্থটো সুঁতিকেইটাত অৱস্থিতি অনুপাতে ভগাই দিব লাগিব। কি পৰিমাণত ভগাই দিলে সুঁতিকেইটাৰ পৰিবহণ সুস্থিৰ (stable) হ'ব সেয়াও অধ্যয়নৰ আৰ্হিয়ে নিৰ্ণয় কৰিব পাৰিব। এই অধ্যয়নে সামৰি ল'ব লগা অন্য এটা দিশ হ'ল নদীখনৰ উজনিৰপৰা নামনিলৈ থকা ঢাল (gradient of the river bed)। এই ঢালটো নদীখনত উজনিৰপৰা নামনিলৈ প্ৰাকৃতিক ভাৱেই আছে, উজনিত ঢালটো কিছু বেছি (অৰ্থাৎ কিছু থিয়)

আৰু নামনিলৈ ক্রমশঃ কম। ১৯৫০ চনৰ বৰভূঁইকঁপৰ পিছৰপৰা অত্যধিক পৰিমাণে গেদ জমা হৈ এসময়ৰ সুস্থিৰ পৰিবাহী অৱস্থাত থকা নদীখনৰ প্ৰাকৃতিক ঢালটো বিসঙ্গতিপূৰ্ণ হ'ল। উজনিৰ পৰা নামনিলৈ সোঁতৰ তীব্ৰতা ক্ৰমশঃ কম হোৱাৰ ফলত তলিত জমা হোৱা গেদৰ পৰিমাণো নামনিলৈ ক্ৰমশঃ অধিক। ফলত নামনিত উফন্দি উঠা বানৰ পৰিমাণো অধিক। এতিয়া ঠেকাই বোৱাব খোজা নদীখনে যি পৰিমাণৰ ঢাল (gradient) পালে সুস্থিৰ পৰিবাহী হৈ থাকিব সেয়া অতীজৰ প্ৰাকৃতিক ঢালৰ প্ৰায় সমানেই হ'ব আৰু সেইমতে অধ্যয়নৰ আৰ্হিয়ে সামৰি ল'ব পাৰিব। এইদৰে নদীখনৰ ক'ত কেইটা সুঁতি হ'ব, সুঁতিবোৰ কিমান বহল হ'ব আৰু ক'ৰ পৰা ক'লৈ কিমান ঢাল হ'ব তাক আৰ্হি অধ্যয়নৰ জৰিয়তে নিৰ্ণয় কৰি সেইমতে মানচিত্ৰ প্ৰস্তুত কৰি উলিয়াব পাৰি। মানচিত্ৰ মতেই ব্যৱহাৰিক ভাৱে কৃত্ৰিম পাৰবোৰৰ নিৰ্মাণ আৰু পৰিবাহী সুঁতিবোৰৰ খননৰ কাম হাতত ল'ব লাগিব।

থোৰতে উল্লেখ হওক, **খনন আৰু নদীখন ঠেক কৰা প্ৰস্তাৱত কোনো কোনো বিশেষজ্ঞই সমৰ্থন নকৰে। তেওঁলোকে অনুমান কৰে যে খননৰ ফলত নদীখনৰ প্ৰবাহ প্ৰদূষিত হৈ মাছ কাছ আদি জলজ প্ৰাণীসমূহ নাশ হ'ব, তাৰ ওপৰত নিৰ্ভৰশীল পাৰৰ জনবসতিৰ জীৱনধাৰাত বিৰূপ প্ৰভাৱ পৰিব, ইত্যাদি।** তেওঁলোকে আৰু অনুমান কৰে যে ব্ৰহ্মপুত্ৰক এনেকৈ ঠেকাই দিলে বানপানীয়ে য'তে ত'তে পাৰ ভাঙি বিভীষিকাৰ সৃষ্টি কৰিব, কিয়নো উজনিৰ পাৰ্বত্য অংশত নদীখনৰ বান-নিয়ন্ত্ৰণৰ বাবে কোনো বান্ধ (dam) নাই। কিন্তু খনন-প্ৰদূষণৰ সম্ভাৱনা প্ৰসঙ্গত উনুকিয়াব পাৰি যে যিবোৰ নদীত সুদীৰ্ঘ কাল ধৰি উদ্যোগৰ আৱৰ্জনা সমূহ পেলোৱা হৈ আহিছে তেনেকুৱা নদীতহে খননৰ ফলত প্ৰদূষণ হোৱাৰ সম্ভাৱনা থাকে, যদিহে তেনে ধৰণৰ গেদবোৰ খনন কৰি আকৌ নদীৰ সোঁততে পেলোৱা হয়। ব্ৰহ্মপুত্ৰৰ গেদত তেনে ধৰণৰ উদ্যোগ নিষ্কাসন জমা হৈ থকা নাই আৰু খননৰ গেদবোৰ কৃত্ৰিম পাৰসমূহ নিৰ্মাণত জিঅ'-টেক্সটাইল বেগবোৰতহে ভৰোৱা হ'ব আৰু সেই পাৰবোৰ নিৰ্মাণৰ পাছত নদীখনৰ বুকুত পুনৰুদ্ধাৰ হোৱা বিস্তীৰ্ণ মাটিকালি (reclaim area) পুতি ওখ আৰু সমান কৰাতহে ব্যৱহাৰ কৰা হ'ব। গতিকে **খননৰ ফলত জলজ প্ৰাণী নাশ হোৱা, তাৰ ওপৰত নিৰ্ভৰশীল নদীপৰীয়া জনজীৱনত বিৰূপ প্ৰভাৱ পৰা আদি অনুমান অমূলক।** দ্বিতীয়তে, পাৰ্বত্য অংশত বান্ধ নথকা সত্ত্বেও ব্ৰহ্মপুত্ৰত সৰ্বোচ্চ বানপানী ১৯৫০ৰ বৰ-ভূইকঁপৰ আগতো পৰিবাহিত হৈছিল যাৰ তথ্য মজুত নাই। বৰ ভূঁইকঁপ বশতঃ নদীখনত জমা হোৱা গেদৰ ফলতহে বিভিন্ন সুঁতি সৃষ্টি হৈ দুপাৰ খহাই নদীখন বহল আৰু বাম হ'ল; তাৰ আগলৈকে ঠেক আৰু গভীৰ আছিল বাবে খৰালিও নদীখনত ডিব্ৰুগড়লৈকে সাগৰীয় জাহাজ চলিছিল আৰু বানপানী পাৰলৈ নুঠাকৈ নদীৰ বুকুতে সুকলমে পৰিবাহিত হৈছিল। ১৯৫৫-৫৬ চনৰ পৰাহে পাৰৰ জনবসতিৰ বান-সুৰক্ষাৰ বাবে মথাউৰিবোৰ নিৰ্মাণ কৰা হৈছিল। গতিকে ১৯৫০ চনৰ আগৰ ঠেক আৰু গভীৰ গতিপথ এটা নদীখনক বিজ্ঞান-প্ৰযুক্তিৰ সহায়ত পুনৰ স্থায়ীভাৱে প্ৰদান কৰাৰ প্ৰচেষ্টাই এই সামগ্ৰিক ধাৰণাটোৰ বিষয়বস্তু। তদুপৰি প্ৰযুক্তিগত আগতীয়া আৰ্হি অধ্যয়নত প্ৰকল্প ৰূপায়নৰ পৰৱৰ্তী পৰ্য্যায়ত নদীখনে কি ধৰণে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰিব সেইকথাও নিৰ্ণীত হ'বই। তেনে ক্ষেত্ৰত এই বৃহৎ প্ৰকল্পৰ ধাৰণা বিপজ্জনক হ'ব বুলি কৰা অনুমানো অমূলক। **চীনৰ হোৱাংহো নদীৰ ভৈয়াম অংশ নিয়ন্ত্ৰণত এই সূত্ৰৰ আধাৰো নিহিত হৈ আছে।** হোৱাংহো নদীখনৰ ৩৭৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভৈয়াম অংশ অতীজত ২৪ কিলোমিটাৰ বহল আছিল, পৰৱৰ্তী পৰ্য্যায়ত অধ্যয়ন সাপেক্ষে ১০ কিলোমিটাৰলৈ স্থায়ীভাৱে ঠেকাই দিয়া হ'ল, ফলত সোঁতৰ গতিবেগ বাঢ়ি নদীৰ বুকুত গেদ জমা হ'বলৈ সুবিধা নোপোৱাত আৰু নদী-গৰ্ভ দ হৈ পৰাত বান আৰু খহনীয়া সমস্যা নিৰ্মূল হৈ পৰে। অৱশ্যে উজনিৰ পাৰ্বত্য অঞ্চলৰ খহনীয়াপ্ৰৱণ এলেকা এটাৰপৰা বাগৰি অহা গেদ প্ৰতিৰোধৰ বাবে অঞ্চলটোত পৰ্য্যাপ্ত পৰিমাণে বনানিকৰণো সম্পন্ন কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ পাৰ্বত্য অঞ্চলৰ ক্ষেত্ৰত এনে বনানিকৰণ 'গছত পাণ ওঠত ৰং' ৰ দৰে কথা। দিহং সুঁতি আৰু অন্যান্য নদী-উপনদীৰপৰা ব্ৰহ্মপুত্ৰত বছৰি আহি পৰা গেদৰ পৰিমাণ সম্পৰ্কে নিৰ্ভৰযোগ্য তথ্যৰ অভাৱ, ৮০০ মিলিয়ন টনমান গেদ ব্ৰহ্মপুত্ৰৰ সোঁতত (পাণ্ডুত) পাৰ হৈ যোৱা পৰ্য্যবেক্ষণৰ কথাকে কৈ থকা বাদে **নদীখনৰ বুকুত বছৰি জমা হৈ থকা গেদৰ বিষয়ে বিশেষজ্ঞসকল নিমাত।** এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে কেইবছৰমান আগতে উত্তৰ-পূবৰ জলসম্পদ পৰিকল্পনা আৰু ব্যৱস্থাপনা অধ্যয়নৰ বাবে

গঠন কৰি দিয়া **উচ্চ পৰ্য্যায়ৰ বিশেষজ্ঞ দলেও মত পোষণ কৰিছে যে ব্ৰহ্মপুত্ৰৰ স্থায়ী বান-ব্যৱস্থাপনাৰ স্বাৰ্থত নদীখনৰ বুকুত জমা হৈ থকা অতিৰিক্ত গেদবোৰ আঁতৰাবই লাগিব,** যাৰ অৰ্থই হ'ল সামগ্ৰিক ভাৱেই নদীখনত ড্ৰেজিং কৰি (mass dredging) গেদবোৰ আঁতৰাই গভীৰ কৰিবই লাগিব। এই বিশাল পৰিমাণৰ গেদবোৰ পৰিকল্পিতভাৱে নদীৰ বুকুতে পুনৰুদ্ধাৰ হোৱা মাটিকালিত জমা কৰা বাদে বিকল্প নাই। দ্বিতীয়তে **দলটোৱে আৰু মত পোষণ কৰিছে যে ব্ৰহ্মপুত্ৰখনৰ এটা স্থায়ী গতিপথৰ** (stable configuration) **আৰ্হি অধ্যয়ন কৰি উলিয়াব লাগে** যাৰ অৰ্থই হ'ল গতিপথটোৰ গভীৰতা আৰু প্ৰস্থ নিৰ্দিষ্ট পৰিমাণৰ হ'ব লাগিব যাতে সোঁতৰ গতিত প্ৰয়োজনীয় তীব্ৰতা থাকে যি নদীৰ বুকুত গেদ জমা হ'বলৈ নিদিয়ে আৰু সৰ্ব্বোচ্চ বান নদীৰ বুকুৰেদি সুকলমে পৰিবহণ কৰিব। তেন্তে স্পষ্ট যে বিশেষজ্ঞ দলটোৰ বিশেষ মত দুটাৰ সঙ্গতি এই প্ৰস্তাৱিত প্ৰকল্পটোৰ ধাৰণাত সঠিকভাৱে ৰক্ষিত হৈছে।


এই উদাহৰণেও স্পষ্ট কৰেই যে শুক্লেশ্বৰৰপৰা পাণ্ডুলৈকে আজিকোপতি নদীখন সুস্থিৰ হৈ বৈ আছে। ঠিক তেনে ধৰণৰ সুস্থিৰ ওখ দুটা পাৰ আৰু বুকুৰ গভীৰতাহে নদীখনক প্ৰয়োজন, আধুনিক বিজ্ঞান প্ৰযুক্তিৰ সহায়ত এইমতেই গতিপথ এটা নিৰ্মাণ হৈ উঠাত অসম্ভৱ বুলিবলৈ একো নাই।

কোনো কোনো বিশেষজ্ঞই কয় যে ব্ৰহ্মপুত্ৰৰ আৰ্হি অধ্যয়ন কৰিব পৰাকৈ প্ৰয়োজনীয় ব্যৱহাৰিক তথ্যৰ (Real Time Data) অভাৱ। কিন্তু উপগ্ৰহৰপৰা পোৱা তথ্য (Satellite data) ব্যৱহাৰ কৰিয়ে অধ্যয়ন সম্পন্ন কৰি এতিয়ালৈকে উত্তৰ-পূবৰ পাৰ্বত্য অঞ্চলত বান্ধ (Dam) নিৰ্মাণ হৈ আছে, উচ্চ মানৰ উপগ্ৰহ-তথ্য (High resolution satellite data) ব্যৱহাৰ কৰি নদীখনৰ সকলো আৰ্হি অধ্যয়ন সম্পন্ন হ'ব পৰাটো সম্ভৱ। এনেধৰণৰ অধ্যয়নসমূহে আজিলৈকে কোনো প্ৰকল্পৰ ক্ষেত্ৰতে এশ শতাংশ শুদ্ধ ফলাফল দিব নোৱাৰিলেও প্ৰকল্প ৰূপাঙ্কনৰ ক্ষেত্ৰত অতিৰিক্ত সুৰক্ষিত পৰিমাণ (safety factor) ধৰি লৈয়ে বিস্তৃত প্ৰকল্পবোৰ যুগুত কৰা হৈ আহিছে। কেৱল অন্য এটা দিশহে ব্ৰহ্মপুত্ৰৰ আৰ্হি অধ্যয়নে সামৰি লোৱাত কিছু অসুবিধা থকাটো সঁচা। সেইটো হ'ল ব্ৰহ্মপুত্ৰ তথা উপনৈ সমূহে বহন কৰা গেদৰ সৰবৰাহ সন্নিৱিষ্ট কৰি আৰ্হি অধ্যয়ন কৰাটো। অধ্যয়নসমূহ যিহেতু আধুনিক river modeling software ত সম্পন্ন কৰা হয় আৰু প্ৰয়োজনীয় সকলো তথ্য তাত ব্যৱহাৰ (feed) কৰা হয়, ব্ৰহ্মপুত্ৰৰ অত্যধিক গেদ সৰবৰাহৰ দিশটো সামৰি ল'ব পৰা software আৰু তাক ব্যৱহাৰ কৰি অধ্যয়ন সম্পন্ন কৰিব পৰা বিশেষজ্ঞৰ অভাৱ বুলি কেইবছৰমান আগলৈকে জনা গৈছিল। এই বিষয়টো খুঁটি-নাটি মাৰি আলোচনা কৰিবলৈ বিশ্ববেঙ্কৰ জলসম্পদ বিশেষজ্ঞই (Water Resources Specialist) নেডাৰলেণ্ডৰপৰা river modeling software নিৰ্মাতা এজনকো বশিষ্ঠত থকা 'অসম জল-গৱেষণা ও ব্যৱস্থাপনা প্ৰতিষ্ঠান'লৈ আমন্ত্ৰণ কৰি আনিছিল, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় এদল বিশেষজ্ঞৰ উপস্থিতিত দিনজোৱা আলোচনাৰ অন্তত software নিৰ্মাতাগৰাকীয়ে মত পোষণ কৰিছিল যে ব্ৰহ্মপুত্ৰৰ ক্ষেত্ৰত সেই পৰ্য্যন্ত মজুত থকা modeling software ব্যৱহাৰ কৰি অধ্যয়ন কৰিলে ৬০ শতাংশতকৈ অধিক শুদ্ধ ফলাফল পোৱা নাযাব; গতিকে ব্ৰহ্মপুত্ৰ অধ্যয়নৰ বাবে তেওঁ বিশেষভাৱে উন্নত মানৰ modeling software ৰ প্ৰস্তুতিত শীঘ্ৰে গুৰুত্ব দিব। আশা কৰিব পাৰি, পৰৱৰ্তী সময়ত এই পৰ্য্যন্ত নিশ্চয় উপযুক্ত software তথা অধ্যয়ন কৰিব পৰা বিশেষজ্ঞ পৰ্য্যাপ্ত হৈ পৰিছে।


প্ৰকল্পটো কাৰ্য্যকৰী হ'লে ব্ৰহ্মপুত্ৰৰ উত্তৰে কৃত্ৰিম পাৰটোৰেদি বনাব খোজা চাৰিলে'নযুক্ত দ্ৰুতঘাইপথটোৰ দৈৰ্ঘ্য ৬৫৭ কিলোমিটাৰ আৰু দক্ষিণ পাৰেদি ৭২০ কিলোমিটাৰ হ'ব। দক্ষিণ পাৰে উজনিত [ মানচিত্ৰ (ক)] দিৰাই গেটৰপৰা আৰম্ভ হৈ ভূপেন হাজৰিকা সেঁতুত সংযোগ হ'বহি; তাৰপৰা নামনিলৈ নদীৰ মাজেদি আগুৱাই আহিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেদি এই ঘাইপথটো যোৱাত বাধাপ্ৰাপ্ত হ'লে বৰ্তমানৰ ঘাইপথটোত আহি সংযোগ হ'ব আৰু উদ্যানখন পাৰ হৈ নদীৰ কাষেদি আগুৱাই কলিয়াবৰত ব্ৰহ্মপুত্ৰ দলং সংযোগী ঘাইপথত লগ লাগিবহি। তাৰপৰা নদীৰ মাজেদি আগুৱাই গুৱাহাটীৰ চন্দ্ৰপুৰত পাৰলৈ চাপিব। তাৰপৰা কোনদিশে কেনেকৈ আহি বৰ্তমান মহানগৰৰ দক্ষিণেদি যোৱা চাৰিলে'ন-যুক্ত পথত লগ লাগিলে সুবিধা হ'ব সেই বিষয়ে কিছু চালিজাৰি চাই ঠিৰাং কৰাটো উচিত

হ'ব। পাণ্ডু দলঙৰ নামনিত পথটো নদীৰ কাষ চাপি পুনৰ নদীৰ মাজেদি আগুৱাব আৰু পঞ্চৰত্ন দলঙৰ দক্ষিণ পাৰত সংযোগ হৈ পুনৰ নদীৰ কাষ চাপিব আৰু নামনিৰ দক্ষিণ শালমৰা পৰ্য্যন্ত নদীৰ মাজেদি আগুৱাই মানকাছাৰত লগ হ'বগৈ [ মানচিত্ৰ (ঘ)]।


ঠিক তেনেকৈ উত্তৰে উজনিত জ'নাই নগৰৰপৰা ব্ৰহ্মপুত্ৰৰ কাষ চাপি [ মানচিত্ৰ (ক)] নদীৰ মাজেদি নামনিলৈ আগুৱাব, তেজপুৰত ভোমোৰাগুৰি পাহাৰৰ উত্তৰ কাষলৈ ফাটি আহি দলঙৰ উত্তৰত ঘাইপথত লগ লাগিব [ মানচিত্ৰ (খ)], তাৰ নামনিত নদীৰ মাজেদি আগুৱাই উত্তৰ গুৱাহাটী-আমিনগাঁও সংযোগী পথেদি উঠি ৰাষ্ট্ৰীয় ঘাইপথ পাৰহৈ আমিনগাঁও পথেদিয়ে আগুৱাই ব্ৰহ্মপুত্ৰৰ কাষ চাপিব, পুনৰ নদীৰ মাজেদি নামনিলৈ আগুৱাব, পঞ্চৰত্ন দলঙৰ উত্তৰত ৰাষ্ট্ৰীয় ঘাইপথত উঠিবহি আৰু দক্ষিণ শালমৰামুখী পথেদি কিছুদূৰ আগুৱাই [ মানচিত্ৰ (ঘ)] ব্ৰহ্মপুত্ৰৰ ফালে ফাটি আহি নদীৰ নামনিলৈ আগুৱাব আৰু ধুবুৰীত আহি পশ্চিমবঙ্গমুখী ৰাষ্ট্ৰীয় ঘাইপথত সংযোগ হ'বহি।




মানচিত্ৰ (ক)



মানচিত্ৰ (খ)



মানচিত্ৰ (গ)



মানচিত্ৰ (ঘ)

যিহেতু এই দ্ৰুত বেগৰ-ঘাইপথ দুটা বেছিভাগ ব্ৰহ্মপুত্ৰৰ বুকুৰেদি ৰাওনা হ'ব, ভূমি অধিগ্ৰহণৰ সামান্য জটিলতাহে প্ৰকল্পটোত থাকিব। কেইবছৰমান আগতে এই সম্পৰ্কে কৰা জৰীপৰ তথ্যমতে নদীখনৰ বহল অংশবোৰ ৬/৭ কিলোমিটাৰলৈ ঠেকাই দিলেই প্ৰায় ২৩০০ বৰ্গকিলোমিটাৰ এলেকা পুনৰুদ্ধাৰ হ'ব। যিহেতু এই প্ৰকল্পৰ জৰিয়তে নদীখনক সুস্থিৰ গতিপথ (stable river configuration) এটা প্ৰদান কৰা হ'ব, তেনে ক্ষেত্ৰত নদীখনৰ এসুঁতীয়া বা তিনিসুঁতীয়া প্ৰবাহৰ মুঠ বহল ২ কিলোমিটাৰতকৈ অধিক নোহোৱাকৈয়ে সম্ভৱ আৰু অতিৰিক্ত ৪/৫শ কিলেমিটাৰমান মাটিকালিও পুনৰুদ্ধাৰ হ'ব। জৰীপ মতে দুয়োপাৰে উপনদীবোৰৰ ওপৰেদি ৪২ খন দলঙৰ প্ৰয়োজন হ'ব আৰু গোটেইখিনিৰ মুঠ দৈৰ্ঘ্য ২০.৫০ কিলোমিটাৰ হ'ব, লগতে মুঠ ৯০টা গাইড্ বান্ধ প্ৰয়োজন হ'ব যাৰ মুঠ দৈৰ্ঘ্য ২০৮.৫০ কিলোমিটাৰ হ'ব। দ্ৰুত-ঘাইপথ দুটাৰ বিভিন্ন ঠাইত মুঠ ১২৮০ টা কালভাৰ্ট আৰু সংযোগী পথবোৰতো মুঠ ২০ টা কালভাৰ্ট প্ৰয়োজন

হ'ব।

**প্ৰকল্পটোত কিছু প্ৰত্যাহ্বান ঃ-**

- প্ৰকল্পটো বিশ্বৰ এটা প্ৰতিদ্বন্দ্বী আন্তঃগাঁথনি হ'ব।
- প্ৰকল্পটোৰ কৃতকাৰ্য্যতাৰ বাবে তাৰ পৰিকল্পনা, ভূমিকম্প-প্ৰতিৰোধী ৰূপাঙ্কন, নিৰ্মাণ প্ৰণালী, বিস্তৃত প্ৰকল্প যুগুতি আদিৰ আৰ্হি অধ্যয়ন, নিৰ্মাণ-পৰৱৰ্তী ক্ৰিয়া-প্ৰতিক্ৰিয়াৰো আৰ্হি অধ্যয়ন ইত্যাদিৰ ক্ষেত্ৰত বিশ্বৰ প্ৰতিদ্বন্দ্বী বিশেষজ্ঞ সকলৰ উপদেশ (expertize) আহৰণ কৰাটো প্ৰয়োজন।
- প্ৰকল্পটোৰ এই ধাৰণাৰ শুদ্ধাশুদ্ধি বিচাৰ্য্য আৰু উত্তৰণৰ বাবে বিশ্বৰ প্ৰতিদ্বন্দ্বী সংস্থানসমূহক আহ্বান কৰিব লাগিব।
- প্ৰকল্পৰ ৰূপায়ন সম্পন্ন কৰাৰ বাবে খুউব বেছি ৭ বছৰ সময় সীমাবদ্ধ হ'ব লাগিব, যাতে প্ৰকল্প ব্যয় নিয়ন্ত্ৰিত হয়।
- প্ৰশাসনিক আৰু আৰ্থিক সমৰ্থন সময় সাপেক্ষিক হ'বই লাগিব।

**প্ৰকল্পটোৰ লাভালাভ সংক্ষেপ ঃ-**


- ❖ ব্ৰহ্মপুত্ৰৰ বান-খহনীয়াৰ সুদীৰ্ঘ সমস্যা সমূলঞ্চে নিৰ্মূল হ'ব, বান-খহনীয়াৰ বৰ্তমানলৈ ৰূপায়িত আঁচনিসমূহৰ কোনো মেৰামতিৰ প্ৰশ্ন নাথাকিব;
- ❖ চিৰদিনৰ কাৰণে বানপানীৰ বাৰ্ষিক ক্ষয়ক্ষতি বন্ধ হ'ব;
- ❖ ব্ৰহ্মপুত্ৰৰ বুকুত আৰু দুপাৰেদি ক্ৰমে আধুনিক জল আৰু স্থল পৰিবহণৰ যোগাযোগত ৰাজ্য তথা উত্তৰ-পূৰ্বাঞ্চলৰ ব্যৱসায়-বাণিজ্যৰ উন্নয়ন ঊৰ্ধগামী হৈ উচ্চ শিখৰত উপনীত হ'ব;
- ❖ ৰাজ্যখনৰ বৰ্ধিত যানবাহনৰ পৰিসংখ্যা অনুসৰি বছৰি প্ৰায় ১১.৯২ শতাংশকৈ বৃদ্ধি হোৱা যানবাহনৰ সংখ্যা ২০২৬ চনত ৮০,০৫,৩৯৫ হ'বগৈ, তেতিয়া বৰ্তমানৰ ৰাষ্ট্ৰীয় ও ৰাজ্যিক ঘাইপথ সমূহত এই বৃহৎ সংখ্যক যানবাহন চলাচলৰ ক্ষমতা নাথাকিব, তেনে স্থলত প্ৰকল্পটোৰ অন্তৰ্ভুক্ত জল-স্থলৰ আধুনিক যাতায়াতৰ পৰিবহণ ক্ষমতাই সহজে সেই সমস্যা সমাধান কৰিব।

**মোখনি ঃ-**

- ➢ অভিলাষী প্ৰকল্পটোৰ ৰূপায়ন কাৰিকৰী ভাৱে সম্ভৱ;
- ➢ প্ৰকল্পটোৱে ব্ৰহ্মপুত্ৰক নতুন আৰু গতিশীল বৈচিত্ৰ্যলৈ ৰূপান্তৰ কৰিব;
- ➢ প্ৰকল্পটোত অন্তনিৰ্হিত তিনিটা বিশেষ লক্ষ্য হ'ল ঃ ই নদীখনৰ বান-খহনীয়া চিৰদিনৰ কাৰণে নিৰ্মূল কৰিব, ই নদীখনৰ বুকুৰেদি আধুনিক জল-পৰিবহণেৰে ৰাষ্ট্ৰীয় ও আন্তঃৰাষ্ট্ৰীয় ভাৱেও বাংলাদেশলৈকে যোগাযোগ কৰিব, যাক অত্যাধুনিক স্থল-পৰিবহণে ৰাজ্যখনৰ সকলো ঠাইতে সংযোগ কৰিব, তদুপৰি দক্ষিণ-পূব এচিয়াৰ দ্বাৰ-পথ (gateway) 'ষ্টীল ৰেল' স্থলপথকো সংযোগ কৰিব লাগিব;
- ➢ ই উত্তৰ-পূৰ্বাঞ্চললৈ অভাৱনীয়ভাৱে কৰ্মসংস্থাপনৰ সুযোগ কঢ়িয়াই আনিব;
- ➢ ই ৰাজ্যখন তথা উত্তৰ-পূৰ্বাঞ্চলৰ এক গৌৰৱ হৈ ৰ'ব।

[টোকা ঃ- ২০১৬ চনৰ অক্টোবৰ মাহত সেই সময়ৰ কেন্দ্ৰীয় জলসম্পদ মন্ত্ৰীৰ পৰামৰ্শত ব্ৰহ্মপুত্ৰৰ দুপাৰে দুটা এক্সপ্ৰেছৱে বনোৱা আৰু নদীখনত আধুনিক জলপৰিবহণ তথা বান-গৰাখহনীয়াৰ স্থায়ী নিয়ন্ত্ৰণ সম্বলিত এটা অভিলাষী প্ৰকল্প যুগুত কৰাৰ বিষয় আলোচনা হৈছিল, সেইমৰ্মে ২০১৭ চনৰ জানুৱাৰিত ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ জৰীপ কাৰ্য্য উদ্বোধন হৈছিল, সম্পন্ন হোৱা জৰীপৰ সম্পূৰ্ণ তথ্যপাতি সহ প্ৰস্তুত হোৱা প্ৰকল্পটোৰ ধাৰণা পত্ৰত (Concept Paper) এই প্ৰবন্ধৰ কথাখিনি সন্নিৱিষ্ট হৈছিল।]

●



# আলপনা ঃ
# এক অনুপম প্ৰাচীন লোকশিল্প

**মীনাক্ষি ৰায় ডাকুৱা**

ভাৰতৰ লোকশিল্পৰ অসাধাৰণ আৰু আশ্চৰ্য্য নিদৰ্শন বিভিন্ন ৰাজ্যত, চহৰত আনকি অত্যন্ত ভিতৰুৱা গাঁৱতো দেখিবলৈ পোৱা যায়। মানুহৰ সাংস্কৃতিক জীৱনৰ প্ৰতিফলন এইবিলাক লোকশিল্পৰ মাজেৰে বিচাৰি পোৱা যায়। সংস্কৃতিৰ দৰে শিল্পও ভাৰতবৰ্ষত যোৱা তিনিহেজাৰ বছৰ ধৰি সংৰক্ষিত হৈ আছে। এই দীৰ্ঘ সময়ত নানা পৰিৱৰ্তন, ক্ষয় ঘটিছে– হৈ গৈছে বিদেশী আক্ৰমণ আৰু প্ৰকৃতিৰ ভয়াবহ উন্মত্ততা। কিন্তু সৌভাগ্যৰ বিষয় এই যে নানা প্ৰতিকূলতা সত্ত্বেও ভাৰতবৰ্ষৰ শিল্প আৰু শিল্পৰ নানা আঙ্গিক অটুট আৰু অক্ষত হৈ আছে।

ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ আৰু অভিনৱ লোকশিল্পবোৰৰ এক অন্যতম লোকশিল্প হ'ল– ৰঙ্গোলী বা আলপনা। অসম বা পশ্চিমবঙ্গত "আলপনা" বুলি ক'লেও ভাৰতৰ বেছিভাগ ৰাজ্যতে এই শিল্পটো "ৰঙ্গোলী" নামেৰেই পৰিচিত। 'ৰং' আৰু 'আভেলী' এই দুটি শব্দেৰে "ৰঙ্গোলী" শব্দটো গঠিত হৈছে। 'আভেলী' শব্দৰ অৰ্থ বাহাৰ। গতিকে "ৰঙ্গোলী" হৈছে ৰঙৰ বাহাৰ। প্ৰায় পাঁচ হাজাৰ বছৰৰ পুৰণি এই শিল্পৰ জন্ম মহাৰাষ্ট্ৰত হোৱা বুলি জনা যায় যদিও "ৰঙ্গোলী" বা "আলপনা" শিল্পই ভাৰতৰ সকলো ৰাজ্যতে সমানভাৱে বিস্তৃতি লাভ কৰিছে। অৱশ্যে বিভিন্ন অঞ্চলৰ সামাজিক বৈশিষ্ট্য অনুযায়ী আলপনা বিভিন্ন আঙ্গিকত প্ৰকাশ পাইছে।

প্ৰাচীন বহু লোকশিল্পই পৰৱৰ্তীকালত চৰকাৰী বা বেচৰকাৰী পৃষ্ঠপোষকতা লাভ কৰিলেও অতি প্ৰাচীন সম্ভৱতঃ আটাইতকৈ জনপ্ৰিয় এই আলপনা লোকশিল্পটোৱে কোনোদিনেই কোনো পৃষ্ঠপোষকতা পোৱা নাই। তথাপিও আলপনা আজিও সমান জনপ্ৰিয় এই কাৰণেই যে, এই শিল্প কোনো জাতি-ধৰ্মৰ আবেষ্টনীত কেতিয়াও সীমাবদ্ধ হৈ থকা নাই। এই শিল্প সকলো জাতি আৰু ধৰ্মৰ মানুহৰ অন্দৰ মহলত স্বমহিমাৰে অৱস্থান কৰি আহিছে। সাধাৰণ মানুহে এই শিল্পক সানন্দেৰে গ্ৰহণ আৰু উপভোগ কৰি আহিছে।

আলপনাৰ ইমান জনপ্ৰিয়তাৰ অন্যতম কাৰণ সম্ভৱতঃ এই যে, অতি সুন্দৰ আৰু বৰ্ণময় এই শিল্প সৃষ্টিত প্ৰয়োজন কেৱল চাউলৰ গুৰি আৰু প্ৰাকৃতিক ৰং। অনন্যসাধাৰণ শিল্পকৰ্ম ফুটাই তোলাৰ উপকৰণ সহজলভ্য হোৱা বাবে চহৰ, নগৰ, গাঁৱৰ সাধাৰণ পৰিয়ালতো আলপনা শিল্পটো জনপ্ৰিয় হৈ উঠিছে। ঘৰলৈ অহা অতিথি-অভ্যাগতক স্বাগত জনাবলৈ মূল দুৱাৰমুখত নানা ধৰণৰ অপূৰ্ব আলপনা অঁকাটো সাধাৰণভাৱে ভাৰতীয় মহিলাসকলৰ পৰম্পৰা আৰু ঐতিহ্য। কেৱল সেয়ে নহয়-- যিকোনো শুভ অনুষ্ঠান, পূজা-পাৰ্বণতো আলপনাৰ সাড়ম্বৰ উপস্থিতি ভাৰতীয়সকলৰ সনাতন বৈশিষ্ট্য। অৱশ্যে এটা বিষয়ত ভাৰতৰ সকলো অঞ্চলৰ মাজত এক আশ্চৰ্য্যকৰ মিল দেখা যায়। যদি কাৰোবাৰ ঘৰত কোনো শোকৰ ঘটনা ঘটে, তেন্তে সেই ঘৰত কোনো উৎসৱ-অনুষ্ঠান হ'লেও এবছৰৰ ভিতৰত আলপনা অঁকা নহয়।

মহাৰাষ্ট্ৰত এই লোকশিল্পটোৰ নাম ৰঙ্গোলী। অতিথিক স্বাগত জনোৱাৰ উপৰিও নিজৰ গৃহশান্তি আৰু সমৃদ্ধিৰ বাবেও এই ৰাজ্যত ৰঙ্গোলী প্ৰায় প্ৰতিটো পৰিয়ালতে এক গুৰুত্বপূৰ্ণ আচাৰবিধি। অনুষ্ঠানবোৰত চহৰ আৰু গ্ৰামাঞ্চলতো ঘৰৰ তিৰোতাসকলেই ডাঙৰ ডাঙৰ আৰু সুদৃশ্য ৰঙ্গোলী আঁকে। ৰঙ্গোলীৰ বিষয়বস্তু সাধাৰণভাৱে ফুল, লতা, পাত, ময়ূৰ, হাঁহ, আম আৰু পদুমফুল। তেওঁলোকে প্ৰাকৃতিক ৰঙেই ব্যৱহাৰ কৰে। অৱশ্যে চহৰাঞ্চলত চিন্থেটিক ৰঙৰো ব্যৱহাৰ হয়। প্ৰাচীন কালত মহাৰাষ্ট্ৰ তথা ভাৰতৰ বিভিন্ন অঞ্চলত পাত আৰু ফুল-ফলৰ ৰসেৰে আলপনা অঁকা হ'লেও মহাৰাষ্ট্ৰত বৰ্তমানে অকল ৰঙ্গোলীৰ বাবেই উজ্জ্বল চিন্থেটিক ৰং পোৱা যায়। অন্য কিছুমান ৰাজ্যত ৰঙ্গোলী হ'ল মাত্ৰ ৰঙৰ স্কেচ। ফুল আৰু নানা ধৰণৰ নক্সা অঁকা হয়, কিন্তু ভিতৰৰ অংশটো ৰঙেৰে ভৰাই দিয়া নহয়। মহাৰাষ্ট্ৰত সম্পূৰ্ণ চিত্ৰ বা নক্সাটো ৰঙেৰে ভৰাই দিয়া হয়। এই ৰাজ্যত কেতিয়াবা আলপনাত স্বাভাৱিক ৰং, যেনে- হালধি বা ইটাৰ গুৰি ব্যৱহাৰ কৰা হয়। কেতিয়াবা আকৌ নক্সাটো আকৰ্ষণীয় কৰাৰ বাবে নানা ৰঙৰ শস্য, দানা, বীজ, মগুদাইল আৰু মচুৰদাইল ব্যৱহাৰ কৰা হয়। এইবিলাক উপকৰণ ব্যৱহাৰ কৰাৰ ফলত সম্পূৰ্ণ চিত্ৰটিত থ্ৰি-ডাইমেনচনৰ প্ৰভাৱ পৰে। মুম্বাই মহানগৰৰ বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ দেৱালয় প্ৰতিভাৱান আৰু প্ৰতিষ্ঠিত শিল্পীয়ে ৰঙীন চক ব্যৱহাৰ কৰি বিশাল বিশাল ছবি ফুটাই তোলে। এই বৰ্ণময় আৰু অভিনৱ ছবিবিলাকো ৰঙ্গোলী বা আলপনাৰে অন্য এক ৰূপ। ইয়াৰ বিষয়বস্তু কেতিয়াবা দেৱ-দেৱীৰ চিত্ৰ, কেতিয়াবা কোনো পৌৰাণিক ঘটনাৰ বৰ্ণনা, আকৌ কেতিয়াবা সাম্প্ৰতিক কোনো ঘটনা বা চৰিত্ৰ। তদুপৰি চিত্ৰতাৰকা আৰু ক্ৰিকেটৰ নায়কৰ ছবিও দেখিবলৈ পোৱা যায়। মুম্বাইৰ এই দেৱাল-চিত্ৰবোৰ বৰ জনপ্ৰিয়। বাটৰুৱাই কিছু সময় ৰৈ এই ছবিবিলাক চায় আৰু কোনো কোনোৱে সমুখত থকা বাকচত পইচা দিয়ে। এইদৰে অকল ৰঙ্গোলী নহয়, চিত্ৰকৰসকলে জীৱনধাৰণৰো এটা উপায় বিচাৰি পায়।

ৰাজস্থানৰ আলপনা "মাদোনি" নামেৰে পৰিচিত। চক পাউডাৰ বা চূণৰ তৈয়াৰী পেষ্টেৰে হাতেৰে নানা ডিজাইনৰ ৰংবাহাৰী চিত্ৰ অঁকা হয়। অকল ঘৰৰ মূল দুৱাৰমুখতে নহয়, ঘৰৰ ভিতৰৰ মজিয়াত, চোতালত আৰু দেৱালত অঁকা হয় সূৰ্য্য, তৰা, নক্ষত্ৰ, ত্ৰিভুজ, হাতী আৰু পদুমফুল। ৰাজস্থানী আলপনাৰ বৈশিষ্ট্য এই যে, এইবোৰত

ইমান বাহাৰী ৰং ব্যৱহাৰ কৰা হয় যি অন্য কোনো ৰাজ্যত নহয়। ৰাজস্থানৰ ডিজাইনবোৰত ঘন ক'লা ৰং আৰু অতি উজ্জ্বল শ্বেডৰ বাদামী, মেৰুন, চকলেট আৰু ঘননীল ৰং ব্যৱহাৰ কৰা হয়।

বিহাৰত আলপনা শিল্পক "আৰিপন" বোলে। ইয়াত মূলতঃ বগা চক পাউডাৰ ব্যৱহৃত হয়। বিহাৰৰ মহিলাসকলে ঘৰৰ মূল প্ৰৱেশদ্বাৰ, ঘৰৰ ভিতৰ চোতাল আৰু গোসাঁইঘৰত নানা ধৰণৰ আলপনা আঁকে। সাধাৰণতে নক্ষত্ৰ, কলহ, স্বস্তিক ইত্যাদি শুভ্ৰ চিহ্নবিলাক তেওঁলোকৰ নক্সাৰ মূল বিষয়বস্তু। উত্তৰ বিহাৰত সম্পদ আৰু ঐশ্বৰ্য্যৰ দেৱী লক্ষ্মীৰ পদচিহ্ন মূল দুৱাৰমুখত এনেদৰে আঁকে যেন ভৰিৰ সমুখৰ অংশ ঘৰৰফালে মুখ কৰা থাকে। দেখিলে মনত ভাব হয় যেন লক্ষ্মীদেৱী ঘৰত প্ৰৱেশ কৰি আছে। তেওঁলোকৰ বিশ্বাস এনেধৰণৰ আলপনাই তেওঁলোকৰ আৰ্থিক উন্নতিত সাহায্য কৰে। বিহাৰৰ কিছু কিছু অঞ্চলত মধুবনী ডিজাইনেৰে অঁকা জীৱ-জন্তু আৰু মানুহৰ স্কেচ বৰ ৰংচঙীয়া আৰু কাৰুকাৰ্য্যমণ্ডিত। আলপনা বেছিভাগ অঞ্চলত চাউলৰ গুৰি বা চকেৰে একে টানতে অঁকা হয়। নক্সাৰ লাইনবিলাকৰ মাজত কোনো ফাঁক নাথাকে। মানুহৰ বিশ্বাস যে মূল দুৱাৰমুখত যদি আলপনা একে টানতে অঁকা হয় আৰু নক্সাৰ লাইনবিলাকৰ মাজত কোনো ফাঁক নাথাকে, তেনেহ'লে কোনো দুষ্ট গ্ৰহ বা অশুভ শক্তি ঘৰৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰে।

উত্তৰ প্ৰদেশত ঘৰৰ মজিয়াত শিল্প কাৰুকাৰ্য্য ভৰা যি চিত্ৰাঙ্কন থাকে তাক 'চকপুৰাণা' বুলি কয়। এই চকপুৰাণা আলপনা বা ৰঙ্গোলীৰেই এক অন্য আঙ্গিক। এই শিল্পত ছবি অঁকাৰ সাহায্যত দেৱ-দেৱী আৰু মহীয়সী নাৰীৰ ছবি নানা ৰঙেৰে ফুটাই তোলা হয়।

কেৰালাত আলপনা শিল্পটো ব্যতিক্ৰমী বৈশিষ্ট্য লৈ উপস্থিত হোৱা দেখা যায়। তাত অকল চক, চাউলৰ গুৰি বা ৰং নহয়— আচল ফুল, পাত আৰু ফুলৰ পাহিৰে আলপনাবোৰ বহু ৰঙেৰে ৰঞ্জিত কৰা হয়। এইধৰণৰ আকৰ্ষক আৰু অভিনৱ আলপনা কেৰালাৰ উৎসৱ আৰু পূজা-পাৰ্বণ বিলাকত বিশেষভাৱে দেখা যায়। কেৰালাৰ অন্যতম জনপ্ৰিয় "ওনাম" উৎসৱত নানাধৰণৰ আলপনা দেখা যায়। এই "ওনাম" উৎসৱৰ লগত এটি লোককথা প্ৰচলিত হৈ আছে। কেৰালাবাসীৰ বিশ্বাস, এই উৎসৱৰ সময়ত তেওঁলোকৰ প্ৰাচীন ৰজা "মহাবলী" তেওঁৰ পুৰণি ৰাজপ্ৰাসাদলৈ ঘূৰি আহে। সেয়ে কেৰালাবাসীয়ে সেই সময়ত নানাধৰণৰ নক্সা আৰু চিত্ৰৰ মাধ্যমত ৰজাক স্বাগত জনায় আৰু এই বাতৰি দি তেওঁক আশ্বস্ত কৰে যে, তেওঁৰ ৰাজত্ব এতিয়াও সৌভাগ্যশালী হৈ আছে। নানা ডিজাইনৰ আলপনা আঁকি তেওঁলোকে নিজৰ বক্তব্য ফুটাই তোলে। উৎসৱৰ আৰম্ভণিত আলপনাবিলাক সৰু আকাৰৰ হয়। যিমানেই দিন গৈ থাকে, সিমানেই আলপনাৰ আকৃতি বাঢ়ি গৈ থাকে আৰু তাৰ লগতে বাঢ়ি গৈ থাকে আলপনাৰ বৈশিষ্ট্য। কোনো কোনো ক্ষেত্ৰত ফুলেৰে অথবা অকল ফুলৰ পাহিৰেই আলপনা অঁকা হয়। গোলাপ, মেৰিগোল্ড, জেচমিন বা চেৰী ফুলেৰে নক্সা সজোৱা হয়। কেৰালাত নাৰিকল সহজপ্ৰাপ্য আৰু সস্তীয়া বাবে গ্ৰাম্যাঞ্চলৰ উৎসৱ-অনুষ্ঠানত নাৰিকলেৰেও আলপনা সজোৱা হয়।

তামিলনাডুৰ বিখ্যাত আৰু গৰ্বৰ আলপনা শিল্পৰ নাম "কোলাম"। জনপ্ৰিয় এই কোলাম বংশানুক্ৰমে পৰিয়ালৰ মাজতেই প্ৰচলিত। কোলামৰ বৈশিষ্ট্য হ'ল, ইয়াত অকল বগা ৰং ব্যৱহাৰ কৰা হয়। শুকান পিঠাগুৰি পানীত মিহলাই লেই তৈয়াৰ কৰি আলপনা অঁকা হয়। চাউল সৌভাগ্যৰ প্ৰতীক বুলি ভবা হয় বাবেই তামিলনাডুৰ আলপনাত এই উপকৰণটোৰ এনে একচেটীয়া অধিকাৰ। তদুপৰি বগা ৰং শান্তি, সমৃদ্ধি আৰু সততাৰ প্ৰতীক-- এই বিশ্বাসকো প্ৰতিষ্ঠিত কৰে। উৎসৱৰ দিনা তামিল মহিলাসকল ৰাতিপুৱাই এই শিল্প সৃষ্টিত মগ্ন হয়। প্ৰথমে তেওঁলোকে ঘৰৰ চোতাল আৰু মূল দুৱাৰমুখৰ ঠাইবিলাক গোবৰ-পানীৰে সাৰি মচি পৰিষ্কাৰ কৰি লয়। ইয়াৰ দ্বাৰা সংক্ৰমণ ৰোধ কৰা যায়। তাৰ পিছত পিঠাগুৰি আৰু পানীৰে তৈয়াৰ কৰা লেইৰ

সাহায্যত আলপনা আঁকে। প্ৰথমে সৰু সৰু বিন্দুৰে নক্সা আঁকি পিছত বিন্দুবিলাক ৰেখাৰে যুক্ত কৰি আলপনা তৈয়াৰ কৰে। কোলাম শিল্পৰ কেতবোৰ আলপনা কিছু জটিল ধৰণৰো হয়। সৌন্দৰ্য্য বৃদ্ধিৰ বাবে তামিল মহিলাসকলে আলপনাৰ বাহিৰৰ ৰেখাটো ইটা গুৰিৰে তৈয়াৰ কৰা লেইৰে অঙ্কন কৰে। আটাইতকৈ আকৰ্ষণীয়, বিশাল আকাৰৰ আৰু বৈচিত্ৰ্যপূৰ্ণ আলপনাবিলাক তামিল মাহৰ "মাৰঘাজি" দিনবোৰত দেখিবলৈ পোৱা যায়। প্ৰতিবছৰে ১৬ ডিচেম্বৰৰপৰা ১৩ জানুৱাৰিলৈকে এই মাৰঘাজি দিনবোৰৰ পিছতেই আৰম্ভ হয় তামিলসকলৰ প্ৰিয় "পঙ্গল" উৎসৱ। সেইকাৰণে তামিলসকলে প্ৰায় ডেৰমাহ জুৰি আলপনা সৃষ্টিৰ আনন্দত মতলীয়া হৈ থাকে।

অসম আৰু পশ্চিমবঙ্গত এই লোকশিল্পটোৰ নাম আলপনা। অৱশ্যে পশ্চিম অসম আৰু উত্তৰবঙ্গৰ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে ইয়াক "আইল্পন" বুলি কয়। তামিলনাডুৰ "কোলাম" শিল্পৰ লগত অসম আৰু পশ্চিমবঙ্গৰ আলপনা শিল্পটোৰ এক আচৰিত মিল দেখা যায়। অসম আৰু পশ্চিমবঙ্গৰ গাঁও আৰু চহৰৰ মহিলাসকলেও পিঠাগুৰি আৰু পানী মিহলাই লেই তৈয়াৰ কৰি আলপনা আঁকে। শুভ অনুষ্ঠান আৰু পূজা-পাৰ্বণত ঘৰৰ মূল দুৱাৰমুখত, চোতালত, মজিয়াত আৰু পূজা-মণ্ডপত ফুটাই তোলে নানা ধৰণৰ কল্কা, নক্সা আৰু ছবি। গ্ৰাম্যাঞ্চলত অৱশ্যে আলপনাবোৰৰ মাজত লক্ষ্মীদেৱীৰ পদচিহ্ন বৰ বেছিকৈ দেখা যায়।

ভাৰতৰ অতি প্ৰাচীন আৰু জনপ্ৰিয় এই লোকশিল্প আলপনাৰ যুগৰ লগত খোজ মিলাই দ্ৰুত পৰিৱৰ্তন ঘটিছে। আজিকালি অতি ব্যস্ততাৰ বাবে ঘৰৰ মহিলাসকলৰ হাতত পৰ্য্যাপ্ত সময় নাই। সময়ৰ অভাৱ যিমানেই বাঢ়িছে, সিমানেই আলপনাৰ উপকৰণতো পৰিছে বিশ্বায়নৰ ছাপ। আজিকালি চহৰবিলাকত বিশেষ ধৰণৰ ওৱাটাৰ-প্ৰুফ আলপনা ষ্টিকাৰ, নানাধৰণৰ নক্সা কৰা ছাঁচ আৰু আলপনাৰ ওপৰত বহু বৰ্ণ শোভিত আকৰ্ষণীয় কিতাপ-পত্ৰ পোৱা যায়। এতিয়া "**एक से बढ़कर एक**" ছাঁচবিলাক বহুৱাই দি পিঠাগুৰিৰ লেই আৰু আধুনিক ৰঙেৰে ভৰাই দিলেই চকুৰ আগত ফুটি উঠে অসাধাৰণ সৌন্দৰ্য্যময় নানা ধৰণৰ আলপনা। আলপনাৰ এই আধুনিক ৰূপক লৈ চহৰবিলাকত প্ৰতিযোগিতাও অনুষ্ঠিত হয়। আলপনা প্ৰতিযোগিতা এতিয়া সভ্য সমাজৰ এক আনন্দ উৎসৱ। বিশেষ লক্ষণীয় বিষয় এই যে, পাঁচহেজাৰ বছৰৰ পুৰণি এই লোকশিল্প আলপনা এতিয়াও ভাৰতৰ সামাজিক জীৱনত একেই ধৰণে প্ৰাসঙ্গিক। দ্ৰুত পৰিৱৰ্তনশীল আৰু গতিময় জীৱনচৰ্য্যাৰ দিনতো প্ৰাচীন এই আলপনা লোকশিল্পৰ জনপ্ৰিয়তা এতিয়াও অম্লান।

●



জিকিৰ গীতসমূহ মূলতঃ ভক্তিৰসেৰে ভৰপূৰ। কিয়নো জিকিৰ প্ৰধানতঃ ধৰ্মমূলক বা আধ্যাত্মিকতাৰে পৰিপুষ্ট। তদুপৰি কিছুমান জিকিৰ গীত পৰ্য্যালোচনা কৰিলে দেখা যায় যে ভক্তিৰসৰ বাহিৰেও জিকিৰ গীতত শৃঙ্গাৰ ৰস, হাস্য ৰস, কৰুণ ৰস, ৰৌদ্ৰ ৰস, বীৰ ৰস, ভয়ানক ৰস, বীভৎস, শান্ত ৰস, অদ্ভুত ৰস আদি পোৱা যায়।

# অসমীয়া জিকিৰ গীত

**ফাইজুৰ ৰহমান**

অসমীয়া ভাষালৈ জিকিৰ শব্দটো আহিছে আৰবী ভাষাৰ 'জিকৰ' শব্দটিৰ পৰা, যাৰ অৰ্থ হ'ল আল্লাহৰ গুণ-গান গোৱা, পাঠ কৰা আদি। আল্লাহৰ নিৰানব্বৈটা নাম পুনঃ পুনঃ আবৃত্তি কৰাকে জিকিৰ কৰা বুজায়। গতিকে ধৰ্মীয় বিশ্বাস অনুসৰি আৰবী ভাষাত জিকিৰ এক প্ৰকাৰ আৰাধনা। এইবোৰত এটা বা দুটা শব্দ বা কেতিয়াবা একোযাৰি অসম্পূৰ্ণ বাক্য থাকে।

কিন্তু অসমীয়া ভাষাত প্ৰচলিত জিকিৰ শব্দই মূলতঃ জিকিৰ গীতকে বুজায়, যিবোৰ সঁচাকৈয়ে শুৱলা গীত, ভক্তিমূলক গীত। ইয়াত বহুত বাক্য থাকে, একো একোটি সুন্দৰ কবিতাৰ দৰে।

এই জিকিৰ গীতবোৰ ১৬৩৪-৩৫ খ্ৰীষ্টাব্দত সুদূৰ বাগদাদৰপৰা বাটকুৰি বাই অহা আজানপীৰ চাহেবে অসমীয়া ভাষাত ৰচনা কৰে। তেওঁ প্ৰায় আঠকুৰি জিকিৰ ৰচনা কৰিছিল।

অৱশ্যে আজানপীৰ চাহেবৰ মূল জিকিৰ গীতৰ বাহিৰেও বৰ জিকিৰ, জাৰীগীত, জিকিৰ সুৰীয়া গীত, মোখানি জিকিৰ আৰু জাৰি সুৰীয়া গীতো পোৱা যায়। ইয়াত অসমীয়া জিকিৰ গীতসমূহৰ ওপৰত চমুকৈ কিছু কথা লিখা হ'ল।

জিকিৰ গীতসমূহৰ ভাষা, সুৰ, তাল, মান, লয় আদি অসমৰ থলুৱা গীত যেনে দেহবিচাৰৰ গীত, লোকগীত, বিয়াগীত, আইনাম, ঐনিতম, হুঁচৰি, ভাটিয়ালী, ওজাপালি আদিৰ লগত সামঞ্জস্য থকা দেখা যায়। অসমীয়া, আৰবী, পাৰ্চী আদি শব্দৰ সংযোজনেৰে ভাষাৰ লালিত্য, ব্যঞ্জনা, জতুৱা ঠাঁচ, অলঙ্কাৰ, ছন্দ আদিৰ সান্নিধ্যত জিকিৰৰ অসমৰ বৰগীত, লোকগীত আদিৰ লগত মিল আছে। ইছলাম ধৰ্মৰ মূল মন্ত্ৰ, নামাজ ৰোজা বাদ

দি আওবাটে যোৱা মুছলমানসকলক পোন বাটলৈ আনিবৰ বাবে আজানপীৰ চাহেবে এই জিকিৰ গীতবোৰ ৰচনা কৰিছিল। সম্পূৰ্ণ থলুৱা সুৰ আৰু নিভাঁজ মাটিৰ গোন্ধ থকা হেতুকে জিকিৰবোৰ ইমান জনপ্ৰিয়। অসমীয়া ভাষা সাহিত্যক চহকী কৰা অন্যতম সম্পদ হ'ল এই জিকিৰ আৰু জাৰি শীৰ্ষক ভক্তিমূলক কবিতা তথা গীতসমূহ। এই গীতবোৰত প্ৰকাশিত হৈছে ইছলাম ধৰ্মৰ গূঢ়তত্ব দৰ্শন, ৰীতি নীতি আদি। তদুপৰি এই গীতসমূহে সমন্বয়, মানৱতা, দেৱদত্ত আদি দিশো সামৰি লোৱা দেখা যায় আৰু মাজে মাজে হিন্দুধৰ্মৰ প্ৰসঙ্গ, দেৱতা আদিৰ প্ৰসঙ্গও আছে। শঙ্কৰদেৱ, মাধৱদেৱক বৰগীতৰ ৰচক হিচাপে স্বীকৃতি দিয়াৰ দৰে আজানপীৰকো জিকিৰ গীতৰ ৰচক হিচাপে স্বীকৃতি দিয়া হৈছে।

**জিকিৰ গীতবোৰত তলত উল্লেখ কৰা ধৰণে মানৱীয় গুণ আদি থকা দেখা যায় ——**

ক) পিতৃ-মাতৃ আৰু শিক্ষাগুৰু বা দীক্ষাগুৰুৰ প্ৰতি ভাল আচৰণ হ'ব লাগে।

খ) সাধু-সন্তৰ সান্নিধ্যত শুদ্ধ আচাৰ-নীতি পাব পাৰি আৰু সকলো মানুহকে ভাল পাব পাৰি।

গ) মানুহ গোন্ধহীন মদাৰ ফুলৰ দৰে ৰংচঙীয়া নহৈ মানৱ জাতিৰ উপকাৰত অহা গছ লতিকা হোৱা উচিত।

ঘ) মানুহৰ অন্তৰ জয় কৰিবলৈ ধনী, দুখীয়া-দৰিদ্ৰ, পাপী-তাপী বুলি কথা নাই।

ঙ) মানুহে কৰা সকলো কৰ্ম জাতিৰ হিতৰ বাবে হ'ব লাগে।

চ) মানৱতা সততাৰ মাজত জীয়াই থাকে। সৎলোকৰ সৈতে মিলাপ্ৰীতি কৰিলে বিপদ নাহে।

ছ) হিন্দু মুছলমান, জাতি অজাতি আদি মানুহৰ সুকীয়া পৰিচয় থাকিলেও সকলো মানুহৰ দেহ এদিন মাটিত বিলীন হৈ যাব।

জ) আনক সন্মান বা মৰম-চেনেহ কৰাৰ লগতে নিজকো ভাল পাব জানিলেহে মানৱতাৰ সাৰ্থকতা আহে।

ঝ) গুণী-জ্ঞানী ব্যক্তিয়ে সমাজৰ তথা ঘৰখনৰ সকলো প্ৰকাৰ উন্নতি কৰি ইহ সংসাৰ ত্যাগ কৰাৰ দৰে দৰ্শন আছে।

ঞ) মানৱতাৰ সৰু-বৰ, ধনী-দুখীয়া আদিৰ পাৰ্থক্য থাকিব নোৱাৰে।

ট) আমাৰ পিতৃ-মাতৃ আৰু শিক্ষাগুৰুৰ লগতে ৰজা তথা বিষয়াক আমি যথাযোগ্য সন্মান দিয়া উচিত।

ঠ) জিকিৰত হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ কথা কৈ বহল ভিত্তিত বিশ্বৰ সকলো সম্প্ৰদায় বা জাতিৰ সম্প্ৰীতিৰ কথাকে বুজোৱা হয়।

**জিকিৰ গীতসমূহত নৱৰস বিৰাজমান ——**

জিকিৰ গীতসমূহ মূলতঃ ভক্তিৰসেৰে ভৰপূৰ। কিয়নো জিকিৰ প্ৰধানতঃ ধৰ্মমূলক বা আধ্যাত্মিকতাৰে পৰিপুষ্ট। তদুপৰি কিছুমান জিকিৰ গীত পৰ্য্যালোচনা কৰিলে দেখা যায় যে ভক্তিৰসৰ বাহিৰেও জিকিৰ গীতত শৃঙ্গাৰ ৰস, হাস্য ৰস, কৰুণ ৰস, ৰৌদ্ৰ ৰস, বীৰ ৰস, ভয়ানক ৰস, বীভৎস, শান্ত ৰস, অদ্ভুত ৰস আদি আছে। জিকিৰ গীতসমূহ এনেধৰণৰ নৱৰসৰ পৰশত অধিক মনোগ্ৰাহী হৈ উঠা দেখা যায়।

অসমৰ লোক সঙ্গীতৰ সুৰৰ সান্নিধ্যত এই জিকিৰ গীতসমূহে সঙ্গীতপ্ৰেমী ৰাইজৰ মন প্ৰাণ জয় কৰি অসমীয়া সঙ্গীত জগতখনত নতুন ধাৰা বহন কৰিবলৈ সক্ষম হৈছে।

●



# স্তব্ধ হৃদয়

**ডাঃ অমিয় কুমাৰ শৰ্মা**

ফেব্ৰুৱাৰি মাহত আগে পিছে সচৰাচৰ পৰিলক্ষিত নোহোৱা এইবাৰৰ সেমেকা আৰু ঠাণ্ডা বতৰ বহুজনৰ চিন্তাৰ কাৰণ হৈ শ্বাস-প্ৰশ্বাস জনিত ৰোগৰ প্ৰকোপ বৃদ্ধি কৰিছে, বহুলোকৰ বাবে এনেধৰণৰ আৱহাৱাই ইউৰোপ মহাদেশ সদৃশ বতৰকে সোঁৱৰাই দিছে। অৱশ্যে পৃথিৱী নামৰ গ্ৰহটোৰ জলবায়ু পৰিৱৰ্তনৰ ই যে এক অন্যতম জাননী সেয়া বুজিবলৈ বহুলোক এতিয়াও যেন সাজু নহয়। কাৰণ উন্নয়ন আৰু উদ্ভাৱনৰ নামত পৰিৱেশৰ ওপৰত মানুহৰ যিবোৰ ধ্বংসলীলা চলিছে, এইবোৰ কাণ্ড কাৰখানাৰ পৰিণাম কিমান যে ভয়াৱহ হ'ব, তাক উপলব্ধি কৰিবলৈ হয়তো আমি অপাৰগ। এনেহেন পৰিস্থিতিত ক'ভিড অতিমাৰীৰ প্ৰভাৱ যদিও একেবাৰে শেষ হোৱা নাই, লাহে লাহে সৰ্বসাধাৰণ ৰাইজৰ আচৰণে ইয়াৰ পৰিসমাপ্তিকে যেন ঘোষণা কৰিছে। দোকান পোহাৰ বোৰ খুলিবলৈ লোৱাৰ লগে লগে দৈনন্দিন বজাৰৰ লগতে চিকিৎসক সকলৰ ক্লিনিকতো ৰোগীৰ উপস্থিতি বৃদ্ধি পাবলৈ লৈছে। নতুনকৈ আৰম্ভ কৰা মোৰ ক্লিনিকতো ৰোগীৰ উপস্থিতি এজন দুজনকৈ বৃদ্ধি পাবলৈ লৈছে।

মানুহগৰাকী মোৰ ওচৰলৈ কিছুদিন আগতেও এবাৰ আহিছিল অন্য এক সমস্যা লৈ। এইবাৰ কিহৰ তাড়নাত মোৰ ওচৰলৈ আহিছিল জনাৰ আগতেই ঘটনাটো ঘটি গ'ল। ইতিমধ্যে ভিতৰত সোমাই থকা ৰোগীজনক পৰীক্ষা কৰিবলৈ মোৰ কিছুপৰ লাগিছিল। বাহিৰত দুই এজন ৰোগী গোট খোৱাৰ উমান পাইছিলো যদিও কোনো ধৰণৰ অন্য ইঙ্গিত পোৱা নাছিলো। এনেতে অপেক্ষাৰত কাৰোবাৰ মুখৰ গেঙনি যেন এটা শব্দই মোক এক প্ৰকাৰ সজাগ কৰি দিছিল। মুহূৰ্ততে হুৱাদুৱা লাগি গ'ল আৰু এজন মানুহ প্ৰায় দৌৰি অহাদি মোৰ কোঠাৰ ভিতৰলৈ সোমাই আহি জনালে “ডাক্তৰ চাহাব, মোৰ বেমাৰীজন বচাওক, তেখেত হঠাৎ অজ্ঞান হৈ গ'ল,....”। পিছৰ কথাষাৰ মোৰ কাণত সোমোৱা নাছিল আৰু মুহূৰ্ততে মই লিখি থকা পেন আৰু কাগজ দলিয়াই থৈ বাহিৰ ওলাওঁতে দেখিলোঁ যে মানুহ এগৰাকী শেঁতা পৰি বহি থকা ষ্টিলৰ চকীখনতে হাউলি গৈছে, বুকুত উশাহৰ কোনো চিনচাব নাই। তৎক্ষণাৎ তেওঁৰ হাতখন নিজৰ হাতত তুলি লৈ এইটো অনুভৱ কৰিবলৈ দেৰি নালাগিল যে মানুহজনীৰ হৃৎপিণ্ডটো ইতিমধ্যে স্তব্ধ হৈ তেখেত স্তব্ধ হৃদয় বা কাৰ্ডিয়াক এৰেষ্টৰ চিকাৰ হৈছে। চিকিৎসা শাস্ত্ৰত ই এক অতি মাৰাত্মক ইমাৰজেন্সি। অতি কম সময়ৰ ভিতৰত যদি ইয়াৰ সমাধান নহয়, তেন্তে ৰোগীৰ জীৱন ঘূৰাই অনা কঠিন। দুৰ্ভাগ্যবশতঃ সেইখিনি সময়ত মোৰ আশেপাশে তেনেকুৱা কোনো চিকিৎসা সঁজুলি বা অভিজ্ঞতা থকা লোক যুগুত নাছিল যাৰ সহায়ে মোক কিছু সকাহ দিব। অতি ক্ষীপ্ৰতাৰে দীঘলীয়া চকী এখনত মানুহগৰাকীক শুৱাই দিবলৈ যত্নপৰ হৈ অনুভৱ কৰিলোঁ যে মানুহজনীয়ে বোধহয় ইতিমধ্যে ইহ সংসাৰৰ পৰা বিদায় ল'লে। কাৰণ ইতিমধ্যে মুখৰপৰা লেলাউটি বৈ অহা দেখি জীৱনৰ চৰম মুহূৰ্তৰ সন্দেহ ঘনীভূত হ'বলৈ ধৰিলে। তথাপি অতি কষ্টেৰে মানুহগৰাকীক হেলনীয়া চকীখনত শুৱাই দিয়াৰ নিচিনা কৰি লৈ বুকুৰ সোঁমাজত হেঁচা দিবলৈ আৰম্ভ কৰিলোঁ। কাৰণ তাৰ বাহিৰে মোৰ ওচৰত বেলেগ কোনো উপায় নাছিল। এক হুলস্থুলীয়া পৰিৱেশৰ মাজতেই ক্লিনিকলৈ অহা দুই এজন লোকে কেৱল চক্ষুৰে প্ৰত্যক্ষ কৰাৰ বাহিৰে আগবাঢ়ি আহিবলৈ অপাৰগতা প্ৰকাশ কৰিলে। হয়তো এনে  এক পৰিস্থিতিৰ বাবে কোনো এজনো সজাগ বা অভিজ্ঞ নাছিল। অপেক্ষাৰত এজনেতো ৰোগীৰ অৱস্থা দেখি ইমানেই নাৰ্ভাছ হ'ল যে তেখেত চকীত হাউলি যোৱাৰ উপক্ৰম হওঁতে কোনোমতে আন এজনে পৰিস্থিতিটো চম্ভালি ল'লে। এনেহেন পৰিৱেশতো আন এগৰাকী ৰোগীৰ লগতে অহা মহিলাৰ সাহস আৰু তৎপৰতাই মোক অকণমান সকাহ দিছিল। অতি সাহসেৰে তেওঁ ৰোগীজনক পাৰ্য্যমানে মোৰ লগতে শুশ্ৰূষা প্ৰদান কৰি গ'ল। এনে সময়তে পুৰণি অক্সিজেনৰ চিলিণ্ডাৰ এটা এজনে যোগাৰ কৰি অনাত মাক্সখন তেওঁৰ মুখত লগাই দিলো। বুকুৰ ওপৰত অনৰ্গল হেঁচা প্ৰয়োগ আৰু মাজে মাজে মুখেৰেও উশাহৰ যোগান ধৰাৰ বাহিৰে আমাৰ কৰিব পৰা একো নাছিল। একেদৰেই প্ৰায় পাঁচ মিনিটমান সময় মানুহজনীৰ বুকুত হেঁচা প্ৰয়োগ কৰাৰ পাছত মই হঠাৎ হাতৰ আঙুলিৰে অনুভৱ কৰিলো মানুহজনীৰ নাড়ীৰ গতি। খুব ধীৰে ধীৰে চলি থকা হাতৰ ধমনীৰ গতিৰ মাজে মাজে ছন্দ পতন ঘটে। সন্দেহ হয় সেয়া মোৰ নিজৰ নাড়ীৰ গতি নে মানুহজনীৰ। তথাপি আশা এৰা নাছিলোঁ যদিও প্ৰত্যক্ষ কৰি থকাসকলে বুজি পাইছিল যে ৰোগাজনী আৰু চিকিৎসালয় গৈ নাপায়। ইতিমধ্যে ওচৰত বৈ থকা সকলোকে কিবা প্ৰকাৰে যিমান সোনকালে পাৰে ১০৮ এম্বুলেন্স এখন যোগাৰ কৰিবলৈ অনুৰোধ কৰিলো। কাৰণ, তেনেকুৱা পৰিস্থিতিত ৰোগীক অইন প্ৰকাৰে ক'ৰবালৈ উঠাই লৈ যোৱা সহজসাধ্য নাছিল। কিন্তু দুৰ্ভাগ্যবশতঃ সেই মুহূৰ্তত কোনো এখন ১০৮ এম্বুলেন্স সহজে উপলব্ধ হোৱা দূৰত্বত অৱস্থান কৰা নাছিল। শেষত খবৰ আহিল যে এখন এম্বুলেন্স প্ৰায় ১০-১২ কিলোমিটাৰ দূৰৰপৰা আহিবলৈ লৈছে যাৰ বাবে আৰু প্ৰায় আধাঘণ্টা মান সময় লাগি যাব পাৰে। এক অপ্ৰত্যাশিত নিৰাশাই মোক পুনঃ ছানি ধৰিলে। হেন সময়তে বুকুৰ ওপৰত অনৰ্গল হেঁচা প্ৰয়োগ কৰি থকাৰ মাজতে হঠাতে মানুহগৰাকীয়ে মুখেৰে কিবা শব্দ কৰা যেন অনুভৱ কৰিলো। হয়, তেখেতৰ মুখৰপৰাই সেই গেঙনি সদৃশ এটি আৱাজ, হয়তো কাৰোবাক মাতিবলৈ আপ্ৰাণ চেষ্টা কৰিছে। কিবা এক আশাৰ ৰেঙণিয়ে মোক যেন ক্ষণিকৰ বাবে ব্যাকুল কৰি তুলিলে। তথাপিও মই বুকুৰ সোঁমাজত হেঁচা দিবলৈ এৰা নাছিলোঁ, কাৰণ হেঁচা প্ৰয়োগৰ জৰিয়তেহে কোনোমতে তেওঁৰ মগজুৰ লগতে শৰীৰৰ অন্য অঙ্গবোৰত তেজৰ যোগান ধৰি থকা হৈছিল। অন্যথা তেওঁৰ মৃত্যু অৱশ্যম্ভাৱী আছিল। তেনেতে দেখিলো মহিলাজনীয়ে হাতখন ওপৰলৈ উঠাই তেওঁৰ বুকুত হেঁচা প্ৰয়োগ কৰিবলৈ মানা কৰিলে।

লগে লগে বুজিবলৈ বাকী নাথাকিল যে মানুহগৰাকীয়ে বুকুৰ হেঁচাৰ বিষ সহ্য কৰিব পৰা নাই। অৰ্থাৎ তেওঁ বিষ অনুভৱ কৰিব পাৰিছে মানে সংজ্ঞা ঘূৰাই পাইছে, অন্ততঃ এতিয়ালৈ তেখেত জীৱিত। এক অনিশ্চিত আশা আৰু অনাবিল আনন্দত মনটো ভৰি উঠিল। বাৰে বাৰে তেওঁৰ নাড়ীৰ গতি পৰীক্ষা কৰি প্ৰায় নিশ্চিত হৈছিলো যে তেওঁৰ হৃৎপিণ্ডই সঠিকভাৱে কাম কৰিব পৰা নাই, যাক চিকিৎসা বিজ্ঞানৰ ভাষাত কোৱা হয় কমপ্লিট হাৰ্টব্লক। হয়তো সময় মতে যদি তেওঁক চিকিৎসালয়ৰ ইমাৰ্জেন্সি বিভাগত দাখিল কৰিব পৰা যায়, তেনেহ'লে তেওঁৰ জীৱন বচাব পৰা যাব। "মামনি, মোক অকণ পানী দেচোন", প্ৰায় স্পষ্টভাৱে মানুহজনীয়ে চিঞৰিয়েই মাতিলে লগত অহাজনীক। বুজা গ'ল যে সেই মুহূৰ্তলৈ তেখেতৰ মগজুতো কোনো বিশেষ কুপ্ৰভাৱ পৰা নাছিল। পুনৰাই এম্বুলেন্সখনৰ খবৰ কৰিবলৈ সকীয়াই দি ৰোগীজনীৰ মুখত অলপ পানী দিবলৈ ক'লো আৰু লগে লগে এজনে তেওঁৰ মুখখন পানীৰে তিয়াই দিলে। যিহেতু এনেকুৱা সময়ত ৰোগীৰ মুখত পনীয়া বস্তু দিলে ডিঙিত লাগি ধৰাৰ সম্ভাৱনা থাকে, সেয়েহে অধিক সাৱধানতাৰ প্ৰয়োজন। যাহওক, যদিও মানুহগৰাকী মাজে মাজে পুনৰাই অজ্ঞান অৱস্থালৈ যাব খোজে, তৎক্ষণাৎ বুকুৰ ওপৰত হেঁচা প্ৰয়োগ কৰি তেওঁক চেতন কৰাৰ প্ৰয়াস কৰা হয়। যেন ভাগৰুৱা হৃদয়ে অকণ জিৰণি লোৱাৰ প্ৰয়াস। ইতিমধ্যে প্ৰায় আধা ঘণ্টাৰো অধিক সময় এনেদৰে অনৰ্গল ৰোগীজনীৰ লগত লাগি থকাৰ ফলত লাহে লাহে নিজৰ কঁকালখন জঠৰ হোৱা যেন অনুভৱ হ'বলৈ ধৰিলে। ইচ্ছা হ'ল, ক্ষন্তেক সময়ৰ বাবে যেন বহি যাম। চিকিৎসালয়ৰ ইমাৰ্জেন্সি বা আপদকালীন কোঠাত অথবা বিভিন্ন ধৰণৰ অস্ত্ৰোপচাৰৰ সময়ত এনে ধৰণৰ সঙ্কটজনক সমস্যাৰ কেতিয়াবা সৃষ্টি হয়। কিন্তু উপযুক্ত চিকিৎসা সঁজুলি আৰু মানৱ সম্পদ বা চিকিৎসক যিহেতু সততে প্ৰস্তুত হৈ থাকে, সেয়েহে তেনেকুৱা পৰিৱেশত এনেবোৰ সমস্যা সামাধান কৰা খুব কঠিন নহয়। কিন্তু চিকিৎসালয়ৰ বাহিৰত এনে ধৰণৰ সমস্যাই ৰোগীৰ লগতে চিকিৎসকজনৰ বাবেও বিভিন্ন ধৰণৰ আহুকালৰ সৃষ্টি কৰে। ইয়াৰ বাবে সামাজিক আৰু প্ৰাথমিক চিকিৎসাৰ লগতে চি পি আৰ- ৰ জ্ঞান থকা অতি আৱশ্যক। কাৰ্ডিঅ' পাল্মনেৰী ৰিচেসচিটেচন বা চি পি আৰ এনে এবিধ উপায় যাৰ সঠিক প্ৰয়োগে এজন মৃতপ্ৰায় লোকৰ জীৱন ৰক্ষা কৰিব পাৰে। বিভিন্ন কাৰণত বছৰি বহুতো লোক কাৰ্ডিয়াক এৰেষ্টৰ কবলত পৰি মৃত্যুক সাৱটি ল'ব লগা হয়। ইয়াৰ বাবে এক জনসজাগতা আৰু সামাজিক প্ৰশিক্ষণৰ অতি প্ৰয়োজন।

সৌভাগ্যক্ৰমে, প্ৰায় আধাঘণ্টা মানৰ মূৰত এখন এম্বুলেন্স আহি হাজিৰ হ'ল। আমি আটায়ে যেন সৰগ ঢুকি পালো। দৌৰাদৌৰিকৈ কোনোমতে মানুহগৰাকীক এম্বুলেন্সৰ ষ্ট্ৰেছাৰ বা সাঙীখনত উঠাই দিবলৈ উঠি পৰি লাগিলো। কোনোমতে ৰোগীজনীৰ মুখত এম্বুলেন্সৰ অক্সিজেন মাস্কটো লগাই দি মাত্ৰ জোৰকৈ চিঞৰিলো "মেডিকেল কলেজ ইমাৰৰ্জেন্সি"। এম্বুলেন্সৰ সহায়কজনে বাকী কেইজনৰ সহায়েৰে কোনোমতে মানুহজনীক ভিতৰত শুৱাই দিয়াতহে মই ডাঙৰকৈ এটা উশাহ ল'লো। চাইৰেণটো ডাঙৰকৈ বজাই এম্বুলেন্সখন আঁতৰি যোৱালৈ চাই মাত্ৰ নিজকেই কলোঁ "ৰোগীৰ লগতে আমিও বহুত ভাগ্যৱান। এনেদৰে জীৱন ৰক্ষাৰ সুযোগ কাচিতহে পোৱা যায়।" সেই সময়ত একাপ গৰম চাহৰ প্ৰয়োজন বাৰুকৈ অনুভৱ কৰিছিলো।

পিছত ৰোগীৰ খবৰ লৈ গম পোৱা গ'ল যে মানুগৰাকীৰ শৰীৰত পেচমেকাৰ সংস্থাপন কৰাৰ সাতদিন পিছত সুকলমে চিকিৎসালয়ৰ পৰা ঘৰলৈ উভতিল।

●

# কবিতা

## উত্তৰ-গণতন্ত্ৰ

**হৰেকৃষ্ণ ডেকা**

"A post-democratic society is one that continues to have and to use all the institutions of democracy, but in which they increasingly become a formal shell. The energy and innovative drive pass away from the democratic arena and into small circles of a politico-economic elite."

Colin Crouch

গণতন্ত্ৰ!
ওহোঁ, উত্তৰ-গণতন্ত্ৰ।
মাখিৰ গুণগুণণিৰে ব্যস্ত
গণতন্ত্ৰ বিভ্ৰান্ত।
উত্তৰ-গণতন্ত্ৰৰ
আঙুলিৰ সংকেতত
এতিয়া স্তব্ধ।
গণতান্ত্ৰিকসকল!
আপোনালোকে
নজনাকৈয়ে হৈ-ধ্বনিৰে
আমাৰ কাৰণে বাট সাজি
দিছিল।
নিজে নিজে বাটৰ
আপোনালোক স্বেচ্ছাসেৱী
আছিল।
আমি কৃতজ্ঞতা জনোৱাৰ
প্ৰয়োজন নাই।
আমাৰ মুঠিৰ মাজত
শাসন-দণ্ড। আৰু তাত
আমাৰ মস্তিষ্কৰ দ্বাৰা
নিয়ন্ত্ৰিত ন্যায়তন্ত্ৰ।
আমি সৌধত উঠি
আপোনালোকক দিছোঁ ড্ৰিল-
আপোনালোকৰ থ্ৰিল।
নহ'লে
ভাণ্ডৰ লাৰু আছে বিগ ব্ৰাদাৰৰ।
তোচক আছে জাববৰ।
সুখশয্যা আৰামৰ।
আপোনালোকে নিদ্ৰা যাব।
আমি প্ৰহৰীৰ দৰে জাগ্ৰত
হৈ ৰম।

সাৰ পাই আপোনালোকে যদি দেখে
আপোনালোক হৈছে, একোটা ভেড়া,
ভয় নাখাব।
আমি আছোঁ
ভেড়াৰখীয়া।

গণতন্ত্ৰৰ সমাধিস্থললৈ
আপোনালোকক আমি
সুখৰ ঘাঁহ খাবলৈ লৈ যাম।
.....

# কোনেও নজনাকৈ

ডাঃ অগস্ত্য বৰুৱা

কথাবোৰ তেতিয়ালৈকেহে ভাল লাগে
শুনিব বিচৰাবোৰ যেতিয়ালৈকে শুনা যায়
বলটো দৌৰি ফুৰালৈকেহে সেইখন ফিল্ড হৈ থাকে
এনেয়েতো সেইখন চৰণীয়া পথাৰেই
গমগমাই থকা হোষ্টেলটো
পূজাৰ বন্ধত
একোটা নিস্তব্ধ ডাঙৰ ঘৰ হৈ পৰে
মানুহবোৰ থকালৈকেহে ৰভাঘৰ
দুদিন পাছতে ঘৰৰ চোতালখন ওলাই পৰে
ল'ৰা-ছোৱালীয়ে নিজৰ জীৱন বাচি লোৱাৰ পাছত
মানুহহালৰ বাবে ঘৰটো
এটা খুলি থোৱা এলবাম হৈ পৰে
কোনেও নজনাকৈ
কোনেও নজনাকৈয়ে মানুহবোৰো ছবি হৈ পৰে
জীৱনৰ জমাখৰচ সামৰি।।



# পূৰ্ণেন্দু শৰ্মা

## (১)
## নিৰৱধি

ৰ লাগি চাই
শুভ্ৰতাৰ কোলাত ঢলি পৰে
সাধুকথাৰ জোনাক গচকা
এটি আলসুৱা আবেলি।
অচিন বতাহে লৈ অনা
দীঘল উকিটো
নীলাভ পাহাৰত ঠেকা খাই
মাজপথাৰতে ওপঙি থাকে–
জানো!
কাৰ পৰশৰ স্বপ্নিল প্ৰতিধ্বনি!
পল এনেকৈয়ে বই যায়
নিজানে-নিৰলে
সোঁৱৰণী ঊৰ্মি লেখি।

## (২)
## স্তুতি

কাৰ পদূলিত
কাৰ লগত
কি সতে
কি কথা পাতো!
বই আহে নিৰলে
চোতাল ভৰা দুখ
দুখৰ স্তুতি।
পছিমৰ আকাশত
ওলমি ৰয়
একাদশী জোনাকৰ
নীৰৱ সৰল স্মৃতি।।

# কাইলৈ আপুনি ক'ত থাকিব

**প্ৰণৱ কুমাৰ বৰ্মন**

কাইলৈ আপুনি ক'ত থাকিব
আজিৰ বেয়া দিনটোৰ ভিতৰতে হুমুনিয়াহ কাঢ়ি
আজিৰ বেয়া দিনটোৰ স্মৃতিচাৰণেৰে
প্ৰয়োজনত কিছু অধিক মদ্যপান কৰি
নিজৰ ভিতৰতে নিহত হৈ
নিজকে খুন কৰি-আজিৰ ভিতৰতে
বিষাক্ত কৰি সময়
নে আজি বাট হেৰুৱাই গন্তব্য স্থল পাহৰি?
কাইলৈ আপুনি ক'ত থাকিব?
আজি আপুনি অভাৱত আছিল, ভোকত আছিল
আজি আপুনি বেৰোজগাৰ আছিল
স্বপ্নৰ মৃত্যু ঘটিছিল হতাশাৰ অভ্যন্তৰত
আজি আপুনি প্ৰেমহীনতাত আছিল
প্ৰেয়সী গুচি গৈছিল অসমৰ্থতাৰ বিননি নুশুনি
আজি আপুনি অকলশৰীয়া আছিল
চৌপাশৰ ইমান হাহাকাৰ, ভাষণ, হৈ চৈৰ মাজতো
তিলতিলকৈ নিঃসঙ্গতাত ভুগিছিল
আজি আপুনি দুৰ্ঘটনাত মৃত বন্ধুৰ,
ৰোগত মৃত সম্বন্ধীয়ৰ, আত্মজাহ দিয়া ভনীগৰাকীৰ
কোনো দিনে উভতি নহাৰ টোকাবহী লিখি
ক'ৰবালৈ গুচি যোৱা সহোদৰৰ শ আৰু স্বপ্নৰ
চিতা জ্বলাই জ্বলাই
ভাগৰি পৰা প্ৰতি মুহূৰ্তত
নিজকে ছাই কৰিবলৈ নিজৰ ভিতৰতে
জ্বলাই লৈছিল এখন চিতা
আজি আপোনাৰ আছিল সুদা হাত, খালি জেপ
ৰিক্ত হৃদয়, ঋণৰ বোজা, ফাটি যোৱা জোতা
আজি আপোনাৰ আছিল অতীতৰ মধুক্ষণৰ
জ্বালাময় উদ্গীৰণ
অতীতলৈ উভতি গৈ সুখকৰ দোলনাত দুলি
উফৰি ভাগৰি চকুপানী টোকাৰ দিন
কাইলৈ আপুনি ক'ত থাকিব?
আজিৰ ভগ্ন স্তূপত ভগ্নাংশৰ অঙ্ক সামৰি
কাইলৈ আপুনি ক'ত থাকিব?
আজি আপুনি মৃত্যুবৰণ কৰক ৰত্নাকৰ হাফলুত
আজি আপুনি পৰাজিত হওক শেষবাৰ
আজি আপুনি হিয়া ঢাকুৰি কান্দক নিঃস্বতাত
আজি জ্বলাই দিয়ক সকলো শোকসন্তপ্ত চিঠি
আজি নতজানু হৈ ক্ষমা কৰক নিজৰে হতাশাক
আজি বিদায় মাগক শূন্য হৃদয়ৰ পৰা
কাইলৈ আপুনি আশাৰ উজ্জ্বল দুহাতেৰে
স্পৰ্শ কৰিব লাগিব জীৱন!

# নিয়ৰৰ দিন

**ডাঃ কঙ্কন শৰ্মা**

দূবৰিয়ে ৰাখিব নোৱাৰে ভৰ
তথাপি কোলাত লৈ দেখুৱায়
পুৱাৰ সূৰ্য্যৰ ৰং
ক্ষন্তেকৰ মুকুতা সজোৱাৰ
কি নিভৃত মন!!

ক'ত হেৰাই যায় ?
ফুলৰ পাপৰিত ঠেহপতা নিয়ৰ!
পুনৰ সন্ধিয়া
কুঁৱলীৰ সতে গোপন মেল
কেতিয়াবা ভাঙি দিয়ে বৰষুণে....
তথাপি নিয়ৰ সৰে
পাতৰ দাতিয়েদি।

কেতিয়াবা বহুক্ষণ গোপনে
কৰে প্ৰেম.....
জয়াল গোলাপৰ সেমেকা তল..
কণ কণ দূবৰিয়ে মাতে
হৃদয় দি যোৱাৰ
কিযে এক ৰূপোৱালী ক্ষণ।

# লিহিৰী সপোনৰ বাট

**ৰত্ন কান্ত শৰ্মা**

কোনোবা আহিব নেকি
এই বুলিয়েই
বহুদিন খোলা আছিল
হৃদয়ৰ দুৱাৰ।
ভবাই নাছিলো
এনেদৰে যে
থমকি ৰ'ব এজাক বতাহ।
হয়তো উশাহ ল'ব
অথবা জিৰণি ল'ব
তিতা চুলিৰ
সেই একেই সোঁৱৰণি সুগন্ধ
আমোলমোল পদূলি
তেতিয়া গধূলি
ৰৈ আছেহি
এজাক জোনাক।
আকাশৰ ওঁঠতে
নীলা হাঁহি
অযুত তৰাৰ মাজত
স্নিগ্ধ জোন
দিলো কি নিদিলো
দুহাত মেলি
শুকুলা মেঘে দলিয়াই দিলেচোন
একাঁজলি লিহিৰী সপোন।

# মোৰোকডলাৰ দুপৰীয়া

**অৰ্ণৱ জান ডেকা**

কাষত ডিগাৰু নৈ গৰ্জন ঃ
টিলাৰ শিখৰত নিজান বাংলো,
মুখৰিত জীৱনৰ কল্লোল
শিশুৰ কলৰৱ
আৰু যৌৱনৰ হিল্লোল।

জানুৱাৰীৰ শীতল দুপৰীয়া এটা
মোৰোকডলাৰ বৃক্ষৰ অৰণ্যত
আমি আটায়ে মিতিৰালি পতা
কিছু স্মৃতি ঃ কিছু অনুভৱ ঃ

জীৱনৰ সৈতে সহজ ঘনিষ্ঠতা
প্ৰীতিৰ সৌহাৰ্দ্য আৰু সৰলতা

মোৰোকডলাৰ সেই নিজান দুপৰীয়া ঃ
আমাৰ জীৱনৰ এখিলা পৃষ্ঠা।

লঠঙা গছৰ আঁৰত সৰৰ পোহৰ।
সেই দিশত কোন দেশৰ জন্ম ?

মনৰ দুপৰীয়া সন্ধিয়াৰ বিষণ্ণতালৈ বৈ গ'ল,
বৈ গ'ল পোহৰৰ কোলাহল।
কুঁৱলীৰ সৈতে তন্দ্ৰা ওপঙি ৰ'ল।

বাট হেৰুওৱা সহস্ৰ শব্দৰ উচুপনি,
জন্ম হ'ল এটা উত্তৰৰ।
সেই উত্তৰ সমাদৃত হওক,
জুহালে জুহালে বিয়পক,
পাইনৰ অৰণ্যত উকিটো
উবুৰি খাই পৰক।

অন্ধকাৰৰ সকলো ষড়যন্ত্ৰৰ মাজতো
থাকক পোহৰ নংক্ৰেম নৃত্যত।

# চকুৰ পতাত

**শৰৎ বৰকাকতি**

নিস্তব্ধতা মই ভাল পাওঁ
এন্ধাৰত তোমাৰ উশাহৰ শব্দ
বতাহত বিচাৰি পাওঁ
নিঃসঙ্গতাত তোমাৰ সঙ্গ
বুকুত নিৰলে পাওঁ।

সপোন দীঘল হওক
পুৱাৰ ৰ'দত
নিশাৰ শেৰালী
সৰি সৰি নপৰক
তুমি নাহিলেও
চকুৰ পতাতে
তোমাৰ ছবিখনি চাওঁ
বিদায় পৰৰ সুৰৰ কলি
গোপনে গুণগুণাওঁ।

এদিন আহিবা সন্ধিয়া
সংগোপনে
মোৰ হিয়াত আছুতীয়া
তোমাৰ কোঠালে
পাৰি দিম মই সুৰৰ নদীত
বগা পালতৰা নাও
ভাটিয়ালী গীতত
আকৌ এবাৰ
মতলীয়া হ'ব গাঁও।



গল্প

# মন পলাশৰ ৰং

**দিলীপ বৰা**

"মেচেজটোৰ শাণিত বাক্যই তৰোৱাল হৈ মোৰ কলিজা বিন্ধি গ'ল। 'তই এটা বিকৃত যৌন মানসিকতাৰ মানুহ। মই তোক ঘিণ কৰোঁ'। ফোন ধৰি থকা মোৰ হাতখন জগাকাঠ এডোখৰৰ দৰে জঠৰ হৈ গ'ল। উচ্চ ৰক্তচাপত ভোগা ৰোগীৰ দৰে মোৰ মগজুৰ শিৰা-উপশিৰাৰে তেজৰ তীব্ৰ সোঁত এছাটি অকস্মাতে বৈ গ'ল। চকুৰ আগত এন্ধাৰৰ ডাঠ পৰ্দা এখন নামি আহিল। জঠৰ হৈ যোৱা হাতখন মোবাইলটোৰ সৈতে কেতিয়া টেবুলখনত আহি ৰৈ গ'ল গম নাপালোঁ। এটা সময়ত মোৰ চকু মেল খালে। কিন্তু তেতিয়াও টেবুলত পৰি থকা মোৰ হাতখন পক্ষাঘাতগ্ৰস্ত ৰোগীৰ দৰে লৰচৰ কৰিব নোৱৰাকৈ গধুৰ হৈয়ে থাকিল। গাটো অত্যন্ত দুৰ্বল লাগিল। কিবা এটা অদৃশ্য শক্তিয়ে যেন মোৰ শৰীৰৰ সমস্ত শক্তি শুহি নিলে। বৰ কষ্ট কৰিহে মই মূৰটো টেবুলখনৰ পৰা ডাঙি ধৰিবলৈ সক্ষম হ'লোঁ।"

খন্তেক ৰৈ মানুহজনে আকৌ ক'লে, "কথাবোৰ কিয় এনেকুৱা হ'ল? এনে হোৱাৰতো কাৰণ নাছিল। সেই সিদিনাও তাই মোক কৈছিল, 'যেতিয়াৰপৰা তোমাক

পাইছোঁ তেতিয়াৰ পৰাই তোমাক মোৰ শেষ আশ্ৰয় বুলি ভাবি আহিছোঁ। তুমি অবিহনে মই শূন্য'। মোৰ মোবাইলৰ স্ক্ৰীনশ্বটত এতিয়াও সেই কথা সঞ্চিত হৈ আছে। মই তাইক এনে কোনো চাকনৈয়াত পেলোৱা নাই যে তাই এই ধৰণৰ কথা মোক শুনাব। তাইৰপৰা মই একো বিচৰা নাছিলোঁ। নাৰী-পুৰুষৰ মাজৰ এনে সম্পৰ্কৰপৰা ইজনে সিজনৰ সংগত উপভোগ কৰা শাৰীৰিক-মানসিক সাহচাৰ্য্যখিনিৰ বাহিৰে। তাতো মোৰ কোনো দাবী নাছিল। মই বিশ্বাস কৰিছিলোঁ আমাৰ মাজত ছমাহে-বছৰেকে ঘটা শাৰীৰিক সম্পৰ্ক দুয়ো দুয়োৰে প্ৰতি অনুভৱ কৰা আকৰ্ষণৰেই ফলশ্ৰুতি। তাত দিয়া-লোৱাৰ কোনো কথা নাছিল। অন্ততঃ মই তেনেকৈয়ে ভাবিছিলোঁ। তাইৰ ফালৰপৰাও তেনে কোনো ইংগিত পোৱা নাছিলোঁ যাৰ পৰা মই অনুমান কৰিব পাৰোঁ যে তাই মোৰ লগত কৰা সম্পৰ্কক মই কৰা সহায়ৰ বিনিময়ত মোক তাই দিব পৰা প্ৰতিদান বুলিহে তাই বিবেচনা কৰিছিল। তাইৰ শাণিত বাক্যবাণ শুনাৰ পাছতহে এই উপলব্ধি মোৰ হৈছিল।"

মানসিক ৰোগ বিশেষজ্ঞ ডাঃ বিৰাজ তামুলীয়ে সন্মুখৰ চকীত বহি থকা মানুহজনলৈ একেথিৰে চাই আছে। মনোযোগেৰে মানুহজনৰ কথা শুনিছে। যাঠি অতিক্ৰম কৰা মানুহজন সমাজৰ প্ৰতিষ্ঠিত ব্যক্তি। সাহিত্য, সংস্কৃতি, কলাজগতৰো তেওঁ এটা পৰিচিত নাম। তেওঁৰ দীৰ্ঘদিনীয়া চাকৰি জীৱনৰ অন্ত পৰা বেছিদিন হোৱা নাই। চাকৰি কালতো মানুহজনৰ বিষয়ে শুনা কথাবোৰৰো সৰহখিনি ইতিবাচকেই আছিল। দুৰ্নীতি, স্বজনতোষণ, ক্ষমতাৰ অপব্যৱহাৰ আদি যিবোৰ অপকৰ্মত আজিকালিৰ ৰাজনৈতিক নেতা, মন্ত্ৰী-আমোলা, আনকি সাহিত্য-কলা-সংস্কৃতিৰ লগত জড়িত লোকসকলো লুতুৰি-পুতুৰি হোৱা এটা সাধাৰণ কথা হৈ পৰিছে, তেনে সময়তো মানুহজনৰ সামাজিক ভাৱমূৰ্তি উজ্জ্বল। মানুহজনে একেলেথাৰিয়ে কৈ যোৱা কথাবোৰ শুনি সেয়ে ডাঃ তামুলী সামান্য আচৰিত হৈছিল।

"আপুনি যাৰ কথা কৈছে তেওঁ মহিলানে ছোৱালী?" মানুহজনলৈ পানী এগিলাছ আগবঢ়াই দি তামুলীয়ে প্ৰশ্ন কৰিলে।

"মই প্ৰথম যেতিয়া তাইৰ লগত চিনাকি হৈছিলোঁ তাই ডিগ্ৰী প্ৰথম বাৰ্ষিকৰ ছাত্ৰী আছিল।"– মানুহজনে উত্তৰ দিলে।

"কিমান বছৰ আগৰ কথা সেয়া"?

"১২ বছৰ"।

"আপোনালোকৰ সম্পৰ্ক তেতিয়াৰে পৰা?"

"নহয়, সেয়া আছিল ৰাজহুৱা ঠাইত হোৱা চিনাকি"।

"মানে"?

ডাঃ তামুলীৰ প্ৰশ্ন শুনি মানুহজনে চকুহাল মুদিলে। বহি থকা হেলনীয়া চকীখনতে গা এৰি দি তেওঁ কিবা ভাবিলে।

"মোক এখন সাহিত্য বিষয়ক সভালৈ অতিথিৰূপে নিমন্ত্ৰণ কৰিছিল। আয়োজকসকলে দুজনী কলেজীয়া ছোৱালীক দায়িত্ব দিছিল মোৰ খোৱা-লোৱাখিনি চাই দিবলৈ। দুয়োজনী আহি মোক সিহঁতৰ পৰিচয় দিছিল। তাইৰ লগত সেয়াই আছিল মোৰ প্ৰথম চিনাকি"।

"তাৰ পাছত?"

"দুবছৰমান পাছত বিখ্যাত গায়ক এজন ঢুকাইছিল। ছোৱালীজনীয়ে ফোন কৰি তাই জড়িত থকা অনুষ্ঠান এটাই উলিয়াব খোজা আলোচনী এখনৰ কাৰণে মোৰ পৰা লিখা এটা বিচাৰিলে।"

"কৈ যাওক", ডাঃ তামুলীয়ে মানুহজনৰ চকুলৈ চাই ক'লে।

"লিখাটো পঠিয়াই দিলোঁ, ই-মেইল যোগে। তাই ধন্যবাদ জনালে। মোৰ লিখাৰ প্ৰশংসা কৰিলে। তাইৰ লগত কথা পাতি মোৰ ভাল লাগিল। পিছৰবাৰ ময়েই তাইক ফোন কৰিলোঁ। অজুহাত আছিল মোৰ লিখাটো ওলালনে নাই খবৰ কৰা। তেনেকৈয়ে আমাৰ মাজৰ কথা-বতৰা বাঢ়ি গ'ল। তাইৰ কথাত মই তাইৰ জিজ্ঞাসু মন আৰু বিস্তৃত অধ্যয়নৰ পৰিচয় পালোঁ। তাই কবিতা লিখিছিল, দুটামান কবিতা মোলৈ পঠিয়াই দিলে। লাহে লাহে আমাৰ কথাবোৰ ভাল-বেয়া, পচন্দ-অপচন্দ, আশা-আকাংক্ষাৰ পৰিধিৰ মাজতো সোমাই পৰিল আৰু এদিন বাৰ্তালাপৰ মাজতে তাইক মোৰ ভাল লগাৰ কথা ক'লো।"

"আপুনি বিবাহিত। তেতিয়ালৈ আপোনাৰ বয়স ৫০ পাৰ হৈ গৈছে। আপোনাৰ সন্তান নিশ্চয় তাইতকৈ ডাঙৰ বা তাইৰ সমবয়সী নহয়নে?"– ডাঃ তামুলীয়ে সুধিলে।

"হয়"। মানুহজনে মূৰ দুপিয়ালে। "বিবাহিত জীৱনত মই সুখীয়েই আছিলোঁ। তথাপি বহুবছৰ আগৰ পৰাই বুকুৰ গভীৰত এক শূন্যতা অনুভৱ কৰিছিলোঁ। মোৰ বুকুখন যেন এক গভীৰ গহ্বৰ, যাৰ শূন্যতা জোখা নাযায়। টকা-পইচা,

মান-সন্মান, সেইবোৰৰ প্ৰতি আন দহজনৰ দৰে মোৰো আকৰ্ষণ আছিল। কিন্তু সেইবোৰে মোক পূৰ্ণ তৃপ্তি দিব পৰা নাছিল। মোৰ ভাব যেন মই কিবা এটা বিচাৰি আছোঁ।"

"কি বিচাৰিছিল? নাৰীৰ প্ৰেম?"

"প্ৰেম মোৰ বিবাহিত জীৱনতো আছিল। বোধকৰোঁ মই মোৰ 'ইগ' বুষ্টিং' বিচাৰিছিলোঁ।"

"আৰু তাই আপোনাক তেনে এক অনুভৱ দিব পাৰিছিল?"

মানুহজনে অলপ সময় একো নক'লে। ডাঃ তামুলীয়ে তেওঁৰ মুখৰ অভিব্যক্তি লক্ষ্য কৰি আছে। তেওঁৰ মনত অতীতৰ স্মৃতিয়ে ধুমুহাৰ সৃষ্টি কৰিছে। সঘনে এনে পৰিস্থিতিৰ সন্মুখীন হয় ডাঃ তামুলী। মানসিক ৰোগৰ চিকিৎসাৰ মূল কথা ৰোগীৰ মনৰ ভিতৰখন ডাক্তৰে নিজৰ চকুৰ আগত উন্মুক্ত কৰি ল'ব পৰাৰ ক্ষমতা। ডাঃ তামুলীৰ সেই ক্ষমতা আছে। তেওঁ বহি থকা চকীখনতে পোন হৈ বহি মানুহজনে পুনৰ কথা আৰম্ভ কৰালৈ অপেক্ষা কৰিলে।

"হ'ব পাৰে। নহয়, হয়েই, মোৰ বয়সে ভাটি দিছে। পিছলৈ ঘূৰি চাবলৈ ভয় কৰা হৈছোঁ। ইমানদিন জীৱনটো যিদৰে কটালোঁ সেই কথা চিন্তা কৰিলে আগলৈ চালেও কেৱল এন্ধাৰ দেখা হৈছোঁ। স্কুল কলেজৰ ভাল ছাত্ৰ আছিলোঁ। স্কুলীয়া জীৱনতে কাগজ-কলম ধৰিছিলোঁ। গল্প-কবিতা, গীত-মাতত মোৰ ৰাপ আছিল। অভিনয় কৰি, নাটক লিখি, বক্তৃতা আৰু তৰ্ক প্ৰতিযোগিতাত ভাগ লৈ মই নিজকে আগশাৰীৰ ছাত্ৰৰূপে প্ৰতিষ্ঠা কৰিছিলোঁ। কলেজতো মোৰ নাম হৈছিল।"

ইমানলৈ কৈ মানুহজন ৰ'ল। টেবুলত থকা গিলাছৰপৰা দুঢোক পানী খালে।

"কলেজ পাছ কৰাৰ পাছতে চাকৰিত সোমাব লগা হ'ল। ভাল দৰমহাৰ চাকৰি এটা পাই গ'লোঁ। ঘৰৰ আৰ্থিক অৱস্থা সিমান সুবিধাৰ নহয়। দুবাৰ চিন্তা নকৰাকৈ চাকৰিত যোগ দিলোঁ। ঘৰখনে সকাহ পালে। চাকৰিত মোৰ ব্যস্ততা বাঢ়িল, বাঢ়িল দায়িত্ব। গল্প-কবিতা, গীত-মাত কেনিবা পৰি ৰ'ল। দোপতদোপে প্ৰমোচন পালোঁ। মনপচন্দৰ ছোৱালী এজনীক বিয়া কৰালোঁ। সোনকালে এহাল ল'ৰা-ছোৱালীৰো বাপেক হ'লো। জীৱন পূৰ্ণ হৈ গ'ল। মোৰ কৰ্মদক্ষতাৰ উদাহৰণ দিয়ে বহুতে। বাহ্যিক দৃষ্টিত মই এজন সফল মানুহ। সামাজিক প্ৰতিষ্ঠা, পাৰিবাৰিক শান্তি, ধনদৌলত, মোৰ নিচিনা মানুহ এজনে পাব পৰা সকলো আছে মোৰ।"

"কৈ যাওক?"– ডাঃ তামুলীয়ে ক'লে।

"দুবছৰমান হৈছে, মই আকৌ কাগজ-কলমৰ লগত সম্পৰ্ক কৰিছোঁ। মোৰ প্ৰথম উপন্যাসে পঢ়ুৱৈ সমাজত খলকনি তুলিছে। মই লিখা গল্পবোৰৰ আঙ্গিক, বিষয়বস্তুৱে পাঠক-সমালোচকৰ প্ৰশংসা পাইছে। তাৰেই ফলশ্ৰুতিত মোলৈ সেই নিমন্ত্ৰণ। যিটো ৰক্ষা কৰিবলৈ গৈ মই তাইক লগ পাইছিলোঁ।" মানুহজন ৰ'ল।

"ভাগৰ লাগিছে আপোনাৰ। আজিলৈ ইমানতে সামৰোঁ নেকি?"– ডাঃ তামুলীয়ে ইচ্ছা কৰিয়েই চেচনটো সামৰাৰ কথা ক'লে। মানুহজনৰ অন্তৰত সোমাই থকা কথাবোৰে বাহিৰ ওলাই আহিবলৈ তোলপাৰ লগাইছে। তেওঁ সেই স্ৰোত বন্ধ কৰিব নোৱাৰে।

"নালাগে।" একে আষাৰে তেওঁ ডাক্তৰৰ প্ৰস্তাৱ নাকচ কৰিলে। "তাই চকুত লগা ছোৱালী নাছিল। চাপৰ, ক্ষীণ, মিঠাবৰণীয়া ছোৱালীজনীৰ চকু দুটাই তাইৰ একমাত্ৰ আকৰ্ষণীয় অঙ্গ আছিল যি তাইৰ ফালে দ্বিতীয়বাৰ চাবলৈ মানুহক বাধ্য কৰাইছিল। ময়ো চাইছিলোঁ আৰু মনে মনে ভাবিছিলোঁ, ইমান উজ্বল চকুৰ ছোৱালীজনী ইমান নিশকটীয়া আৰু দুৰ্বল কিয়? অৱশ্যে সেয়া আছিল মোৰ তাইক লগ পোৱা মুহূৰ্তৰ চিন্তা। তাইৰ লগত কথা পতাৰ পাছত তাইৰ প্ৰতি মোৰ মনত অনুকম্পা, যাক প্ৰীতি বুলিও ক'ব পাৰি, জাগ্ৰত হ'ল আৰু দিন যোৱাৰ লগে লগে ই বাঢ়ি যাবলৈ ধৰিলে। এটা চোকা মগজু আৰু অলপ উচ্চাকাংক্ষাৰ বাহিৰে তাইৰ আন সম্পদ নাছিল। তাইৰ কথা বতৰাই মোক প্ৰত্যয় নিয়াইছিল যে সুবিধা পালে তাই এদিন বৌদ্ধিক জগতত প্ৰতিষ্ঠিত হ'ব পাৰিব। মই তাইৰ প্ৰতিভা বিকাশৰ কাৰণে যিখিনি পাৰোঁ কৰিবলৈ সিদ্ধান্ত ল'লো।"

"তাই যদি ছোৱালী নহৈ ল'ৰা হ'লহেঁতেন, আপুনি তেনে সিদ্ধান্ত ল'লেহেঁতেননে?"-- ডাঃ তামুলীয়ে মানুহজনৰ সংবেদনশীল বিন্দুত খোচা মাৰিলে।

ডাক্তৰৰ প্ৰশ্ন শুনি মানুহজনে পোনপটীয়াকৈ তেওঁৰ চকুলৈ চালে। কেইটামান মুহূৰ্ত নীৰৱে পাৰ হ'ল। চেম্বাৰৰ বাতানুকূল যন্ত্ৰটো একেটা লয়তে চলি আছে। আৰু চলি আছে দুজন প্ৰাপ্তবয়স্ক মানুহৰ উশাহ-নিশাহ। নীৰৱতা আৰু বেছি গাঢ়, আৰু বেছি শব্দহীন হৈ পৰাৰ আগতে মানুহজনে

চকুহাল নমাই ল'লে। ডাঃ তামুলীয়েও বহি থকা চকীখনতে গা জোকাৰিলে।

"প্ৰশ্নটো ময়ো নিজকে কৰিছোঁ বহুবাৰ। প্ৰত্যেকবাৰ একেটা উত্তৰেই মোৰ মনলৈ আহিছে। তাই যদি ল'ৰা হ'লহেঁতেন, দুটা উপদেশ দি, সামান্য কিছু সাহায্য আগবঢ়াই আৰু প্ৰয়োজন হ'লে আকৌ মোক লগ কৰিবলৈ কৈ বিদায় দিলোহেঁতেন। হয়, তাই ছোৱালী কাৰণেই কথাবোৰ তেনেকুৱা হ'ল। পুৰুষ-প্ৰকৃতিৰ মাজৰ সহজাত আকৰ্ষণেই সম্বন্ধটোক প্ৰেমিক-প্ৰেমিকাৰ সম্বন্ধৰ ৰূপ দিছিল। এজন বয়স্ক পুৰুষ আৰু এজনী ছোৱালীৰ মাজত সহজে তেনে সম্বন্ধ নহয়। মানুহজনে বিচাৰিলেও গাভৰুজনীয়ে তেনে সম্বন্ধ নিবিচাৰে। সেই সময়ত তাইৰ অন্য এটা প্ৰেমিকো আছিল আৰু মোক তাই সেই কথা কৈছিল। তথাপি মই তাইক ক'ব পৰা নাছিলোঁ মোৰ লগত সম্বন্ধ আগনবঢ়াবলৈ। তায়ো মোক বাধা নিদিলে। আৰু ক্ৰমান্বয়ে মানসিক আৰু শাৰীৰিক দুয়ো ফালৰে পৰা মই তাইৰ ওচৰ চাপি গ'লোঁ।"

"আপোনালোক দুয়ো নিকট পৰিচিত হোৱাৰ পাছত তাই আপোনাক অৱলম্বন হিচাপে, বা সাধাৰণতে কোৱাৰ দৰে, 'চুগাৰ ডেডী'ৰ ৰূপত বিচৰাৰ সম্ভাৱনাটো আপোনাৰ মনলৈ অহা নাছিলনে?"

"নাছিল। প্ৰেমিকাৰ উপৰি তাইক মোৰ নিজৰ ছোৱালীৰ ৰূপতো মই কল্পনা কৰিছিলোঁ। পুষ্টিহীনতাত ভোগা তাইৰ চাপৰ আৰু ক্ষীণ শৰীৰ, তাইৰ চকুত প্ৰতিফলিত হোৱা অসহায় হৰিণীৰ চাৱনি, তাইৰ বয়সৰ আন ছোৱালীবোৰৰ তুলনাত তেনেই সাধাৰণ বেশভূষা আৰু চৌদিশৰ ৰংচঙীয়া পৃথিৱীখনৰ পৰা পৃথক, একেধৰণে বৰ্ণহীন জীৱন কটোৱা ছোৱালীজনীৰ কাৰণে মোৰ হৃদয় সিক্ত হৈ উঠিছিল। আমাৰ সম্বন্ধ যিমানেই দীঘলীয়া হৈ গৈ থাকিল তাইৰ প্ৰতি মোৰ মৰম আৰু অনুকম্পা, সন্তানৰ প্ৰতি পিতৃ হৃদয়ৰ মৰম, অনুকম্পা, ভালপোৱাৰ ফালে ঢাল খোৱা মই অনুভৱ কৰিছিলোঁ।"

"আপুনি তাইক তেনেকুৱা কিবা ইংগিত দিছিলনে?"

"বহুবাৰ।"— মানুহজনে তপৰাই উত্তৰ দিলে। "আমাৰ সম্বন্ধ ডেকা-গাভৰুৰ সম্পৰ্ক নাছিল। আমি সাহিত্য, ৰাজনীতি, সমাজনীতিলৈ বিশ্বৰ সৰ্বত্ৰ অহা পৰিৱৰ্তন আৰু প্ৰযুক্তিবিদ্যাই আধুনিক জীৱনত পেলোৱা প্ৰভাৱ আদি অনেক কথাই আলোচনা কৰিছিলোঁ। তাই কিছু পৰিমাণে উগ্ৰ বাওঁপন্থী শিবিৰটোৰ প্ৰভাৱত পৰিছিল। এনে কাৰ্য্যকলাপে যে শোষিত-বঞ্চিত সকলৰ মুক্তি আনিব নোৱাৰে সেই কথা পৃথিৱীৰ বিভিন্ন দেশৰ উদাহৰণ দি মই তাইক কৈছিলোঁ। কমকৈ হ'লেও মোৰ চিন্তাৰ মূল স্ৰোতটো বিচাৰ কৰি চাবলৈ তাই আগ্ৰহী হৈছিল বুলি সেই সময়ত মোৰ ভাব হৈছিল। অৱশ্যে মোৰ সেই ধাৰণা ভুল আছিল।"

"তাইৰ প্ৰতি থকা আপোনাৰ অনুকম্পাই আপোনাক তেনেদৰে ভাবিবলৈ প্ৰৰোচিত কৰিছিল, নহয়নে?"— ডাঃ তামুলীয়ে সুধিলে।

মানুহজনে লগে লগে উত্তৰ নিদিলে। তামুলীৰ ভাব হ'ল ছোৱালীজনীৰ কটু বাক্যবাণে শাণিত অস্ত্ৰৰ দৰে তেওঁৰ অন্তৰত কৰা আঘাতবোৰৰ কথাই তেওঁ ভাবিছে। এনে এজনী ছোৱালী যাক মানুহজনে নাৰীৰ আটাইবোৰ ৰূপতে কল্পনা কৰাই নহয়, চাক্ষুষো দেখা পাইছিল, তেনে এজনী ছোৱালীয়ে সেইজন মানুহকে এনে বাক্যবাণেৰে থকাসৰকা কৰিব পাৰে সেই কথা মানি ল'বলৈ তেওঁ টান পাইছিল। তেওঁৰ সংবেদনশীল অন্তৰখনে ঘটনাটো সহিব পৰা নাই। তাতকৈ ডাঙৰ আন এটা কথায়ো মানুহজনক মনোৰোগ বিশেষজ্ঞৰ ওচৰলৈ টানি আনিছে। কথাটো হ'ল এক দীঘলীয়া সময়ৰ সম্পৰ্কৰ পাছতো ছোৱালীজনীৰ ভিতৰৰ আচল মানুহজনীক চিনি পোৱাত তেওঁ দেখুওৱা অপাৰগতা। ই তেওঁৰ আত্মসন্মানত বৰকৈ আঘাত দিছে। তাৰ প্ৰতিক্ৰিয়াই তেওঁৰ ব্যক্তিত্ব আৰু মানসিক ভাৰসাম্যতো নেতিবাচক প্ৰভাৱ পেলাইছে। ডাঃ তামুলীয়ে যদি সোনকালে তেওঁক তাৰ পৰা উলিয়াই আনিব নোৱাৰে মানুহজন বিষণ্ণতাৰ চিকাৰ হৈ পৰাৰ পূৰ্ণ সম্ভাৱনা।

"এইবোৰৰ বাবে ময়ে জগৰীয়া। মোৰ নিচিনা মানুহ এজনে বিচাৰিব পৰা সকলোখিনিয়ে আছিল মোৰ। ভাল চাকৰি, সামাজিক আৰু বৌদ্ধিক প্ৰতিষ্ঠা, এহাল সুস্বাস্থ্যৰ ল'ৰা-ছোৱালী, মোৰ দুৰ্বলতাবোৰ জানিও কোনোদিনে মোৰ প্ৰতি আদৰ-যত্নৰ ত্ৰুটি নকৰা মোৰ পৰিবাৰ, গুণগ্ৰাহী এখিনি বন্ধু-বান্ধৱী। তথাপি মই কিহৰ তাড়ণাত মোৰ সমস্ত অহংকাৰ, আত্মসন্মান, সামাজিক প্ৰতিষ্ঠা, পৰিয়ালৰ সুখ, ল'ৰা-ছোৱালীক মোৰ কাৰ্য্যকলাপে দিব পৰা আঘাত, একোলৈ কেৰেপ নকৰি মোৰ সন্তানৰ সমবয়সী, এজনী সাধাৰণ ছোৱালীৰ প্ৰতি আকৃষ্ট হ'লো? তেনেহ'লে কি মোৰ বিকাৰগ্ৰস্ত যৌন মানসিকতাই মোক তাইৰ কাষ চপাই

নিছিল?’’– মানুহজনে ওলোটাই প্ৰশ্ন কৰিলে।

ডাঃ তামুলীয়ে মানুহজনৰ প্ৰশ্নৰ উত্তৰ তেতিয়াই নিদিলে। তেওঁৰ ভাব হ’ল, মানুহজনৰ কথাৰ আঁৰত আৰু কথা আছে। বিপৰীত লিঙ্গৰ প্ৰতি আকৰ্ষণ মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। মনোবৈজ্ঞানিক বিশ্লেষণেৰে মানুহৰ মনত লুকাই থকা সকলো ৰহস্য ভেদ কৰা নাযায়। ডাঃ তামুলীয়ে পঁচিশ বছৰীয়া চিকিৎসক জীৱনত এনে কঠিন প্ৰশ্নৰ বহুবাৰ মুখামুখি হৈছে। তেওঁ দেৱালঘড়ীৰ কাঁটা দুডাললৈ চালে। এঘণ্টা সময় পাৰ হৈ গৈছে।

“আপোনাৰ প্ৰশ্নৰ উত্তৰ আপোনাৰ মাজতে আছে। আজিলৈ সময় শেষ হ’ল। পৰহিলৈ ৪ বজাত আহক। তেতিয়ালৈ আপুনি আপোনাৰ প্ৰশ্নৰ উত্তৰ পায়ো যাব পাৰে।”-- ডাঃ তামুলীয়ে থিয় হৈ ক’লে।

“আৰু যদি নাপাওঁ?”– মানুহজনৰ যেন চেম্বাৰ এৰি যাবৰ ইচ্ছা নাই।

“সেই কথা তেতিয়া বিচাৰ কৰিম। এটা কথা আপোনাক ক’ব খুজিছোঁ।”

“কি?”

‘আপুনি মাজে-সময়ে পৰিবাৰক লৈ ওলাই যোৱা কৰক।”– ডাঃ তামুলীয়ে মানুহজনক ক’লে। “কাইলৈ সন্ধিয়া দুয়ো একেলগে ওলাব। পৰহিলৈ আমি আলোচনা কৰিম, এই কেইদিনৰ অভিজ্ঞতাই আপোনাক কি সহায় কৰিলে।” ডাঃ তামুলীয়ে তেওঁৰ টোকাবহী আৰু কলমটো সামৰি ল’লে। মানুহজন বহাৰ পৰা উঠিল আৰু বৰ গধুৰ বোজা এটাহে যেন তেওঁ বৈ নিব লগা হৈছে এনে ভাবত চেম্বাৰৰ পৰা ওলাই গ’ল। মানুহজন দুৱাৰডলিৰ সিপাৰে অদৃশ্য হৈ যোৱাৰ পাছত তামুলীয়ে বাকী থকা ৰোগীকেইজনক মাতি পঠালে। নিশা ন বজাত তেওঁ শেষজন ৰোগীক বিদায় দিলে। চেম্বাৰ বন্ধ কৰা ল’ৰাটোক তেওঁ নিজেই চেম্বাৰ বন্ধ কৰিব বুলি কৈ পঠিয়াই দি ডাঃ তামুলীয়ে ৰোগী পৰীক্ষা কৰা বিছনাখনতে ওপৰমুৱাকৈ বাগৰ দিলে। দীঘলীয়া পঁচিশ বছৰ মানসিক ৰোগীৰ মনৰ গোপন সুৰঙ্গ খান্দি মানুহৰ মনোজগতৰ অভ্যন্তৰৰ খবৰ লোৱাত তেওঁ অভ্যস্ত হৈ পৰিছে। কিন্তু এই মানুহজনৰ কথাবোৰে তেওঁক বহু কথা নতুনকৈ চাবলৈ প্ৰৰোচিত কৰিছে। তেওঁৰ ওচৰলৈ অহা বেছিভাগ ৰোগীৰে সমস্যাৰ মূল কাৰণ পৰিয়ালৰ সদস্যসকলৰ লগতে জড়িত। পৰকীয়া সম্বন্ধই সৃষ্টি কৰা সমস্যা লৈ বৰ বেছি মানুহ তেওঁৰ ওচৰলৈ নাহে। বছৰত এটা বা দুটা কেচ। তাৰো সৰহখিনি বিবাহিত পুৰুষ-মহিলাৰ আন বিবাহিত পুৰুষ-মহিলাৰ লগত গঢ়ি উঠা সম্পৰ্কক লৈয়ে। এইবোৰ ঘটনাই সেইসকলৰ মানসিক জগতত বৰ বেছি তোলপাৰ লগোৱাৰ প্ৰমাণ তেওঁ পোৱা নাই। এটা বা দুটা চেচনতে তেওঁলোকৰ চিকিৎসাৰ ওৰ পৰে। কিন্তু এই মানুহজনৰ কেচটো ব্যতিক্ৰম। আজিৰ সৈতে ডাঃ আমুলীয়ে তেওঁৰ লগত পাঁচটা চেচন কৰিলে। আজিও তেওঁ মানুহজনক কি সমাধান সূত্ৰ দিব পাৰিব ধৰিব পৰা নাই। ফ্ৰয়েডৰ মনোবিশ্লেষণ আৰু জাঙৰ বিশ্লেষণাত্মক মনোবিজ্ঞানৰ সূত্ৰবোৰে তেওঁক সিদ্ধান্তলৈ আহিবলৈ সহায় কৰিব পৰা নাই। মানুহজন নহৈ যদি ছোৱালীজনী হ’লহেঁতেন ডাঃ তামুলীয়ে সেই সূত্ৰবোৰৰ মাজতে এক সহজ সমাধান বিচাৰি উলিয়াব পাৰিলেহেঁতেন। কিন্তু এজন বিবাহিত, ষাঠিৰ উৰ্দ্ধৰ, সামাজিকভাৱে প্ৰতিষ্ঠিত ব্যক্তিৰ এজনী ত্ৰিশ বছৰীয়া ছোৱালীৰ লগত গঢ়ি উঠা এটা সম্বন্ধ, য’ত এফালে আছিল শাৰীৰিক আৰু মানসিক আকৰ্ষণ, সন্তানসুলভ প্ৰেম, একধৰণৰ দায়িত্ববোধ আৰু ছোৱালীজনীৰ ফালে আৰ্থিক আৰু পাৰিবাৰিক চাহিদা, য’ত শাৰীৰিক সম্বন্ধ আছিল দৈনন্দিন প্ৰয়োজন পূৰ কৰাৰ আহিলা। আৰু প্ৰয়োজন পূৰ হোৱাৰ পাছত অৱলম্বনক কটু কথা আৰু চূড়ান্ত স্বাৰ্থপৰতাৰে ভৰিৰ তলৰ ধূলিৰ দৰে মোহাৰি পেলোৱাৰ প্ৰৱণতা। মানুহজনে দিয়া বৰ্ণনাৰ পৰা ডাঃ তামুলীয়ে ছোৱালীজনীৰ মনোজগতৰ ছবি এখন আঁকিবলৈ চেষ্টা কৰিছে। বিশেষত্বহীন, চকুত নপৰা, নিশকটীয়া, পুষ্টিহীনতাই চেপি-খুন্দি পেলোৱা ছোৱালী এজনীৰ প্ৰতি, তাইৰ যিমানেই মেধা বা বুদ্ধিমত্তা নাথাকক, বয়স্ক আৰু প্ৰতিষ্ঠিত মানুহ এজন ইমান বেছি আকৰ্ষিত হ’ব পাৰেনে যাৰ কাৰণে মানুহজনে নিজৰ সত্তাকে তাইৰ ভৰিৰ তলত পিষ্ট হ’বলৈ এৰি দিব পাৰে। মানুহজনৰ পাৰিবাৰিক জীৱনতো এনে কোনো সংঘাতময় পৰিস্থিতিৰ উদ্ভৱ হোৱা নাছিল যাৰ কাৰণে তেওঁ তেনে এজনী ছোৱালীৰ আকৰ্ষণত আকণ্ঠ নিমজ্জিত হ’বলৈ প্ৰৰোচিত হ’ল।

ডাঃ তামুলীয়ে একেথৰে চিলিঙলৈ চাই আছে। ঘড়ীৰ কাঁটা দুডালে অবিৰাম গতিৰে পাৰ হৈ গৈ থকা সময়ৰ হিচাপ দি আছে। এটা সময়ত তেওঁৰ মোবাইল ফোনটো বাজি উঠিল। শ্ৰীমতীয়ে জানিব খুজিছে তেওঁৰ আৰু কিমান দেৰি

হ'ব। ডাঃ তামুলী উঠি বহিল, চেম্বাৰৰ লাইট নুমুৱাই তেওঁ স্বয়ংক্রিয় তলা লগোৱা দুৱাৰ খুলি বাহিৰ ওলাল। ড্রাইভাৰে গাড়ীৰ দৰজা খুলি দিলে। সমাধান বিচাৰি নোপোৱা প্রশ্নৰ বোজা মগজুত লৈ ডাঃ তামুলী ঘৰ অভিমুখে আগবাঢ়িল।

ইফালে ডাক্তৰৰ চেম্বাৰৰপৰা ওলাই মানুহজন গাড়ীত বহিল। বয়স বাঢ়ি অহাৰ লগে লগে হাত-ভৰিলৈও জঠৰতা আহিছে। দৃষ্টিশক্তিতো ভাটা পৰিছে। বিপৰীত দিশৰপৰা অহা হেডলাইটৰ পোহৰ চশমাত পৰিলে জলক-তবক লাগে। ক'ৰবাত খুন্দা-খুন্দলি মাৰে বুলি পৰিবাৰে তেওঁক ৰাতি গাড়ী চলাবলৈ মানা কৰে। তথাপি তেওঁ গাড়ী চলায়। কিছুমান কাম বিপজ্জনক বুলি জানিও মানুহে এৰাব নোৱাৰে। যেনে সেই ছোৱালীজনীৰ লগত হোৱা সম্পৰ্কটো আৰু তাৰ ফলত সন্মুখীন হোৱা বিষময় পৰিস্থিতিটো।

ঘটি যোৱা ঘটনাবোৰ মানুহজনে লুটিয়াই-বগৰাই চাইছে। এটা সফল জীৱন, এখন সুখী সংসাৰ, তেওঁৰ সাহিত্যিক কৰ্মই পটুৱৈ সমাজৰপৰা আদায় কৰা প্ৰশংসা-বাণী। তথাপি তেওঁৰ বুকুৰ কোনোবা এটা চুক খালি। প্ৰেমৰ সংজ্ঞা কি? প্ৰেম, ভালপোৱা, এই শব্দবোৰ আমাৰ সম্পৰ্কবোৰ বুজিবলৈ আমি যিমান সহজে ব্যৱহাৰ কৰোঁ, সিমানেই কঠিন ইহঁতৰ সঠিক সংজ্ঞা নিৰূপন কৰা। অ'ডিপাচ আৰু ইলেক্ট্ৰা কমপ্লেক্স, এই দুই সূত্ৰই ক'ব খোজে জন্মৰেপৰা ল'ৰা মাকৰ প্ৰতি আৰু ছোৱালী দেউতাকৰ প্ৰতি আকৰ্ষিত হয়। পুৰুষ-নাৰীৰ মনত বিপৰীত লিঙ্গৰ প্ৰতি বাঢ়ি অহা আকৰ্ষণ শৈশৱতে পিতৃ-মাতৃৰ প্ৰতি অনুভৱ কৰা আকৰ্ষণৰে অন্য ৰূপ, যাক সংযত ৰূপ দিয়ে সামাজিক, পাৰিবাৰিক আৰু পাৰিপাৰ্শ্বিক পৰিৱেশে। মানুহজনে ঘটনাবোৰ সেই দুই সূত্ৰৰ পৰিপ্ৰেক্ষিততো বিশ্লেষণ কৰাৰ চেষ্টা কৰিছে। ছোৱালীজনীৰ প্ৰতি তেওঁৰ অন্তৰত যি অনুভৱৰ সৃষ্টি হৈছিল সেয়া কিন্তু সূত্ৰ দুটাই ব্যাখ্যা কৰিব নোৱাৰে। তেনেহ'লে এজন বয়সীয়া মানুহ আৰু এজনী গাভৰু ছোৱালীৰ মাজত প্ৰেমৰ সম্পৰ্ক কেনেকৈ সম্ভৱ হ'ব পাৰে? নে তেওঁলোকৰ মাজৰ সম্পৰ্কটো তেওঁ নিজে সৃষ্টি কৰি লোৱা এক প্ৰহসন?

মানুহজনে গাড়ীখন ৰাস্তাৰ দাঁতিত ৰখাই দিলে। ইঞ্জিন বন্ধ কৰিলে আৰু ষ্টিয়েৰিঙৰ ওপৰত মূৰ থৈ চকুহাল মুদি দিলে। ডাঃ তামুলীৰ লগত কথা হোৱাৰ পাছত তেওঁৰ মন আগতকৈ স্বচ্ছ হৈ পৰা তেওঁ অনুভৱ কৰিছে। যৌনাকাংক্ষা মানুহৰ সহজাত প্ৰবৃত্তি। পৃথিৱীৰ প্ৰায় সকলো ঘটনাই জীৱকুলৰ কেইটামান সহজাত প্ৰবৃত্তিক কেন্দ্ৰ কৰিয়েই ঘটি থাকে। ভোক, পিয়াহ, আপোনপ্ৰীতি আৰু যৌনাকাংক্ষা। যিমানে ভাবিলে সিমানে তেওঁৰ বিশ্বাস দৃঢ় হৈ আহিল। ছোৱালীজনীৰ প্ৰতি তেওঁৰ দুৰ্বলতাৰ কাৰণ এতিয়া তেওঁৰ চকুৰ আগত দাঙি ধৰা আইনা এখনৰ দৰেই স্বচ্ছ হৈ পৰিল। পুৰুষে সদায় আৰু সকলো অৱস্থাতে গুৰুত্ব বিচাৰে, যি আপোনপ্ৰীতিৰে বাহ্যিক ৰূপ। তাইক লগ পোৱাৰ দিনটোলৈ তেওঁৰ মনত পৰিল। তেওঁৰ বয়সে কেতিয়াবাই পঞ্চাশৰ দেওনা পাৰ কৰি গৈছে। অৱসৰৰ দিন বৰ বেছি দূৰত নাই। ল'ৰা-ছোৱালী দুটাই কেতিয়াবাই বাহ এৰি যোৱা চৰাই পোৱালিৰ দৰে নিজা বাহ বিচাৰি ওলাই গৈছে। এদিন তেওঁকে ভাৰসা কৰি ঘৰ এৰি ওলাই অহা জীৱনসংগিনী এতিয়া তেঁৰে দেখুৱাই দিয়া বাটেৰে বহুখিনি আগুৱাই গৈছে। এখোজ, এখোজকৈ মানুহজন পাচ পৰিছে আৰু এটা সময়ত তেওঁলোকৰ মাজৰ ব্যৱধান মানুহজনৰ মনত অনতিক্ৰম্য যেন লগা হৈছে। আৰু কাকতালীয়ভাৱে সেই সময়তে তেওঁৰ জীৱনলৈ তাইৰ প্ৰৱেশ ঘটিছে। অৱশ্যে প্ৰথম চিনাকিতে নহয়।

"ছাৰ, মোক আপুনি চিনি পোৱা নাই?" গ্ৰন্থ উন্মোচনী সভা এখনৰ সন্মুখৰ আসনত মানুহজন সভা আৰম্ভ হোৱালৈ বাট চাই বহি আছিল। তেওঁৰ কাষতে বহি আছিল এগৰাকী লেখিকা। ছোৱালীজনীয়ে লেখিকাগৰাকীৰ লগত কথা পাতিছিল। কথা শেষ কৰাৰ পাছত তাই তেওঁক মাত দিছিল।

"মুখখন চিনাকি যেন লাগিছে। নামটোহে মনত পৰা নাই।" এদিনীয়া চিনাকি মানুহৰ নাম কমেইহে তেওঁৰ মনত থাকে।

"আমাৰ তাত হোৱা গ্ৰন্থমেলাৰ দিনা আপোনাৰ লগত চিনাকি হৈছিলোঁ। আপোনাৰ উপন্যাসখনৰ কথা পাতিছিলোঁ।" ছোৱালীজনীয়ে নামটো কৈ তেওঁৰ স্মৃতিৰ দুৱাৰত টুকুৰিয়ালে।

মনত পৰিল মানুহজনৰ। "কিবা কামত আহিছা?"– তেওঁ সুধিলে। ছোৱালীজনী চকুত লগা নহয়, কিন্তু সপ্ৰতিভ। কিবা এটা আছে তাইৰ ভিতৰত। লেখক মনৰ স্বাভাৱিক চিন্তা।

"আমি বাইদেউক কলেজৰ বছৰেকীয়া অধিৱেশনলৈ নিমন্ত্ৰণ কৰিবলৈ আহিছোঁ। ছোৱালীজনীয়ে উত্তৰ দিলে

আৰু দুয়োকে নমস্কাৰ জনাই সভাকক্ষৰ পৰা ওলাই গ'ল। আৰু কিছুদিন পাছত এটা লেখাৰ মাধ্যমেৰে তাইৰ লগত তেওঁৰ পুনৰ যোগাযোগ হোৱাৰ কাহিনী ডাঃ তামুলীক তেওঁ কৈছে।

আৰু তেনেকৈয়ে ছোৱালীজনী আৰু তেওঁৰ মাজত ব্যৱধান অলপ অলপকৈ কমিবলৈ ধৰিলে, সেই সময়ত, যি সময়ত তেওঁৰ আৰু তেওঁৰ পৰিবাৰৰ মাজৰ ব্যৱধান অলপ অলপকৈ বাঢ়িবলৈ ধৰিছিল।

"তুমি হোষ্টেলত থাকা?" এদিন আবেলি তাই ফোন কৰোঁতে তেওঁ সুধিলে।

"হয় ছাৰ। মই হায়াৰছেকেণ্ডাৰিৰপৰা হোষ্টেলত আছোঁ।"

মানুহজনে মনত ৰাখি থ'লে। এদিন সন্ধিয়া কিবা এটা লিখি থকাৰ মাজতে মানুহজনৰ মনত পৰিল ছোৱালীজনীলৈ। সেই সময়ত কি কৰি আছে জানিবলৈ হেঁপাহ হ'ল।

"ছাৰ! আপুনি ফোন কৰিছে!" তাইৰ মাতত উৎসাহ।

"বেয়া পালানেকি অসময়ত ফোন কৰাৰ কাৰণে?"

"কি কয় ছাৰ! বহুত ভাল পাইছোঁ আপুনি যে ফোন কৰিছে।"

"সঁচা?"

"মিছা কিয় কম?"

মানুহজনৰ মনটো ভাল লাগি গ'ল। "তেনেহ'লে এনে সময়ত কেতিয়াবা ফোন কৰিম। দিনত বৰ ব্যস্ত থাকিব লাগে। দীঘলীয়াকৈ কথা পাতিবলৈ সময় নাথাকে।"

"কৰিব ছাৰ, যেতিয়াই মন যায়।" তাই উত্তৰ দিলে।

"ৰাতি কেই বজাত শোৱা?" মানুহজনৰ আকৰ্ষণ আৰু অলপ বাঢ়িল।

"দেৰি হয়, প্ৰায়েই ১২ বাজি যায়।"

"কি কৰি থাকা ইমান ৰাতিলৈ?" তাইৰ মাতটো তেওঁৰ শুনি থাকিবলৈ মন গ'ল।

"কিবাকিবি পঢ়ি থাকোঁ। আপুনি কিমান দেৰিকৈ শোৱে?"

সাহিত্য-সংস্কৃতি, দেশৰ সমস্যা, কলেজ-ইউনিভাৰ্চিটি, অতীত-বৰ্তমান-ভৱিষ্যতৰ আলোচনাৰ পৰা সিহঁতৰ মাজৰ কথাবোৰ লাহে লাহে আপোনকেন্দ্ৰিক হৈ আহিল। আৰু এদিন কথাৰ মাজতে মানুহজনে কৈ পেলালে তাইলৈ তেওঁৰ বহুত মৰম।

সিটো মূৰৰপৰা খন্তেক কোনো উত্তৰ নাই, মানুহজনে ভাবিলে ছোৱালীজনীয়ে বেয়া পালে।

পাছমুহূৰ্ততে তেওঁৰ আশংকা অমূলক প্ৰমাণ কৰি উত্তৰ আহিল, "থেংক ইউ ছাৰ। আপোনাক মোৰো ভাল লাগে"। তাৰ পাছৰপৰা সিহঁতৰ কথাবোৰ আৰু বেছি আপোনকেন্দ্ৰিক হ'ল। মানুহজনক তাইৰ শৈশৱৰপৰা যৌৱনলৈকে, সকলো বৰ্ণাই গ'ল। সাধাৰণ চাকৰিটোৰে ঘৰখনৰ ছটা প্ৰাণীৰ পেটৰ ভাতকেইটা আৰু গা ঢাকিব পৰাকৈ কাপোৰ কেইখনৰ জোৰা কোনোমতেহে মাৰিব পাৰে দেউতাকে। গাঁওখনৰ কেইবাটাও পৰিয়ালৰ ল'ৰা-ছোৱালী উগ্ৰপন্থী সংগঠনৰ সদস্য হৈছে। তাইৰ নিজৰ পৰিয়ালৰো। নিৰাপত্তা বাহিনীৰ লগত হোৱা সংঘৰ্ষত কোনোবা কোনোবা মৰিছেও। শৈশৱৰ পৰা তাই সন্ত্ৰাসজৰ্জৰিত পৰিৱেশৰ মাজতে ডাঙৰ হৈছে। তাৰ লগতে আছে ভৱিষ্যতৰ চিন্তা। ঘৰখনৰ কোনেও বিশ্ববিদ্যালয়ৰ পদূলি পাৰ হৈ পোৱা নাই। মানুহজনে বুজি পালে। তাইৰ প্ৰতি মানুহজনৰ মৰম বাঢ়ি গ'ল।

"মই অহা মাহত তোমালোকৰ সেইফালে যাম। দুটামান কাম আছে।"

"হয়নেকি? আহক তেতিয়াহলে।" তাই উৎসাহেৰে কোৱা কথাষাৰ শুনি মানুহজনৰ ভাল লাগিল।

"হোষ্টেলতে লগ কৰিম তোমাক।"

"মই আপোনাক ক'ম, ক'ত লগ পাম। আপুনি অহা দিনটো আৰু সময় জনাব।"

কথাবোৰে মানুহজনৰ মগজুত চাকনৈয়াৰ দৰে ঘূলি পকাই আছে। পঢ়ি থকা সৰু চহৰখনৰ গণ্ডীৰ পৰা ওলাই তাই বিশ্ববিদ্যালয় পালে। মানুহজন সেইখন চহৰলৈ বছৰত কেইবাবাৰো যাব লাগে কামৰ খাতিৰত। তাই তেওঁৰ লগত দেখা কৰে।

সৰু চাকৰি এটা পাইছিল তাই। চাকৰিটো ল'লে বিশ্ববিদ্যালয় এৰি যাব লাগিব। তাই তেওঁৰ পৰামৰ্শ বিচাৰিলে।

"তুমি বিদুষী মহিলাৰূপে প্ৰতিষ্ঠিত হোৱাৰ সপোন দেখোঁ মই। নালাগে কৰিব এইটো চাকৰি।"

"মোৰ ঘৰুৱা অৱস্থাৰ কথা তুমি জানা। কামটো কৰিলে ঘৰখনে সকাহ পাব,"– তাই ক'লে।

"দুটা বছৰ বৈ দিয়া। তোমাৰ মেধা আছে। মই আছোঁ তোমাৰ লগত।" মানুহজনে গভীৰ প্ৰত্যয়েৰে ক'লে। তাই চাকৰিটো নল'লে।

সময় গৈ থাকিল। তাই গৱেষণাৰ কাৰণে বৃত্তি পালে। মানুহজন সুখী হ'ল। কিন্তু ক'ৰবাত কিবা এটা হ'ল। তাই আগৰ দৰে মানুহজনৰ লগত যোগাযোগ নকৰা হ'ল। মানুহজনে সুধিলে তাই গৱেষণাৰ কামত ব্যস্ত থকাৰ কথা কয়। অৱশ্যে যেতিয়াই সিহঁতৰ দেখা হয় আগৰ দৰেই তাই মিলা-মিচা, ফুৰা-চকা কৰে। মানুহজনৰ মনত উকমুকাই উঠিব খোজা খোকোজা লগা ভাবটো নোহোৱা হৈ যায়।

"ল'ৰা এজনে বিয়াৰ প্ৰস্তাৱ দিছে।" কথা এটা ক'ব লগা আছিল বুলি আৰম্ভ কৰি কৈ দিয়ে তাই।

এদিন এই দিনটো আহিব বুলি মানুহজনে জানিছিলেই। এক লহমাৰ কাৰণে কিবা এটা হেৰুওৱাৰ বেদনাই তেওঁৰ বুকুখন ভাৰাক্ৰান্ত কৰি তোলে। পিছ মুহূৰ্ততে তেওঁ সেয়া জোকাৰি পেলায়।

"কোন ল'ৰা? কি কৰে? কেতিয়াৰ পৰা জানা তাক?" মানুহজনে একেলগে কেইবাটাও প্ৰশ্ন কৰিলে। তাই উত্তৰ দিলে। তেওঁ আশ্বস্ত নহ'ল ল'ৰাটোৰ বিষয়ে কোৱা কথাখিনি শুনি। কিন্তু যেতিয়া তাই ক'লে যে সিহঁতৰ মাজত এটা বহুদিনীয়া বন্ধুত্বৰ সম্পৰ্ক আছে, তেওঁ আশীৰ্বাদ দিলে। বিয়ালৈ যাব খুজিছিল তেওঁ, তাই বাধা দিলে। তেওঁৰ উপস্থিতিয়ে তাইক মানসিকভাৱে দুৰ্বল কৰি পেলাব। বিয়াৰ দুদিন পাছত তাই দূৰৰ মহানগৰ এখনত স্থায়ীভাৱে থাকিবলৈ গুচি গ'ল।

এমাহ পাছত উপহাৰৰ টোপোলা লৈ তেওঁ সিহঁতৰ দুকোঠলীয়া ভাৰাঘৰ পালেগৈ। নৱবিবাহিত দম্পতীহালে তেওঁক আপ্যায়ন কৰিলে। পিছদিনা দুপৰীয়া তেওঁ দুয়োকে খাবলৈ মাতিলে এখন প্ৰসিদ্ধ হোটেলত। খোৱাৰ পাছত এফালে যাবলৈ তিনিও তেওঁৰ গাড়ীৰ পাছফালৰ ছিটত বহিল।

"মই জুখুভেলীলৈ যাওঁ বুলি ভাবিছোঁ। জানো পাৰোঁনে নোৱাৰোঁ খোজ কাঢ়িব। তিনিবছৰমান আগতে এওঁ গৈছিল গ্ৰুপ এটাৰ লগত তালৈ।" মানুহজনে ন-কইনাজনীৰ ফালে চাই ক'লে।

"ক'ত গ্ৰুপত গৈছিল, মোৰ লগত গৈছিল। আমি দুয়ো গৈছিলোঁ।" ল'ৰাজনে তপৰাই ক'লে। মানুহজনে তেতিয়াও ন-কইনাজনীলৈকে চাই আছিল। তেওঁৰ মেলা মুখ আৰু বেছিকৈ মেল খাই গ'ল।

"কিন্তু এওঁতো কৈছিল গ্ৰুপৰ লগত যোৱাৰ কথা", মানুহজনে কৈ পেলাইছিল।

"আমি দুটা কেইবাঠাইলৈও গৈছোঁ যোৱা কেইবছৰত। এওঁৰ অসুখ হৈ থকা অৱস্থাতো আমি মৌলিনং গৈছোঁ, দাৰ্জিলিঙৰ পাহাৰ বগাইছোঁ।" ন-দৰাই হাঁহি হাঁহি ক'লে।

মানুহজনে যেন নিজৰ কাণ দুখনকে বিশ্বাস নকৰিব। কইনাজনীয়ে গাড়ীৰ খিৰিকীৰে বাহিৰলৈ চাই আছে।

মানুহজনে চকু ঘূৰাই ল'লে। বৰ-কইনাক গন্তব্যস্থানত নমাই দি ড্ৰাইভাৰক ক'লে, "ৱাপচ চলো।" তেওঁৰ মনত চলি থকা ধুমুহাজাকৰ পৰা পৰিত্ৰাণ পাবলৈ 'ৱাপচ চলো'ৰ বিকল্প নাই।

শেষৰাতি তাইৰ মেচেজ আহিল। "বহুদিনৰ পৰা তোমাক ক'ম ক'ম ভাবি আছিলোঁ। তুমি দুখ পাবা বুলি কোৱা নাছিলো। মই তীব্ৰ অন্তৰ্দ্বন্দ্বত ভুগিছিলোঁ। ৰাতি ৰাতি শুব নোৱাৰিছিলোঁ। এওঁৰ আগেতেও আন এজনৰ লগত মোৰ সম্পৰ্ক হৈছিল, নিটিকিল। এওঁৰ প্ৰেমতো মই মজি থকা নাই। বিয়াৰ প্ৰস্তাৱ দিয়াৰ কাৰণে সন্মতি দিছিলোঁ। তোমাক সুধিছিলোঁ। আমাৰ সম্বন্ধটোও অসুবিধাজনক আছিল। মোৰ বয়স বাঢ়িছিল। ঘৰত বিয়াৰ কাৰণে জোৰ দিছিল। তোমাক নোকোৱা কথাবোৰ এতিয়া তুমি গম পালা। এওঁৰ লগত মই কেইবা ঠাইলৈ গৈছিলোঁ। একেলগে আছিলোঁ। জানিব খুজিছিলোঁ আমি স্বামী-স্ত্ৰী হৈ থাকিব পাৰিমনে নাই। এটা কম্প্ৰমাইজ। এওঁ ভাল ল'ৰা। আকৰ্ষণহীন জীৱন এটাৰ কাৰণে প্ৰস্তুত হৈ আহিছোঁ। তোমাৰ সংসাৰ আছে। তুমি পাৰিবা। আগতেও তোমাৰ আনৰ লগত সম্পৰ্ক আছিল, মই থাকোঁতেও আছিল। মই জানিছিলোঁ। আচলতে এইটো 'ইনএভিটেবলে'ই আছিল।"

মানুহজনে মেচেজটো কেইবাবাৰো পঢ়িলে। ক'তো এটা শব্দও নাই ইমান বছৰ আভুৱা ভৰাৰ কাৰণে দুখ প্ৰকাশ কৰাৰ। ধৰা পৰি যোৱাৰ পাছত অকপটে স্বীকাৰ কৰিছে, এইজনৰ বাহিৰে আনৰ লগতো সম্পৰ্ক কৰিছে। তাইক লগ পোৱাৰ আগতে তেওঁৰো আন মহিলাৰ লগত সম্পৰ্ক হৈছিল। কিন্তু পিছৰখিনি মিছা অভিযোগ। হয়তো তাইৰ নিজক শুদ্ধ বুলি প্ৰত্যয় নিওৱাৰ চেষ্টা। মানুহজনে আগতেই কৈছিল, "যেতিয়াই কাৰোবাক তোমাৰ ভাল লাগে কৈ দিবা।"

মানুহজনে লিখিলে, "তোমাক কেৱল প্ৰেমিকাৰ ৰূপত চোৱা নাছিলোঁ। ক'ব নোৱৰাকৈয়ে তোমাৰ প্ৰেমিক পিতৃ হৈ পৰিছিলোঁ। তুমি জানিছিলা। মোক মুকলিকৈ কৈ দিয়াহেঁতেনো আমাৰ মাজৰ সম্পৰ্কত ঘৃণ নালাগিলহেঁতেন। মোৰ লগত সম্পৰ্ক কৰাৰ সময়তো তোমাৰ আগৰ প্ৰেমিকে বিয়াৰ প্ৰস্তাৱ দিছিল। মই আপত্তি কৰা নাছিলোঁ। তুমি মিছলীয়া, সুবিধাবাদী আৰু প্ৰতাৰক।" টেক্সটো পঠিয়াই দি মানুহজন বিছনাত পৰিল। ভাবিছিল শান্তি পাব, কিন্তু শান্তি ক'ত? বালিৰ পাহাৰত পৰি শুকাই যোৱা পানীৰ টোপাল এটা।

"মই যদি মিথ্যাবাদী, প্ৰতাৰক, তই কি? মোক ৰক্ষিতা কৰি ৰাখিব খুজিছিলি? তই এটা বিকৃত যৌন মানসিকতাৰ বেয়া মানুহ। ঘিণ কৰোঁ তোক মই।" পাছদিনা দুপৰীয়া আহিল তাইৰ মেচেজ। তাৰ পাছত আৰু কেইবাটাও। এনে কোনো অশ্লীল আৰু অভব্য শব্দ নাই যাক তাই ব্যৱহাৰ কৰা নাই। মানুহজনে উত্তৰ নিদিলে। মেচেজবোৰ মচি গ'ল। তাইৰ নম্বৰ ব্লক কৰিলে। ফটোবোৰ মোহাৰি পেলালে। কিন্তু তাইৰ অভব্য আৰু অশ্লীল শব্দবোৰ তেওঁৰ মনত শিলত কটা আখৰৰ দৰে বহি গ'ল। মানুহ চিনিব নোৱৰাৰ ব্যৰ্থতাই তেওঁক নিজৰ ওপৰত থকা বিশ্বাস খহনীয়াই পোৱা নৈৰ গৰাৰ দৰে খহাই পেলালে।

ইতিমধ্যে ডাঃ তামুলীৰ লগত পাঁচটা চেচন তেওঁ সম্পূৰ্ণ কৰিছে। সকলো কথা উজাৰি কৈছে। মনটো পাতল লাগিছে তেওঁৰ। কিন্তু যিমানে মনটো পাতল লাগি আহিছে, সিমানে কিবা এটা কৰাৰ বাসনা জাগি উঠিছে। কি কৰিব পাৰে তেওঁ? দহটা বছৰ তাই তেওঁৰ চকুত ধূলি দি অভিনয় কৰি গ'ল। তেওঁ ঘূণাক্ষৰেও উমান নাপালে। কিবা এটা কৰিব লাগিব। কিন্তু কৰিব কি? তাই তেওঁক বিকৃত যৌন মানসিকতাৰ লোক বুলি নিন্দা কৰিছে, তেওঁ উত্তৰ দিয়া নাই। সঁচাকৈয়ে কি তেওঁ বিকৃত যৌন মানসিকতাৰ ৰোগী? তেওঁ বিবাহিত, বয়স হৈছে তেওঁৰ । সেইবুলিয়েই আন কাকো তেওঁ ভাল পাব নোৱাৰেনে?

মানুহজনে ডাঃ তামুলীক সুধিলে এইবোৰ প্ৰশ্ন। তামুলীয়ে উত্তৰ দিয়া নাই। কিতাপ পঢ়ি অৰ্জন কৰা জ্ঞান, নিজৰ জীৱনত হোৱা অভিজ্ঞতা আৰু ডাঃ তামুলীৰ লগত পতা কথা-বতৰাৰপৰা তেওঁ উপলব্ধি কৰিছে, মানুহৰ প্ৰেম-প্ৰীতি, যৌনাকাংক্ষা বয়সৰ হাত ধৰি কমি বা বাঢ়ি নাযায়, আজন্ম মানুহৰ মনত সোমাই থাকে। যিকোনো সময়তে, যিকোনো স্থানতে, পাত্ৰ-অপাত্ৰৰ বিচাৰ অবিহনেই সেয়া জাগি উঠিব পাৰে। সভ্য মানুহে কেৱল সিহঁতক লেকাম লগাই ৰাখিব পাৰে, ৰাখে। নহ'লে পাৰিবাৰিক শান্তি, সামাজিক সন্তুলন, পাৰস্পৰিক সন্মান আৰু মিলাপ্ৰীতি, প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। ছোৱালীজনীৰ লগত গঢ়ি তোলা সম্পৰ্কটোৱে তেওঁৰ জীৱনতো অশান্তিৰ সৃষ্টি কৰিছে, সামাজিক প্ৰতিষ্ঠালৈ ভাবুকি আনিছে। হিংসা, ঘৃণা, জিঘাংসাৰ দৰে অশুভ অনুভূতিবোৰে তেওঁৰ মনোজগত দখল কৰিছে। 'ইমানদিনে তুমিয়ে মোৰ শেষ আশ্ৰয় হৈ আছা। মই অকৃতজ্ঞ নহয়। আমাৰ মৰমৰ এনাজৰী চিৰকলীয়া', বিয়াৰ পাছতো এইদৰে মেচেজ দিয়া ছোৱালীজনীৰ মুখত 'তই এটা বিকৃত যৌন মানসিকতাৰ বিকাৰগ্ৰস্ত লোক, তোক মই ঘিণ কৰোঁ', এনেধৰণৰ কথা সেইকাৰণেই ওলাইছে।

"হেৰি আপুনি ইয়াত কি কৰিছে?" গাড়ীৰ আইনাত পৰা টোকৰ শুনি মানুহজনে মূৰ তুলি চালে। পুলিচৰ পোছাক পিন্ধা মানুহ এজন খিৰিকীৰ সিপাৰে থিয় হৈ আছে।

মানুহজনে ইফালে ইফালে চালে। চাৰিওফালে ঘোপমৰা এন্ধাৰ। ঘাইপথেৰে চলি থকা যানবাহনৰ হেডলাইটৰ পোহৰে ডাঠ এন্ধাৰ ক্ষণে ক্ষণে বিদাৰি নিছে। এছাটি পোহৰ গাড়ীৰ ভিতৰতো পৰিল। ডেচবৰ্ডত থকা ঘড়ীৰ কাঁটা শেষ নিশাৰ সংকেত দি ৪ সংখ্যাটোৰ ওপৰত অৱস্থান কৰিছে। উচপ খাই উঠিল মানুহজন। সন্ধিয়া ৮ বজাতে ডাঃ তামুলীৰ চেম্বাৰৰ পৰা তেওঁ ওলাই আহিছিল। পুৰা আঠঘণ্টা তেওঁ গাড়ীৰ ভিতৰতে বহি আছে। ভোক-পিয়াহে তেওঁক আমনি কৰা নাই। কি হৈছে তেওঁৰ?

"হেৰি শুনিছেনে? নামক গাড়ীৰ পৰা।" চিপাহীজনে আগতকৈ হুটা মাতেৰে ক'লে

"ভৰিত শিৰামূৰিয়ে ধৰিছে। মই থিয় হ'ব পৰা নাই।" মানুহজনে দুৱাৰখন খুলি কোনোমতে ক'লে।

"ভৰি দুটা লৰচৰ কৰি থাকক। ভাল হৈ যাব। কিমান সময় বহি আছিল আপুনি?" পাৰ হৈ যোৱা গাড়ীৰ লাইটৰ পোহৰত মানুহজনৰ বয়সে আঁচুৰি যোৱা মুখ আৰু আধাপকা চুলিখিনি দেখি চিপাহীজনৰো মন কুমলিল।

"বহু সময় হ'ল। সন্ধিয়া ৮ বজাৰ পাছতে গাড়ী চলাই ইয়ালৈ অহা মনত আছে।" মানুহজনে কওঁ নকওঁকৈ ক'লে। "আপুনি খিৰিকীত টুকুৰিয়াই মাত নিদিয়ালৈ কিবাকিবি চিন্তা

কিছুমানে মনটো খেলিমেলি লগাই আছিল।”

চিপাহীজনে আকাশৰ ফালে চালে। পূবৰ আকাশে ফেঁহুজালি দিছে। তেওঁৰ ডিউটিৰ সময় শেষ হ'বলৈ বেছি পৰ নাই।

“লাইচেন্সখন দিয়ক।” মানুহজনে সোঁ পকেটত থকা মানিবেগটোৰ পৰা ড্ৰাইভিং লাইচেন্সখন উলিয়াই দিলে। চিপাহীজনে মোবাইলৰ কেমেৰাৰে সেইখনৰ ফটো তুলি ৰাখিলে।

“আপুনি বেছ দূৰ পালেহি। উভতি যাব পাৰিব?” চিপাহীজনে সুধিলে।

“পাৰিম”, মানুহজনে ক'লে।

“আপোনাৰ ফোনৰপৰা মোৰ নম্বৰটো লগাওক”।

মানুহজনে মোবাইল উলিয়াই চিপাহীজনৰ নম্বৰটো ডায়েল কৰিলে। চিপাহীজনে ড্ৰাইভিং লাইচেন্সত থকা নম্বৰৰ লগত মিলাই চালে।

মানুহজনে ষ্টাৰ্ট বাটনটো দবাই গাড়ীখন ষ্টাৰ্ট কৰিলে। বন্ধ খিৰিকীৰ বাধা নেওচি সোমাই অহা ইঞ্জনৰ গুমগুমনিয়ে তেওঁক চিনাকি পৃথিৰীখনলৈ ওভতাই আনিলে। উঠি অহা বেলিৰ ৰাঙলী আভাই পূবৰ আকাশ ৰাঙলী কৰি তুলিছে। তেওঁৰ মন এন্ধাৰ কৰি ৰখা ডাৰৰবোৰ লাহে লাহে আঁতৰি যাবলৈ আৰম্ভ কৰা মানুহজনে অনুভৱ কৰিলে। কোনো বিকৃত যৌন মানসিকতা তেওঁৰ নাই। নাৰী-পুৰুষৰ পাৰস্পৰিক আকৰ্ষণ স্বাভাৱিক প্ৰবৃত্তি। হ'ব পাৰে তেওঁৰ বয়সে ভাটি দিছে। হ'ব পাৰে তেওঁ বিবাহিত, দুটাকৈ সন্তানৰ পিতৃ, সমাজৰ প্ৰতিষ্ঠিত ব্যক্তি। পত্নীৰ প্ৰতি তেওঁ এতিয়াও অনুৰক্ত। পিতৃত্ব তেওঁৰ গৌৰৱ। তথাপি তাইৰ প্ৰতি তেওঁ আকৰ্ষিত হৈছিল। তাৰ বাবে তেওঁৰ খেদ নাই। এন্ধাৰ আঁতৰি যোৱা উজ্জ্বল, ফটফটীয়া আকাশখনৰ দৰেই তেওঁৰ মনৰ আকাশো এতিয়া ফটফটীয়া, উজ্জ্বল। তাইৰ প্ৰতি তেওঁৰ মৰমত কলুষ নাছিল, নাছিল কিবা পোৱাৰ বাসনা। অন্তৰখন উদঙাই দিছিল তাইৰ আগত। তাৰ বাবে কাৰোবাৰ ওচৰত জবাবদিহি কৰাৰ কি প্ৰয়োজন?

তেওঁ গাড়ীখন ঘূৰাই ল'লে। চাৰিলেনযুক্ত নতুন পথেৰে গাড়ীখন চলাই যাওঁতে মানুহজনে ভাবিলে, সন্ধিয়া ডাঃ তামুলীক ধন্যবাদ জনাবলৈ যাব লাগিব।

●



# অবিৰত যাত্ৰা

**ৰাতুল বৰুৱা**

ঘৰৰ সন্মুখৰ সৰু লনখনত দুয়ো মুখামুখিকৈ বহিলো। আচলতে দুয়ো ড্ৰয়িংৰুমতে বহিছিলো প্ৰথমে। অক্টোবৰ মাহ, পাতলীয়াকৈ ঠাণ্ডা নামিছে, বেলিটো মাৰ যাবলৈ বেছ কিছুসময় আছে। এটা উত্তাপভৰা শীতৰ আবেলি। প্ৰস্তাৱটো তেৰেঁই দিলে লনত বহাৰ। শিল্পী মানুহ, পৰিৱেশ বাছি ল'ব জানে। ময়ো ভালেই পালো। মুকলিমনে কথা পাতিব পাৰিম। কিছু লৰচৰ কৰি এটা আৰামদায়ক অৱস্থালৈ আহি ময়েই আৰম্ভ কৰিলো– 'ভবা নাছিলো, আপোনাক এনেদৰে লগ পাম বুলি। তাকো মোৰ ঘৰত। তেওঁৰ মুখত উজ্জ্বল হাঁহি এটা বিয়পি পৰিল– 'নাই, নাই, কিটো আছে। হাতত সময় আছিল। ভাবিলো তোমাক লগ পাই কথা পাতো। এয়াই'– আচলতে তেওঁ মোৰ মনৰ ভাব বুজা নাই। কিমান উত্তেজিত হৈছো মই। আগতে জনা হ'লে কথা কিছুমান জুকিয়াই থব পাৰিলোহেঁতেন। এতিয়া ক'ৰ পৰা আৰম্ভ কৰো। ক'ব নোৱৰাকৈয়ে সৰু টেবুলখনত থৈ দিয়া নোটবুকখন আৰু কলমটো হাতত তুলি ল'লো। 'এহ, তুমি কি মোৰ ইণ্টাৰভিউ ল'বা নেকি? মই সাজু হৈ অহা নাই নহয়। তোমাৰ ঘৰলৈ আহিছো চাহ একাপ খাই কথা পাতিবলৈ আৰু তুমি সাজু হৈছা মোৰ ইণ্টাৰভিউ ল'বলৈ।' তেওঁ সশব্দে হাঁহি উঠিল। ময়ো হাঁহিত যোগ দিলো। 'নাই নাই আজিকালি কথা কিছুমান পাহৰি যাওঁ, সেইকাৰণেহে নোটবুক আৰু কলমৰ ব্যৱস্থা। ইণ্টাৰভিউ, চিণ্টাৰভিউ নহয়।' পৰিস্থিতিটো পাতল কৰিবলৈ কিছু চেষ্টা কৰিলো। 'হয়, বয়স বঢ়াৰ লগে লগে কথাবোৰ পাহৰি যোৱা যায়।' তেওঁ মোক আশ্বস্ত কৰাৰ চেষ্টা কৰিলে। 'কেতিয়াবা নষ্টালজিয়া হয়নে?' ময়েই আৰম্ভ কৰিলো। 'ত্ৰিশৰ দশকৰ হাতীচোং কোচৰগাঁও। তাৰ পাছত সুদীৰ্ঘ জীৱন পৰিক্ৰমা আৰু আজি এজন দেশৰ আগশাৰীৰ সফল চিত্ৰশিল্পী। বৰ বৰ্ণিল নহয়নে এই যাত্ৰাপথ?'

'হয়',– তেওঁ মৃদুভাৱে মূৰ দুপিয়ালে। 'মোৰ ছবি অঁকাৰ আনুষ্ঠানিক কোনো শিক্ষা নাছিল– এয়া কোনোৱে বিশ্বাস নকৰিব, কিন্তু সেয়াই সঁচা। স্কুলত পঢ়ি আছিলো

তলৰ শ্ৰেণীত। তেতিয়াই ছবি অঁকাৰ হেঁপাহ এটাই মনৰ নিভৃত কোণ এটাত থিতাপি লৈছিল। আৰু সেই হেঁপাহটোক সজীৱ কৰি ৰখাত সাৰ পানী যোগাইছিল মাতৃ সাবিত্ৰীয়ে। সেয়েহে, মোৰ প্ৰতিখন ছবিৰ পিছফালে প্ৰথমেই লিখি লওঁ- মা সাবিত্ৰী। তাৰ পাছতহে ছবিখনত হাত দিওঁ।'

'সঁচা'- মোৰ মুখৰপৰা কিবা যেন বিৰবিৰকৈ ওলাল। তেওঁ হাঁহিলে- 'আৰু কি জানা। মোৰ দেউতাই এই ছবি অঁকা কামটো পচন্দ কৰা নাছিল। কেতিয়াবা ছবি আঁকি থাকোঁতে দেউতা সেইফালে আহি থকা দেখিলে মাই সতৰ্ক কৰি দিছিলে- 'দেউতাৰ আহি আছে, বন্ধ কৰ।'

দুয়ো একেলগে হাঁহিলো। 'কিন্তু তাৰ মাজতো আপোনাৰ ছবি অঁকা চলি থাকিল নহয়নে? মোৰ ছবি অঁকা ছয়াময়া এই দৃশ্যবোৰ এখন ডিটেকটিভ কথাছবিৰ অংশ যেনেই লাগিব তোমাৰ।'

'অলপ আগবাঢ়কচোন'- মই পুনৰ উনুকিয়ালো। 'অ শুনা– মই তেতিয়া অষ্টম শ্ৰেণীত। এদিন স্কুলৰ হেড্মাষ্টৰে মোক মাতি পঠিয়ালে। কিয়বা মাতিছে বুলি কিছু ভীতিগ্ৰস্ত হৈ তেওঁৰ সন্মুখত থিয় দিলত তেওঁ একো প্ৰস্তাৱনা নকৰি কৈ উঠিল— 'তই এইবাৰ সৰস্বতী পূজাৰ প্ৰতিমাজনা সাজিব লাগিব।' মইতো হতবাক। গাঁৱৰ চাৰিওদিশৰ প্ৰাকৃতিক দৃশ্যৰাজি, চকুত পৰা ইটো সিটো বিষয়বস্তুক লৈ ছবি কিছুমান আঁকিছো। কিন্তু প্ৰতিমা সজাৰ কামটো কেতিয়াও কৰা নাই। কিছু সাহ গোটাই হেডমাষ্টৰক ক'লো- 'ছাৰ, মইতো কেতিয়াও প্ৰতিমা সজা নাই।' হেডমাষ্টৰে এইবাৰ পোনপটীয়াকৈ মোলৈ দৃষ্টি নিক্ষেপ কৰি কাঢ়া হুকুম দিলে- 'কোনো কথা নাই, তই প্ৰতিমা সাজিবই লাগিব।'

'বৰ ইন্টাৰেষ্টিং, তাৰ পাছত?' চকীখনত তেওঁ কিছু লৰিচৰি বহিল। 'হয়, বেছ ইন্টাৰেষ্টিং আৰু কিছু নাটকীয়ও নহয় জানো।' মই মূৰ দুপিয়ালো। সেইদিনা যে হেডমাষ্টৰৰ কমৰপৰা মূৰত ধুমুহা এটা লৈ ওলাই আহিলো ৰাতি টোপনি নাহিল। বহু কথাই মনলৈ আহিল। পাৰিমনে, পাৰিমনে? এইদৰে ভাবিলেই হেডমাষ্টৰৰ মুখখনে দেখা দিয়েহি- 'তই প্ৰতিমা সাজিবই লাগিব।'

'তাৰ পাছত'। মোক কিছু উদগ্ৰীৱ হোৱা দেখা পাই তেওঁ ক'লে -'এটা সিদ্ধান্ত লৈ পেলালো- যিকোনো কষ্টৰ বিনিময়ত প্ৰতিমাখন মই সাজিমেই। কি জানা? আমাৰ স্কুলৰ প্ৰতিমাখন, পাল উপাধিৰ এজন ব্যক্তিয়ে সাজিছিল। মই বাটকুৰি বাই কেবাদিনো তেওঁৰ ওচৰলৈ গ'লো, প্ৰতিমা সজাৰ সম্যক কিছু জ্ঞান অৰ্জন কৰিলো। এই ক্ষুদ্ৰ জ্ঞানেৰেই প্ৰতিমা সজাৰ কাম আৰম্ভ কৰিলো আৰু ৰং তুলিকা বোলাই যিদিনা শেষ কৰিলো সকলোৱে মন্তব্য দিলে প্ৰতিমা পাল বাবুতকৈ ভাল হৈছে। সেইটো এটা মোৰ বাবে বৰ ডাঙৰ স্বীকৃতি আছিল বুজিছা।' 'নিঃসন্দেহে। অন্তৰত শিল্পীসত্তাৰ ফল্গুধাৰা বৈ থকাৰ বাবেহে এই কাম সফল হ'ল। আপোনাৰ একাগ্ৰতা আৰু কৈশোৰতে কঠোৰ শ্ৰম কৰাৰ ফচল আজি আমি পাইছো।' মই কিছু আৱেগিক হৈ পৰিলো। দুয়ো কিছু সময় নীৰৱে ৰ'লো। হয়তো ল'ৰালিৰ বহু কথাই তেওঁক জুমুৰি দি ধৰিছিল।

এইবাৰ তেওঁ নিজেই আৰম্ভ কৰিলে-'তুমি নষ্টালজিয়াৰ কথা কৈছা নহয়! শুনা, ল'ৰালি কালটো সকলোৰে প্ৰিয়, মোৰো। প্ৰায়ে ল'ৰালিলৈ উভতি যাব খোজো। মোৰ বহুতো বন্ধু আছিল। সিহঁতে মোক বিশ্বকৰ্মা নাম দিছিল। কাৰণ মই সেই কম বয়সতে বহুতো ড্ৰয়িং কৰিছিলো, পেইণ্টিং বুলি নকওঁ। কাৰণ আচল পেইণ্টিং মই তেতিয়া আৰম্ভই কৰা নাছিলো। ৰভা মণ্ডপ আদি সজাই ছিলো, গাঁৱত ভাওনা, নাটক আদি হ'লে ভাৱৰীয়াসকলৰ মেকআপ কৰি দিছিলো, ইত্যাদি। সিহঁতৰ মনত মই সকলো পাৰো। সেয়েহে বিশ্বকৰ্মা। আৰু কি জানা- মোৰ এজন শিক্ষকে এবাৰ এটা চাইনিজ চিএগ্ৰাহীৰ বটল উপহাৰ দিলে। তেতিয়ালৈকে মই ক'লা চিএগ্ৰাহীৰে একো অঁকা নাছিলো। সেন্দূৰ ব্যৱহাৰ কৰিছিলো, ওচৰৰ ডিচপেনচেৰীৰপৰা হালধীয়া ৰঙৰ কুইনাইন টেবলেট আনি ৰং বনাইছিলো। সেইবোৰ নীলা চিএগ্ৰাহীৰ লগত মিলাই সেউজীয়া ৰং উলিয়াইছিলো। কিন্তু ৰাতুল, তোমাক কৈ থলো- সেইযে ছাৰজনে মোক ক'লা চিএগ্ৰাহীৰ বটলটো উপহাৰ দিছিল সেইটোৱেই মই আজিলৈকে পোৱা উপহাৰ সমূহৰ ভিতৰত শ্ৰেষ্ঠ বুলি ক'ব খোজো।'

বুজিলো, তেওঁৰ মনৰ দুৱাৰখন ভালকৈয়ে খোল খাইছে। মই মাজত একো নামাতিলো। তেওঁ একমনে কৈ গ'ল। 'এটা সময়ত খুউব ভালকৈয়ে মেট্ৰিক পাছ কৰিলো। মই কলা শাখাত নামভৰ্তি কৰিব খুজিছিলো। কিন্তু দেউতাৰ বাধা আছিল। তেওঁৰ মতে বিজ্ঞান শাখাত ভৰ্তি হৈ ইণ্টাৰমিডিয়েট পঢ়িব লাগে। উপায়বিহীন হৈ ইণ্টাৰমিডিয়েট বিজ্ঞান পঢ়িবলৈ কটন কলেজলৈ আহিলোঁ। কলেজৰ হোষ্টেলত আছিলো।

এদিন পানবজাৰলৈ গ'লো আৰু অইল পেষ্টেলৰ

সন্ধানত নামিলো। শেষত এখন দোকানত বহুদিন বিক্ৰী নোযোৱা বাকচ এটা পালো। হোষ্টেললৈ ঘূৰি আহি বাকচটো খুলি দেখিলো ৰংবোৰ প্ৰায় শুকাই গৈছে। কি কৰিম কি নকৰিম দোধোৰ-মোধোৰ অৱস্থাত পৰি এটা বগা ৰঙৰ এনামেল পেইণ্টৰ টেমা কিনি আনি যি অলপ ৰং পেষ্টেলৰ কাবচটোত পালো সেয়া বগা এনামেলৰ লগত মিহলাই কাম আৰম্ভ কৰিলো কাগজত। কেনভাচত নহয়। তেতিয়ালৈকে মই কেনভাচ দেখাই নাই। এদিন সেই দোকানখনলৈকে কেনভাচ বিচাৰি গ'লো। দোকানীয়ে ক'লে তেওঁলোকে কেনভাচ বিক্ৰী নকৰে। পিছে এটা উপায় বিচাৰি উলিয়ালো। আমাৰ হোষ্টেলৰ কাষতে এটা মটৰ গেৰেজ আছিল। তাৈলৈ গৈ মালিকৰ পৰা জীপ আদি গাড়ীৰ হুড হিচাপে ব্যৱহাৰ কৰা টাৰপ'লিনৰ ২X২ ফুটৰ টুকুৰা এটা বিচাৰিলো। গেৰেজৰ মালিক আচৰিত হ'ল- তুমি ২X২ ফুটৰ টুকুৰাটোৰে কি কৰিবা? মই বিশদ ব্যাখ্যা নকৰি- এহ দিয়কচোন বাৰু বুলি উত্তৰ দি টুকুৰাটো আনিলো আৰু তাতেই ধোঁৱা ধোঁৱা যেন ৰঙেৰে ছবি এখন আকিঁলো। অইল পেইণ্টিঙৰ আৰম্ভণি আছিল সেয়াই।' তেওঁৰ খোলা হাঁহিত ময়ো যোগ দিলো।

দুয়োজনৰ কথাবাৰ্তা ইমান জমি উঠিছিল যে কেতিয়ানো সন্ধিয়া নামি আহিল গমেই পোৱা নাছিলো। যেতিয়া দুয়োৰে মুখ কিছু অস্পষ্ট হৈ পৰিল, বুজিলো সেইদিনালৈ আমাৰ কথা-বাৰ্তা শেষ কৰিবৰ হ'ল।

জলযোগৰ পাছত তেওঁ বেছ সহৃদয়তাৰে বিদায় ল'লে অতি সোনকালেই পুনৰ লগপোৱাৰ প্ৰতিশ্ৰুতিৰে। পদুলিমূৰলৈকে তেওঁক মই আৰু পৰিবাৰ বেবীয়ে আগবঢ়াই দিলো। গাড়ীৰ খবৰ লোৱাত তেওঁ চিটিবাছত অহা বুলি ক'লে আৰু যাওঁতে খোজকাঢ়িয়েই যাম বুলি জনালে। মই গাড়ীৰে থৈ আহিম বুলি কোৱাত সেয়া পোনাছাটেই নাকচ কৰিলে। দীঘল দীঘল খোজ দি ঋজু দেহৰ মানুহগৰাকী গুচি গ'ল। আমি তন্ময় হৈ চাই থাকিলো, তেওঁ আন্ধাৰত মিলি নোযোৱালৈকে।

ইয়াৰ কিছুদিন পাছতে এখন সভাত ড° বৰা ছাৰক লগ পালো। কথা প্ৰসঙ্গত তেওঁৰ কথা ওলাল। এমুখ হাঁহি বিৰিঙাই বৰা ছাৰে ক'লে- 'তেওঁক কেনে লাগিল তোমাৰ? আমি দুয়ো একে ঠাইৰে, বয়সত মোতকৈ দুবছৰমান সৰু যদিও কলেজত পঢ়ি থাকোঁতে বন্ধত সিহঁতক স্কুলৰ ওপৰ শ্ৰেণীত পঢ়াইছিলো কেইদিনমান। সেই হিচাপত মোৰ ছাত্ৰ। কিন্তু কি জানা- তেওঁৰ বন্ধুত্ব মই বৰ উপভোগ কৰো। চিত্ৰশিল্পী হিচাপে দেশ বিদেশত প্ৰচুৰ খ্যাতি লাভ কৰিছে। চিত্ৰসমূহৰ ওপৰত বহু বিশ্ববিদ্যালয়ত গৱেষণা হৈছে অথচ আমাৰ অসম মূলুকত বহুতে চিনি নাপায়। বাৰু যি কি নহওক, তোমাৰ লগত অন্তৰঙ্গভাৱে কথা পাতিছে যেতিয়া ছবিবোৰৰ ওপৰত বিশেষভাৱে কথা পাতিবা। মই কৃষি বিশ্ববিদ্যালয়ত কাম কৰি থাকোঁতে তেওঁৰো যোৰহাটতে গেৰিছন ইঞ্জিনিয়াৰ হিচাপে পোষ্টিং আছিল। বহুদিন তেওঁৰ কোৱাৰ্টাৰলৈ গৈছো, ছবিসমুহ চাইছো আৰু ভৰা মন এটা লৈ উভতি আহিছো। তেতিয়াই অনুভৱ হৈছিল তেওঁৰ ছবিয়ে কদৰ পাব দেশতে নহয়, বিদেশতো।' ড° বৰা ছাৰৰ কথাখিনিয়ে মনত প্ৰায়ে দোলা দি থাকে।

সময় বাগৰিল। অতি সোনকালে লগ পোৱাৰ কথা আছিল যদিও সেয়া হৈ নুঠিল। ইয়াৰ ভিতৰত চৰকাৰী কামত দিল্লীলৈ কেইবাবাৰো গৈছো যদিও সময়ৰ নাটনিত নয়দালৈ গৈ তেওঁৰ নতুন সৃষ্টিসমূহ চাব পৰাগৈ নাই। তেঁৱো দুই এবাৰ কম সময়ৰ বাবে গুৱাহাটীলৈ আহিছে যদিও একেই অজুহাতত লগ পোৱাতো সম্ভৱ হোৱা নাই। যোগাযোগৰ মাধ্যম কেৱল ফোনটো।

ছেগা-চোৰোকাকৈ ফোনত কথা পাতিয়েই বৈচিত্ৰ্যৰে ভৰা তেওঁৰ জীৱনটোৰ উমান পালো। দেউতাকৰ নিৰ্দেশত কলা শাখাত নপঢ়ি বিজ্ঞান শাখাত ইণ্টাৰমিডিয়েট পঢ়া ল'ৰাটো পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হৈ তেতিয়াৰ ব'ম্বাইৰ জে জে কলেজ অফ্ আৰ্টচত পঢ়িবলৈ গ'ল। মাহেকীয়া বৃত্তিও লাভ কৰিলে। ডেৰ মাহ পঢ়াৰ পাছত একেদিনাই তেওঁলৈ দেউতাকৰ তিনিখন টেলিগ্ৰাম— 'শীঘ্ৰে উভতি আহি ইঞ্জিনিয়াৰিঙত নাম ভৰ্তি কৰোৱাহি।' নিৰাশ মনেৰে উভতি আহি চিভিল ইঞ্জিনিয়াৰিং পঢ়ি এদিন ডিগ্ৰী লৈ আনুষ্ঠানিক শিক্ষা শেষ কৰিলে আৰু অসম বিদ্যুৎ পৰিষদত চাকৰিত সোমাল। ছমাহ চাকৰি কৰিয়েই তেওঁৰ আমনি লাগিল পৰিষদত। সেই সময়তে চীন আৰু ভাৰতৰ সংঘৰ্ষ আৰম্ভ হৈছে আৰু সৈন্যবাহিনীয়ে ইঞ্জিনিয়াৰ মকৰলৰ বাবে দিয়া বিজ্ঞাপনত সঁহাৰি দি নিয়মৰ মাজেৰে এদিন কমিছনড্ অফিচাৰ হিচাপে ভাৰতীয় সৈন্যবাহিনীত যোগদান কৰিলে ১৯৬৩ চনত।

এইবোৰৰ শেষত যেতিয়া তেওঁৰ কলকাতাত পোষ্টিং হ'ল তেতিয়াই পূৰ্ণ পৰ্য্যায়ত কেনভাচত অইল পেইণ্টিং কৰাৰ যাত্ৰা আৰম্ভ হ'ল। সৈন্যবাহিনীৰ বিষয়াবৰ্গই তেওঁৰ এই ছবি অঁকা কাৰ্য্যক প্ৰথমতে দেওবৰীয়া বিনোদন বুলিহে গণ্য

কৰিছিল। ছিৰিয়াছলি লোৱা নাছিল। তেওঁৰ প্ৰথম আনুষ্ঠানিক চিত্ৰ প্ৰদৰ্শনীৰ পাছতহে সেইসকলে তেওঁক ছিৰিয়াছ চিত্ৰশিল্পীৰ মৰ্য্যাদা দিলে। এইকথা হাঁহি হাঁহিয়েই তেওঁ মোক এবাৰ ফোনতে কৈছিল।

দৰ্শন আৰু সংস্কৃতত তেওঁৰ আছে গভীৰ অধ্যয়ন আৰু সেয়া তেওঁৰ ছবিসমূহত ভালকৈয়ে পৰিস্ফুট হৈছে। এলবাৰ্ট কামুৱে কৈছিল-- 'জানো, মোৰ মাজত সম্ভাৱনা আছে। কিন্তু কোন ঠাইত সেয়া লুকাই আছে সেয়াহে নাজানো।' কিন্তু বাল্যকালতে তেওঁ সম্ভাৱনা লুকাই থকা ভাণ্ডাৰটো বিচাৰি পাইছিল। কলুষমুক্ত, সজীৱ আৰু অন্তৰত প্ৰৱাহিত হৈ থকা সৰলতা হৈছে ছবিসমূহৰ মূল উপজীব্য। সূক্ষ্ম দৃষ্টি আৰু সৃষ্টিশীল দক্ষতাই গাঁঠিছে তেওঁৰ কলা সৃষ্টিসমূহৰ অন্তৰ্ভেদী কাৰুশিল্প। চৌপাশৰ বাস্তৱক নিজস্ব ভাবভঙ্গীৰে অঙ্কন কৰাটোতে লুকাই আছে তেওঁৰ অননুকৰণীয় শিল্পসত্তা। বহল অৰ্থত তেওঁৰ চিত্ৰকলাক ক'ব পাৰি 'ফিগাৰেটিভ এবচ্‌ট্ৰেক্ট' বুলি। এক কথাত তেওঁৰ ছবিত ভিন্নমুখী বাস্তৱ আৰু বিমূৰ্ততা এক কেন্দ্ৰাভিমুখী হৈছে অতি সুন্দৰভাৱে। চকুত পৰা ছন্দ, প্ৰাণৱন্ত ৰঙৰ সমাহাৰ স্থানিক আকৃতিৰ প্ৰতি তেওঁৰ সদা সতৰ্ক দৃষ্টি আৰু ই হৈছে তেওঁৰ উৰ্বৰ কল্পনাৰ ফচল। কেনভাচত তৈলচিত্ৰ আঁকি গৈছে নিৰ্ভীকতাৰে বুদ্ধিমত্তা আৰু পৰিশ্ৰমৰ অপূৰ্ব সংমিশ্ৰণৰে।

তেওঁৰ নিজৰ ভাষাতে ক'বলৈ গ'লে 'বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি নোহোৱাকৈ কোনো ছিৰিয়াছ কলাৰ সৃষ্টি নহয়। জীৱনটোক সাৱলীলভাৱে প্ৰকাশ কৰে কলাই। মানুহক, চৌপাশৰ পৰিৱেশটোক অভিজ্ঞতাপুষ্ট অধ্যয়নৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছো। এইটো কৰিবলৈ যাওঁতে আকৃতি আৰু বিষয়বস্তুৰ ভাৰসাম্যতা ৰাখিবলৈ সচেতন হৈছো যাতে চিত্ৰৰসিকসকলে মোৰ ছবিসমূহ কেৱল নক্সা আৰু চিত্ৰণ মাত্ৰ বুলি অভিহিত নকৰে। মই বিশ্বাস কৰো যে শিল্পীৰ সংবেদনশীলতা, সদায় আন্তৰিক আৰু অবাস্তৱহীন কামক সময়ে কষতি শিলত ঘহা কৌশলে শিল্পকৰ্মক সংস্কৃতিলৈ সঠিক আকৃতিত ৰূপান্তৰ কৰে। বিষয়বস্তু আৰু দক্ষতাৰ সঠিক মিশ্ৰণেৰেহে নিখুঁত কলাৰ সৃষ্টি কৰিব পাৰি।'

যিমানেই তেওঁৰ লগত কথা পাতিছো, পঢ়িছো আৰু বিভিন্নজনৰ পৰা জানিছো, তেওঁৰ প্ৰতি মোৰ আকৰ্ষণ বাঢ়ি বাঢ়ি গৈ আছে। ছবিৰ সৃষ্টি কৰি সমাজলৈ আগবঢ়োৱাৰ উদ্দেশ্যেই জানো সৈন্যবাহিনীৰ কৰ্ণেলৰ দৰে চাকৰিও ১৯৯০ চনতে এৰি দিয়া নাছিল? আজি তেওঁৰ জীৱনৰ অপৰাহ্ন। তথাপি ক্লান্তিহীনভাৱে আঁকি গৈছে ইখনৰ পিছত সিখন ছবি। মুখমণ্ডলত অৱসাদৰ চিনেই নাই, বৰং আছে তৃপ্তিৰ ৰ'দালি।

নতুন চিত্ৰশিল্পীসকললৈ তেওঁ কি বাৰ্তা দিব খোজে সেয়া সুধিলত তেওঁ একে আষাৰেই কৈ উঠিল– 'বাৰ্তা দিব পৰা উপযুক্ত ব্যক্তি মই হয়নে নহয় নাজানো। কিন্তু ক'ব লাগিব বিনাদ্বিধাই যে নতুনচামৰ মাজত বহুতো প্ৰতিভাৱান চিত্ৰশিল্পী আছে আৰু তেওঁলোকৰ ভৱিষ্যৎ অতি সম্ভাৱনাপূৰ্ণ। আচলতে আমাৰ চামৰ চিত্ৰশিল্পীসকলে যি পৰিৱেশত কাম আৰম্ভ কৰিছিল তাৰ তুলনাত আজিৰচাম শিল্পীয়ে অতি সুচল পৰিৱেশত কাম কৰাৰ সুবিধা লাভ কৰিছে। গীতাৰ মতে জ্ঞানীসকল জন্মগত প্ৰবৃত্তিৰ দ্বাৰা পৰিচালিত হয়। কেৱল মানুহেই নহয় সকলো জীৱিত পদাৰ্থই জন্মগত গুণ লৈ আগবাঢ়ে। জুইৰপৰা প্ৰথমে ধোঁৱা ওলোৱা দেখা পালেই হতাশ নহ'বা। ধোঁৱা আতৰিলেই দগমগীয়া জুইৰ উত্তাপ পাবা। তালৈ তুমি অপেক্ষা কৰিব লাগিব। কাৰো সমালোচনাত হতাশ নহ'বা। আৰম্ভণিতে তোমাৰ কামত কিছু অসামঞ্জস্য থাকিব। সময়ত সেইবোৰৰ শুধৰণি হ'ব। আত্মশুদ্ধি আৰু সাহসেৰে সেইবোৰ মোকাবিলা কৰিব পাৰিলেহে তোমাৰ ভিতৰৰ শিল্পীজনে নিৰ্ভীকভাৱে কাম কৰিব পাৰিব।

তেওঁৰ কথাখিনিয়ে মোৰ শৰীৰলৈ অন্য এক উত্তাপ আনি দিলে। বহুসময় থৰ হৈ বহি থাকিলো। কিমান শক্তিশালী এটা মন থাকিলে জীৱনৰ অপৰাহ্নতো ইমান দৰদী আৰু সাহসী হ'ব পাৰে। দেখিলেতো ভাব নহয় এইজন ব্যক্তি অসাধাৰণভাৱে সৃষ্টিশীল এজন সফল চিত্ৰশিল্পী। তেওঁৰ অৱদানখিনি মূল্যায়ন কৰিবলৈকো গুণগ্ৰাহী চিত্ৰৰসিকসকলক এটা যুগৰ প্ৰয়োজন হ'ব। চিত্ৰশিল্পী নহয়, যেন এটি বয়সহীন সুৰীয়া সাঁথৰ।

তেওঁৰ যাত্ৰা অবিৰত হওক।।



# অসমীয়া চলচ্চিত্ৰৰ গতিধাৰা

উৎপল দত্ত

**আৰম্ভণি যুগ**

বিশ্ব চলচ্চিত্ৰৰ আৰম্ভণি হৈছিল ১৮৯৫ চনত, ভাৰতীয় চিনেমাৰ আৰম্ভণি হৈছিল ১৯১৩ চনত। এই ছবিবোৰ আছিল নিৰ্বাক ছবি। প্ৰথম ভাৰতীয় সবাক ছবিখনে মুক্তি লাভ কৰে ১৯৩১ চনত। অসমীয়া চিনেমাৰ আৰম্ভণি হয় এই সবাক ছবিৰ দিনতেই ১৯৩৫ চনত। শব্দৰ সংযোজন আছিল চিনেমাৰ ইতিহাসত এক যুগান্তকাৰী ঘটনা আৰু এই ঘটনাৰ ধনাত্মক প্ৰভাৱ মূৰত লৈয়েই অসমীয়া চিনেমাৰ জন্ম। এই ছবিখন অকল প্ৰথম অসমীয়া ছবিয়েই নহয়, ই সমগ্ৰ উত্তৰ পূব ভাৰতৰো প্ৰথম ছবি।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী' নাটকৰ আলমত জ্যোতিপ্ৰসাদ আগৰৱালাই এই ছবিখন নিৰ্মাণ কৰিছিল। ছবিখনত তেওঁ নামটো সলনি কৰি কেৱল 'জয়মতী' হিচাপে ৰাখে। জ্যোতিপ্ৰসাদে জয়মতীক অদমনীয় সাহস আৰু স্থিৰতাৰ প্ৰতীক হিচাপে প্ৰকাশ কৰিব বিচাৰিছিল। 'কুঁৱৰী' শব্দটোৱে এটা আলফুলীয়া ভাব অনুৰণিত কৰে আৰু তাৰ বিপৰীতে 'জয়মতী' শব্দটোত এক ধৰণৰ শক্তি আৰু ওজন প্ৰতিধ্বনিত হয় বাবেই 'শব্দৰ ধ্বনিমাধুৰ্য আৰু প্ৰকাশিকা শক্তিৰ পূজাৰী' জ্যোতিপ্ৰসাদে এই নামটো ছবিৰ বাবে নিৰ্বাচন কৰিছিল বুলি অনুমান কৰিব পাৰি।

জ্যোতিপ্ৰসাদে ছবি নিৰ্মাণৰ কথা ভবা সময়ত বিশ্বৰ চিত্ৰনিৰ্মাণ কৰা দেশবোৰত ষ্টুডিঅ' প্ৰথাৰ প্ৰচলন আছিল। জাৰ্মানীত চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰশিক্ষণ লৈ উভতি অহা জ্যোতিপ্ৰসাদে সমকালীন বিশ্বৰ চিত্ৰনিৰ্মাণ পদ্ধতি অনুকৰণ কৰিয়েই

তেজপুৰৰ ওচৰৰ ভোলাগুৰি বাগিচাত 'চিত্ৰবন' নামেৰে ষ্টুডিঅ' এটি সাজি লৈ তাত 'চিত্ৰলেখা মুভিটোন'ৰ নামেৰে চলচ্চিত্ৰ নিৰ্মাণ কোম্পানী খুলি লৈ সেই কোম্পানীৰ পৰা জয়মতীৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিছিল। ছবিখনৰ অধিকাংশৰ দৃশ্যগ্ৰহণ কৰা হৈছিল চিত্ৰবন ষ্টুডিঅ'ত। কিছু অংশ কৰা হৈছিল বাহিৰত। সম্পাদনাৰ কাম কৰিছিল লাহোৰৰ ষ্টুডিঅ'ত আৰু কলকাতাৰ 'ৰাউনাক' প্ৰেক্ষাগৃহত ছবিখনৰ প্ৰথম দৰ্শনীৰ আয়োজন কৰিছিল ১৯৩৫ চনৰ ১০ মাৰ্চ তাৰিখে। ছবিখনে গুৱাহাটীত মুক্তিলাভ কৰিছিল সেই একে মাহৰ ২০ তাৰিখে। প্ৰথম অসমীয়া ছবি কাৰণে 'জয়মতী'ৰ প্ৰতি ৰাইজৰ আগ্ৰহ আছিল অসীম, কিন্তু ছবি পৰিৱেশনাৰ বাবে প্ৰয়োজনীয় পৰিকাঠামোৰ অভাৱ আৰু ছবিখনৰ নিৰ্মাণত হোৱা অভাৱনীয় ব্যয়ৰ বাবে ছবিখনে বহু টকা লোকচান ভৰিবলগীয়া হৈছিল। ইয়াৰ পিছত জ্যোতিপ্ৰসাদে ১৯৩৯ চনত নিজৰ কাহিনীৰে 'ইন্দ্ৰমালতী' নামৰ ছবি এখন প্ৰযোজনা আৰু পৰিচালনা কৰি উলিয়াইছিল। অতি কম খৰচত নিৰ্মাণ কৰা এই ছবিখন ব্যৱসায়িক দিশত সফল আছিল আৰু ই জয়মতীৰ লোকচানো পূৰণ কৰিছিল। এই ছবিখন কলকাতাৰ অৰোৰা ষ্টুডিঅ'ত নিৰ্মাণ কৰা হৈছিল। ইয়াৰ লগে লগে জ্যোতিপ্ৰসাদৰ 'চিত্ৰবন' ষ্টুডিঅ'ৰ দুৱাৰ বন্ধ হৈ যায় আৰু কলকাতাৰ ষ্টুডিঅ'ই অসমীয়া ছবিৰ নিৰ্মাণ স্থলী হৈ উঠে।

জ্যোতিপ্ৰসাদ আছিল স্বাধীনতা সংগ্ৰামী আৰু তেওঁৰ সেই মনটোৰ প্ৰভাৱ পৰিছিল তেওঁৰ ছবিত। 'জয়মতী' ছবিত আছিল অসমৰ অতীত গৌৰৱ কাহিনী আৰু 'ইন্দ্ৰমালতী'ত আছিল চলি থকা স্বাধীনতা আন্দোলনৰ ছবি। দুয়োখন ছবিৰেই মূল উদ্দেশ্য আছিল এটাই- দেশৰ স্বাধীনতা সংগ্ৰামক সমৰ্থন কৰা, ৰাইজৰ মাজত জাগ্ৰত হোৱা দেশপ্ৰেমৰ ভাবক বিভিন্ন ধৰণে প্ৰোৎসাহিত কৰা।

স্বাধীনতাৰ আগলৈকে আৰু দুখন অসমীয়া ছবিয়ে মুক্তি লাভ কৰিছিল, 'মনোমতী' আৰু 'বদন বৰফুকন'। দুয়োখন ছবিতেই অসমৰ ইতিহাসৰ কিছু বেদনাদায়ক ঘটনাৰ কথা সন্নিবিষ্ট হৈছিল আৰু এইবোৰৰ মূল উদ্দেশ্যও আছিল অসমৰ জাতীয়তাবোধ জাগ্ৰত কৰি তোলা।

অসমীয়া ছবিৰ জন্মলগ্নৰ পৰা ভাৰতৰ স্বাধীনতাৰ সময়লৈকে যি চাৰিখন অসমীয়া ছবি নিৰ্মাণ হৈছিল সেই ছবিকেইখনৰ নিৰ্মাণৰ নেপথ্যৰ চালিকা শক্তি আছিল স্বাধীনতা আন্দোলনে অসমৰ শিল্পীসকলৰ মনত পেলোৱা প্ৰভাৱ। জ্যোতিপ্ৰসাদৰ প্ৰথম ছবিখন ব্যৱসায়ৰ দিশত বিফল হৈছিল, দ্বিতীয় ছবি 'ইন্দ্ৰমালতী' আছিল ব্যৱসায়িক সফল, কিন্তু 'মনোমতী' আৰু 'বদন বৰফুকন'- দুয়োখনে আছিল জয়মতীৰ লেখীয়া বিগ বাজেটৰ ছবি। চিনেমাৰ বিশালতাৰ দ্বাৰা সন্মোহিত আবেগঋদ্ধ নিৰ্মাতাই এই দিশটো এৰাব নোৱাৰে বাবেই লাভ-লোকচানৰ কথা আওকাণ কৰি থৈ হৃদয়ৰ কথা শুনে আৰু ভৱিষ্যতৰ বাবে এটা আদৰ্শ সৃষ্টি কৰি থৈ যায়। দেশৰ জনসাধাৰণৰ সামগ্ৰিক মনোজগতৰ আদৰ্শ আৰু আকাংক্ষাৰ লগত একাত্ম হ'ব পৰাকৈ নিৰ্মাণ কৰা ছবিকেইখনে স্বাধীনতাৰ পূৰ্বৰ অসমীয়া ছবি ইতিহাসক এক বিশেষ চৰিত্ৰবোধেৰে সবল কৰি তুলিছিল।

অসমীয়া ছবিৰ উদ্ভাৱন যুগৰ এই ছবিখিনিৰ মাজত এটা কথাই স্পষ্ট যে শিল্পচৰ্চাৰ লগত আত্মিকভাৱে জড়িত লোকেহে শিল্পৰ জগতত নতুনকৈ সংযোগ হোৱা মাধ্যম এটিয়ে দিব পৰা উত্তেজনাৰ বাবে অৰ্থৰ কথা চিন্তা নকৰাকৈ ছবি নিৰ্মাণৰ বাবে আগবাঢ়ি আহিছিল আৰু সামাজিক দায়িত্ববোধ আৰু নিজৰ সামাজিক চৰিত্ৰই সেই শিল্পচৰ্চাক এটি স্পষ্ট আদৰ্শ প্ৰদান কৰিছিল।

**বিকাশৰ যুগ**

১৯৪৭ চনৰ পোন্ধৰ আগষ্টক এটা সীমা হিচাপে লৈ তাৰ পৰাই অসমীয়া চলচ্চিত্ৰৰ দ্বিতীয়টি যুগৰ আৰম্ভণি কৰিব পাৰি। এই সময়ছোৱাৰ আৰম্ভণিতে, ৬ ছেপ্টেম্বৰত মুক্তি লাভ কৰা চিনেমাখন আছিল পাৰ্বতীপ্ৰসাদ বৰুৱাৰ 'ৰূপহী'। কমলেশ্বৰ চলিহাই লেখা কাহিনীৰ আলমত নিৰ্মিত এই ছবিখন মূলতঃ এটা প্ৰেম কাহিনী আছিল যদিও তাক এখন ডাঙৰ সমাজৰ প্ৰেক্ষাপটত উপস্থাপন কৰা হৈছিল আৰু তাত উল্লেখিত হৈছিল আদৰ্শবাদী যুৱক কিছুমানৰ কথা যিসকলে শান্তি আৰু বিকাশৰ এখন সমাজ গঢ়িব বিচাৰে। এই কথাত গান্ধীজীৰ 'ৰামৰাজ্য'ৰ ছবি প্ৰতিধ্বনিত হয় আৰু এয়াও স্বাধীনতা সংগ্ৰামৰে প্ৰভাৱ আছিল। ছবিখনে স্বাধীনতাৰ পাচত মুক্তিলাভ কৰিলেও তাৰ নিৰ্মাণ কাৰ্য্য স্বাভাৱিকভাৱেই কিছু দিনৰ আগতেই হৈছিল আৰু সেইবাবেই

ছবিৰ নিৰ্মাতাই স্বাধীনতাৰ সুৰৰ ধ্বনিক ছবিৰ পৰা আঁতৰাই নিব পৰা নাছিল।

'জয়মতী', 'ইন্দ্ৰমালতী' আৰু 'ৰূপহী'- এই তিনিওখন ছবিকেই পৰিচালকে নিজেই প্ৰযোজনা কৰিছিল। নিজে প্ৰয়োজনা কৰাৰ অৰ্থ হ'ল স্ৰস্টা অৰ্থাৎ পৰিচালকে সৃষ্টিৰ সকলো সিদ্ধান্ত নিজেই ল'ব, কোনো বাহিৰা শক্তিয়ে তেওঁৰ সিদ্ধান্তক প্ৰভাৱিত কৰিব নোৱাৰে। কিন্তু সকলো সময়তে চিনেমা কৰিব বিচৰা শিল্পীগৰাকী অৰ্থনৈতিকভাৱে সক্ষম নহ'বও পাৰে আৰু তেনে সময়তে সৃষ্টি-প্ৰক্ৰিয়াত প্ৰযোজক হিচাপে দ্বিতীয়গৰাকী ব্যক্তিৰ প্ৰৱেশ ঘটিব পাৰে। কমল নাৰায়ণ চৌধুৰী পৰিচালিত 'বদন বৰফুকন' ছবিৰ প্ৰযোজনা এনেদৰেই হৈছিল আৰু অসমীয়া ছবি প্ৰযোজনাৰ এই ধাৰাৰ আৰম্ভণি হৈছিল।

প্ৰযোজক আৰু পৰিচালক একেগৰাকী হৈ থকা সময়ত ছবিৰ সৃষ্টিয়ে সম্পূৰ্ণৰূপে এগৰাকী শিল্পীৰ একক সৃষ্টিৰ মৰ্য্যাদা লাভ কৰিছিল। দ্বিতীয় ব্যক্তিৰ আগমনে অৰ্থনৈতিকভাৱে দুৰ্বল চলচ্চিত্ৰকাৰৰ বাবে আশীৰ্বাদ কঢ়িয়াই আনিছিল যদিও ছবিৰ ক্ষেত্ৰত ল'বলগীয়া সিদ্ধান্তক সি প্ৰভাৱিত কৰিছিল আৰু ছবিৰ সৃষ্টি শিল্পসত্তাৰ একক প্ৰতিফলনৰ পৰিৱৰ্তে একাধিক ব্যক্তিৰ চিন্তাৰ ফচলৰ এক সামূহিক সিদ্ধান্তলৈ ৰূপান্তৰিত হ'ল। চিত্ৰনিৰ্মাণত অৰ্থ বিনিয়োগ কৰা গৰাকীৰ ইচ্ছা আৰু আদৰ্শয়ো ছবিখনত প্ৰতিফলিত হ'বলৈ আৰম্ভ কৰিলে।

এই কথাৰ প্ৰতিফলন দেখা গৈছিল চিত্ৰাৱলী পিকচাৰ্চে নিৰ্মাণ কৰা ১৯৪৮ চনৰ ১৬ জানুৱাৰীত মুক্তিলাভ কৰা 'চিৰাজ' ছবিখনত। একাধিক উৎসৰ পৰা অৰ্থ সংগ্ৰহ কৰি প্ৰযোজনা কৰা এই ছবিখনৰ পৰিকল্পনা আৰু নিৰ্মাণৰ আৰম্ভণি স্বাধীনতাৰ আগত হ'লেও ছবিখনত কিন্তু স্বাধীনতা সংগ্ৰামৰ কোনো প্ৰতিফলন দেখা নগৈছিল বা ভাৰতৰ মুক্তি আন্দোলনৰ স্পিৰিটটোৰ প্ৰতিধ্বনিও নাছিল। সেই সময়লৈকে নিৰ্মিত আটাইবোৰ অসমীয়া ছবিতেই স্বাধীনতা আন্দোলন আৰু দেশপ্ৰেমৰ প্ৰসংগ স্পষ্টভাৱে থকা সময়ত এই ছবিখন কিয় ব্যতিক্ৰম হ'ল সেই প্ৰসংগটিও অধ্যয়নৰ বিষয়। এই ছবিৰ কাহিনীভাগত আছিল চাহবাগিচাৰ ধনী হিন্দু মালিকৰ দ্বাৰা এগৰাকী সহায়হীনা গাভৰু অন্তঃসত্বা হোৱা আৰু তেওঁ এটি মুছলমান পৰিয়ালৰ দ্বাৰা আশ্ৰিতা হোৱাৰ কাহিনী। বহু নাটকীয় ঘটনাৰে ভৰা এই ছবিখন ব্যৱসায়িক দিশত সফল হিচাপে চিহ্নিত হৈছিল। ছবিখনৰ অন্যতম পৰিচালক বিষ্ণুপ্ৰসাদ ৰাভা আছিল কমিউনিষ্ট আন্দোলনৰ লগত জড়িত আৰু ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচতেই তেওঁ 'য়ে আজাদী ঝুথা হ্যেঁ' বুলি শ্লোগান দিছিল। তেওঁৰ এই ব্যক্তিগত আদৰ্শই ছবিখনত প্ৰভাৱ পেলাইছিল বুলি ভবাৰ ঠাই আছে।

'চিৰাজ'ৰ ব্যৱসায়িক সফলতাই এটা ধাৰণা দিবলৈ সক্ষম হৈছিল যে চিনেমা নিৰ্মাণ আৰু প্ৰদৰ্শনৰ উপযুক্ত পৰিকাঠামো নথকা অৱস্থাতো অসমত ছবি নিৰ্মাণ আৰু ব্যৱসায়িক সফলতা সম্ভৱ হ'ব পাৰে। এই ধাৰণাৰ জন্ম অসমীয়া ছবিৰ বিকাশৰ বাবে আছিল অতি উৎসাহজনক। 'চিৰাজ'ৰ আগতে মুক্তিলাভ কৰা 'মনোমতী', 'ৰূপহী' আৰু 'বদন বৰফুকন'ৰ সীমিত কিন্তু আশাব্যঞ্জক সফলতাই 'চিৰাজ'ৰ ভেটি নিৰ্মাণ কৰি দিছিল। এই কালছোৱাত নিৰ্মাণ হোৱা ছবিবোৰৰ মাজত থকা সাদৃশ্যটি হ'ল একমাত্ৰ 'ইন্দ্ৰমালতী'ক বাদ দি আটাইকেইখন ছবিয়েই আছিল বিশাল বাজেটৰ ছবি। 'চিৰাজ'ৰ প্ৰযোজনা হৈছিল বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা টকাৰে আৰু সেই কাম পেছাদাৰী মানুহৰ দ্বাৰা কৰা হোৱা নাছিল। সেইবাবেই ব্যৱসায়িকভাৱে সফল হোৱাৰ পাচতো ছবি প্ৰযোজনা সংস্থাটিয়ে ছবি নিৰ্মাণৰ ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা নাছিল।

১৯৫৩ চনত মুক্তিলাভ কৰা সুৰেশ গোস্বামীৰ 'ৰুণুমী' ছবিখন আছিল বিদেশী কাহিনীৰ অসমীয়া ৰূপান্তৰ। এই ছবিয়ে কাহিনীৰ দিশৰ পৰা অসমৰ সীমা অতিক্ৰম কৰি বিদেশৰ পিনে আগবাঢ়ে। ১৯৫৪ চনত মুক্তিলাভ কৰা, সুনীল গাংগুলী পৰিচালিত 'সতী বেউলা' ছবি হ'ল প্ৰথম অসমীয়া জনবিশ্বাস আৰু ধৰ্মমূলক ছবি যি ছবিৰ কাহিনী সম্পূৰ্ণৰূপে অসমীয়া। ১৯৫৫ চনত লক্ষ্যধৰ চৌধুৰীয়ে পৰিচালনা কৰা 'নিমিলা অংক'ত অসমীয়া মধ্যবিত্তীয় সমাজৰ ছবি অংকন কৰা হৈছিল আৰু সেই ছবিৰ লগে লগে অসমীয়া ছবিৰ কাহিনীলৈ বাস্তৱমুখী ঘটনাৰ আগমন ঘটে। ১৯৫৬ চনত মুক্তিলাভ কৰা ভূপেন হাজৰিকাৰ 'এৰা বাটৰ সুৰ' ছবিখন আছিল অসমৰ মাটিৰ সুৰৰ ওপৰত আধাৰিত।

ছবিখনৰ কাহিনীও আছিল নতুন ধৰণৰ- সামাজিক বা ব্যক্তিগত সমস্যাৰ পৰা আঁতৰি গৈ ভূপেন হাজৰিকাই এই ছবিৰে শিল্পসাধনাৰ আদৰ্শ আৰু সংকটৰ কথাক এটা কাহিনীৰে ক'ব বিচাৰিছিল। বিভিন্ন সুৰৰ সংগীতে মুখ্য স্থান অধিকাৰ কৰা এই ছবিৰ কাহিনীত ঘটনাৰ স্থান আছিল কম, মনোজগতৰ অনুভৱৰ কথা আছিল বেছি। ছবিখনত ভূপেন হাজৰিকাই ভাৰতৰ বিখ্যাত সংগীত প্ৰতিভা লতা মংগেছকাৰ, হেমন্ত মুখাৰ্জী আদিৰ কণ্ঠ ব্যৱহাৰ কৰি ছবিখনক এটি বহল প্ৰেক্ষাপটত চিনাকি কৰাই দিছিল। ইমান দিনলৈ অসমীয়া ছবিৰ সীমা আছিল পশ্চিমবংগ, ভূপেন হাজৰিকাই এই সীমা মুম্বাইলৈ প্ৰসাৰিত কৰে।

১৯৬৩ চনত সেই সময়ৰ জনপ্ৰিয় গীতিকাৰ আৰু সংগীত পৰিচালক আৰু অভিনেতা ব্ৰজেন বৰুৱাই বিদেশী কাহিনী এটাৰ ভেটিত 'ইটো সিটো বহুতো' নামেৰে হাস্যৰসৰ ছবি নিৰ্মাণ কৰি অসমীয়া ছবিৰ ধাৰাটোক বৈচিত্ৰ্যপূৰ্ণ কৰি তোলাত অৰিহণা আগবঢ়ায়। ছবিজগতত কিছু বছৰ ধৰি প্ৰযোজক, অভিনেতা, সংগীত-পৰিচালক আৰু গায়ক হিচাপে জড়িত থকা অভিজ্ঞতাৰে ছবি নিৰ্মাণ আৰম্ভ কৰি পৰিচালক-প্ৰযোজক আৰু বিতৰক তেওঁ নিজেই হোৱাটো ঠিক কৰিছিল। তেওঁ জানিছিল যে ছবি এখন নিজৰ মতে সম্পূৰ্ণ কৰাই শেষ কথা নহয়, তাক সঠিকভাৱে দৰ্শকৰ ওচৰলৈ নিয়াটো অধিক জৰুৰী কথা আৰু এই দিশটো সবল নহ'লে ছবি এখন ব্যৱসায়িকভাৱে সফল হ'ব নোৱাৰে। কিন্তু মাত্ৰ দুটা প্ৰিন্টেৰে ব্ৰজেন বৰুৱা ছবিখন বিতৰণ আৰু প্ৰদৰ্শনত আশা কৰা মতে সফল হ'ব পৰা নাছিল। অৱশ্যে এই ছবিখন সকলো শ্ৰেণীৰ দৰ্শকে ভাল পাইছিল আৰু সুনিৰ্মিত ছবিখনৰ আবেদন এতিয়াও কমি যোৱা নাই।

একেই বছৰতে প্ৰচলিত সাধুকথা এটিৰ ভেটিত আনোৱাৰ হুচেইনে নিৰ্মাণ কৰে 'তেজীমলা'।

এই কালছোৱাত অসমীয়া ছবি নিৰ্মাণৰ বাবে ওলাই অহা বিভিন্ন ব্যক্তি আৰু প্ৰতিষ্ঠানৰ অংশগ্ৰহণে ছবিৰ বিকাশৰ পথটি নিৰ্মাণ কৰি দিছিল। ছবি প্ৰদৰ্শন ব্যৱসায়ৰ লগত জড়িত থকা কিছু সংখ্যক লোক ছবি প্ৰযোজনাৰ লগতো জড়িত হৈ পৰিছিল। সেইসকলৰ কেইগৰাকীমান হ'ল চিত্ৰগৃহৰ স্বত্বাধিকাৰী তিলক দাস, কাশীপ্ৰসাদ বিহানী, গামা প্ৰসাদ আগৰৱালা আদি। ছবিজগতৰ লগত পোনপটীয়া সম্বন্ধ নথকা ৰামনিক লাল, সুনীলাল শ্বাহ, গৌৰীশংকৰ হিম্মৎসিংকা আদিৰ দৰে কেইবাজনো লোক অসমীয়া ছবি প্ৰযোজনাৰ লগত জড়িত হৈ পৰিছিল। ছবি নিৰ্মাণক কিছু গভীৰভাৱে লোৱাৰ ইচ্ছাৰে 'শোণিতপুৰ পিকচাৰ্চ প্ৰাইভেট লিমিটেড', 'মিলিত শিল্পী চিনে প্ৰডাকচন প্ৰাইভেট লিমিটেড' আদিৰ দৰে প্ৰতিষ্ঠান গঢ় লৈ উঠাৰ লগতে সমবায় সমিতিৰো (ভাস্কৰ কলাচিত্ৰ সমবায় লিমিটেড) গঠন হৈছিল আৰু ট্ৰেড ইউনিয়নেও (তেজপুৰ জিলা চাহ মজদুৰ সংঘ) ছবি নিৰ্মাণ কৰিবলৈ হাতত লৈছিল। ছবি নিৰ্মাণত ইমানবোৰ ব্যক্তি আৰু প্ৰতিষ্ঠানৰ অংশগ্ৰহণে অসমীয়া ছবিৰ বিকাশ দ্ৰুত কৰি তুলিছিল। 'পূবেৰুণ' ছবিয়ে বাৰ্লিন ফিল্ম ফেষ্টিভেলত যোগদান কৰাটোও আছিল বিকাশৰ আন এক জ্বলন্ত দৃষ্টান্ত। গামা প্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা ফণী শৰ্মাই পৰিচালনা কৰা 'পিয়লি ফুকন' ছবিয়ে চলচ্চিত্ৰৰ ৰাষ্ট্ৰীয় বঁটা 'প্ৰেচিডেণ্টছ চাৰ্টিফিকেট অব মেৰিটছ' লাভ কৰিছিল। ইয়াৰ পাচত নীপ বৰুৱাৰ 'মাক আৰু মৰম' আৰু আনোৱাৰ হুচেইনৰ 'তেজীমলা'ই একেই চাৰ্টিফিকেট অব মেৰিট লাভ কৰিছিল। পাচত এই পুৰস্কাৰৰ নাম প্ৰেচিডেণ্টছ চিলভাৰ মেডেল কৰা হয় আৰু এই মেডেল লাভ কৰিছিল নীপ বৰুৱাৰ 'ৰঙা পুলিচ', প্ৰভাত মুখাৰ্জীৰ 'পূবেৰুণ' ভূপেন হাজৰিকাৰ 'শকুন্তলা', 'প্ৰতিধ্বনি', 'লটিঘটি' আৰু সৰ্বেশ্বৰ চক্ৰবৰ্তীৰ 'মণিৰাম দেৱান' ছবিয়ে। এই পুৰস্কাৰবোৰে চিত্ৰনিৰ্মাতা সকলক মানসিক তৃপ্তি দিছিল আৰু সামগ্ৰিকভাৱে ছবিজগতখনক সন্মানিত কৰিছিল। এই সন্মান আছিল অসমীয়া ছবিৰ বিকাশৰ এটা প্ৰধান অনুঘটক।

পৰিচালক হিচাপে ভূপেন হাজৰিকাই যেনেদৰে প্ৰতিখন ছবিকেই পৃথক পৃথক চৰিত্ৰৰে নিৰ্মাণ কৰি গৈছিল তেনেদৰে প্ৰযোজক হিচাপেও তেওঁ অসমীয়া ছবিৰ সীমিত বজাৰখন বঢ়োৱাৰ ক্ষেত্ৰত সদায়েই সচেতন আছিল আৰু সেই উদ্দেশ্যেৰেই তেওঁ ১৯৬৫ চনত এটি খাচী লোককথাৰ ভেটিত নিৰ্মাণ কৰিছিল 'প্ৰতিধ্বনি'। এই ছবিখন তেওঁ খাচী ভাষালৈ 'ডাব' কৰি বাণিজ্যিকভাৱে মুক্তি দিছিল। হিন্দী ছবি 'তকদীৰ' তেওঁ অসমীয়ালৈ ডাব কৰাত আগভাগ লৈছিল আৰু পৰৱৰ্তী কালত সেই ছবিৰ প্ৰযোজক ৰাজশ্ৰী প্ৰডাকচনৰ

লগত যৌথ প্ৰযোজনাত নিৰ্মাণ কৰিছিল ‘চিকমিক বিজুলী’। ‘প্ৰতিধ্বনি’ৰ খাচী ডাবিং সংস্কৰণেৰে তেওঁ খাচী পাহাৰৰ পৰা অসমৰ প্ৰযোজকলৈ যেনেদৰে ধন আনিছিল, ঠিক তেনেদৰে ‘তকদীৰ’ৰ অসমীয়া ডাবিঙেৰে অসমৰ ধন বাহিৰলৈ গুচি যোৱাত সহায় কৰিছিল।

**সোণালী যুগ**

১৯৬৯ চনটোত অসমীয়া ছবিয়ে বিকাশৰ পথত এটি দীৰ্ঘ জঁাপ মাৰিবলৈ সক্ষম হয়। এই বছৰটোত দুখন ছবিয়ে মুক্তিলাভ কৰিছিল- ভূপেন হাজৰিকাৰ ‘চিকমিক বিজুলী’ আৰু ব্ৰজেন বৰুৱাৰ ‘ডাক্তৰ বেজবৰুৱা’। ‘চিকমিক বিজুলী’য়েই হ’ল সৰ্বভাৰতীয় স্তৰত প্ৰতিষ্ঠিত চলচ্চিত্ৰ প্ৰযোজনা সংস্থা এটাই প্ৰযোজনা কৰা প্ৰথম অসমীয়া ছবি। ইয়াৰ পাচৰে পৰা অসমীয়া ছবিত ব্যৱসায়ী সংস্থাৰ অংশগ্ৰহণ আৰম্ভ হয়। এই ছবিখন আছিল অভাৱনীয়ভাৱে ‘বিগ-বাজেট’ ছবি। গুৱাহাটী, কলকাতা আৰু মুম্বাইত এই ছবিৰ দৃশ্যগ্ৰহণ হৈছিল, তিনিওখন ঠাইৰে অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰিছিল, গান গাইছিল কিশোৰ কুমাৰ, আশা ভোচলে আদিৰ দৰে সৰ্বভাৰতীয় পৰ্য্যায়ৰ কণ্ঠশিল্পীয়ে। ইমানবোৰ আয়োজনৰ পাচতো কিন্তু ছবিখনে আশা কৰা ব্যৱসায় কৰিব নোৱাৰিলে। প্ৰযোজনা সংস্থা ৰাজশ্ৰীয়ে ভূপেন হাজৰিকাৰ পৰিচালনাত একেলেথাৰিয়ে পাঁচখন ছবি প্ৰযোজনা কৰাৰ চুক্তি কৰিছিল। কিন্তু সেই চুক্তি ভূপেন হাজৰিকাই ৰক্ষা কৰা নাছিল আৰু ফলত বাকী চাৰিখন ছবি নিৰ্মাণ নহ’ল।

আনখন ছবি ব্ৰজেন বৰুৱা পৰিচালিত ‘ডাঃ বেজবৰুৱা’ আছিল আবেগমিশ্ৰিত থ্ৰিলাৰ আৰু এই ধাৰাৰ প্ৰথম অসমীয়া ছবি। ইন্দ্ৰমালতীৰ দিনৰে পৰা অসমীয়া ছবিৰ অন্তৰ্দৃশ্যৰ দৃশ্যগ্ৰহণ কৰা হৈছিল কলকতাৰ ষ্টুডিঅ’ত। কিন্তু ব্ৰজেন বৰুৱাই কলকাতালৈ যোৱাৰ পৰিৱৰ্তে অসমৰে সাধাৰণ ঘৰতে দৃশ্যগ্ৰহণৰ কাম কৰিছিল আৰু কাৰিকৰী লোকৰ অভাৱ পূৰণ কৰিবলৈ থলুৱা ল’ৰা-ডেকাকে কাৰিকৰী কাম শিকাই লৈছিল। ডাঃ বেজবৰুৱা ব্যৱসায়িক দিশত সফল ছবি আছিল আৰু তাতকৈ ডাঙৰ কথা আছিল এই ছবিখনৰ নিৰ্মাণত ব্ৰজেন বৰুৱাই দেখুওৱা সাহসৰ বাবে অসমত ছবি নিৰ্মাণৰ সংখ্যা বাঢ়িবলৈ লৈছিল। একে সময়তে ছবিৰ কাৰিকৰী কামৰ বাবে অসমীয়া মানুহো আগবাঢ়ি আহিছিল। এই সকলোবোৰৰ মিলনে ‘ডাঃ বেজবৰুৱা’ক অসমীয়া ছবিৰ ইতিহাসত এখন গুৰুত্বপূৰ্ণ ছবিৰ স্থান দিছিল। পৰৱৰ্তী কালত ব্ৰজেন বৰুৱাই ‘মুকুতা’, ‘ললিতা’ আৰু ‘ওপজা সোণৰ মাটি’ নামৰ ছবিকেইখন পৰিচালনা কৰে।

চতুৰংগ পৰিচালিত ‘অপৰাজেয়’ (১৯৭০) ছবিখনে বাস্তৱবাদী চলচ্চিত্ৰৰ ধাৰাটিৰ আৰম্ভণি কৰে আৰু পদুম বৰুৱাৰ ‘গঙা চিলনীৰ পাখি’ (১৯৭৬) ছবিখনে এই ধাৰাটোক শক্তিশালী কৰি তোলাত সহায় কৰে। এই ছবিদুখনৰ মাজৰ সময়ছোৱাত নিৰ্মিত ‘মমতা’, ‘বৃষ্টি’, ‘খোজ’, ‘উত্তৰণ’, ‘হৃদয়ৰ প্ৰয়োজন’ আদি ছবিয়ে এই ধাৰাটিৰ বিকাশত সহায় কৰি আহিছে।

১৯৭৭ চনত মুক্তিলাভ কৰা ভবেন্দ্ৰ নাথ শইকীয়াৰ ‘সন্ধ্যাৰাগ’ ছবিখনে লাভ কৰা ব্যৱসায়িক আৰু কলাগত সফলতাই বাস্তৱবাদী ধাৰাটোৰ দেহত নতুন তেজৰ সঞ্চাৰ কৰে। তেওঁ একাদিক্ৰমে ‘অনিৰ্বাণ’, ‘অগ্নিস্নান’, ‘কোলাহল’, ‘সাৰথি’, ‘আৱৰ্তন’, ‘ইতিহাস’ আৰু হিন্দী ভাষাত ‘কালসন্ধ্যা’ পৰিচালনা কৰে। দেশ-বিদেশৰ বহু চলচ্চিত্ৰ মহোৎসৱত ভবেন্দ্ৰ নাথ শইকীয়াৰ ছবি প্ৰদৰ্শিত হৈছে। তেওঁৰ পিছত জাহ্নু বৰুৱাই ‘অপৰূপা’ৰে তেওঁৰ পৰিচালনা যাত্ৰা আৰম্ভ কৰে আৰু কেইবাখনো ছবি নিৰ্মাণ কৰে। তেওঁৰ ছবিয়েও দেশৰ ভিতৰে-বাহিৰে সন্মান লাভ কৰিছে। তেনেদৰে সান্ত্বনা বৰদলৈ, অতুল বৰদলৈ, সঞ্জীৱ হাজৰিকা, বিদ্যুত চক্ৰৱৰ্তী, মঞ্জু বৰা, গৌতম বৰা আদিয়েও বাস্তৱধৰ্মী ছবিৰে সন্মান কঢ়িয়াই আনিছে।

আনহাতে বিনোদনধৰ্মী ছবি ‘ডাঃ বেজবৰুৱা’ই যি সফল ব্যৱসায়ৰ বাৰ্তা বহন কৰিছিল, সেই পথেৰেও বহু পৰিচালকে বাট বুলিছিল আৰু দৰ্শকক উপভোগ্য ছবি উপহাৰ দিছিল। এই ছবিবোৰৰ প্ৰায়ভাগৰেই কাহিনী আছিল আবেগপূৰ্ণ আৰু নাটকীয় উপাদানেৰে ভৰা। ‘মুকুতা’, ‘যোগ বিয়োগ’, ‘উপগ্ৰহ’, ‘ভাইটি’, ‘চামেলি মেমচাব’, ‘আজলী নবৌ’ আদি এই ধাৰাৰ ছবি। এই ছবিবোৰ চলচ্চিত্ৰ ভাষাৰ দিশৰ পৰা বৰ ওখ খাপৰ নাছিল যদিও ছবিবোৰে দৰ্শকৰ ৰুচিবোধৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি নিটোল গ্ৰহণযোগ্য কাহিনী একোটাৰ মাজতে নিজকে আৱদ্ধ কৰি ৰাখিছিল।

এই সময়ছোৱাৰ কেইগৰাকীমান উল্লেখযোগ্য পৰিচালক হ'ল নিপ বৰুৱা, দ্বিবন বৰুৱা, আব্দুল মজিদ, শিৱ ঠাকুৰ আদি। এটা সময়ত বিভিন্ন কাৰণত অসমীয়া ছবিৰ ব্যৱসায় বেয়া হ'বলৈ আৰম্ভ কৰে। এই বিপৰ্যয় অকল অসমীয়া ভাষাৰ ছবিৰ ক্ষেত্ৰতে নাছিল, ই আছিল সৰ্বভাৰতীয় পৰিৱেশ। এই মন্দাৱস্থাৰ লগত মোকাবিলা কৰিবলৈ কেইবাজনো পৰিচালকে হিন্দী আৰু দক্ষিণ ভাৰতীয় ছবিৰ উপাদান ব্যৱহাৰ কৰি অসমীয়া চিনেমাক ব্যৱসায়িক দিশত সফল কৰাৰ চেষ্টা কৰিছিল। কিন্তু সেই চেষ্টাই কাম দিয়া নাছিল। অসমীয়া ছবিৰ সোণালী যুগৰ ম্লান পৰি যোৱা উজ্জ্বলতাই অপেক্ষা কৰি ৰৈছিল পৰৱৰ্তী শুভক্ষণৰ মুহূৰ্তলৈ।

**পুনৰুত্থানৰ যুগ**

১৯৯৮ চনত মুক্তিলাভ কৰা অশোক কুমাৰ বিষয়া পৰিচালিত 'যৌৱনে আমনি কৰে' ছবিখনে হঠাত অসমীয়া ছবিৰ ব্যৱসায়ৰ বৰ্ণহীন ছবিখনক উজ্জ্বল কৰি তোলে। সেই ছবিৰ সফলতাত উজ্জীৱীত হৈ বহু নিৰ্মাতাই হিন্দী আৰু দক্ষিণ ভাৰতীয় ছবিৰ উপাদানৰ সমাৱেশ ঘটাই অসমীয়া চিনেমা নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰে। এই ধাৰাৰ কেইখনমান সফল ছবি আছিল 'মহাৰথী', 'বুকুৰ মাজত জ্বলে' আদি। কেইখনমান ছবিয়ে ব্যৱসায়িক দিশত সফলতা লাভ কৰিলেও বেছিভাগ ছবিৰে ব্যৱসায় ভাগ্য আছিল মন্দ। তাৰ মাজতে মুনীন বৰুৱাই 'হিয়া দিয়া নিয়া' নামৰ ব্যৱসায়িকভাৱে সফল ছবি এখন নিৰ্মাণ কৰিছিল। এই ছবিত আধুনিক উপাদান আছিল যদিও ছবিখনৰ মূল আবেদন আছিল নিটোল কাহিনীৰ নাটকীয় উপস্থাপন। পৰৱৰ্তী কালত মুনীন বৰুৱাই কেইবাখনো ব্যৱসায়িক সফল ছবি নিৰ্মাণ কৰিছে আৰু কেতিয়াও ৰুচিবোধৰ ক্ষেত্ৰত আপোচ কৰা নাই।

প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰে চিনেমাক চেলুলয়ডৰ পৰা মুক্তি দিয়ে আৰু ডিজিটেল পদ্ধতিত চিনেমাৰ দৃশ্যগ্ৰহণ আৰু পিছৰ পৰ্য্যায়ৰ কামবোৰ কৰিব পৰা সুবিধা দিয়ে। ফলত দৃশ্যগ্ৰহণ আৰু সম্পাদনাৰ বহু কাম সহজ হৈ পৰে আৰু ছবি নিৰ্মাণলৈ পুনৰ বহু লোক আগবাঢ়ি আহে। ২০১০ চনত সঞ্জীৱ সভাপণ্ডিতে পৰিচালনা কৰা 'জাংফাই জোনাক' নামৰ ছবিখনেই হাই ডেফিনেচন ডিজিটেল পদ্ধতিত নিৰ্মাণ কৰা প্ৰথম অসমীয়া ছবি।

**স্বতন্ত্ৰ ছবিৰ যুগ**

প্ৰযুক্তি বিদ্যাৰ নতুন নতুন সংযোজনৰ লগে লগে বহু বস্তু ব্যৱহাৰৰ অতীত হৈ এদিন নোহোৱা হৈ যোৱাৰ দৰে ডিজিটেল মুভি কেমেৰাৰ আগমনে চেলুলয়ডক প্ৰায় বিদায় দিলে আৰু ছবিৰ জগতত এটি নতুন অধ্যায়ৰ আৰম্ভণি হ'ল। ডিজিটেল কেমেৰা ব্যৱহাৰৰ ক্ষেত্ৰত থকা সুবিধা আৰু কম পইচাৰে শ্বুটিং আৰম্ভ কৰিব পৰা হোৱা বাবে এই কেমেৰাই বহু চিত্ৰ নিৰ্মাতাক আকৰ্ষিত কৰিলে।

'বুঢ়ী আইৰ সাধু'খনৰ পৰা কেইটিমান জনপ্ৰিয় সাধুকথা লৈ ভাস্কৰ হাজৰিকাই নিৰ্মাণ কৰা আৰু ২০১৫ চনত মুক্তিলাভ কৰা 'কথানদী' অকল কাহিনী-চিত্ৰনাট্যত থকা পৰীক্ষামূলক আচৰণৰ বাবেই নহয়, আন কেইবাটিও দিশৰ পৰা উল্লেখযোগ্য আছিল। ছবিখনৰ প্ৰযোজনা ব্যয়ৰ বাবে 'উইছবেৰি' নামৰ প্লেটফৰ্মৰ যোগে 'ক্ৰাউদ ফান্দিঙ'ৰ সহায় লোৱা হৈছিল। 'কথানদী'য়ে 'উইছবেৰি' ইতিহাসত শীৰ্ষস্থান অধিকাৰ কৰিব পৰাকৈ অৰ্থ সংগ্ৰহ কৰিছিল আৰু এটা কম জনসংখ্যাৰ মানুহ থকা ভাষা এটাৰ ছবি এখনৰ বাবে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা অৰ্থ সংগ্ৰহ কৰিব পৰাটো অভাৱনীয় কথা আছিল। ছবিখনে নিৰ্মাণৰ বাবে আন্তৰ্জাতিক সংগঠন 'এচিয়া চিনেমা ফান্দ'ৰ পৰা প্ৰতিযোগিতামূলক নিৰ্বাচনৰ পৰা প্ৰযোজনা-উত্তৰ কামৰ বাবে সাহায্য লাভ কৰিছিল আৰু এই সাহায্যৰ অংশ হিচাপে ছবিখনৰ কিছু কাম কৰা হৈছিল দক্ষিণ কোৰিয়াৰ চিউলত। ছবি এখনে মুক্তিৰ আগতে লাভ কৰা এনে ধৰণৰ সুবিধা অসমীয়া ছবিৰ ইতিহাসত প্ৰথম আছিল।

২০১৭ চনত মুক্তিলাভ কৰা ৰীমা দাসৰ সম্পূৰ্ণ গ্ৰাম্যজীৱন ভিত্তিক ছবি 'ভিলেজ ৰকষ্টাৰ'এ দেশ-বিদেশত লাভ কৰা অকল্পনীয় সন্মানে অসমৰ স্বতন্ত্ৰ চিত্ৰনিৰ্মাতাসকলৰ মনলৈ গভীৰ সাহস আৰু বিশ্বাসৰ ভাব কঢ়িয়াই আনিছিল। ছবি নিৰ্মাণৰ বাবে যিমান প্ৰস্তুতি আৰু সমল লাগে সেইবোৰ নোহোৱাকৈয়ে ৰীমা দাসে এটা সাধাৰণ কেমেৰা লৈ ঘৰৰ ওচৰৰ ল'ৰা-ছোৱালীকেইটিমানক লৈ নিজেই দৃশ্যগ্ৰহণ-সম্পাদনা কৰি উলিওৱা এই ছবিখনে অৰ্থৰ সীমাবদ্ধতাৰ বাবে ছবি কৰিব নোৱৰাসকলক বিশেষ উৎসাহ দিছিল।

ছবিখনে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰাৰ লগতে অস্কাৰৰ বাবেও ভাৰতক প্ৰতিনিধিত্ব কৰা কথাটোৱে সমগ্ৰ স্বতন্ত্ৰ চিত্ৰনিৰ্মাতাসকলৰ মানসিকতাক সাহস যোগাইছিল। ৰীমা দাসৰ পাচৰখন ছবি 'বুলবুল কেন চিং'-এ ভিলেজ ৰকষ্টাৰৰ সমানৰ খ্যাতি অৰ্জন কৰিব নোৱাৰিলেও বিদেশৰ বহু মহোৎসৱত প্ৰদৰ্শন হোৱাৰ সুবিধা পাইছিল। ছবিজগতত আৰ্ন্তজাতিক খ্যাতি বুলিলে যি বুজায়, অসমৰ ৰীমাইহে সেই খ্যাতি অৰ্জন কৰিছিল।


ৰীমা দাসে প্ৰদৰ্শন কৰা পথেৰে কেইবাগৰাকীও পৰিচালকে আগবাঢ়িছিল আৰু জয়সেং দহোতীয়া, কৃপাল কলিতা আদিৰ দৰে পৰিচালকে সফলতাও লাভ কৰিছে।


১৯৯৮ চনত মুক্তিলাভ কৰা 'যৌৱনে আমনি কৰে' ছবিৰ দৰেই জুবিন গাৰ্গে এক কোটিৰো অধিক টকাৰে নিৰ্মাণ কৰা 'মিছন চাইনা' ছবিখনে প্ৰায় সাতকোটিৰো অধিক টকা উপাৰ্জন কৰি প্ৰমাণ কৰি দিছিল যে অসমীয়া ছবিও ব্যৱসায়িক দিশত সফল হোৱাটো সম্ভৱ। এনেদৰে একাধিক ছবি নিৰ্মাণ হৈছিল, টকাও উপাৰ্জন কৰিছিল, কিন্তু ইমান বিশাল পৰিমাণৰ ধন বিনিয়োগ কৰিবলৈ আগ্ৰহ কৰা প্ৰযোজকৰ সংখ্যাও বেছি নাছিল। আৰু ঠিক এনেকুৱা সময়তে কৰ'নাৰ আক্ৰমণত সকলো স্থবিৰ হোৱাত এই দিশটো তাতেই স্থবিৰ হৈ ৰৈ থাকিল।

অসমীয়া ভাষাৰ লগতে অসমৰ বড়ো ( প্ৰথম ছবি- আলয়াৰণ, পৰিচালক- জাওদাং বডোচা), ডিমাছা (প্ৰথম ছবি- দা আনট'ল্ড ষ্টৰি অব ব্লু হিলছ, পৰিচালক- প্ৰফুল্ল শইকীয়া), কাৰ্বি (প্ৰথম ছবি- জিৰ চং, পৰিচালক- প্ৰফুল্ল শইকীয়া), মিছিং (প্ৰথম ছবি- পানৈ জংকি, পৰিচালক- নাৰায়ণ শীল আৰু দিলীপ দলে), ৰাভা (প্ৰথম ছবি- অৰং, পৰিচালক- সূৰজ কুমাৰ দুৱৰা) আদি ভাষাতো ছবি নিৰ্মাণ হৈ আহিছে আৰু সেই ছবিবোৰৰ কেইবাখনেও ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হৈ খ্যাতি অৰ্জন কৰিছে।

সামগ্ৰিকভাৱে পঁচাশীটা বছৰ অতিক্ৰম কৰা অসমীয়া চিনেমাই এতিয়াও আন্তৰ্জাতিক প্ৰেক্ষাপটত সবল খোজ দিব পৰা নাই। ইয়াৰ বাবে প্ৰয়োজন হয় ছবিৰ কাৰিকৰী দিশৰ উচ্চ মান আৰু বিষয়বস্তুৰ বৌদ্ধিক আৰু দাৰ্শনিক সমল।

●




With best compliments from
a
well wisher